অৰ্ণৱ, আস্থা আৰু JEC

লেখিকা- ইন্দ্ৰাণী শৰ্মা

প্ৰথম অধ্যায়

খণ্ড ১

: নাম কি?

: আস্থা ।

: তোমাৰ নাম নে তুমি জন্ম হোৱা nursing home খনৰ নাম?

: মোৰ নাম ।

: Interesting.

বুকুখন বেছি জোৰকৈ ধক্ ধক্ কৰিছে মোৰ । এনেকুৱা লাগিছে কলিজাটো ওলাই আহিব এতিয়া । আজি মোৰ JEC মানে Jorhat Engineering college অত প্ৰথম দিন । admission লবলৈ আহি ৰৈ থাকোতেই চিনাকি পৰ্ব আৰম্ভ হলেই। গাঁৱৰ পৰা প্ৰথম ওলাই আহিছো মই। এইখন কলেজত পঢ়াৰ দুৰ্বাৰ হেঁপাহ আাাছিল আগৰপৰাই, আজি যেন সপোন এটা সঁচা হল। মনত অলেখ ভাবৰ বুৰবুৰণি! লাইনত ৰৈ থকাৰ পৰাই দূৰত ঠিয় হৈ থকা দেউতালৈ চালো, হাজাৰ কষ্টৰ মাজতো হাঁহিবলৈ নেপাঁহৰে অজলা মানুহজনে । মোক লৈয়েই যেন তেওঁৰ সমস্ত পৃথিৱী ঘূৰে। স্কুলৰ শিক্ষক হিচাপে সকলোৰে আদৰৰ বৰুৱা ছাৰ। আৰু সেই বৰুৱা ছাৰৰ আলসুৱা ছোৱালী মই আস্থা। দেউতাৰ বাবে মাজনী, মাৰ কাৰণে জীও। ঘৰৰপৰা আঁতৰি থাকিব পাৰিম জানো মই? কিয় হৈছে এনেকুৱা, মই সুখী হব লাগে নে দুখী হব লাগে আজি নাজানো ।

: আস্থা বৰুৱা

নিজৰ নামটো শুনি উচপ খাই উঠিলো।
Form খন আৰু admission ফিজতো লৈ counter পালোগৈ। আকৌ এবাৰ ঘুৰি দেউতালৈ চালো। একে ঠাইতে ৰৈ আছে, মই বাৰু আঁতৰি আহিছো নিকি মোৰ সৰু পৃথিৱীখনৰ পৰা? Admission লোৱাৰ লগতে হোষ্টেলৰ কাৰণেও form এখন লৈ আনিলো। Details খিনি ভৰাই দেউতাৰ চহী লৈ জমা দিলো। শোক এটাই খুন্দা মাৰি ধৰিলে। চকুৰ পানীখিনি সামৰিব নোৱাৰিম নেকি আজি? কি হৈছে মোৰ? কিয় ইমান কঁপনি উঠিছে। গাল খন চোন পুৰিছে মোৰ। লৰালৰিকৈ হোষ্টেলৰ বাবে জৰুৰী কামবোৰ কৰিবলৈ চেষ্টা কৰিছোঁ। নাইপৰা মই, নোৱাৰিম মই।
: Hey, you need any help?

হাতৰপৰা কলমটো সৰি পৰিল মোৰ। চকু তুলি চাবলৈ ভয় লাগিল। ইমান গভীৰ মাতষাৰ! অলপ সাহস কৰি মোৰ তুলি চালো। এজাক চেঁচা বতাহে খুব জোৰেৰে কোবাই গল মোক। এইবাৰ আৰু বেছি কঁপিছে বুকুখন।
: I am Arnav, computer science last year
সন্মুখত থকাজন কলেজৰ senior বুলি বুজি পালো।কিন্তু অৰ্ণৱ! পাগলৰ দৰে তেতিয়া ভাল পাইছিলো Iss pyar ko Kya naam doon চিৰিয়েলখনৰ Arnav sing raizada নামৰ চৰিত্ৰতো। কি??? নিজকে দুচৰ দিম যেন লাগিলে। কি যে কথাবোৰ ভাবো নহয় মই।

: নাই নালাগে, পাৰিম।
: I just wanted to help, Damn it..

চিঞৰি উঠিল তেওঁ।
সকলোৱে ঘূৰি চালে আমাৰ ফালে। কিয় খং উঠিল একো বুজি নেপালো । দেউতা দৌৰি আহিল মোৰ ওচৰলৈ। মই মাত্ৰ কান্দিছো। মোক আজিলৈকে ঘৰতে কোনেও গালি পাৰি পোৱা নাই। আৰু আজি কলেজৰ প্ৰথম দিনাই সবৰ আগতে গালি খাইছো।
তেওঁ তেতিয়াও চাই আছে মোৰ ফালে, চকুৰ পৰা যেন্ জুই ওলাইছে তেওঁৰ । মই চুৰ্ণীখন জোৰেৰে খামুচি মাত্ৰ উচুপি আছো।
: পাগল হৈছ নিকি অৰ্ণৱ ? সৰু ছোৱালী । ভালকে কব পাৰিলি হয়।
তেওঁৰ লগৰজনে বুজালে। মই চকুপানী মচি মচি সেইখিনিৰ পৰা আঁতৰি আহিব খুজিলো। এনেতে পিছফালৰ পৰা শুনিলো
: Sorry uncle.
তেওঁ মোৰ দেউতাক ক্ষমা খুজিছে! কি আচৰিত মানুহ। মুহূৰ্ততে ইমানেই খং আৰু এতিয়া ইমান নম্ৰ।
আৰু নাভাবো। চুৰ্ণীখন টানি চকুপানী খিনি মচি ললো।দেউতা এইবাৰ মোৰ কাষে কাষে থাকিল। Admission procedure শেষ কৰি এইবাৰ হোষ্টেল চাবলৈ ওলাই আহিলো দেউতা আৰু মই ।
: মন্ বেয়া নকৰিবি মাজনী, আৰু ইমান সৰু কথাত কোনোবাই কান্দে নিকি? এতিয়া ডাঙৰ হলি নহয়।

মই জানো দেউতাই মন ভাল লগাবলৈ কথাকেইটা কৈছে। কিন্তু মই এদিনতে কেনেকে ডাঙৰ হম?

খণ্ড ২

দেউতাৰ লগত খোজকাঢ়ি আহি থাকোতে JEC campus তো ভালদৰে চালো। আচলতে JEC বুলি কলেই যেন কিবা এটা মায়া। প্ৰথমতে আপোনাৰ JEC বেয়া লগাতো খাটাং। চাৰিওফালে কেৱল নিস্তব্ধতা। এনেকুৱা লাগে যেন বহুতো জীয়া কাহিনীৰ সাক্ষী এই buildingবোৰ। কিবা যেন কব খোজে। মনত কিবা কিবি ভাবি ভাবি কেতিয়া আহি হোষ্টেল 9 পালোহি গমকে নেপালো। এটা প্ৰকাণ্ড তিনিমহলীয়া বিল্ডীং। গেটখন খুলিবলৈও কিবা এটা ভয় যেন লাগিল। লাহে লাহে ভিতৰলৈ সোমাই গলো। বহুত কেইজনী ছোৱালী বাৰাণ্ডাত বৈ থকা দেখিলো, নতুনকৈ Admission লৈছে বুলি ধৰিব পাৰি। কাষ চাপি গৈ এগৰাকীক কি কৰিব লাগিব সুধিলো।

: নাম কি?

এক প্ৰকাৰ ধমকি দিয়ে সুধিলে, দেখাত senior যেনেই লাগিল।

: আস্থা

: মৰিলি নি?

: হাঁ???

: কি হাঁ মক্কেল? নামৰ আগে পাছে একো নাই?

ভয়তে আকৌ ভৰিকেইটা কঁপিছে।

: শ্ৰী আস্থা বৰুৱা।
: নাম নাই তোৰ list খনত।
তেওঁ board খন চাই কলে।
আকৌ এবাৰ কান্দো কান্দো অৱস্থা। নাম নাই মানে?
: ভালকৈ চাওঁকচোন।

কঁপা কঁপা মাতেৰে যেনেতেনে কথাটো কলো।
: মই কি পঢ়িব নেজানো বুলি ভাবিছ নিকি?
: Sorry.
আঁতৰি আহি দেউতাৰ ওচৰ পালোহি।
: মোৰ নাম তো নাই বুলি কৈছে।
ৰদত ৰৈ ৰৈ দেউতাৰো মুখ খন শুকাই গৈছে। লগত নিয়া পানীৰ বটলতো খুলি আগবঢ়াই দিলো। ভোক পিয়াহ পাহৰিছে আজি দেউতাই। সেমেকা মন এটা লৈ তেওঁ কলে

: ভালকৈ চালি?
: ওমম।
: বলক আকৌ এবাৰ Admission লোৱা জেগাতে সুধি চাওগৈ।
: বল।
ঘূৰি আহি গেটৰ মুখ পালোহি।
ৰাস্তাটো পাৰ হৈ দুখোজমান কাঢ়িছিলোহে।
বাইক এখন উৰি অহাদি আহি গাৰ কাষতে ৰলহি।
ঊচপ খাই ঘূৰি চালো। অৰ্ণৱ!
: কি হল?
: একো নাই হোৱা।

এইবাৰ যেন্ অলপ সাহস বাঢ়িল মোৰ।
: তোমাক নাই সোধা মই, Uncle কিবা problem হৈছে নিকি?
: কিনো কম বোপাই, আমি কিবা আওভাও বুজাই নাইচোন, তাত কলে হোষ্টেল পালে বুলি, ইয়াত আকৌ নামেই নাই বোলে? সুধিবলৈ ও কাকো চিনিও নেপাওঁ নহয়।

মই মাত্ৰ মনে মনে ৰৈ আছো একে জেগাতে। তেওঁৰ ফালে চালো। দেউতাৰ কষ্ট দেখি যেন অলপ বেয়া লাগিছে তেওঁৰ। পিছত বহি থকা লগৰজনক নামিবলৈ কলে। ভয় খালো আকৌ। মোক উঠিব কলে কি কৰিম?
: উঠক uncle, মই কথা পতাই দিম।
: নেলাগে।

অলপ জোৰকৈয়ে কলো মই।
: Don’t you have a brain? দেখা নাই মানুহজনৰ অৱস্থাটো, and নিজকে ইমানো important বুলি নেভাবিবা, I am not doing it to impress you, got it?
আকৌ দিলে গালি এটা। দেখিব মন নেযায়! কেতিয়াও নেমাতো আজিৰ পৰা। মোৰহে দেতা, তেওঁৰনো কি দৰকাৰ?
: মাজনী কি ভাবি আছনো, তেওঁ সহায় কৰিলে ভালহে হব।
: উৎপল, তই আস্থাৰ লগত আহ, বলক uncle…
দেউতাক লৈ চকুৰ আগতে চাটকৈ গুচি গল, কি হল একো বুজি নেপালো। আৰু মোৰ নামটো কেনেকে জানে? মোৰ পিছা কৰিছে নিকি!
: অৰ্ণৱ এনেকুৱা একেবাৰে নহয়, আজি কি হৈছে নেজানো,

তুমি বেয়া নেপাবা।
উৎপল দাদাই মৰমেৰে কথাকেইটা কলে, ভাল লাগিল, অন্ততঃ কোনোবাটো আছে গালি নপৰা মানুহ।
: আপোনাৰ friend জন বহুত বেয়া, দেখিব মন নেযায়।
খা বাপ্পেকে, কি কৈ পালো মই, লগাই দিয়ে যদি! আকৌ গালি দিব সবৰ আগতে।
: মই বাৰু কৈ দিম বুলি ভাবিছা নিকি? যদি ভাবিছা ঠিকেই ভাবিছা।
এইবাৰো হাঃ হাঃ কৈ হাঁহিলে উৎপল দাই। আৰু মোৰ চকুপানী থুপ খালেই। কঁপা কঁপা খোজেৰে college office পালোহি। দেউতা চোন চকী এখনত বহি আছে, হাতত পানীৰ বটল আৰু আপেল এটা। ওচৰ চাপি গলো।
: কি হল দেতা, কাম নহল নিকি?
: মই ইয়াতে বহি হে আছো, অৰ্ণৱ গৈছে ভিতৰলে, মোক পানী, আপেল দি সৰু লৰা নিচিনাকে বহাই থৈ গল।

দেউতাৰ মুখত হাঁহি এটা ফুটি উঠিছে। মই যেন অলপ জ্বলিছো। মোৰ দেউতাক তেওঁ কিয় ইমান care লৈছে? সুধিবৰ সাহস নাই, খুজি গালি খাব পৰাকৈ শক্তি নাই আৰু এতিয়া।
: Come here

-তেওঁ মাতিলে মোক।
: কওক।
: হোষ্টেল 9 already full, so তোমাক extension অত alot কৰিছে, don’t worry it’s fine.

: Extension মানে?

… আগলৈ

খণ্ড ৩

: Extension দেখাই দিম বলা।
: নেলাগে, আপুনি ৰাস্তাটো কৈ দিয়ক।
: You know what miss? I don’t care whether you want me to come or not. Arnab only decides what he does or doesn’t. So just follow me.
: আহক আংকল।
খণ্ডতে একে জেগাতে বৈ থাকিলোঁ, নাযাঁও যা। আকৌ ভাবিলো যাবই লাগিব একো চিনি নেপাওঁ যেতিয়া। এইবাৰ তেওঁ bike নলৈ দেউতা আৰু মোৰ লগত খোজকাঢ়ি আহি থাকিল। এই যে ঘটনাবোৰ ঘটি আছে, সেইতো সকলোয়ে লক্ষ্য কৰিছে, কিন্তু কোনেও চোন মোৰ লগত চিনাকি হোৱা বা কথা পতাৰ চেষ্টা কৰা নাই। কিবা আচৰিত যেন লাগিল মোৰ।

তেওঁ আৰু দেউতা আগে আগে, মই বুৰ্বকৰ দৰে পিছে পিছে গৈ আছো। এনেতে তেওঁ দেখালে সেইতো Extension 1, মেইন হোস্টেলতোৰ ওচৰতে এটা সৰু quarter টাইপ building।
: চিন্তা নকৰিব uncle, একো প্ৰব্লেম নাই ইয়াতে, আপোনালোক ভিতৰত গৈ কথা পাতক, আমাক ভিতৰত যাব নিদিয়ে, কিবা

দিগদাৰ হলে call কৰিব, নাম্বৰতো লৈ লওঁক।
: মাজনী লচোন নাম্বাৰতো।
: মোৰ ফোনটো battery low, switched off হৈ গল দেউতা।

গোকাট মিছা কথা এটা যে কলো অৰ্ণৱে বুজি পালে, হয়তো অলপ বেয়া পালে মনত।
: হব দিয়ক uncle, মই যাঁও।
মোলৈ এবাৰো ঘুৰি নোচোৱাকৈ তেওঁ আঁতৰি গল।
দেউতা আৰু মই Extension 1 অৰ গেট খুলি সোমাই গলো।
বাৰাণ্ডাত ছোৱালী এজনী আৰু দেউতাক ৰৈ আছে আগৰপৰা।
মই ছোৱালীজনীৰ ফালে আগবাঢ়ি গলো। তায়ো হাঁহি মাৰি সঁহাৰি জনালে।
: নতুনকে আহিছা?
: উমম, তুমি?
: ময়ো, মোৰ নাম আস্থা বৰুৱা, তোমাৰ?
: নিশা।
: কোনটো branch?
: computer science.
: মোৰো same.

মনত কিমান ভাল লাগিল বুজাব নোৱাৰোঁ, অন্ততঃ নিজৰ লগৰে কাৰোবাৰ লগত কথা পতাৰ সুযোগ পালো, নহলে তো অৰ্ণৱ নামৰ গালি পৰা মানুহজনেই আছিল অথনিৰ পৰা।
: ভিতৰলৈ কেতিয়া মাতিব?
: ৰবা Monitress বা জনী Register বুক আনিব গৈছে।

এনেতে হাতত বুক এখন লৈ বা এগৰাকী আহিল।
: আহা ভিতৰলে, uncle আপোনালোকেও চাই লব পাৰিব আহক।
ভাল লাগিল বাজনী, খং ৰাগ নাই নিচিনা লাগিল, পিছে ধাৰণা ভূল আাছিল, ভিতৰ সোমাইয়ে কাৰোবাক গালি দিছে
: শুনক, ইয়াত অকলে আপোনাৰ ছোৱালী নেথাকে নহয় যে সব আপোনাৰ মতেই হব লাগিব, যিখন bed alot কৰিছো ললে লওঁক নহলে প্ৰিন্সিপালৰ লগত কথা পাতক, মোৰ time waste নকৰিব।
আকৌ পেপুৱা লাগিলো, কি হৈছে আজি? ভয়ে ভয়ে বা গৰাকীৰ পিছে পিছে গৈ থাকিলোঁ, তেওঁ দুখন bed থকা সৰু room এটা দেখালে।
: অকল এইটো room হে খালি আছে, আপোনালোকে লৈ লওঁক।
: হব বা।

তপৰাই উত্তৰ দিলো।
দেউতাইও নিশাৰ দেউতাকৰ লগত বহুত কথা পাতিলে, দুয়োজনে আমি একেলগ হোৱাটো বৰ ভাল পালে। লগত অনা বস্তুবোৰ গাড়ীতে আছে, মই গাড়ী চলাই অহা দাদাজনক মাতি পথালো।
সকলোবোৰ বস্তু চিজিল কৰো মানে আবেলিয়ে হল। যিমানেই সময় গৈছে, সিমানেই মনটো গধুৰ হৈ গৈ আছে।
আজিৰপৰাতো ইয়াতে থাকিম মই, মালৈ মনত পৰিল, অতপৰে

ফোন এটা কৰাও হোৱা নাই, 5 টা missed call আছে।
: মা, সব কাম ভালে ভালেই হৈ গল, হোষ্টেল পালো, বিচনা ঠিক কৰি আছো।
: হব দে।

লৰালৰিকৈ ফোন তো থলে মায়ে। এতিয়াও কান্দি আছে বুলি গম পালো। মোৰো দুগাল তিতি আহিল। কিন্তু দেউতাই দেখে বুলি সামৰি ৰাখিলো।
: মাজনী, বল কিবা এটা খাই লবি, ময়ো ঘূৰি যাব লাগিব নহয়, দেৰিয়েই হবগৈ।

নিশা আৰু দেউতাকো ওলাল আমাৰ লগত। কলেজৰ মেইন গেটখনৰ ওচৰতে কেন্টিনখন আছে। তাতে গৈ বহিলো। ইতিমধ্যে নিশাৰ লগত বহুত কথাই পাতিলো। খুব খোলা মনৰ ছোৱালী। খাই বৈ উঠি নিশাৰ লগত ওছৰৰ দোকানখনৰ পৰা সৰু সুৰা বস্তু কেইটামান লবলৈ গলো।
: আ… আপুনি?
: Yes, ম ম মই।

তেওঁ ইতিকিঙৰ সুৰত কলে, মুখত চিগাৰেট তেতিয়াও আছে। বৰ বেয়া পাওঁ গোন্ধটো, নাকটো কোচাই আঁতৰি আহিলো।
: Wait.

থমকি ৰলো, সবৰ আগতে লাজ পাবলৈ মন নাই আৰু।
: কি লাগে লৈ লোৱা, আৰু মই কি ভূত নিকি, কঁপি আছা যে?

নহয় ভূত আপুনি, ভূতবোৰ আপোনাতকৈ মৰমলগা।তেনেকৈ কবৈল মন গল কিন্তু একো কব নোৱাৰিলোঁ,

দোকানৰপৰা বস্তু কেইটা লৈ মনে মনে আঁতৰি আহিলো।
: ভালকে থাকিবি মাজনী, মই আহি থাকিম মাজে মাজে, ফোন কৰি থাকিম, ভালকে পঢ়িবি আই।

থোকাথুকি মাতেৰে দেউতাই কথা কেইটা কবলৈ চেষ্টা কৰিছে। আৰু মই মাত্ৰ কান্দিছো। দেউতাৰ কামিজটো তিয়াই পেলালো চকুপানীৰে। কেনেকে থাকিম মই? দেউতাৰ লগত গুচি যাম যেন লাগিল। ধেৰ কথা কব মন গল দেউতাক, বহুত মনত পৰিব তোমালে দেউতা,চোলা কেইটা ইস্ত্ৰি কৰি পিন্ধিবা, তামোল বেছিকৈ নেখাবা, Yoga কৰি থাকিবা, মই নাই বুলি মোৰ প্ৰিয় সৰু মাছ নোখোৱাকৈ নেথাকিবা, মাক চিন্তা কৰিব মানা কৰিবা....... নাই, একো কব নোৱাৰিলোঁ মই। কান্দি কান্দি বিদায় দিলো দেউতাক। গাড়ীখন নেদেখা হোৱালৈকে চাই থাকিলোঁ। লাহে লাহে আন্ধাৰ নামিছে। উভতি খোজ ললো ৰুমৰ ফালে।
এটা নতুন অধ্যায় মোৰ বাবে বৈ আছে, আৰু মই যেন এতিয়াও মাৰ আচলৰ গোন্ধ বিচাৰি ঘূৰি যাম.........

দেউতাক বিদায় দি ৰুমত আহি জোৰেৰে কান্দিলো, দুখ ভয় সব একেলগে বৈ গৈছে। কিন্তু নিশা যেন এটা শিলৰ মূৰ্তি, মাথো তললৈ মূৰ কৰি বহি আছে, আচৰিত হৈ সুধিয়ে পেলালো
: তোমাৰ ঘৰলৈ মনত নাই পৰা?
: ঘৰ? সেইতো কি বস্তু? মইতো just এটা বিল্ডিঙত থাকো, যত কাৰো কাৰোৰে বাবে সময় নাই, মইতো ইয়াত মুকলিকৈ জীয়াই

থাকিবলৈ আহিছো, জীৱন বিচাৰি আহিছোঁ, মই ঘৰৰপৰা পৰা আঁতৰি মোৰ সৈতে থাকিবলৈ আহিছো…আৰু… আৰু…..

বিচনাৰপৰা উঠি গৈ সাৱটি ধৰিলোঁ নিশাক, পাগলৰ দৰে কান্দিছে তাই মোৰ বুকুত মূৰ গুজি, পাৰ ভাঙি বৈ আহিছে অভিমানবোৰ। দুয়োজনীয়ে কান্দিছো, কিন্তু সম্পুৰ্ণ বিপৰীত কাৰণত, যত মই এইটো ভাবি কান্দিছো যে মা দেউতাৰ মৰমবোৰৰ পৰা আঁতৰি কেনেকৈ থাকিম, তাত নিশাই কান্দিছে কাৰণ তাই আঁতৰি অহাটো কাৰোৰে বাবেই দুখৰ বিষয় নহয়।

: মা দেউতাৰ কেতিয়াবাই divorce হৈছে, I was just 5 you know, মাৰ পুৰণা প্ৰেমিক ঘূৰি আহিছিল তেওঁৰ জীৱনলৈ, দেউতাই কথাবোৰ গম পোৱালৈ বহুত পলম হৈছিল। তেওঁলোকৰ daily কাজিয়া হৈছিল আৰু তেনেকৈয়ে এদিন মা গুছি গৈছিল মোক এৰি। দেউতা ভাগি পৰিছিল। মদ আৰু কামৰ মাজতেই ডুবি থাকিছিল। চাকৰ নাকৰ আৰু পুতলাবোৰৰ মাজতেই মই ডাঙৰ হৈছিলো। I am not as lucky as you Astha, my life is messed up, hell is another word for it.

বহুত সময় তেনেকৈয়ে পাৰ হৈ গল, এনেতে দুৱাৰত নক কৰা শুনি উঠি গলো,

:আামাৰ ৰুমলৈ আহা।

কাষৰ ৰুমৰ বা গৰাকীয়ে মাতি থৈ গল।
চকুপানী মচি মুখখন ধুই বাৰ ৰুমত গলো, প্ৰায় বাৰজনী মান ছোৱালী নতুনকৈ অহা, আৰু বা তিনিগৰাকী আাছিল।

: মই প্ৰিয়ংকা, she is Samikshya, and she is Indranee. আমি তোমালোকৰ senior, MCA 3rd semester, so as its ur first day let me tell u the rules.

তিনিও জনী বায়ে কথাবোৰ বুজাই দিলে, যদিও আমি Extension অত আছিলো, আমাৰ খোৱা বোৱা main hostel অতে হৈছিল, বাহঁতৰ ৰুমত কথা পাতি থাকোতেই বেল বজাৰ শব্দ শুনিলো, তাৰমানে ভাত খাব হল।

আমি গোটেইবোৰ একেলগে Main হোষ্টেলৰ ফালে ওলাই গলো। কিন্তু Main গেটৰ ওচৰ পাই মই থৰ লাগিলো। নিশাৰ হাতখন জোৰেৰে চেপি ধৰিলো। senior বা দুজনী আৰু প্ৰায় তিনিজনমান লৰা সেইখিনিতে কথা পাতি আছে, হাতত notebook লৈ, কিবা discuss কৰিছে বুলি ধৰিব পাৰি, কিন্তু তাৰ মাজত সেইজনো আছে, অৰ্ণৱ!

: Hi.

মই একো উত্তৰ নিদিলো।

: চকু কিয় ৰঙা হৈ আছে? আকৌ কান্দিছিলা?

এইবাৰো মই মৌন।

নিশাৰ হাতখন চেপি পেলাইছো, লগত যোৱা সবেই আমাক চাই আছে,লাজতে মৰি যাম যেন লাগিল।

: Answer me Damn It.

চিঞৰি উঠিল তেওঁ, মই কিবা কোৱাৰ আগতেই বা হত আগবাঢ়ি আহিল।

: Arnab please, not here. তই এতিয়া ৰুমত যা। উৎপল, লৈ যাচোন ইয়াক।

ভয়, লাজ, খং সকলোবোৰ সামৰি ডাইনিং হলৰ ফালে সোমাই গলো। ভাত কেইটা আগত লৈ উচুপি থাকোতেই গল।

ঘৰত ভাতৰ পাতত বহি মা মই আৰু দেউতাই কিমান যে কথা পাতো, আজি বাৰু মাইঁতে কি কৰিছে,দেউতাৰ কুহুমীয়া পানী গিলাছ সদায় মইয়ে দিওঁ, আৰু মায়ে আজিও চাগে নিজলৈ একোৱেই লোৱা নাই। ভাতকেইটা লিৰিকি বিদাৰি এৰি থৈ আহিলো। মন কৰিলো মোক দেখি সবেই কিবা আলোচনা কৰিছে নিজৰ মাজতে। এনেতে 4th year অৰ বা এজনীয়ে কলেহি

: সব new comer room number 303 লে আহিবি ভাত খাই, চিনাকি হম।

আমি মাত্ৰ ইজনীয়ে সিজনীৰ মুখলে চাইছোঁ। সবেই ভয় খালে। JEC ত ragging হয় বুলি শুনিছিলো, কি বা কৰিব আজি।

: আস্থা বৰুৱা, আপোনাৰ বিষয়ে দুষাৰ মান কওকচোন, আহিয়েই college হিলাই দিলে আপুনি।

অৰ্ণৱ। এইবোৰৰ মূলতে সেই মানুহজন, কিয় মোৰ পিছত লাগি আছিল দিনটো, কিমান লাজ পাইছো মইহে জানিছো।

: মোৰ নাম আস্থা বৰুৱা, ঘৰ শিৱসাগৰ নাজিৰাত।

: শিৱসাগৰ??? বিহু নাছিব জান তেতিয়াহলে?

: ওমম, জানো।

: নাছ তেনেহলে।

মোবাইল অতে কোনোবাই গান লগালে, মইয়ো উপায় নাপাই এপাক নাছিলো। সবেই হাতচাপৰি বজালে। লাজটো অলপ

এনেও বেছি মোৰ, আকৌ ৰঙা পৰিলোঁ। তাৰ পিছতো কিবা কিবি কৰিব দিলে, কৰিলো।

: এতিয়া কচোন, boyfriend আছে নাই তোৰ?

: নাই।

: ইমান ধুনিয়া ছোৱালী আৰু boyfriend নাই, মিছা কথা নকবি।

দেখাত মই বেয়া নহয় বুলি জানো, কিন্তু সেইবুলিয়ে boyfriend থাকিবই লাগিব নিকি?

: সঁচাকে নাই।

: OK OK, এতিয়া যা। আৰু কলেজলৈ যাওঁতে no makeup, চুলি বেণী গুঠিব লাগিব, formal salwar, dupatta পিন মাৰি লব লাগিব আৰু flat sandel পিন্ধিব লাগিব। কাজল লিপষ্টিক একো লগাব নোৱাৰিবি।

ৰুমলৈ আহি নিশাৰ লগত পিছদিনাৰ কাৰণে কি কি লাগিব ঠিক ঠাক কৰি ঘৰলৈ ফোন কৰিলোঁ, দেউতা মাৰ লগত কথা পাতি শুবলৈ চেষ্টা কৰিলো, এনেতে ফোনটোত message এটা আহিল

: বিহু নাছিব কোনে শিকালে???

কাৰ নম্বৰ চিনি নেপালো, বহুত দেৰি ভাবি ভাবি পাৰ নেপালো।

তেনেতে আৰু এটা message

: শুই থাকা এতিয়া, Good Night… Arnav.

ফোনতো সৰি পৰিল হাতৰপৰা, কেনেকে পালে মোৰ

নাম্বাৰতো? আৰু বিহু নাছিলো বুলিও জানিলেচোন। কি হৈছে এইবোৰ???

আগলৈ......

খণ্ড ৪

কলেজৰ প্ৰথম দিন আজি। ৰাতিপুৱা 7:30 তে class আৰম্ভ হয়। দেউতাই জন্মদিনত কিনি দিয়া গুলপীয়া চুৰিদাৰ যোৰ পিন্ধি নিজকে এবাৰ চালো,নিশাই আঙুলিৰে ইচাৰা দি ধুনিয়া লাগিছে বুলি জনালে । ভাল লাগিছে সকলোবোৰ, নিশাৰ লগত একেখন বেঞ্চত বহিলো, বহুতৰ লগতেই চিনাকি হলো, সকলোৰে চকুত ৰঙীন সপোনৰ প্ৰয়োভৰ,4 টা class যোৱাৰ পাছত lunch break, নিশা, মই, ৰাজী আৰু টিনা আমি চাৰিওজনী একেলগে ওলাই আহিলো, classroom অৰ সন্মুখত বহুত কেইজন senior বৈ আছিল, বুজি পালো আকৌ ragging হব ।
: আস্থা বৰুৱা কোন হয় ইয়াত ?
ভয় লাগিল, কলপাত কপাৰ নিচিনাকৈ কঁপিছো ।
: মই ।
: এইফালে আহা।আৰু বাকী সব আকৌ ৰুমত সোমা, ইমান জলদি কত পলাইছ হা ?
নিশাই মোৰ হাতখন এৰি দিলে,মোক এৰি সব আকৌ

classroom অত সোমালে। মই দাদা এজনৰ পাছে পাছে, দীঘল বাৰাণ্ডা খনৰে গৈ আছো, building তোৰ একেবাৰে শেষত এটা ৰুম আছে, একেবাৰে আওহতীয়া, কোনো নাই সেইফালে, হয়তো খাবলৈ গল সব। মনে মনে খুব ভয় খালো, কিয় আনিছে মোক ইয়ালে।

: দাদা কিয় মাতিছে মোক ইয়ালে?

: গম পাবা ৰবা।

ৰুম টোত সোমাই বুজিবলৈ বাকী নেথাকিল, খিৰিকী এখনত আউজি ৰৈ আছে তেওঁ, মোৰ ফালে চাই বিজয়ৰ হাঁহি এটা মাৰি আগবাঢ়ি আহিল।

তেওঁৰ লগৰ আৰু দুজনমান দাদা বাউদেউ আাছিল লগত, নিজকে কিবা অদ্‌ভূত লাগিল। খং, লাজ কি ভাব হৈছে বুজাব নোৱাৰোঁ। তেওঁ আহি একেবাৰে ওচৰত ৰলহি, মই দুখোজ পিছুৱাই গলো।

: কিয় মাতিছো নোসোধা?

: ওহোঁ।

: কিয়?

: এনেই।

: খং উঠিছে?

: আপোনাক কেলেই।

প্ৰচন্ড খং এটাই হেঁচা মাৰি ধৰিছিল, মুখৰপৰা কি ওলাইছে গম নাপালো।

: ইমান attitude কিহৰ হা, senior হয় তোৰ, কথা কেনেকে কব

লাগে নাজান হাঁ?
তেওঁৰ লগৰ এগৰাকী উঠি আহিল্, অৰ্ণৱক তেনেকে কোৱাৰ বাবে তেওঁৰহে বেছি খং উঠিল নিচিনা লাগিল। মই আজি কন্দা নাই, যিমান পাৰো চেপি ৰাখিছো ।
: অৰ্ণৱক sorry ক।
: Sorry
: এনেকে নহয়, কাণত ধৰি ক।
নাই নোৱাৰি, ইমান অপমান সহি থাকিব নোৱাৰি।
: নধৰো
: তোক option দিয়া নাই Miss Universe, order দিছোঁ, কাণত ধৰ আৰু Sorry ক। নহলে দিনটো ইয়াৰপৰা যাব নোৱাৰিবি। অৰ্ণৱৰ ফালে চালো, নাই একো emotion নাই, এবাৰ হলেও কোৱা নাই নালাগে বুলি। আৰু বেয়া লগা হল তেওঁক, বহুত বেছি বেয়া। উপায় নাই, কৰিব লাগিবই। দুয়োখন হাতেৰে কাণত ধৰিলো। এইবাৰ নোৱাৰিলোঁ, হুকহুকাই কান্দিছো, লাজ অপমান, অভিমান সব একেলগে বৈ আহিল্ ।
: Sorry.
কৈয়েই দৌৰি গুচি আহিলো তাৰপৰা, নিজকে বৰ অসহায় লাগিল, কোনো নাই ওচৰত, কেনিও নোচোৱাকৈ হোষ্টেলৰ ফালে বাট ললো, কোনোবাই মাতিছে পিছৰপৰা কিন্তু মই নাচালোঁ। JEC ৰ প্ৰথমদিনটো লৈ বহুত কল্পনা কৰিছিলো। এনেকুৱা কিয় হল । ৰুমত সোমাই বহুত দেৰি কান্দিলো, নিশা আহি বুজালে কিবাকিবি, মূৰত একো নাই সোমোৱা মোৰ। ভাত

খাবলৈও নগলো।
: ভাত নোখোৱা যদি Maggie লৈ আনো?
: নেখাওঁ।
: OK নেলাগে খাব, এই juice তো খোৱা আৰু বলা, next class start হবই 15 minutes পিছত।

চকুকেইটা ৰঙা পৰি আছে, মুখখন ধুই চুলিখিনি ঠিক কৰি ওলাই আহিলো class কৰিবলৈ। অৰ্ণৱ ৰৈ আছে গেটৰ সন্মুখত।
: বেয়া পালা?
: নাই।
: সঁচাকে কৈছা?
: উমম, দেৰি হৈছে যাবলে দিয়ক।
: মইতো তোমাক ধৰি ৰখা নাই। আৰু যেতিয়া ধৰিম, কোনেও আঁতৰাই নিব নোৱাৰে, তুমি নিজেও।

কথাটো কি অৰ্থত কলে নুবুজিলো, কিন্তু গোটেই তেজবোৰ আহি গালখনত থুপ খোৱা দৰে লাগিল। নিশাই চকুটিপ মাৰি হাঁহিলে। বেছি ভাবিলে পাগল হে হম।
: অই আস্থা।

পিছফালৰপৰা কোনোবাই মতা শুনি ঘূৰি চালো, ওখ ক্ষীণ লৰা এজন, চুলিখিনি অলপ জপৰা, কিন্তু হাঁহিটো মৰমলগা ।
: চিনি পাইছা?
: উমম.. নাই পোৱা চোন।
: অংকুৰ।
: অংকুৰ??

: আমি একেলগে tuition কৰিছিলো, ভাস্কৰ ছাৰৰ ওচৰত।
: পাইছো পাইছো, তুমি। ইয়াত বুলি জনাই নাছিলো, কি branch?
: Mechanical, তোমাৰ?
: Computer Science.
: বঢ়িয়া, লগ পাই থাকিম তেন্তে, নাম্বাৰতো দিয়া তোমাৰ।

আমাক কথা পতা দেখি কোনোবা জ্বলিছে, আৰু মই খুব আনন্দ পাইছো। নম্বৰতো দিয়াৰ পাছতো অলপ সময় জানি বুজিয়েই বেছিকৈ কথা পাতিলো, ভাল লাগিল চিনাকি কাৰোবাক লগ পাই। মনতো মুকলি লাগিল। অৰ্ণৱৰ ফালে এবাৰো নোচোৱাকৈ ক্লাছত সোমালো।

.........আগলৈ

খণ্ড ৫

চাওঁতে চাওঁতে প্ৰায় এমাহ পাৰ হল JEC ত। কাইলৈ freshers। হোষ্টেলত উখল মাখল পৰিৱেশ। কিবা নহয় কিবা performance সবেই কৰিব, মইয়ো কৰিম। তাৰে practice আমাৰ ৰুমত।

কথক মোৰ সদায় প্ৰিয়, প্ৰায় তিনিবছৰ শিকিছিলো, কিন্তু পঢ়াৰ কাৰণে সম্পুৰ্ণ নহল। এতিয়া আকৌ সবেই জোৰ কৰিলত নাছিব ওলাইছো। নিশাই নিজৰ গানৰ কাৰণে প্ৰস্তুত হৈছে, গোটেই হোষ্টেলটো হুলস্থুল হৈ আছে আজি। অপেক্ষা মাথো কাইলৈ সন্ধিয়াৰ।

সন্ধিয়া ৭ বজাত সকলোকে auditorium অলে মাতিছে। যিহেতু দেওবাৰ গতিকে দুপৰীয়াৰ পৰাই সাজু হৈছে সব। ময়ো মোৰ বগা হাত দীঘল আনাৰকলি চুৰিদাৰযোৰ উলিয়াই লৈছোঁ। Makeup বা হতে কৰি দিব। নিশাই হাত আৰু ভৰিত আলটা লগাই দিছে, ইমান মানা কৰিলো, নাই নুশুনিলে। তাইৰ মতে কৰিছো যেতিয়া সম্পুৰ্ণ সাজ সজ্জাৰে কৰিব লাগে। প্ৰায় দুঘণ্টা সময় বহি আছো, চুলি বান্ধি থাকোতে প্ৰিয়ংকা বায়ে বকি আছে, এইসোপা চুলি বান্ধি বান্ধি শেষেই নহৈছে।

: ৰ ৰ, লিপষ্টিকতো অলপ ডাঠ কৰি দিওঁ।

ৰঙা লিপষ্টিকটোতকৈ মোৰ গাল খন বেছি ৰঙা হৈছে।

: তামাম ধুনিয়া লাগিছে, একদম jhakkas।

টিনাই তাইৰ বেৰীয়া দাঁতকেইটা উলিয়াই হাঁহি এটা মাৰি কথাটো কলে। বুকুখন ধপধপাই আছে কিবা এটা।

: দেৰি হৈছে বল বল।

আমি গোটেইকেইজনী main hostelo অৰ সন্মুখত ৰৈ আছো, লগৰ বাকীবোৰৰ কাৰণে, সব একেলগে যাম। দূৰৰ পৰা দেখিছোঁ auditorium তো, ডাঙৰকৈ তোৰণ লগাই থোৱা আছে, rock music উচ্চ স্বৰত বাজি আছে, যোৱা গৈছে, অহা আহিছে,চিনিয়ৰ সকলো ভীষণ ব্যস্ত।আমি আটাইবোৰ একেলগে auditorium পালোহি। খুব সুন্দৰ আয়োজন। আমাক নি একেবাৰে সন্মুখৰ শাৰিটোত বহিবলৈ দিলে। আৰু অলপ সময় পাছত প্ৰগ্ৰাম আৰম্ভ হব।

: নিশা, তোৰ গান প্ৰথমতেই আছে, আস্থা, নিশাৰ পিছত আৰু

এটা guitar performance আছে,তাৰ পিছত তোৰ। গান ready আছে নাই?

হিমাদ্ৰী বা আহি সুধিলেহি, মই বেগৰ পৰা pendrive তো উলিয়াই বাৰ হাতত দিলো।

: Okay, মই মাতিলে backstage আহি যাবি।

: হব।

বহি আছো যদিও চকুকেইটাই কাৰোবাক বিচাৰি আছে, এবাৰো দেখা নাই তেওঁক, নাই অহা চাগে, এনেও cultural কিবা ভাল পোৱা মানুহ যেন নেলাগে দেখিলে।

: ধুনিয়া লাগিছে আস্থা।

পিছৰ শাৰীৰ পৰা অংকুৰে মাত লগালে।

: Thank you

: কি কৰিবা? I am so excited to see your performance!

এনেই মই নাৰ্ভাচ হৈ আছো, আৰু অলপ ভয় খুৱাই দিছে মানে। এবাৰ ভাবিলো নাই নকৰো এইবোৰ, বেয়া হলে সবেই হাঁহিব। ঘূৰি যাওগে ৰূমলৈ, কোনেনো গম পাব।

: Next মোৰ, all the best ক আকৌ।

নিশাৰ খঙেই উঠিলে। হয় দেই কিনো ভাবি আছো মানে মই।

: All the very best, ভালকে গাবি।

নিশাক দেখি অলপ সাহস পালো।

: Sun raha he na tu
Ro rahi hu main

নিশাই গানটো গাই উচুপি উঠিল। মই জানো কিয়। তাইৰ ওচৰলে যাবও নোৱাঁৰো। নিশাৰ গানে সকলোৰেই মন চুই গল।

হিমাদ্ৰী বায়ে চকুৰে ইংগিত দি মাতিলে মোক। উঠি যাওঁতে ভৰিৰ জুনুকা কেইটা বাজি উঠিল, লাজতে মৰো যেন হলেই মোৰ অৱস্থা।

: Next you, Good Luck ।

Backstage অত বহুত senior বহি আছে, মই কিন্তু কাৰো ফালে চোৱাৰ সাহস কৰিব পৰা নাই।

: Ready নে?

: হমম

মাতেই নাই ওলোৱা মোৰ, উশাহতো ছুটি হৈ গৈছে ।

: So please welcome Miss Astha Baruah

Anchor জনে নামটো কলেই যেতিয়া উপায় নাই, নাছিব লাগিবই। এখোজ দুখোজকৈ stage অত উঠিলো, সুহুৰি আৰু হাত চাপৰি বাজিলেই। মোৰ অৱস্থা আৰু কাঢ়িল। প্ৰণাম কৰি হিমাদ্ৰী বালে চাই Play কৰিব কলো।
ভগৱান আজি বচাবা আৰু।

“পিয়া ত’চে নেইনা লাগে ৰে
নেইনা লাগে ৰে
জানে ক্যা হ’ অব আগে ৰে”

পাৰিছোঁ, মই, ধুনিয়াকৈ পাৰিছো। নাই, ভয় লগা নাই। ভালেই লাগিছে চোন। প্ৰাণ ঢালি নাছিলো। এইটো গান খুব ভাল পাওঁ।

: Once more, once more ।

হাত চাপৰি তেতিয়াও ৰোৱা নাই, ভাল পাইছে সবেই।

হিমাদ্ৰী বায়ে চকু কেইটা ডাঙৰ কৰি’ ‘wow’ বুলি কলে। আকৌ এবাৰ প্ৰণাম জনাই stage অৰ আনটো ফালে গলো। সেইফালেদি নামি গৈ নিশাৰ ওচৰত বহিম।

: You want to kill me???

ভূত দেখিলেও সিমান ভয় নাখালোহেঁতেন চাগে, এন্ধাৰ সেই জেগাখিনিত কোনোবা আছে বুলি ভবাই নাছিলো। এনেই নাছি নাছি উশাহ তো লব পৰা নাই ভালকে, তাতে আকৌ এইজন ৰৈ আছে ভয় খুৱাবলে।

: মই যাঁও, আঁতৰি দিয়ক।

: Answer me first.

: মই কি কম।

: You wanna kill me miss?

: মই আকৌ কেলে মাৰিম আপোনাক?

: তেনেহলে ইমান ধুনীয়াকে কিয় আহিছা?

কি কয় একো বুজি নেপাওঁ, যাবলৈও নিদিয়ে সেইতো জানো ভালকে। ৰৈ আছো। কপালত টুপ টুপ ঘাম বিৰিঙিছে মোৰ, আৰু ভৰি দুটা থৰ থৰকৈ কঁপিছে। মোৰ আচলতে গৰম উঠিছে নে ঠাণ্ডা লাগিছে নিজেও বুজি নাইপোৱা মই।

: যাবলে দিয়ক, please…

: এটা চৰ্তত।

: কি?

: এইটো মোক দিয়া।

মোৰ কপালৰ সৰু মাং-টিকাতো দেখাই তেওঁ কলে। মূৰটো গৰম হৈ গল, কিয় লাগে তেওঁক সেইতো, সদায়ে এটা নতুন

জেদ।
: আপুনি কি কৰিব সেইটো লৈ?
: That’s none of your business, just give it to me if u wanna go from here.
কোনোবা আহি যোৱা হলে, হে প্ৰভু কি কৰো এতিয়া। দিওঁ নিদিওঁ কৈ লাহেকে খুলি আনিলো। দিয়া কিন্তু নাই, হাততে লৈ আছো।
: দিয়া।
হাতখন আগবঢ়াই দিলো, তেওঁ নিজেই লৈ ললে, এনেকুৱা লাগিল জানি বুজিয়েই মোৰ তলুৱাত তেওঁৰ আঙুলি কেইটা ফুৰাই দিলে। মই হাতখন আঁতৰাই আনিলো। কি আাছিল এইয়া, কিয় অদ্ভূত আছিল এই স্পৰ্শ, গাটো থৰ থৰকৈ কঁপিছে, এইবাৰ চকুপানী ওলাই আহিল।
: যোৱা।
দৌৰি নামি আহিছো, নিশাক হাতত ধৰি প্ৰায় চোঁচৰাই আনিলো বাহিৰলে।
: আস্থা, কি হল তোৰ, কেলে এনেকুৱা কৰিছ, চুলিখিনি কেনেকে বেয়া হৈ গল? Wait, মই লগাই দিয়া মাং-টিকাতো কত গল।
: মোক ধৰি থাক নিশা, মই পৰি যাম এতিয়া।
: কি হৈছে ক..না আস্থা? কেলেই ইমান কঁপিছ? আৰু চুলিখিনি কি হল, কপালীটো নাই যে।
নাই মই একো কব পৰা নাই।

: নিশা, মোক আজি সঁচাকে ধুনিয়া দেখাইছে?
: ধুনিয়া? পৰী লাগিছ্ তই পৰী। এতিয়া বল, টিনাহঁতৰ group dance আছে এতিয়া।

যাবলে লওঁতেই দেখিছো ভৰিটো পেলাব পৰা নাই, দৌৰি আহোঁতে উজুটি খাই ভালকৈয়ে দুখ পালো। তেজ বৈ গৈছে।

: ইচ ৰাম, কেনেকে ইমান দুখ পালি?

মই তেতিয়াও চুপ।

: বল বহি দিবি অকণ।

যেনেতেনে আহি দৰজাৰ ওচৰতে চকী এখনত বহিলো। নিশাই First Aid Box বিচাৰি হিমাদ্ৰী বাৰ ওচৰ পালেগৈ। অলপ পাছত নিশাৰ লগত হিমাদ্ৰী বা আৰু তেওঁৰ লগৰ বা তিনিগৰাকী মান আহিল।

: কেনেকে দুখ পালি ইমান বেয়াকৈ? বহুত তেজ ওলাইছে চোন।
: উজুটি খালো ।

নিশাই ঘা দুখৰ চফা কৰি বেন্ডেজ লগাই দিলে। অলপ সময় তেনেকৈয়ে বহি থাকিলোঁ। কিন্তু বিষ বাঢ়ি আহিল, ভৰি তো লৰাব পৰা নাই, তাতে কষ্টিউম, মেক-আপ সব একেলগে আৰু গৰম উঠিছে মোৰ।

: নিশা, মই ৰুমলে যাওগে।
: কি? এতিয়া কেনেকে যাবি? আৰু DJ আছে লাষ্টত, কোনো নাযায় এতিয়া।
: বহুত বিষাইছে মোৰ।

: ৰ তেতিয়াহলে, মই বাক সুধি আঁহো, তোক থৈ আহিলে অকলে পাৰিবি নাই থাকিব?
: পাৰিম।

নিশা আৰু ৰাজী মোক থবলৈ ওলাল। দুয়োজনীয়ে ধৰি ধৰি আনিছে মোক। ভৰিটো ভালকে পেলাব নাই পৰা, অলপ হেঁচা দিলেই তেজ বিৰিঙি আহে। যেনেতেনে আহি main door পালোহি, নিশাক সবেই কি হল সুধিছে, মই কাকো একো নাইকোৱা।
: কি হল নিশা?
: কিমান বেয়াকে দুখ পালে চাওঁকচোন অৰ্ণৱ দা, কেনেকে কি হল সুধিলেও একো নকয়। ৰুমত থৈ আহোগৈ।
: বহুত তেজ ওলাইছে, খোজ কাঢ়িলে আৰু বিষাব। ৰবা মই থৈ আহিম।
: নালাগে।

মোৰ কথা শুনিবলে তেওঁ তাত নৰলেই, অলপ পাছত বাইকখন আনি একেবাৰে ভৰিৰ ওচৰত ৰখাই দিলেহি।
: উঠা।
: নেলাগে, মই খোজকাঢ়ি যাম।

খং এটা এনেও উঠি আছিল,নিজেই আগভেটি ধৰি মোক দুখ পোৱালে, এতিয়া বেছি কৰি দেখালে হব নি। নেযাওঁ, কেতিয়াও নেযাওঁ।
: Don’t test my patience Astha.
: কিনো কৰি থাক আস্থা, ইমান তেজ ওলাইছে, কেনেকে

খোজকাঢ়ি যাবি কচোন।

নিশাৰ খং উঠিছে যে গম পালো। উপায় নাই।কিন্তু তেওঁৰ লগত যোৱাৰ ইচ্ছাও নাই। অৰ্ণৱৰ চকুৰ ফালে চাই গম পালো বহুত খং উঠিছে তেওঁৰ, ৰঙা হৈ গৈছে মুখ খন।

: আস্থা, উঠ।

নিশাই প্ৰায় জোৰ কৰি বহুৱাই দিলে।

: মই আৰু ৰাজী গৈ আছো, আপোনালোক আহি থাকক।

নিশা আৰু ৰাজী গলগৈ, মই শিলৰ মূৰ্তি নিচিনাকে বাইকৰ পিছফালে বহি আছো।

: ভালকে ধৰি লোৱা।

নাই, একো নাই পিছফালে ধৰি লবলে, কেনেকুৱা বাইক নাজানো এইখন।

: নালাগে, এনেকেই বলক।

তেওঁ লাহে লাহে start দিলে, মই তেতিয়াও কতো নধৰাকৈ বহি আছো। অলপ দূৰ যোৱাৰ পাছত ৰখাই দিলে। কি হল ধৰিব নাইপৰা।

: পৰি যাবা। ধৰি লোৱা।

কলেই হব নিকি, তেওঁৰ কান্ধত হাত থব পৰা সাহস মোৰ নাই, এনেই ভয়ত, বিষত অৱস্থা বেয়া মোৰ, সেইবোৰ কৰিব নোৱাৰোঁ দেই।হঠাৎ মূৰটো ঘূৰাই গল, তেওঁ নিজৰ বাওঁহাতখনেৰে মোৰ সোঁহাতখন সজোৰে টানি নিলে,মই তলকিবই নোৱাৰিলো। হাতখন এৰি নাই দিয়া, এখন হাতেৰে লাহে লাহে চলাই আছে, মই যিমানেই এৰুৱাব খুজিছোঁ, সিমান

বেছি জোৰেৰে চেপি ধৰিছে তেওঁ।
: এৰি দিয়ক।
: চুপ চাপ বহি থাকা।
: Please, কোনোবাই দেখিব।

এৰি দিলে, কি ভাবি নাজানো, আঙুলি কেইটা বিষাই গল মোৰ, লোহাৰ নিচিনা টান হাতখন। হোষ্টেলৰ একেবাৰে গেটৰ ওচৰত ৰখাই দিলেহি।

: নামিব পাৰিবানে?
: পাৰিম।

কষ্ট হলেও যেনেতেনে নামিলো নিজেই, নিশাহত আহি নাইপোৱা তেতিয়ালৈকে।

: আপুনি যাঁওক, ইহঁতি আহিবই এতিয়া।
: আগতে আহি লওঁক।

তেওঁ বাইকখনতে বহি আছে, মই তেওঁৰ পিছফালে ৰৈ আছো।

: Come here.

অকণ আগবাঢ়ি সন্মুখত ৰলো ।

: ভয় লাগে মোলে?
: ওহোঁ।
: সঁচাকে?
: অকণ অকণ লাগে।

তললে মূৰ কৰিয়েই কৈ আছো ।

: Look at me Astha.

মূৰ তুলি চালো, স্টীটলাইটৰ সামান্য পোহৰত তেওঁক প্ৰথম

বাৰ ভালকৈ চালো। অৰ্ণৱ। কিয় সকলোয়ে তেওঁক ভাল দেখে আজিহে গম পালো। কিবা এটা আছে এই চকুযোৰিত, বহুত কথা কৈ যাব পাৰে, কিমান দেৰি তেনেকে চাই আছিলো নাজানো,কিন্তু ভাল লাগিছে সকলোবোৰ । পৃথিৱীৰ সমস্ত কোলাহল এৰি নীৰৱ এটি মূহুৰ্ত, ভাল লগা, মিঠা মিঠা, বুকু জুৰ পৰা।

: কি ভাবিছা?

: হাঁ? না নাই, একো নাই ।

: কি কৰিলা চোৱা তুমি ?

তেওঁৰ বাওঁহাতত ৰং লাগিল মোৰ হাতৰপৰা, আলটাখিনি ভালকৈ শুকুৱাই নাছিল ।

: মোৰ গাত কি দোষ? আপুনিহে টানি দিছিল।

কথাটো কওঁতে লাজতে ৰঙা চিঙা পৰি গলো ।

: খং কোনে উঠাইছিল?

: উঠাব নালাগে নহয়, আপোনাৰ এনেও খং উঠিয়েই থাকে, সবেই কয়, অৰ্ণৱ যিমান handsome সিমানেই বেছি উগ্ৰ।

: Handsome?

কি বকি আছো মই? নিশা কত মৰিলি তই, জলদি আহ please।

একো নামাতিলো, কথা কলে এতিয়া কি ওলাব মুখত ঠিক নাই।

: আচ্ছা, আজি তোমাক কোনে ready কৰিছিল?

: সবেই, মানে বা হঁতে, নিশাই, ৰাজী, টিনা সবেই।

: Okay, সবকে মোৰ ফালৰ পৰা থেংকছ কবা?

: কি? মইহে থেংকছ কব লাগে, আপুনি কেলেই কৈছে!
: You have no idea how beautiful you are Astha, right now I feel like I am talking to an angel.

ভয়, লাজ সব লাগিছে, কি হৈছে এইবোৰ, নিশা please সোনকালে আহ। মনে মনে আছো, যেনিতেনি চাইছো কিন্তু তেওঁৰ চকুত নাই চোৱা। পলাব পৰা হলে ইয়াৰপৰা
: একো নোকোৱা?
: ওহোঁ
: কিয়?
: এনেই।
: বেয়া পালা মই যে দুখ পোৱাই দিলো?
: অলপ পাইছো, কিন্ত কি কৰিম, নমোৱে সব দেখি থাকে, আপোনাকো দুখ পোৱাই দিব।

কি বকি আছো নিজেও গম নাইপোৱা, মই যে পাগল গম পাইছে চাগে।
: নমো মানে?
: নমো মানে নমো, মানে GOD.

হো হোৱাই হাঁহিছে তেওঁ, পেটত ধৰি ধৰি, মই বেলটোৰ নিচিনাকে চাইছোঁ মাত্ৰ, কেলেই হাঁহিছে ধৰিব নাইপৰা।
: কি হল অৰ্ণৱ দা?

নিশাৰ মাতত ঘূৰি চালো।
: নমো চিনি পোৱা?
: আচ্ছা, আমাৰ আস্থা বাইদেউৰ নমো, এইজনী এতিয়াও class

5 অতে আছে, আৰু ঢেৰ এনেকুৱা কথা কব, শুনিলে হাঁহি হাঁহি মাৰিব। বল ভিতৰলে আস্থা। Thanks a lot দাদা।
: My pleasure. Take care Astha.
: হমম, থেংকছ ।
      ঘূৰি নোচোৱাকৈ ৰুমত সোমালোহি, যেনেতেনে বিচনাখন পালোহি, ৰাজী আৰু নিশাই makeup আঁতৰাই দিলে, চুলিখিনি খুলিহে শান্তি পাইছোঁ। নিশাই বেণ্ডেজতো খুলি ভালকে ধুৱাই স্পেই কৰি দিলে। আৰাম পালো।
: আমি গৈ থাকো, তই Rest ল, ভয় লাগিলে call কৰি দিবি, মই সব ভালকে lock কৰি থৈ যাম বাৰু।
: হব যা।

   বিচনাতে পৰি পৰি ঘৰলে ফোন কৰিলো,মাক দিনটোৰ বৰ্ণনা দিলো। দুখ পোৱা কথাটো নকলো, এনেই চিন্তা কৰি থাকিব। ফোনটো থৈ শুবলৈ চেষ্টা কৰিছো, এনেকুৱাতে message এটা আহিল।
: Are you fine now?
: ঠিকে আছো।
: May I call you?
   তেওঁৰ ওচৰত number তো আছে যদিও কেতিয়াও call কৰি disturb কৰা নাই, আজি এনেকৈ সুধি লোৱাত কিবা এটা ভাল লাগিল। লাহেকৈ টাইপ কৰিলো ।
: Hmm

আগলৈ......

খণ্ড ৬

Reply কৰিলো যদিও কি কথা পাতিম ভাবি পোৱা নাই। ফোনটো বাজি আছে, উঠাবলৈ সাহস হোৱা নাই, বহুত দেৰি ৰিং হোৱা পাছত উঠালো।
: ....
: Hey, are you sleeping?
: ওহোঁ।
: একো নাই কোৱা যে?
: কি কম?
: তোমাৰ যি মন যায়।
: ......
: ভৰি বেছিকে বিষাইছে?
: ওহোঁ।
: I am really sorry. But please, মই just তোমাক ভালকৈ চাব বিচাৰো আস্থা, অকণ সময় মোৰ ওচৰত ৰব নোৱাৰা তুমি?
: ......
: মোক বহুত বেয়া পোৱা?
: নাপাও।

: Then? ভাল পোৱা?

থাক, ফোনতো সৰি পৰিল। ভালপোৱা? সেইতো কি বস্তু বুজিব পৰা হৈছো জানো মই? নাই নাপাওঁ, মই তেওঁক ভাল নাপাওঁ। নাজানো, মই কি বিচাৰো মই নিজেই নাজানো, মই ইমান ডাঙৰ হৈছো জানো??

: কোৱা আকৌ কিবা এটা?

: নাপাওঁ, ভাল নাপাওঁ, অকণ অকণ বেয়া পাওঁ।

: অকণ মানে? তোমাৰ পোৱালি পোৱালি আঙুলি কেইটাৰ সমান?

সঁচাকে মোৰ আঙুলি কেইটা পোৱালি নিকি! নিজৰে হাতখন কাহানিও নেদেখা নিচিনাকে চাইছো, ঠিকেইতো আছে।

: মোৰ আঙুলি পোৱালি নহয়।

: But তুমিতো পোৱালি হয়।

একো নাইমতা, ভাল নালাগে এনেকে কলে, মইয়ো ডাঙৰ হৈছো, ঘৰৰপৰা ওলাই অহা নাছিলো বাবে বহুত কথা নাজানো, কিন্তু লাহে লাহে শিকিম মইয়ো, সেইবুলি এনেকে কব লাগে নিকি।

: আচ্ছা sorry, পোৱালি নহয় বাৰু, এতিয়া কোৱা তোমাৰ ঘৰৰ কথা, দেউতাক বাৰু চিনি পালো, আৰু কোন কোন আছে?

ঘৰৰ কথা কবলৈ পালে মোৰ মুখ এনেও বন্ধ নহয়, কিমান দেৰি কথা কৈছো নাজানো, মা দেউতা মই, আমি কি কৰো, কি খাওঁ সকলোবোৰ গাই গৈছো, তেওঁ মাথো শুনি আছে।

: মায়ে জীও বুলি মাতে?

কথাৰ মাজতে কেতিয়া কলো নাজানো, কিয় কলো সেইতো ভাবি মূৰটো গৰম হৈছে। মনে মনে থকাই ভাল।

: কোৱা আকৌ, মায়ে জীও বুলি মাতে?

: হমম।

: আৰু কোনে মাতে জীও বুলি?

: কোনেও নামাতে।

: Good.

: কি?

: Nothing.

কি ভাবি কি কয় মই বুজি নাপাওঁ, চেষ্টাও নকৰোঁ।

: নিশাক দেখিছে যদি কৈ দিব মই ঠিকে আছো বুলি, message কৰি আছে তাই।

: মইতো ইয়াতে আছো।

: ইয়াতে মানে?

: খিৰিকীখন খুলি দিয়া।

বিচনাৰ ওচৰৰ খিৰিকীখন খুলি চাই দেখো তেওঁ একে ঠাইতে এতিয়াও ৰৈ আছে, মই ৰূমলৈ অহা ইমান সময় হল তেওঁ যোৱা নাই কিয়।

: আপুনি ইয়াত কিয় ৰৈ আছে?

: তোমাক চাবলে, switch on the light please.

ৰুমতো এন্ধাৰ বাবে তেওঁ মোক নাইদেখা, কিন্তু মই তেওঁক এতিয়াও ষ্ট্ৰীটলাইটৰ সামান্য পোহৰত একেই ৰূপত দেখিছোঁ, বুকুখন খুব জোৰেৰে কঁপিছে মোৰ, কিয় চাই আছো তেওঁৰ

ফালে এনেকে, নেজানো, একো নেজানো মই।
: Please আস্থা, এবাৰ on কৰা light তো।

কঁপা কঁপা হাতেৰে চুইছতো দিলো, চুলিখিনি বতাহে কোবাই আউল বাউল কৰি দিছে, কিন্তু ঠিক কৰাৰ জোখাৰে শক্তি কণ মোৰ এতিয়া নাই।

তেওঁ তেতিয়াও কাণত ফোনতো লগাই চাই আছে মোৰ ফালে, একো নাই পৰা কব, দুয়ো মৌন, সময় ৰৈ গৈছে একে ঠাইতে, উশাহ লোৱাৰ শব্দ মাথোঁ শুনা পাইছো, বাকী সকলো স্তব্ধ, চুলিখিনি বাৰে বাৰে গালে মুখে পৰিছে, কিন্তু হাতখন উঠাব পৰা নাই মই, শিলৰ দৰে ৰৈ আছো মাথোঁ, কিয় ভাল লাগিছে এই অনুভৱ, কিয় ভাল লাগিছে এবাৰ মোক প্ৰাণ ভৰি চাব খুজা এই আন্ধাৰ, সীমাহীন প্ৰশ্ন, উত্তৰ নাই!

: You are beautiful!!!!!!!!!!!!!!!!

কলিজাটো ওলাই আহিব যেন্ লাগিছে। কি কৰো কি নকৰো ভাবি পোৱা নাই, কি উত্তৰ দিম। আছে জানো কিবা কবলৈ।
: নিশাই message কৰিছে, আহিছে তাহাতি,please যাওঁক এতিয়া ।
: ওহোঁ।
: Please.

কিনকিনিয়া বৰষুনজাক কৰ পৰা আহিল নাজানো, খিৰিকীৰ কাষত ৰৈ থকা বাবে গালে মুখে পানীৰ চিটিকনি পৰিলহি। তেওঁ তেতিয়াও লৰচৰ কৰা নাই।
: বৰষুণ দিছে।

: জানো।
: তিতিলে গা বেয়া হব।
: তুমিতো মোক বেয়া পোৱা, মোৰ গা বেয়া হলে তুমি ভাল হে পাব লাগে।

কথাত হৰুৱাব নোৱাৰোঁ বুলি জানো,যি কৰে কৰি থাকক, মোৰ কি আহে যায়।
: ঠিক আছে তিতি থাকক, মই খিৰিকী বন্ধ কৰো।

একো কোৱাৰ সুযোগেই নিদিলো, জোৰত খিৰিকীখন বন্ধ কৰি দিলোঁ। মোৰো খং আছে, উল্টা পুল্টা কথা কলে ময়ো বেয়া পাওঁ।
: খং কৰিলে তোমাক আৰু ধুনিয়া লাগে।

কি? Light তো off কৰাই নাই তেতিয়াও,দেখি আছে তাৰমানে। এইবাৰ light তো off কৰি পৰ্দাখন টানি দিলো। ফোনটো disconnect কৰি switch off কৰি শুই থাকিলো। শুবৰ চেষ্টা কৰিছো যদিও টোপনি নাই অহা, বাৰে বাৰে চাবৰ মন গৈছে তেওঁ আছে নে গল। কিন্তু ভয় লাগিছে, যদি তেওঁ আছে মই ধৰা পৰি যাম, আৰু যদি নাই, মোৰ কিবা এটা বেয়া লাগিব। ফোনটো কাটি দিলো বুলি আকৌ কৰিব নোৱাৰি নেকি। নাই নাইকৰা, screen খন বাৰে বাৰে চাই আছো। নাই, নোৱাৰি এনেকে। লাহেকে পৰ্দাখন অকণমান আঁতৰাই চালো কি আচৰিত, এতিয়াও ৰৈ আছে, ফোনতো উঠাই call কৰিলো।
: খং কমিলে?
: আপুনি যোৱা নাই কিয়?

: তুমি সঁচাকৈ বুজা নাই মই কিয় এতিয়াও নাই যোৱা?
: ওহোঁ ।
: তুমি অকলে থাকিব যে নোৱাৰা মই জানো, তোমাৰ ভয় লাগিছে কিন্তু কবলৈ লাজ কৰিছা সবেই হাঁহিব বুলি।নালাগে বাৰু কব। মই নিশা অহালৈকে ৰৈছো ইয়াতে। তুমি শুবৰ চেষ্টা কৰা।

কি অদ্‌ভূত এই মানুহজন। কিয় বুজি পোৱা ইমান কঠিন। যদি মোলৈ মৰম ইমানেই বেছি তেনেহলে কথাই কথাই গালি কিয় পাৰি থাকে।
: আপুনি কেনেকে গম পালে মোৰ ভয় লাগিছে বুলি?
: সব কথা কৈ বুজাব নালাগে আস্থা, তুমিও মই নোকোৱা কথাবোৰ বুজি পোৱা হলে।
: মানে?
: মানে মই তোমাৰ senior হয়, ইমান question সুধিব নোৱাৰা তুমি মোক। চুপ চাপ শুই থাকা।

সেয়া, উঠিলেই খংতো, মোৰনো কি দৰকাৰ আাছিল ফোন কৰিবলে। নিজৰ ওপৰতে খং উঠিল, ভোৰভোৰাই আছো মুখৰ ভিতৰতে, কৰি থাকক কি কৰে, মোৰ কি যায় ।
প্ৰায় আধাঘণ্টা মানৰ পিছত সব ঘূৰি আহিল। নিশাই মোৰ কাৰণে খোৱা খিনি pack কৰি আনিছে, ভোক অকণ লাগিছিলো, বিচনাতে বহি খাবলৈ ললো।
: আস্থা, তই অৰ্ণৱ দাক কি reply দিবি?

খোৱা খিনি ডিঙিত লাগি ধৰিল, খুব জোৰে চৰচৰণি খালো,

কি সুধিছে নিশাই!
: মানে?
: মানে অৰ্ণৱ দাই তোক ভাল পায় বুলি নাজান নিকি?
: তই পাগল হৈছ নিকি?
: নাইহোৱা, কিন্তু অৰ্ণৱ প্ৰতিম কাশ্যপ, The most handsome, misteriouse and KHADOOS লৰাতো আমাৰ মাইনা মাইনা ছোৱালীজনীৰ প্ৰেমত পূৰাই পাগল।

কথাটো কৈ নিশা, ৰাজী আৰু টিনাই হাঁহি হাঁহি থাকিবই পৰা নাই। মোৰ একো খোৱা নহল। কিবা এটা লাজ লাজ ভাৱে হেঁচা মাৰি ধৰিছে, গালখন পুৰিছে আকৌ।
: তই জাননে অৰ্ণৱ দাই তোৰ বাহিৰে কোনো ছোৱালীক ঘুৰিও নাচায়।
: তই কেনেকে জানিলি?

কিয় জানো, কথাটো শুনি কিবা এটা ভাল লাগিল। আৰু জানিবলে খুব মন গল মোৰ।
: কিয় নীতা বা যে, মোৰ cousin জনী, অৰ্ণৱ দাৰ লগৰে ন, বায়ে কলে মোক, first time বোলে প্ৰেমত পৰিছে অৰ্ণৱ দা, কথা কম কয় কাৰণে কোনেও সোধা নাই, but সবেই গম পাইছে আৰু লাহে লাহে। তই lucky বে আস্থা। And I am so happy for you.
: কি বকি আছ তইহে জান দেই মোক তো তেনেকুৱা একো কোৱা নাই।
: সব কথা কৈ দিব নি আৰু, নিজেও অলপ মাথা লগা।

ভাল লাগিছে আজি দিনটো, দুখ পালো যদিও বিষ

পাহৰিছো, এতিয়া অকল বুকুত হে এটা মিঠা মিঠা বিষ, তেওঁক আকৌ এবাৰ নেদেখালৈকে হয়তো এনেকৈয়ে থাকিব। নিশাৰ হাতত খোৱা plate খন দি গাৰুটোত আউজি বহিলো, টিনা আৰু ৰাজী গলগৈ, নিশাই হাত মুখ ধুই আহি মোৰ ওচৰতে বহিল।

: কিবা কবি আস্থা?

: হমম, নাই একো নাই।

: disturbed লাগিছ্ বহুত, কি হল কচোন ।

: নিশা, আমিতো সৰু হৈ আছো এতিয়া ন, প্ৰেম হয় জানো এইটো বয়সত?

: আস্থা মাইনা, মোৰ প্ৰেম হৈয়ো breakup হল দুবাৰ, তোক মায়ে কেঁচুৱা বনাই থৈ দিছে দেই, সঁচাকে তোৰ আজিলৈকে কাকোৱেই ভাল লগা নাই?

: ওহোঁ।

: Omg, you are so innocent my baby.

নিশাই টপকে গালতে চুমা এটা খাই দিলে, আজিকালি প্ৰায়ে মোৰ গালখন চিকুটি থাকে তাই। খং উঠে যদিও ভালো লাগে, মোৰ মাজতেই তাই নিজৰ আপোন কোনোবা বিচাৰি পায় যেন লাগে। ফোনটো আকৌ বাজিল মোৰ।

অৰ্ণৱ।

কিয় বা ফোন কৰিছে।

: হেল্ল

: নিশাক দিয়া।

: কিয়?

: কাৰণ মই কৈছোঁ।

এৰো নকলো, নিশাক দি দিলো ফোনতো।

কি কথা পাতিছে নাজানো, মাজে মাজে নিশাই মোলে চাই চাই হাঁহি আছে। মোৰ লগত একো কথা নাপাতিলে তাৰ পিছত। থৈ দিলে ফোনটো। বেছি কৰে অলপ।

: কি কলে তোক?

নিশাক সুধিলো।

: Secret baby, তোমাক কব নোৱাৰিম দেই।

মুখখন ডাঙৰ কৈ মেলি নিশালৈ চালো, কেতিয়া তেওঁৰ ফলীয়া হল, মোৰহে friend আছিল, আজিকালি কাৰো বিশ্বাস নাই। খঙতে গাৰু টো মূৰৰ ওপৰত লৈ শুই থাকিলোঁ।

: বেয়া পালি নিকি?

: যা ইয়াৰপৰা।

: Okay বাবা sorry। আচ্ছা শুন, অৰ্ণৱ দাই তোক ৰাতি মাজে মাজে চাই থাকিব কৈছে, আৰু বেছি বিষ হলে ৰাতিপুৱা ডক্তৰ ওচৰত লৈ যাম কৈছে। এতিয়া খুচ?

: হমম, খুচ।

নিশা নিজৰ বিচনালৈ গল, যোৱাৰ আগত অৰ্ণৱে কোৱাৰ দৰে মোৰ ভৰিৰ তলতো গাৰু এটা দি থৈ গল। মইহে শুব পৰা নাই, বাৰে বাৰে তেওঁৰ মুখখন চকুৰ আগত ভাঁহি আছে। ফোনটো অফ কৰাই নাই তেতিয়াও, মই ৰাতি switch off কৰি থৈ দিওঁ। আজিও কৰিব লওঁতেই তেওঁৰ ফোন আহিল।

: শোৱা নাই কিয়?

: টোপনি নাই অহা।
: কিয় নাই অহা? ভৰি বিষাইছে বেছিকৈ?
: ওহোঁ।
: then?
: নাজানো।
: Astha, are you alright?
: Say something please, am I too demanding? Are you scared of me?
: Aastha, please.
: Answer me Damn It.

খং উঠিল আকৌ, যেতিয়াই ভাবো তেওঁ মোক ভাল পায়, মৰম কৰে বুলি, তেতিয়াই গালি পৰাটো খাটাং, চকুপানী বৈ আহিলে মোৰ। ভাল লগা সপোণ এটা ভাগি থাকিল, বৰ ঠুনুকা এই সপোনবোৰ।

: Are you crying? Seriously? But why?
: নাজানো ।
: Please আস্থা, এনেকুৱা নকৰিবা, মোৰ কাৰণে বহুত difficult হৈ গৈছে, I really don’t know how to make you understand what I feel, you are too naive Astha. And that’s what dragging me more, towards you.
:কিবা কবা?
:ওহোঁ ।
:টোপনি ধৰিছে?
:উমম।

টোপনি আজি কেতিয়াও নাহে, কিন্তু তেওঁৰ লগত কথা পাতি থাকিবও নোৱাৰোঁ, ভয়, লাজ সব লাগিছে। এনেই কৈ দিলো টোপনি ধৰিছে বুলি।

: আচ্ছা, কিবা খালা নাই?

: উমম।

: ঠিক আছে শুই থাকা, মই ৰাতিপুৱা ফোন কৰিম। Good Night জীও।

জীও? কিয় মাতিছে সেইতো নামেৰে? কাটি দিলো ফোনতো, আৰু নোৱাৰোঁ শুনিব একো।

ফোনটো কাটি বুকুত সাৱটি বহি আছো।

কিয় এই ভাললগা?

কিয় এই নিৰবতা?

কত লুকাই আছিল এই অনুভৱ?

আগলৈ......

খণ্ড ৭

ভৰিটো লাহে লাহে ভাল হল, সেইকেইদিন প্ৰতিদিনেই তেওঁ ফোন কৰিছিল, খবৰ লৈছিল, কিন্তু এতিয়া একেবাৰেই নাই, কিয় নাজানো, message বা ফোন একোৱেই নকৰে।কলেজত দেখিলেও নেদেখাৰ নিচিনা কৰে, কেতিয়াবা নিশাৰ লগত কথা পাতি গুচি যায়। খুব বেয়া লাগে মনত, কিয় এনেকুৱা কৰিছে, কি কৰিলো। ৰাতি শোৱাৰ আগত সদায় চাও ফোনটো, শুই

থাকো চাই চাই। প্ৰতিবাৰেই নিৰাশ হও। ভাবি ভাবি পাগল হৈছো, নিশাই বুজাইছে এইবোৰ বাদ দে, পঢ়াত মন দে। ঠিকেই কৈছে তাই। মই গোটেই সময়বোৰ পঢ়াতে লগালো। কলেজৰ সময়খিনি ভালেই লাগে, লগৰবোৰৰ লগত বহুত ভাল বন্ধুত্ব গঢ়ি উঠিছে। এদিন class কৰি ওলাই আহিছো মই আৰু নিশা, চিৰি কেইটা নামোতেই অংকুৰক লগ পালো।

: কি খবৰ আস্থা, ফোন কৰিলেও কথা নাপাতা, message কৰিলেও reply নাই, কিবা বেয়া পালা নেকি?

: নাই বেয়া কিয় পাম।

: বলা তেন্তে canteen অত বহি কথা পাতিম।

: বলা।

তিনিওটা গৈ canteen অত বহিলো, নিশা আৰু অংকুৰে চাহ খাইছে, মই এনেই বহিছো। ধেৰ কিবা কিবি কথা ওলাইছে, JECক লৈ আমি আগতে কি ভাবিছিলো, এতিয়া কি ভাবো, ভৱিষ্যৎ কি হব, Maths অৰ ছাৰজন কিয় ইমান খঙাল, বহুত কথা। অংকুৰে কথাই কথাই হঁহুৱাব পাৰে, নিশাই ময়ে হাঁহি হাঁহি পাগল হৈ গৈছো। চাহ খাই ওলাই আহি নিশাই প্ৰিন্ট উলিয়াব গল, মই আৰু অংকুৰ দোকান খনৰ সন্মুখতে ৰৈ আছো।

: কথা এটা কম বেয়া পাবা নেকি আস্থা।

: কোৱাচোন।

: তোমাক মোৰ বহুত ভাল লাগে, tution কৰোঁতে তোমাকে চাই থাকো, তেতিয়া কবলৈ ভয় লাগিল। বহুত দিন চেষ্টা কৰি

আছিলো কবলে। পৰা নাছিলো। সঁচাকে বহুত ভাল লাগে তোমাক, I think I am in love Astha.

কিবা কোৱাৰ আগতেই গাৰ ওচৰেদি দপদপাই কোনোবা পাৰ হল। গোন্ধটো চিনাকি, খুব strong deodorant আৰু just খাই ওলাই অহা চিগাৰেটৰ গোন্ধ।অৰ্ণৱ!!

ইমান জোৰেৰে গাত গা লগাই পাৰ হৈ গল যে মই কোনোমতেহে নপৰাকৈ ৰলো। বাইকত উঠি মোলে যিদৰে চালে, চকুৰ পৰা জুই ওলাই আহিব যেন লাগিল। ভয়তে দৌৰি গৈ নিশাৰ ওচৰ পালোগৈ।

: কি হল?

: ইয়াৰপৰা জলদি যাও বল।

: আৰে কি হল ক...না।

: বল না please.

অংকুৰক একো নোকোৱাকৈয়ে গুচি আহিলো, নিশাই মোৰ মুখলে চাই চাই আহি আছে, মই প্ৰায় চোঁচোৰাই অনা দি আনিছো। কিমান ভয় লাগিছে বুজাব নোৱাৰোঁ, অৰ্ণৱে সব শুনিলে তাৰমানে, আৰু এই অংকুৰটোৰ ওপৰতো ভীষণ খং এটা উঠিছে মোৰ। ৰুমত সোমাই মই গোটেই বটল পানী একেবাৰতে খালো, নিশাই চাইহে আছে, একো বুজা নাই বেচেৰীয়ে।

: নিশা, বহুত ডাঙৰ কথা হল।

কথাখিনি নিশাক কলো, তায়ো অৰ্ণৱৰ খং কিমান জানে, কি কৰিছে চাগে ঠিক নাই।

: তই অংকুৰক কি কলি?
: একো নাই কোৱা।
: কাইলৈ কৈ দিবি, তই তেনেকে নেভাব বুলি।
: হমম, কিন্তু এতিয়া কি কৰোঁ?
: কি কৰিবি নো, অৰ্ণৱ দাই সুধিলে কৈ দিবি সচাঁ কথাটো।

নাই, তেওঁ ফোন message একো নাইকৰা, ময়ো সাহস কৰিব পৰা নাই, আজিলৈকে সদায় তেওঁ ফোন কৰিলেহে কথা পাতো, মই কৰি পোৱাই নাই। ৰাতিটো তেনেকেই পাৰ হল, পিছদিনা কলেজলৈ গৈ তেওঁক বাৰে বাৰে দেখো নেকি চাইছোঁ, নাই, কতো নাই। এনেকে প্ৰায় তিনিদিনমান পাৰ হল। এদিন কলেজতে উৎপল দাক লগ পালো, সদায় অৰ্ণৱৰ লগত থাকে, আজি অকলে।

: উৎপল দা।
: আস্থা, কি খবৰ?
: ভালেই, আপোনাৰ?
: চলি আছে।

সুধিম বুলিও নাইপৰা সুধিব, তেওঁৰ কথা জানিব পৰা আধিকাৰ মোৰ আছে নাই নাজানো, কিন্তু মনত কিবাকিবি কথাবোৰ আহি আছে, তেওঁ বাৰু ভালে আছেনে?

: অৰ্ণৱৰ কথা নোসোধা?
: হা? নহয়… মানে
: Don’t worry, ভাল হৈ যাব।
: ভাল হৈ যাব মানে?

: তুমি কি গমেই নোপোৱা নিকি, তাৰ accident হল ন, সোঁহাতখন fracture হৈছে, সেইকাৰণেতো college অহা নাই। সব মোৰ কাৰণেই হল, বুকুখন মোচৰ খাই যোৱা যেন লাগিল, চকুপানী ৰখাব পৰা নাই। নিশাই হাতখন খামুচি ধৰিলে মোৰ।

: এতিয়া কত আছে?

: ৰুমতে, aunty আহিছে,যাবা নিকি চাবলে, বলা নহলে মোৰ লগতে, ভাল পাব সি।

: উমম বলক।

মই কিবা কোৱাৰ আগতেই নিশাই উত্তৰ দিলে। তেওঁক এবাৰ চোৱাৰ হেঁপাহ খুবেই আছিল, কিন্তু ভয় এটাও লাগিছে। নিশাই তপৰাই উত্তৰ দিলে, মোৰ কথা এবাৰো নাভাবিলে। অৰ্ণৱ আৰু উৎপল দা, কলেজৰ পৰা অলপ আঁতৰত ভাৰাঘৰত থাকে, এইবোৰ information সদায় নিশাই আহি দি থাকেহি। হঠাতে এনেকে যাব পাৰি নিকি, তাকো লৰা দুটাৰ ৰুমত।

: Aunty আছে কাৰণেহে কৈছো,বেয়া পাইছা যদি নালাগে।

: নাইপোৱা বেয়া, বলক।

উৎপল দাৰ পিছে পিছে ওলালো।

: মই আকৌ তাৰ bike খন লৈ আহিছো, এটা কাম কৰা auto এখন লৈ লোৱা, মোৰ পিছে পিছে আহি থাকিবা।

: হব।

গেটৰ সন্মুখত অট’ এখন পালো, উৎপল দাই কথা পাতি দিলে। কলেজৰ বেগ আছেই হাতত, চুৰ্ণীখন ঠিক কৰি বহিলো।

কি বা হব, তেওঁ বাৰু মোক মাতিবনে? এতিয়াও খং কৰি আছে নেকি?
: আস্থা, তোৰ mother in law আছে নহয়, ওৰণিখন লৈ ল।
কিয় জানো নিশাৰ কথাত খং উঠা নাই আজি, লাজ লাজ ভাৱ এটা আহি ৰঙা পেলাই থৈ গল। গালখন আকৌ পুৰিছে মোৰ।
: আস্থা, আৰু ৰঙা নপৰিবি দেই, এতিয়াই কিবা কাশ্মীৰী আপেলটো নিচিনা হৈ গৈছ।

উৎপল দাই bike খন ৰখাই নামিবলৈ কলে আমাক, বুকু খন ধক্ ধক্ কৰিছে, পালোহি তাৰমানে।
: আহা আস্থা।

উৎপল দাই Gate খন খুলি দিলে।
: আমি উপৰত থাকো, তলত মালিক থাকে।

চিৰিয়েদি যিমানেই ওপৰলৈ উঠিছো উশাহটো সিমানেই ছুটি হৈ আহিছে, পাৰো মানে চুলিখিনিকে চুই আছো, ওঁঠতো শুকাই যোৱা যেন লাগিছে। উৎপল দাই দুৱাৰত নক কৰিলে, শব্দটো কিন্তু মোৰ বুকুতে বজা যেন লাগিল।
: আহিলা?

মানুহগৰাকীয়ে আমাক তেতিয়াও মন কৰা নাই। ভয় লাগিলেও চালো এবাৰ। ইমান ধুনিয়া,কপাহী চুৰিদাৰ এযোৰ পিন্ধি আছে, ক্ষীণ ওখ মানুহগৰাকী, চুলিখিনি কান্ধলৈকে পৰা, মেলি থৈছে, মুখত মিঠা হাঁহি এটা। চকু কেইটা তেওঁৰ দৰে, গভীৰ।
: এওঁলোক?

: আমাৰ junior, মোৰ ভন্টি নিচিনাই। এইজনী নিশা আৰু এই আস্থা।
: Hello Aunty.
নিশাই তাইৰ স্বভাৱসুলভ হাঁহিটোৰে সম্ভাষণ জনালে।
: Hello.
: তুমি আস্থা?
: হয়, নমস্কাৰ।
: আঁহা আঁহা, ভিতৰলে আঁহা।
পৰিপাটিকৈ থোৱা ৰুমটোত এখন বিচনা, এটা Desktop, ৱালত এটা প্ৰকাণ্ড TV আৰু এখন সৰু sofa আছে। তেওঁ নাইচোন। সোমাইয়ে তেওঁক নেদেখি মনটো বেয়া লাগিল।
: বহাচোন তোমালোক। কলেজৰ পৰা চিধা আহিছা চাগে ন। পানী লোৱাচোন।
খুব পিয়াহ লাগিছিল। গোটেই গিলাছ পানী একে ঘোটে খালো।
: অৰ্ণৱ শুই আছে নি?
: নাই শোৱা চাগে, ইয়াতে TV চাই আছিল, এইমাত্ৰ উঠি গৈছে।
: কিয় কেলে লাগে মোক?
মাততো শুনি বহাৰপৰা উঠি দিলো, এনেকুৱা লাগিল তেওঁক যেন বহুত দিনৰ পাছত লগ পাইছো, হাতখন pluster কৰি থোৱা আছে, একেটা position অত ৰাখিবৰ কাৰণে ডিঙিৰপৰা বেলট নিচিনা কিবা এডাল লগাই থোৱা আছে।তেওঁ মুখ ধুই পানী নুমুচাকৈ ওলাই আহিছে, টুপ টুপ কৈ পানী পৰি আছে এতিয়াও।

:উৎপল, towel খন দে না।

বাহিৰত মেলি থোৱা towel খন আনি দিলেহি উৎপল দাই। তেওঁ মুখখন মচি মচি বিচনাখনত মাকৰ ওচৰত বহিলহি। মন কৰিলো, এবাৰৰ বাবেও নাইচোৱা মোৰ ফালে, মই যেন তাত নাইয়েই তেনেকুৱা লাগিলে। নিশাই ইতো সিটো সুধিছে, কত দুখ পালে কি হল, তেওঁ চমু উত্তৰ দি কথাটো সামৰি থৈছে।

: তুমি ঠিয় হৈ আছা যে আস্থা, বহা বহা। আমাৰ ই Senior বুলি দম দেখাই নি, ভয় নকৰিবা, বাহিৰত হে খঙাল, ভিতৰি গোটেইটো মম।

: আস্থা বহ আক।

তেতিয়াও নাই চোৱা তেওঁ মোৰ ফালে।

: বৰ মৰমলগা ছোৱালী দেই, অৰ্ণৱ তই কোৱা নাই কেলেই তহঁতৰ কলেজত ইমান ধুনিয়া ছোৱালী আছে বুলি।

মাকে ধেমালি সুৰত কথাটো কৈ উৎপল দাৰ ফালে চালে, মোৰ এনেকুৱা লাগিল, কিবা চাগে গম পাইছে।

: মই নেদেখো ধুনিয়া, সেইকাৰণে কোৱা নাই।

তেওঁ সন্মুখৰ ফালে চাই চাইয়েই কলে কথাটো, কিন্তু মোক আঘাত কৰাৰ যি প্ৰচেষ্টা, তাত তেওঁ সফল হল। খুব দুখ লাগিল, মই দেখিবলে বেয়া ভাল সেয়া লৈ কোনোদিন মূৰ ঘমোৱা নাই, কিন্তু এনেকৈ মুখৰ আগত কৈ দিয়া বাবে দুখ লাগিল। জীৱনত প্ৰথম বাৰ কাৰোবাক মই ভাল দেখিছিলো, ভাল লাগিছিল তেওঁৰ সকলোবোৰ, আৰু তেওঁ মোক কেতিয়াও ভালেই নেদেখিলে। খং, অভিমান নে বিৰক্তি?

: তোমালোকে কথা পাতা, মই চাহ বনাও। ইমান ভাগৰত আহিছা, কিবা এটা খাই যাবা।
: Aunty মইহে খাওঁ চাহ, আস্থা সৰু হৈ আছে যে সেইকাৰণে হৰলিক্স খাই।
: সেইটোহে নাই, juice খাবা?
: নাই নালাগে হব।
: কেলেই হব, খাব লাগিব, ৰবা মই আনো।
: বলক aunty, মই আপোনাক help কৰি দিম।

নিশা বহাৰপৰা উঠি পিছে পিছে পাকঘৰৰ ফালে গুছি গল। মই অকলে। উৎপল দা মোবাইলতো লৈ বাহিৰত কথা পাতি আছে, ৰুমটোত মই আৰু অৰ্ণৱ। বহুতপৰ দুয়ো মনে মনে আছে, চুৰ্ণীখন লিৰিকি বিদাৰি একে ঠাইতে বহি আছো।
: কিয় আহিছা?
: মানে?
: Don’t act innocent Astha. কি চাবলে আহিছা হা? মোৰ যিয়েই নহওক লাগে তোমাৰ কি concern? I am nobody to you right? Then why are you pretending like you care, damn it?
: মই জনাই নাছিলো আ আপোনাৰ এনেকুৱা হৈছে বুলি।
: কিয়? তোমাৰ ওচৰত মোৰ number নাছিল, ফোন এটা কৰি সুধিব নোৱাৰিলা মই কিয় কলেজ অহা নাই? You didn’t mind my absence right?
: নহয়, মই কৰা নাছিলো আপুনি খং কৰে বুলি।
: মিছা কথা মই বেয়া পাওঁ আস্থা।

: সঁচাকে কৈছো মই।

থোকাথুকি মাতেৰে কথা কেইটা কলো, কিয় এনেকুৱা অৰ্ণৱ, কিয় বুজি নাপায় মই তেওঁৰ দৰে নহয়, আমি বহুত বেলেগ এজন আনজনৰ পৰা। মই নোৱাৰোঁ, বহুত কথাই মনত খুন্দিয়াই থাকিলেও একো নোৱাৰোঁ কব, বিশেষকৈ অৰ্ণৱৰ আগত। কিয়? সেইতো মইয়ো নাজানো।

: You also like him?

: কাক?

: That guy who was proposing you that day?

: অংকুৰ? সিটো মোৰ আগৰে...

তেওঁ এখন হাতেৰেই মোৰ সোঁহাতখন ধৰি ইমান জোৰেৰে টানি আনিলে যে, মই চকীৰপৰা আহি তেওঁৰ গাৰ কাষ পালোহি।কলিজাটো ওলাই আহিব এতিয়া ,তেওঁৰ আৰু মোৰ মাজত মাথো সামান্য দূৰত্ব। মোৰ এডাল দুদাল চুলি উৰি তেওঁৰ বুকুত লাগিছে, মূৰ তুলি চাব পৰা নাই মই, হাতখন তেতিয়াও তেওঁৰ হাতৰ মুঠিত। ধক্ ধক্। দুয়োটাৰে উশাহ শুনা পাইছো মই। দুখোজ পিছুৱাই আহিব খুজিলো, তেওঁ হাতখন ধৰি আৰু জোৰেৰ টানি আনিল।

: I don’t want history Astha, just answer me you like him or not?

কিয় ইমান অধীৰ সকলো কথাতে। এই জেদ, এই খং, এই অভিমান, পাৰিমনে মই চম্ভালি ৰাখিব?

চকু তুলি চালো, তেওঁৰ চকুত খং আৰু অভিমান, ভালপোৱা কৰবাত হেৰাই থাকিল।

: আস্থা, কি কৰি আছনো, আহ না, চাহি aunty য়ে কি তামাম বনাইছে!
: আস্থা, তুমিও ইয়ালেকে আহা।
: গৈ গৈছো।
: Answer me first.
: Please যাবলে দিয়ক। আহ.. দুখ পাইছো।

হাতখন তেওঁৰ হাতৰ চেপাত মোচৰ খাই গল।

: You like him too?
: না।
: Really?
: সঁচাকে কৈছো, please যাবলে দিয়ক এতিয়া।

সন্তুষ্টিৰ হাঁহি এটা বিৰিঙি উঠিল তেওঁৰ চকুয়ে মুখে, হাতখন ঢিলাই দিলে। এক মিনিটো বৈ নাথাকিলো তাত। দৌৰ মাৰিলোঁ নিশাৰ ওচৰলে।

আগলৈ....

খণ্ড ৮

নিশাৰ ওচৰ পাইহে ভালকৈ উশাহ ললো। গাটো কঁপি আছে, গালখন আকৌ পুৰিছে।
: কি হল ৰঙা আপেল?

নিশাই গম পাইছে কিবা এটা।

: হাঃ হাঃ, ভাল নাম দিছা, পিছে আস্থা, তুমি আজি মই বনোৱা ছুজিৰ পায়স খাই যাব লাগিব, অৰ্ণৱৰ বৰ প্ৰিয়, তুমিও ভাল পালে মোৰ একো চিন্তাই নাই।

কি কৈছে বুজি পোৱা নাই মই, বুকুখন অলপ হেঁচা মাৰি ধৰিলো। নিশাই তেওঁৰ মাকৰ লগত অনৰ্গল কথা পাতি আছে, মই মাত্ৰ অলপ আতৰত বৈ শুনি আছো।

: আস্থা ফ্ৰীজতে গাখীৰ আছে দিয়াচোন।

তেওঁৰ মাকৰ হাতত গাখীৰ খিনি দি সেইখিনি তে বৈ আছো।

: আস্থা, সিটো ৰুমৰ টেবুলখনতে dry fruits অৰ টেমা এটা আছে, লৈ আহাঁচোন, ইয়াক খাবলৈ দি তাতে এৰি থৈ আহিলো।

: ঠিক আছে।

পাকঘৰৰ দুৱাৰখনৰ পৰা জুমি চালো, তেওঁ বাহিৰৰ ৰুমটোত উৎপল দাৰ লগত কথা পাতি আছে, নেদেখাকৈ ইতো ৰুমৰ পৰা লৈ আনিব পাৰিলেই হল।যিমান পাৰি শব্দ নোহোৱাকৈ ৰুমটোৰ ফালে গলো, সোমাইয়েই দেখিছো এসোপামান gym অৰ সামগ্ৰী, এটা punching bag ওলমি আছে, ডাঙৰ Bluetooth speaker এটা, বিচনাৰ কাষৰ টেবুলখনত ধেৰ কিতাপ, বস্তুবোৰ কিন্তু পৰিপাটিকৈ জেগাই জেগাই থোৱা আছে। টেমাটো দেখি আনিবলৈ গলো, লৈ ঘূৰিব লৈছো পৰা নাই, আকৌ এবাৰ ধৰা পৰিলো। তেওঁৰ বাওঁ হাতখন মোৰ বাওঁফালে টেবুলত ভেজা দি আছে, টেবুলখন আৰু তেওঁৰ মাজত মই যেনেতেন সোমাই আছো। কি কৰোঁ এতিয়া, ঘূৰি দিলে তেওঁৰ গাতে পৰিম। লাহে লাহে তেওঁৰ উশাহতো আৰু

বেছি ওচৰ চাপি আহিল। মোৰ চুলিৰ গোন্ধটো বাৰে বাৰে সামৰি লৈছে তেওঁৰ উশাহত। মই ৰৈ আছো মাথোঁ দুচকু জপাই। কি হব পাৰে এই মুহূৰ্তত, ভালপোৱা ইমান ভাললগা!
: Baby powder?

তেওঁ কাণতে ওঁঠ লগাই সুধিলে। মই এতিয়াও baby cream আৰু baby powder ব্যৱহাৰ কৰোঁ, বেলেগ কিবা লগাব নোৱাৰোঁ, কিন্তু তেওঁ জনাটো বিচৰা নাছিলোঁ। উত্তৰ দিব নোৱাৰোঁ মই, মোৰ শব্দবোৰ তেওঁৰ শৰীৰৰ সুগন্ধিত হেৰাই গল। মই মাত্ৰ শুনি আছো। কিয় ইমান ওচৰত থাকিও তেওঁ দূৰত ৰাখিছে নিজক, কিয় এটা আঙুলিও চুই চোৱা নাই।
: আস্থা, পালানে নাই?
হে ভগৱান, কি কৰি আছো আমি, কিমান লাজ পাম কোনোবাই এনেকে দেখিলে, সপোনৰ দেশ এৰি বৰ্তমান পালোহি। তেওঁ তেতিয়াও মোক আৱৰি ৰাখিছে, অলপো লৰচৰ কৰিব নোৱৰাকৈ।
: এৰি দিয়ক।
: মইতো ধৰি থকা নাই।
হাৰি যাও বাৰে বাৰে তেওঁৰ আগত, কিন্তু আজিকালি ভাল লাগে এই পৰাজয়।
: কিয় আহিছিলা মোৰ ৰুমত?
: এইটো নিবলৈ। এতিয়া please আঁতৰি দিয়ক।
আঁতৰি দিলে, টেমাটো লৈ দৌৰি পলাব খুজিছো, পৰা নাই,

ঘূৰি চালো, চুৰ্ণীখনৰ আগটো তেওঁৰ হাতত।
: মোৰ ৰুমত without permission কোনো নাহে। তুমি rule break কৰিছা।
: sorry.

আকৌ টানি নিলে নিজৰ ওচৰলে, মৰি যাম এনেকে মই, কি কৰি আছে।
: এনেকে নহব।
: মানে?
: I will forgive you in one condition.
চৰ্ত? কি চৰ্ত ৰাখে ঠিক নাই, হে ভগৱান বচোৱা মোক।
: কি condition?
: ৰাতি ফোন কৰি কম। এতিয়া যোৱা and one more thing, baby product পোৱালিবিলাকেই use কৰে, so technically তুমি এতিয়াও পোৱালি ।
কথাকেইটা কওঁতে তেওঁৰ ওঁঠ দুটা বাৰে বাৰে মোৰ কাণত লাগিছে, মই ঠিয় হৈ থাকিব পৰা নাই, আঠু দুটা নাই নাই লাগিছে।
: Please যাবলে দিয়ক।
আৰু নোৱাৰোঁ, চকুপানী ওলাই আহিব এতিয়া,সকলোবোৰ মোৰ কাৰণে একেবাৰেই নতুন।
এৰি দিলে তেওঁ, একে কোবে গৈ নিশাৰ ওচৰ পালো, কঁপা কঁপা হাতেৰে টেমাটো তাইকে দিলো, অৰ্ণৱৰ মাক বনোৱাত ব্যস্ত, মোলৈ বৰ এটা মন কৰা নাই। নিশাই কিন্তু সব বুজি পাইছে।

: Everything is ready. বলা এতিয়া সবেই একেলগে চাহ কাপ খাই লওঁ।

খোৱা বস্তুখিনি লৈ আমি বাহিৰৰ ৰুমটোলৈ ওলাই আহিলো। যিমান পাৰি তেওঁৰ পৰা আঁতৰত বহি সময়খিনি পাৰ কৰিলো। অলপ দেৰি পাছত ঘুৰি আহিবৰ হল। আমি অট’লৈ আহিব খোজাত তেওঁৰ মাকে মানা কৰিলে। তেওঁ নিজৰ গাড়ীত থৈ যাবহি।

: উৎপল তুমিও বলা, আমি থৈ আহিম আৰু আহোঁতে বজাৰ কৰিও আনিম।

: বলক।

তেওঁ একো মাত নামাতিলে, মই যাঁও বুলি কওঁতেও একো উত্তৰ নাই।

: অৰ্ণৱ তইয়ো বল নহলে।

: নালাগে, মই আছো, তোমালোক যোৱা।

তললৈ নামি আহি গাড়ীত বহিলো, তেওঁৰ মাকে চলাইছে, উৎপল দা আগৰ ছিটত, মই আৰু নিশা পিছত। গোটেই ৰাস্তাটো মাকে মোকেই কিবাকিবি সুধি আছে, ভাল লাগিছে সকলোবোৰ, দিনটো আজি শেষ নোহোৱা হলে।

আমাক হোষ্টেলত নমাই তেওঁলোক গল গৈ, নতুন আবেগৰ টোপোলাটো সামৰি মইয়ো বিচনাত পৰিলোঁ, তেওঁৰ সুগন্ধি উশাহত এতিয়াও লাগি আছে, ভাললগা, মিঠা মিঠা!

: আস্থা, শুই গলি নিকি? চাহ লৈ আনিছো উঠ।

কেতিয়া টোপনি গলো নাজানো, নিশাৰ মাতত হে সাৰ পালো।

: কেইটা বাজিলে?
: 6:30 হৈয়েই গল।

এেকেজাপে উঠিলো, বহুত পঢ়িব আছে, drawings আছে, Assignment আছে। মুখ হাত ধুই ধূপডাল জ্বলাই চাহ খালো। ৰাতিপুৱা গধূলি পূজা কৰাটো মোৰ অভ্যাস। পঢ়াত মন বহাব পৰা নাই কিন্তু কৰিবই লাগিব। ভাত খোৱা সময়লৈকে নিশাই ময়ে একো কথা নপতাকৈ পঢ়াত লাগিলো। এনেতে বা হঁতে ভাত খাবলৈ লগ ধৰিলে। খোৱা সময়খিনি নিশাই অকল কি হৈছিল আজি, কেলে তই ইমান ৰঙা পৰি আছিলি সেইবোৰেই সুধি থাকিলে, মোৰ একো খোৱা নহল। ৰুমত আহিও তাই একেটা কথাতে লাগি আছে। উপায় নাই, কবই লাগিব। এফালৰ পৰা সব বকি দিছো, একো লুকুৱাই ৰখা নাই। বুকুখন পাতল পাতল লাগিল।

: মোৰ এতিয়া আৰু বেছি ভয় লাগে নিশা।

সাৱটি ধৰিলো তাইক, মোৰ কি হৈছে আজি নাজানো, ইমানখিনি নতুন হেঁপাহ একেলগে সামৰি ৰাখিব পৰা নাই মই। মই প্ৰেম কৰিব বিচাৰো, কিন্তু অৰ্ণৱৰ কাৰণে নিজক উপযুক্ত বুলিও নাভাবো। তেওঁৰ খং, জেদ, অধিকাৰ সকলোবোৰ পূৰণ কৰিব পৰাকৈ মই পৰিপক্ক নহয়। আজিৰ ভাল লগা যদি কাইলৈৰ বিৰক্তি হৈ পৰে?

: ভয়? কালে? অৰ্ণৱ দা লে?
: হমম।
: ধেৎ পাগলী, ভয় কৰিবলৈ কি আছে, প্ৰেম কৰ প্ৰেম, বিন্দাছ!

কেনেকে পাৰে নিশাই সব কথা সহজে উৰাই দিব, মই কিয় নোৱাৰোঁ।
: তোৰ কিন্তু mom in law বহুত ভাল, তোক বহুত মৰম কৰিব।
নিশাই বহুত আগলৈকে ভাবিছে, মই আজিৰ দিনটোকে ভাবি ভয়ত পেপুৱা লাগিছো। আজি আৰু পঢ়া নহয়, মাৰ লগত কথা পাতি শুবলৈ ললো।
ইকাটি সিকাটি কৰি বহুত সময় পাৰ কৰিলো। চাৰে এঘাৰ মান বজাত ফোনটো বাজিল। চিলমিলিয়া টোপনি ভাঙি দিলে।
: শুই গৈছিলা?
: হমম।
: উঠা।
: কিয়?
: কিয়? মনত নাই? অথনি এৰি দিছিলো এটা চৰ্তত। নুশুনা সেইতো কি?
: কি?
: আজি লৈ অহা দোপাত্তাখন মোক লাগে।
: কি? আপুনি কি কৰিব সেইখন লৈ?
টোপনি ভাগি থাকিলে। এই মানুহটোৱে মোক পাগল কৰিহে এৰিব। অদ্ভূত জেদ। সব কথাতেই। এতিয়া দোপাত্তাখন কিয় লাগে, বগা চুৰিদাৰযোৰৰ লগত মিলাই সেইখন মায়ে কিনি দিছিল, বৰ মৰমৰ মোৰ,কেনেকে দি দিওঁ বাৰু।
: কি ভাবি আছা, কেতিয়া দিবা?

: কিন্তু কিয় লাগে আপোনাক সেইখন?
: মনত নাই, সেইখনত ধৰি কিমান দেৰি ৰাখি থৈছিলো মোৰ ওচৰত!

গোটেই তেজখিনি গালত আহি থুপ খালেহি, আকৌ ৰঙা পৰিছো, বুকুখন কঁপিছে আকৌ। ধক্ ধক্। চকু দুটা মুদি বুকুত হাতখন দি ৰাখিছো, উশাহ লওঁতে কষ্ট হৈছে মোৰ বহুত।

: এতিয়া বুজি পালা কিয় বিচাৰিছো?
: ...
: কেতিয়া দিবা?
: Answer me Astha..
: Answer me damn it.

একো কব নোৱাৰা হৈ গৈছো, তেওঁক বুজি পোৱা ইমান কিয় জটিল।

: Say something Astha.
: কি কম?
: কেতিয়া দিবা?
: আপুনি বহুত জেদী।
: মোৰ জেদ তুমি এতিয়াও দেখা নাই ।কাইলে উৎপলৰ হাতত দি দিবা ভালকে pack কৰি। got it? মই কলেজ নোযোৱালৈকে সেইখন মোৰ ওচৰত থাকিব।

বেছি তৰ্ক কৰিবলৈ গলে গালি খাম, দি দিয়াই ভাল।

: হব।
: আৰু একো নোকোৱা?
: ওহোঁ।

: মই ওচৰত আহিলে ইমান কিয় কঁপি থাকা তুমি? ভূত নিকি মই?
: ....
: বহুত ভয় লাগিছিল অথনি? মই কিবা কৰি দিম বুলি?
: হমম।
: কি কৰিম বুলি ভাবিছিলা?

: কোৱা আকৌ?

কিয় সুধিছে এইবোৰ কথা, নোৱাৰোঁ কব মই। মনে মনে আছো।

: আস্থা?
: হমম।
: মোৰো মন গৈছিল, তোমাৰ গালখন চুই চাবলৈ, but I know you are not comfortable. Don’t worry I won’t force you for anything. Trust me.
: হমম
: Baby powder কিয় use কৰা?
: এনেই।
: কেতিয়া ডাঙৰ হবা মোৰ পোৱালি?

‘মোৰ পোৱালি’!!!! কি কৈছে এইবোৰ? মই তেওঁৰ? সঁচাকৈ নে?

: টোপনি ধৰিছে তোমাৰ?
: হমম।
: মিছা কথা কব নাপায়, তোমাৰ নমোয়ে দুখ ধৰিব। টোপনি নাই

অহা, but মোৰ লগত কথা নাপাতা, হয় নাই?

এবেকা নাই মতা, বাৰে বাৰে হেৰুৱাই পেলাওঁ শব্দবোৰ। জটিল হৈ পৰিছে সকলোবোৰ। আউল লাগিছে মোৰ সহজ সৰল পৃথিৱী খনত।

: ঠিক আছে, মই আৰু disturb নকৰোঁ, শুই থাকা, good night.

কাটি দিলো ফোনটো, গাৰুটোত মুখ গুজি পৰি আছোঁ, অলেখ ভাবৰ বুৰবুৰণি মনত।

মই পাগল হবলৈ বেছি দিন নাই আৰু।

আকৌ বাজিল ফোনটো। অৰ্ণৱৰ message।

: Don’t forget to bring the dupatta tomorrow.

আৰু টোপনি নাহে, উঠি আহি দোপাত্তাখন সামৰি পলিথিন এটাত ভৰাই কলেজৰ বেগটোত সুমুৱাই থলো।

…. আগলৈ

খণ্ড ৯

আজি প্ৰায় এমাহেই হল তেওঁক দোপাত্তাখন দিয়া, এতিয়াও ঘূৰাই নাই দিয়া। হাত ভাল হল, কলেজ আহিছে, কিন্তু সেইখন নিদিয়ে। খুজিবলৈ সাহস নাই বুলি জানে। এই এমাহে ফোন message একো নাই, কলেজত দেখিলেও নেদেখাৰ নিচিনা কৰে, চিনিয়েই নাপায় যেন। মনটো বেয়া লাগে, কিয় এনেকুৱা কৰে নাজানো, কেনেকে ভাবি লওঁ তেওঁ মোক ভাল পায় বুলি? কিন্তু তেওঁৰ বাহিৰে বেলেগ কাকো মোৰো কিয় ভাল নালাগে,

অংকুৰ এতিয়াও একেটা কথাতে লাগিয়েই আছে, লগ পালেই সোধে, কিয় মই না কৈছো, মই বেলেগ কাৰোবাক ভাল পাওঁ নিকি সদায় সোধে। কিন্তু মোৰ ওচৰত একো উত্তৰ নাই। বুজা নুবুজাৰ দোমোজাত দিনবোৰ পাৰ হৈছে, খুব বেছি বেয়া লাগিলে নিশাৰ আগত কওঁ, তাইৰ একেটাই উত্তৰ। অৰ্ণৱ দা বেলেগৰ নিচিনা নহয়। মইয়ো জানো, তেওঁ অদ্ভূত, মগজুয়ে বুজি পায়, মনতো অবুজন।

JEC ত তিনিটা মাহ পাৰ কৰিলো, ঘৰলৈ এবাৰো যোৱা হোৱা নাই। আৰু পোন্ধৰ দিন পিছত দুৰ্গা পূজা, শৰতৰ সুবাসে JEC উপচাই তুলিছে। মোৰ সকলোতকৈ প্ৰিয় ঋতু শৰৎ। নিয়ৰ, শেৱালি আৰু অলপ ঠাণ্ডা ঠাণ্ডা লগা ৰাতিবোৰ। দিনবোৰ নেযায় নুপুৱায় লাগিছে, মায়ে ফোন কৰি শেৱালিজোপা কিমান ফুলিছে সদায় কয়, উৰি যাম যেন লাগে নিজৰ ঘৰৰ চোতালখনলৈ। শৰতৰ দিন গণি থাকোতেই মাজতে terminal Exam আহিল। কাইলৈ last paper, তাৰ পিছত পূজাৰ বন্ধ প্ৰায় এক সপ্তাহ। সব ঘৰলৈ যাবলৈ বেগ সামৰিলেই। নিশাৰ কিন্তু কোনোধৰণৰ উৎসাহ নাই। মই বুজি পাওঁ। বেয়া লাগে তাইলৈ। আজিও দুইজনী ভাত পানী খাই মোৰ বিচনাতে একেলগে পড়ি আছো।

: নিশা, তই নহলে আমাৰ ঘৰলৈকে বল।

: নালাগে দে, পিছত যাম।

: বল না, ভাল লাগিব, মায়ে কৈয়ে আছে তোক লৈ যাবলে। আৰু নৱমী পূজাৰ দিনা মোৰ জন্মদিন, তই থাকিলে মোৰ আৰু

ভাল লাগিব।
: কি? তই কোৱা নাই কিয় Birthday বুলি?
: আমি প্ৰথম দিনাই ইজনীয়ে সিজনীৰ Birthday কেতিয়া সুধিছিলো, তোৰটো মোৰ মনত আছে, তোৰহে মনত নাই।
মিছা খং এটা দেখুৱাই মুখ খন ফুলাই আছো। কিজানিবা তাই মোৰ লগত ওলায়েই আমাৰ ঘৰলে।
: I am extremely sorry dear. ঠিক আছে, মই তোৰ লগত যাব নোৱাৰিলেও তোৰ Birthday দিনা পাক্কা তইঁতৰ ঘৰলে আহিম। Promise.
: বিদ্যা?
: তোৰ ভাষাত ‘বিদ্যা’। ছটা বাজিবৰ হল, মোক চাহ লাগে, বল বাইদেউৰ তালে যাও।
আজিকালি মইয়ো চাহ খাবলে শিকিছো, বাইদেউয়ে specially বনাই দিয়ে, অকণমান চাহ, তাতে গাখীৰ আৰু Horlicks মিলাই দিয়ে, নিশাৰ ভাষাত ‘মাইনা মাইনা চাহ’। দুয়োজনীয়ে বাইদেউৰ লগত ধেৰ কথা পাতিলো। বাইদেউয়ে পূজাত কি কৰিব কি কিনিব সেইবোৰকে সুধি আছো।
: আস্থা তোমাৰ বস্তুতো আনিছো দেই আজি, সদায় পাহৰি থাকো পায়, আজি নাতিনীজনীয়ে বুটলি দি পথাইছে।
শেৱালি ফুল। বাইদেওক বহুত দিনৰ পৰা কুটুৰি আছিলো আনি দিবলে। আজি দিলে। বাইদেউয়ে সৰু পলিথিনতো আগবঢ়াই দিলে। মই থাপ মাৰি লোৱাদি লৈ কেইপাহমান হাতত লৈ শুঙি চালো।

আস, ইমান ভাল লগা।
: যাও বাইদেউ, একেবাৰে পূজাৰ পিছত লগ পাম, কাইলে আপুনি নাথাকে নহয়।
: অ কাইলৈ পূজাৰ বজাৰ আছে পায়, দোকান নোখোলো, পুজা চাই মেলি আহাগে। মিঠাই লৈ আহিবা মোলে।
: ঠিক আছে।

দুয়োজনীয়ে কথা পাতি পাতি আহি আছো, মোৰ হাতত ফুলকেইপাহ তেতিয়াও আছে।
পিছফালৰ পৰা bike এখন আহি মোৰ কাষতে ৰলহি, ঘূৰি চালো, অৰ্ণৱ। তেওঁৰ পিছফালে উৎপল দা।
Hoodie এটা পিন্ধি আছিল, চিনিবই পৰা নাছিলো, আঁতৰাই দিলতহে গম পালো তেওঁ বুলি। আজি অলপ বেলেগ দেখাইছে আনদিনাতকৈ, আৰু অলপ বেছি ভাল।
মই ফুলখিনি পিছফালে লুকুৱাই তললে মূৰ কৰি ঠিয় হৈ আছো, দেখিলে কিবা এটা কবই মই জানো।
: নিশা, অলপ আহাঁচোন এইফালে।

উৎপল দাই নিশাক আঁতৰাই বাইদেউৰ দোকানৰ ফালে লৈ গল।মোক তেওঁৰ ওচৰত অকলে এৰি থৈ, কি হব এতিয়া? আজি প্ৰায় এমাহৰ পাছত তেওঁ মোৰ ইমান ওচৰত, এবাৰ প্ৰাণভৰি চোৱাৰ হেঁপাহ, কিন্তু সাহস নহল। মই তেতিয়াও দুয়োখন হাত পিছফালে কৰি ৰৈ আছো, চকু তেওঁৰ বাইকৰ চকাটোত।
: Look at me Astha.

আস, ইমান গভীৰ মাত,অতদিনে কত আছিল এই আব্দাৰ? মূৰ তুলি চালো। কিমান দেৰি ইজনে সিজনক চাই আছো নাজানো, সময় বৈ গৈছে, লগতে মোৰ উশাহবোৰো।

: চুলি কিয় বান্ধি ৰাখিছা? খোলা।

কি কৰো ? দুইখন হাততে ফুল লৈ বৈ আছো। ধৰা পৰিম এতিয়া।

: নিজে খুলিবা নে মই খুলি দিম?

দুখোজ পিছুৱাই আহিলো, তেওঁ কৰিব নোৱাৰা কাম একো নাই।

কিবা এটা গম পালে তেওঁ।

: কি লুকুৱাইছা মোৰ পৰা? কি আছে হাতত চাও।

মই মূৰটো জোকাৰি না বুলি কলো।

: Show me astha.

: ওহোঁ ।

সোঁহাতখনত ধৰি টানি আনিলে, মুঠিতো তেতিয়াও খুলি দিয়া নাই।

নোৱাৰিলোঁ, তেওঁ জোৰ কৰি খুলিলে কিমান দুখ পাম জানো, এৰি দিলো মুঠিতো, দুপাহ ফুল তলত পৰিল, অলপ তেতিয়াও মোৰ হাতত।

তেওঁ মোৰ হাতখন আৰু চপাই গুন্ধি চালে, চকু দুটা জাপ খাই গল তেওঁৰ, দীঘল কৈ উশাহ লৈছে, হয়তো মোৰ দৰে অৰ্ণৱেও ভাল পায় এই সুগন্ধি। মই মাথোঁ চাই আছো তেওঁক, ভাল লাগিছে আকৌ এবাৰ, সকলোবোৰ।

: মোকো লাগিব।
: কি?
: ফুল।
: বাইদেউয়ে মোকহে দিছে।

খং উঠি যায়, সব বস্তু খালি তেওঁৰ মতেই হব, ইমান ধুনিয়া ফুলখিনি কিয় দিম? পানী দি থৈ দিলে গোটেই ৰুমটো ধুনিয়া গোন্ধাব। নিদিওঁ মই। এইখিনি মোৰ, অকল মোৰ।

: নিদিওঁ।
: দিবই লাগিব।

হাৰি গলো আকৌ এবাৰ, বাওঁহাতত থকা পলিথিনতো তেওঁৰ ফালে আগবঢ়াই দিলো।

: এইখিনি নহয়, তোমাৰ হাতত থকাখিনি।
: কিহত দিম?
: মোৰ হাতত।

কি? এই মানুহটো কিয় এনেকুৱা।

তেওঁ সোঁহাত খন আগবঢ়াই দিলে। মই দিব লওঁতেই তেওঁ হাতখন খামুচি ধৰিলে, যিমানেই এৰোৱাই আনিব খুজিছো, সিমানেই টান কৈ ধৰিছে, গোটেই ফুলখিনি মোহাৰি পেলালে, দুয়োটাৰে হাতত শেৱালি ফুলৰ গোন্ধ। নষ্ট কৰি পেলালে মৰমৰ শেৱালি কেইপাহ। আকৌ এবাৰ বেয়া লাগিল তেওঁক। টান মাৰি আঁতৰাই আনিলো হাতখন।

তেওঁ এইবাৰ নিজৰ হাতখন গুন্ধি চালে, চকু দুটা জাপ খাই গল আকৌ, কিন্তু এইয়া কি, মোৰ ফালে কিয় আনিছে হাতখন।

কিবা ভাবি পোৱাৰ আগতেই তেওঁ নিজৰ হাতখন মোৰ গালত ফুৰাই দিলে। কি হৈ গল এইয়া? থৰ থৰকৈ কপিছে ভৰি কেইটা, হাতৰ পলিথিনটো সৰি পৰিল, তেওঁৰ ফালে চালো, কাহানিও নেদেখা এটা চাৱনি। কি আছিল তাত নাজানো। কিয় কৰিলে এনেকুৱা? নাজানো। একো নাজানো মই।

গালখন চুই চালো, ফুলৰ পাপৰি দুটামান তেতিয়াও লাগি আছে। আৰু নোৱাৰোঁ ৰৈ থাকিব। কেনিও নোচোৱাকৈ মাথোঁ দৌৰিছো, ৰুমত সোমাই দৰজাখন মাৰি দিলো। বুকুখন আৰু বেছি কঁপিছে। কি আছিল সেইয়া?

ভালপোৱা, অধিকাৰ নে আন কিবা?

গালখন পুৰিছে আকৌ, চুই চালো, গৰম হৈ গৈছে, হাতখন গুন্ধি চালো, শেৱালি শেৱালি গোন্ধ।

শেষৰ exam টো দি আমি গোটেইবোৰ একেলগে টাউন আহিলো, সবৰে কিবাকিবি কিনিব লগা আছে, মইয়ো মাৰ কাৰণে কপাহী চাদৰ এখন আৰু দেউতাৰ কাৰণে এটা purse কিনিলো, পূজাই বিহুৱে পইচা গোটাই সৰু বস্তু এটা হলেও কিনো। সেইতো আনন্দ কাকো বুজাব নোৱাৰি। নিশাই নেদেখাকে তাইৰ কাৰণেও ধুনিয়া কানফুলি এযোৰ ললো। ঘূৰি দেখো নিশা আৰু ৰাজী ফুচকা খোৱাত ব্যস্ত। competetion লাগিছে। কেনেকে খাব পাৰে নাজানো, মইতো মুখখনেই ইমান ডাঙৰকৈ মেলিব নোৱাৰোঁ। টিনা মোৰ লগতে আছে, তাইৰ আকৌ ধেৰ কিনিব লগা আছে, সন্ধিয়া হবৰ হল কিন্তু তাইৰ বজাৰ শেষ নহয়। আমনি লাগি গৈছে।

: হব আৰু টিনা যাওঁ বল।
: ৰ না please, আৰু এখন দোকানত চাম তাত নাপালে যামগে।

কিনো বিচাৰিছে তাইহে জানে। এনেকে নহব, অলপ আঁতৰত থকা নিশাৰ ওচৰ পালোগৈ।

: যাওঁ বল নিশা, টিনাক কচোন।

নিশাই যেনিবা এৰিথৈ যাম বুলি কোৱাত টিনা ঘূৰি আহিবলে ওলাল,অট'খনৰ পিছফালে আমি, ৰাজী আগত driver জনৰ কাষত, গোটেই ৰাস্তাটো টিনাৰ দোকানীৰ লগত চুপতি মৰা acting কৰি হাঁহি হাঁহি থাকিব পৰা নাই আমি, তাইৰ খং উঠিলে খুব বকে, আৰু আমি হাঁহো। খুব ভাল লাগিছে দিনটো, পৰীক্ষা শেষ, কাইলৈ ঘৰলে যাম, দুদিন পিছত দুৰ্গা পূজা। ইমানবোৰ ভাললগা একেলগে, হাঁহিটো মুখৰপৰা নুগুচাই হল।

: অই আস্থা, তই মোৰ লগত main gate অতে নামিবি দেই, otrivin কিনিব পাহৰিলো, ফাৰ্মাচীখনত সুধি চাম।

নিশাৰ খুব ছৰ্দি লাগে অলপ নিয়ৰ পালে, নাকটো বন্ধ হৈয়ে থাকে। otrivin নহলে এদিনো নচলে।

: হব দে।

দুয়োজনী নামি ফাৰ্মাচীত সোমালো, নাই নাপালো, Vicks এটা লৈ ওলাই আহিছো। মেইন গেটৰ পৰা আমাৰ ৰুমলৈকে অলপ দূৰ খোজ কাঢ়ি যাব লাগে।

: নিশা, ৰবাচোন।

ঘূৰি চালো, উৎপল দা। তেওঁ নাই আজি লগত।

: Exam কেনেকুৱা হল তোমালোকৰ?
: ভালেই।
: বলা মইয়ো সেইফালেই গৈ আছো।

নিশা আৰু উৎপল দা অলপ আগে আগে কিবা কথা পাতি পাতি গৈ আছে, মই অকণ পিছত, তিনিটা সমানে গলে ৰাস্তাটোত দিগদাৰ হয়।

কোনোবা দৌৰি আহি থকা নিচিনা লাগিছে, ঘূৰি চোৱা নাই কিন্তু।

: Horlicks খাই জোৰ বাঢ়িল নিকি? ইমান fast গৈছা যে।

অৰ্ণৱ!!

যিমান পাৰো সহজ হবলৈ চেষ্টা কৰিছো। পৰা নাই। কালিৰ কথাটো মনত পৰি গল। এসোঁতা গৰম তেজ বৈ আহিল গাললৈ। তেওঁ মোৰ সমানে সমানে খোজ কাঢ়ি আহি আছে। দৌৰি অহাৰ বাবে অলপ ফোপাইছে। কিয় জানো মন গল, বেগৰপৰা উলিয়াই সৰু পানীৰ বটলতো তেওঁৰ ফালে আগবঢ়াই দিলো। তেওঁ আচৰিত হৈ মোলৈ চালে। গোটেইখিনি পানী একে কোবে খাই থলে। বটলটো হাতত ৰাখি থৈছে।

: ঘৰলৈ নগলে নহব?

কি কথা কয়? কিয় নাযাম আকৌ ঘৰলৈ।

: মানে?

: একো নাই। অকলে যাবা?

: নিশাৰ লগত যাম, শিৱসাগৰৰ পৰা দেতাই লৈ যাবহি।

: বাছত?
: ওহোঁ, নিশাৰ দেউতাক আহিব।
: Then fine.

নিশাই কিবা এটা কবলৈ ঘূৰি তেওঁক দেখি আচৰিত হল।

: আৰে অৰ্ণৱ দা, দেখাই নাছিলো মই। আমাৰ পোৱালিৰ দোপাত্তাখন ঘূৰাই কিয় নিদিলে, আজি একে এখন বিচাৰি বিচাৰি নাপাই গোটেইজনী কান্দোঁ কান্দোঁ হৈছে, মায়ে গালি পাৰিব বুলি।

তেওঁ মোৰ ফালে চালে, মই তললে।

: মোক খোজা নাই কিয়?
: আস্থা?
: লাগে সেইখন?
: হমম।
: নিদিওঁ।
: জানো।
: Good, now you know me so well.

অদ্‌ভূত মানুহ, কি ভাবি থাকে নাজানো, হয়তো তেওঁ নিজেও নাজানে।

: আৰু কি কি কিনিলা?

হাতৰ বেগটো লৈ চাই সুধিলে।

:মা আৰু দেতালে পুজা বুলি সৰু কিবা এটা।
: অকল মা দেতালে?
: নিশাৰ কাৰণেও লৈছো।

: আৰু মোৰ কাৰণে?

আকৌ নিমাত মই। তেওঁৰ কাৰণে কিয় আনিম মই? মানে আনিব লাগিছিল নিকি? নাজানো মই, মনে মনে থকাই ভাল।

: মোকো লাগিব পূজাৰ gift।

সেইয়া, আৰম্ভ হলেই, অকল খালি মোক এইটো লাগিব, মোক সেইতো লাগিব। উফ্।

: দিবা নে?

: কি?

: পিছত কম।

আকৌ নুসুধিলো, আজিকালি তেওঁৰ এনেকুৱা কথাবোৰত আচৰিতো নোহোৱা হলো।

ৰুমৰ ওচৰ পালোহি, একো কোৱা নাই তেওঁ। নিশা আৰু উৎপল দা আমাৰ পৰা অলপ আঁতৰি ৰৈ চাই আছে। বৰ অসহজ লাগিছে মোৰ।

: যাওঁ।

লাহেকৈ কলো।

: নাযাবা।

: কি?

: আস্থা!

: হমম।

: Just two minutes please, let me see you.

ৰৈ আছো তেওঁ কোৱাৰ দৰে, কিবা এটা ভাল লাগে তেওঁৰ এনেকুৱা জেদবোৰ, চাব বিচাৰে মোক, হয়তো এসপ্তাহ

নেদেখাকে থাকি তেওঁৰো বেয়া লাগিব।
: Look at me.

চালো, আকৌ এবাৰ হেৰাই গলো তেওঁৰ গভীৰ চকুযুৰিত। কি আছে? খং, অভিমান, ভালপোৱা? কিন্তু আজিচোন বিষাদ আছে, কিয়? মই ঘৰলে যোৱাটো তেওঁ বিচৰা নাই নিকি?
: I will miss you Astha.

প্ৰথমবাৰ। আজি প্ৰথমবাৰ তেওঁক বৰ অসহায় যেন লাগিল। কিয়? মোৰ উপস্থিতি তেওঁৰ বাবে কিয় ইমান জৰুৰী। নিশাই কোৱাৰ দৰে, তেওঁ মোক ভাল পায় নিকি? বৈ আছো, মোৰো চোন যাবলৈ মন যোৱা নাই।
: বল আস্থা, gate বন্ধ কৰি দিব এতিয়া।

আঁতৰি আহিলো, মনটো কিবা এটা বেয়া লাগিছে আজি, ঘূৰি চালো, বৈ আছে একে ঠাইতে। এই মানুহজন মোৰ ভাল লগা হৈছে, কিয়? নাজানো।

….. আগলৈ

খণ্ড ১০

আজি পঢ়া শুনা কোনেও কৰা নাই, এইকেইদিন পৰীক্ষালৈ বুলি পঢ়ি পঢ়ি সবেই আজি ভাগৰ মাৰিছে, সন্ধিয়া সময়ছোৱা গোটেই সোপা একেলগে সমীক্ষা বাহঁতৰ ৰুমত আড্ডা মাৰিলো। হোষ্টেলীয়া জীৱনৰ আটাইতকৈ ভাল লগা সময়বোৰ এইবোৰেই। খিলখিল হাঁহি আৰু বহুত কিবাকিবি কথা। সমীক্ষা

বাৰ কথাবোৰ খুব জমনি, মইতো বায়ে কিবা কোৱাৰ আগতেই হাঁহো। প্ৰিয়ংকা বাৰ আকৌ অসমীয়া শুনিবলৈ বৰ ধুনিয়া,সি আৰু তাই খেলিমেলি হৈ যায়। ফকৰা-যোঁজনা যত তত যি টি মিলাই দিয়ে। একে পানীৰে মাছটো কয় একে বাৰীৰে বান্দৰ। কোনেও শুধৰাই নিদিয়ে, মনে মনে হাঁহি থাকে, তাৰ মাজতে টিনাৰ আকৌ কিবা এটা খাব হয়, সেইজনীৰ মিনিটে মিনিটে ভোক লাগি থাকে।মই সদায় গালি খাওঁ একো নকওঁ বুলি, অকল লোকৰ কথাত হাঁহি হাঁহি কান্দি যাও, নিজে একো কব নোৱাৰোঁ, আচলতে মই শুনি বেছি ভাল পাওঁ। সন্ধিয়াটো খুব ভাল লাগিল আজি।

ভাত খাই উঠি মোৰ বিচনাতে নিশা আৰু মই শুই শুই কথা পাতি আছো। আজি যেন কথা শেষ নহবই। কথাৰ মাজতে তাইক কানফুলি যোৰ দিলো। তাই আচৰিত হৈ মোলে চালে।

: কি এইটো?

: তোৰ কাৰণে আনিছো।

নিশাৰ চকুকেইটা সেমেকি উঠিল, সাৱটি ধৰিলে মোক।

: কান্দিছ যে? বেয়া দেখিছ নিকি?

: মোৰ কাৰণে কোনোবাই first time কিবা কিনিছে আস্থা।

: মানে?

: মানে পুজা বিহু এইবিলাক আহিলে দেউতাই পইচা দিয়ে, নিজে কিনি লব লাগে, সেইকাৰণে কেতিয়াও একো নিকিনো। নিজেই নিজক gift দি পুতৌ কৰিব মন নাযায়। আস্থা, আজি তোক এটা কথা কম, please বুজিবলে চেষ্টা কৰিবি।

: কচোন।
: তই বহুত বেছি সহজ আস্থা, দুনিয়াৰ কথা একো নাজান তই। তই দেখাটোকে সচাঁ বুলি ভাব। আৰু সব তোৰ নিচিনা অঁকৰা বুলি মানি লৱ। কিন্তু কিছুমান মানুহৰ জীৱন বহুত বেছি জটিল আস্থা। তোৰ পৃথিৱীখন একেবাৰে সহজ, মা দেউতা তই, আৰু বহুত বেছি মৰম। কিন্তু আমাৰ তেনেকুৱা নহয়। মই সদায় চাও তোক আৰু অৰ্ণৱ দাক। তহঁতি বহুত বেলেগ ইতো আনটোতকৈ। উৎপল দাই মোক বহুত কিবাকিবি কৈছে অৰ্ণৱ দাৰ বিষয়ে। কিন্তু মই তোক এতিয়া কব নোৱাৰিম। সঠিক সময়ত তেওঁ নিজেই কব তোক। কিন্তু তই কেতিয়াবা কিছুমান কথা ভাবি চাইছনে? অৰ্ণৱ দা কিয় এনেকুৱা ? কিয় ইমান জেদী, কিয় ইমান খঙাল? সেইবোৰ বাৰু বাদ দে। যোৰহাটতে নিজৰ ঘৰ থাকিও অৰ্ণৱ দা ভাৰাঘৰত কিয় থাকে জান? অৰ্ণৱ দা কিয় সদায় অকলে অকলে থাকে জাননে? উৎপল দাৰ বাহিৰে আন কোনোবা friend দেখিছ? কলেজৰ topper হয় কিন্তু class কিমান মিছ কৰে গম পাৱ?
: ....
মনে মনে আছো মই, নিশাৰ ধেৰ কবলগীয়া আছে।
: তোৰ মাজত আমিবোৰে আমাৰ নোপোৱা মৰমবোৰ বিচাৰি ফুৰো। অৰ্ণৱ দা আৰু মোৰ নিচিনা মানুহবোৰে তোৰ নিচিনা কাৰোবাক লগ পালে পৃথিৱীখন আকৌ ভাল পাবলে শিকে। মই জানো তোৰ কাৰণে মোৰ কথাবোৰ বুজি পোৱা কিমান দিগদাৰ। কিন্তু আস্থা, অৰ্ণৱ দাক তোৰ বাহিৰে কোনেও চম্ভালিব

নোৱাৰে,তই সেইতো কথা নাপাহৰিবি।
: ....
: এতিয়া শুই থাক, পাপা কাইলৈ ৰাতিপুৱাই পাবহি, ঘূৰি গৈ কিবা কাম আছে।

নিশা তাইৰ বিচনালৈ গল, মই গাৰুটো ঠিক কৰি শুবলৈ লৈছো, বাৰে বাৰে তাইৰ কথাবোৰ মনত ঘূৰি আছে, সঁচাকৈ মই কিয় এনেকুৱা? মোৰ সৰু পৃথিৱীখন কিমান বেলেগ বাস্তৱ জগতৰ পৰা। তেওঁ চাগে মোক সেইকাৰণে ভাল পাব পৰা নাই এতিয়াও। মোৰ অপৰিপক্কতা হয়তো তেওঁৰ বাবে বিৰক্তি। সেমেকি উঠিল চকুকেইটা। ভাল লগা মানুহজনক বুজিব পৰা সামৰ্থ কণ মোৰ কিয় নাই? ফোনটো চালো, তেওঁ কিজানি কৰেই। নাই, message এটাও নাই। মইয়ে কৰো নিকি? কিন্তু কিয় ফোন কৰিছা বুলি সুধিলে কি কম? শুই থকাই ভাল। ফোনটো অফ নাইকৰা আজি, কিজানি তেওঁ কৰেই।
ঠিকেই ভাবিছিলো, ফোনটো বাজিছে, অৰ্ণৱৰ ফোন।
: শোৱা নাই এতিয়াও?
: ওহোঁ।
: কিয়?টোপনি নাই অহা?
: নাই।
: আস্থা!
: হমম।
: কিবা কব খুজিছা?
: .....

: আচ্ছা, মোৰ পূজাৰ GIFT তো৷ দিবানে?
: কি gift?
: আগতে দিম বুলি কোৱা৷
: ……
: Say something.
: ঠিক আছে৷
: গুলুক মোৰ ওচৰত থৈ যাবা, ঘূৰি আহি লৈ লবা৷

একেজাপে উঠি বহিলো, গুলুৰ কথা কেনেকে গম পায়? গুলু মোৰ অকণমানি Teddy তোৰ নাম৷ সদায় লগত থাকে মোৰ৷ আচলতে সেইতো মায়ে নিজে বনাইছিল৷ মই তেতিয়া class 5 মানত৷ মায়ে training কৰিছিল এইবিলাক বনোৱাৰ৷ আৰু প্ৰথম এইটোৱেই বনাইছিল৷ সিমান ভাল হোৱা নাছিল, কিন্তু মায়ে বনোৱা প্ৰথম পুতলা৷ সদায় গাৰুৰ ওচৰত থৈ শুই থাকো৷ ঘৰত সদায় মাৰ লগত শুইছিলো, মা মই আৰু গুলু, মই নিজে দিয়া নাম সেইতো৷ হোষ্টেললৈ আহোঁতে মায়ে বেগত ভৰাই কৈছিল অকলে শুবলে ভয় লাগে নহয় তোৰ, গুলুক লৈ যা লগত৷ কিন্তু এইটো কথাও তেওঁ কেনেকে গম পায়? নিশা, তাইয়ে কব লাগিব৷ কি বুলি ভাবিছে চাগে মোক৷ এতিয়া আকৌ, সেইতোও লাগে৷

: ভয় খাইছা?
: ওহোঁ৷
: দিবানে?
: …….
: এনেই কৈছো, নালাগে দিব, কিন্তু Miss আস্থা বৰুৱা, তোমাৰ

এটা এটা কথা মই জানো। কত পলাবা মোৰপৰা।

গালখন পুৰিছে আকৌ, চকু কেইটা মুদি দিছো, লাজ এটাই হেঁচা মাৰি ধৰিলে।

: ৰঙা পৰিব নালাগে, মোৰ gift মই সময়ত নিজে লৈ লম।

: শুই থাকা এতিয়া, good night.

: Good night.

: What????? You replied me? Really!!!

সদায় ফোন তো কাটি দিওঁ, কোনোদিন তেওঁৰ গুড নাইটৰ reply দিয়া নাই। আজি কিয় জানো, মন গল।

: You are driving me crazy Astha.

কাটি দিলো ফোনটো, আৰু শুনাৰ সাহস নাই, ভয় লাগে মোৰ।

মিঠা মিঠা সপোন এটা বুকুত সামৰি শুই পৰিলো। অৰ্ণৱ, বুকুত নতুন হেঁপাহে শিপাইছে। মই ডাঙৰ হৈছো!!!!!!

আজি ৰাতিপুৱা পাঁচ টা বজাতে সাৰ পালো। ঘৰলৈ যোৱাৰ আনন্দত সকলো পাহৰিছো। নিশাকো টানি টানি উঠালো। বেগত ভৰোৱা বস্তুবোৰ আকৌ ঠিকে আছে নাই চালো। সময়বোৰ নাযায় নুপুৱাই লাগিছে, বাৰে বাৰে নিশাক সুধি আছো তোৰ পাপা কেতিয়া আহিব। গালি এটাও খালো এবাৰ। মায়ে চাৰে ছটাতে ফোন কৰিছে, উঠিলো নাই, বেগ সামৰিলো নাই। ৰুমটোকে বাৰে বাৰে চফা কৰিছো। ঘড়িতো চালো, ৭ টা

বাজিল। গা ধুই লওঁ, চুলিখিনিও ধুব লাগে। চুলি ধুলে মোক বহুত সময় লাগে। বাথৰূমত থাকোঁতেও ঘৰত গৈ কি কি কৰিম তাকেহে ভাবি আছো। ওলাই আহি দেখো এইজনী আকৌ শুই থাকিলে, ইমান শুব পাৰে নহয়।

: নিশা, উঠ না, ৮ টা বাজিব এতিয়া।

টোপনিয়াই টোপনিয়াই বাথৰূমত সোমাল তাই, মই দুইজনীৰ কাৰণে breakfast আনিবলৈ hotcase তো লৈ ওলাই গলো। ঘূৰি আহি ৰুমত সোমাওঁতে নিশাই কাৰোবাৰ লগত কথা পাতি আছিল, মোক দেখি ফোনটো কাটি দিলে।

: কোননো? পাপা? আহিলে নি?

: আৰু 45 minutes মান লাগিব।কি দিছে আজি খাবলে, ভোক লাগিছে।

খাই উঠি কাপোৰ কানি সলালো, আকাশ নীলা চুৰিদাৰযোৰ মাৰ বৰ প্ৰিয়, সেইযোৰকে পিন্ধিলো, চুলিখিনি আঁচুৰি আধা বান্ধি লৈছো, চুলি মেলি থলে গালি পাৰে মায়ে, বৰ চিন্তা কাৰোবাৰ মুখ লাগে বুলি । কথাটোত খুব হাঁহি উঠে যদিও মানি লওঁ। চকুৰ তলত কাজল লগাওঁ আজিকালি। নিশাৰ উৎপাত এইটো, নিজেই আনি দিছে এডাল। মোৰো পিছে ভাল লাগে, maybelline অৰ baby lips তো অকণ লগাই ললো। নিজকে বাৰে বাৰে চাও আজিকালি আইনাখনত, কিয় জানো এনেকুৱা লাগে তেওঁ এইমাত্ৰ আহি ধৰা দিবহি চকুৰ আগত। কথাটো ভাবি আকৌ এবাৰ ৰঙা পৰি গলো।

: পাপা আহিলে। বল।

বেগ দুটা লৈ ছেণ্ডেলযোৰ পিন্ধি ওলাই আহিছো। হোষ্টেলৰ বহুত কালি ৰাতিয়েই ঘৰ গল। মই নিশা আৰু বা হঁতহে বাকী আছিলো। ওলাই আহোঁতে তেওঁলোকৰ ৰুমত সোমাই যাও বুলি কৈ আহিলো। নিশাৰ দেউতাক গাড়ীতে বহি আছে, driver জন নামি আহি বেগ কেইটা ডিকিত ভৰাই দিলেগৈ, কলেজৰ বেগটো হাততে ৰাখিলো।

: খুড়া, ভাল নে আপোনাৰ।

: ভাল ভাল, তোমাৰ কেনেকুৱা, আমাৰ এই তোমাক পাই বৰ ভাল পাইছে দেই।

নিশা এতিয়াও গাড়ীলৈ অহা নাই, মযে দেউতাকৰ লগত কিবাকিবি কথা পাতি আছো।

: পাপা, অলপ ৰবাচোন, বাইদেউক কিবা এটা কৈ আহিছো।আস্থা, আহচোন মোৰ লগত।

: মই? কেলেই?

: চুপ। আহ।

এইজনীও অৰ্ণৱৰ নিচিনাই। উপায় নাই, নামি আহিলো। বাইদেউৰ ওচৰ পাইচোন নিশাই কাৰোবালৈ ফোনহে লগাই আছে।

: কি হলনো নিশা? কিবা হৈছে নি ক..না।

নাই, একো নকয় মোক। উচপিচাই আছে, বাৰে বাৰে ফোন কৰিছে, কাটিছে। মই চাইহে আছো আৰু।

: কিবা কৰিবনে? নহলে মই যাঁও। গাড়ীতে বহি থাকো, তোৰ কাম হলে আহিবি।

উচাট মাৰি সেইখনৰপৰা আহিব খোজোতেই দেখিলো দূৰৰপৰা, উৰি অহা দি আহিছে, জোৰেৰে break মৰা বাবে অলপ দূৰ বাইকখন চুচৰি যোৱা দি গৈছে।উৎপাত বোৰ বেছি অলপ, পৰা হলে কি হলহেঁতেন। নিশালৈ চালো, একোৱেই নাজানে নিচিনা কৰি দেখালে। ইমানদেৰি কালে ফোন কৰি আছিলে গম পালো।

: থেংকছ্ নিশা।

উৎপল দাৰ মাত শুনি চালো, অৰ্ণৱে একো কোৱা নাই, মোৰ ফালে চাই আছে, মই একে ঠাইতে ৰৈ গলো।

: ইমান দেৰি কিয় কৰিলে, পাপাই গালি দিব এতিয়া।

: এইটোৰ কাৰণেই দেৰি হল, ৰাতি দেৰীলৈকে game খেলিব, ৰাতিপুৱা উঠিব নোৱাৰে কেতিয়াও, আস্থা গুচি গল বুলি কলতহে একে জাপে উঠিছে।

উৎপল দা নামি আহি নিশাক লৈ বাইদেউৰ ওচৰ পালেগৈ, চাহ খাবলে পালে দুয়োটাকে একো নালাগে।

: Hey, come here.

নিজে নামি নাহে, মোক ওচৰলে মাতিছে। যাওঁ নাযাও কৈ ওচৰ চাপি গলো।

: ফোন কিয় কৰা নাই যাব ওলাই?

: ……

কি উত্তৰ দিম ভাবি নাপালো।

: মই আহি নোপোৱা হলে গুচি গলাহেতেন? Without even saying bye to me?
: ……
: Answer me damn it.

চিঞৰি উঠিল আকৌ এবাৰ, মূৰ তুলি চাব পৰা নাই। ভয় লাগিছে, এই খঙটো লৈ বহুত ভয় লাগে মোৰ।
: Astha, look at me.

নাই নাচাও, ঘৰলৈ যাবলৈ ওলাই এনেকে গালি খাম বুলি ভবা নাছিলো, ৰাতিপুৱাৰপৰা ভাল লাগি থকা মনটো মৰি থাকিল , চকুকেইটা সেমেকি আহিল।
: Astha please, look here.

মূৰ তুলি চালো, কিয় জানো তেওঁৰ চকুত চকু থলে, খঙবোৰ নাইকিয়া হৈ যায়।
কিয় এবাৰো তেওঁক নোকোৱাকৈ যাবলৈ ওলাইছিলো, কিয় পাহৰি গৈছিলো তেওঁ কি বিচাৰে, নিজৰ ওপৰতে খং উঠিল।
: Sorry.
তেওঁৰ খংতো কমা যেন লাগিল।
: Don’t do this to me Astha. Please.I just want to see you once, I am not asking for anything else right?
: হমম।
: তোমাক খং কৰি মোৰো ভাল নালাগে। কিন্তু মই এনেকুৱাই, you have to understand.
: হমম।
: আচ্ছা, ফোন কৰিব পাৰিম নে কেতিয়াবা?

: পাৰিব।
: Thank god.
: এতিয়া যাওঁ নে?
: ওহোঁ।
: কিয়?
: পূজাৰ গিফ্টতো লৈ লওঁ আগতে।

বুকুখন ধক্ কৰি গল, কি কৈছে তেওঁ, মানে কেনেকে লব গিফ্টতো।

দুখোজ পিছুৱাই আহিলো। তেওঁ ওঁঠটো বেঁকা কৰি হাঁহি এটা মাৰিল। খুব কমেই হাঁহি দেখো এই মুখখনত। কি হবলৈ গৈ আছে নাজানো।

: নিশা, মোৰ গিফ্টতো দিয়া।

কি??? নিশাই দিব gift? একো বুজি পোৱা নাই।

নিশাই মোৰ সৰু বগা ৰুমালখন আগবঢ়াই দিলে তেওঁৰ ফালে, আজি ৰাতিপুৱা তাই মোক খুজিছিল এইখন আৰু কৈছিল তোৰ baby powder অলপ ইয়াত দি দে না। তই তই গোন্ধাই থাকিব। তোক যেতিয়া বহুত মিছ কৰিম, তেতিয়া এইখন থৈ দিম ওচৰত, তই থকাৰ নিচিনা লাগিব।এতিয়া বুজি পালো, তাৰমানে সেইবোৰ সব অৰ্ণৱৰ কথা আছিল, তেওঁ বিচাৰিছিল এই সকলোবোৰ। নিশালৈ ঘোপাকৈ চালো, তাই চকুটো টিপিয়াই দিলে।

: তোমাক খুজিলে নিদিয়া যে, so এইবিলাক কৰিব লগা হৈছে।

তেওঁ ৰুমালখন লৈ এবাৰ গুন্ধি চালে, চকুকেইটা জপাই

দিছে। কিয় এনেকুৱা এই মানুহজন? ইমান সৰু সৰু কথাত ভালপোৱা কেনেকৈ বিচাৰি পায়? পকেটত সেইখন ভৰাই মোৰ ফালে চালে তেওঁ, মই তলমূৰ কৰিলো। কিবা এটা লাজ লাজ লাগিছে।

: হব আৰু অৰ্ণৱ দা, যাঁও দিয়ক এতিয়া, পাপাই যে বহুত গালি দিব আমাক।

: ঠিক আছে যোৱা।

উফ্ ৰক্ষা। ইমানতে বাছিলো আজি।

: যাঁও।

কৈয়ে তেওঁৰ ওচৰৰপৰা আঁতৰি আহিব খুজিলো। নিশা আৰু উৎপল দা আগবাঢ়ি গৈ আছে, তেওঁ তেতিয়াও বাইকৰ পৰা নমা নাই।

: কত পলাইছা ইমান জলদি।

ধক্। মোৰ বাওঁহাত খন তেওঁৰ বাওঁহাতৰ মুঠিত। একো নেভাবে এই মানুহজনে। কোনোবাই দেখিলে কি হব বাৰু? যদিও ওচৰত কোনো নাই কিন্তু আহি যাবতো পাৰে। যিমান পাৰো এৰুৱাবলৈ চেষ্টা কৰিছো, পৰা নাই। দুখ পাইছো, ৰঙা পৰি গৈছে তেওঁ ধৰি থকা ঠাইডোখৰ, নিজেও জানে কিমান জোৰেৰে ধৰিছে, কিন্তু হলেও এৰি নাই দিয়া।

: দুখ পাইছো।

টানি আনিলে, দুখোজ বেছি ওচৰ চাপি আহিলো, আকৌ এবাৰ তেওঁৰ সুগন্ধি মোৰ উশাহত।

কাণতে ওঁঠ লগাই কৈ উঠিল তেওঁ।

: Gift লোৱাৰ কথা কওঁতে তুমি কি ভাবিছিলা মইয়ো জানো। সোনকালেই লৈ আছো সেইতো gift, I can’t wait anymore, you just wait and watch Miss Astha Baruah.

চকুকেইটা ডাঙৰ হৈ গল মোৰ, তেওঁৰ ফালে চালো, কিবা এটা বেলেগ অৰ্থ আছিল সেই চাৱনিত। হাঁহি এটা লাগি আছে তেওঁৰ ওঁঠত, চকু কেইটা তিৰবিৰাই উঠিছে, তেওঁৰ খং দেখি সিমান ভয় নালাগে যিমান এতিয়া লাগিছে। হাতখন জোকাৰ মাৰি আঁতৰাই আনিলো। দৌৰি আহি নিশাৰ ওচৰ পালোহি। বুকুখন কঁপি আছে, গাল মুখ ৰঙা।

: অৰ্ণৱ দাই কিবা কৰিলে নি বাৰু?

নিশাই আৰু বেছি ভয় খুৱাই দিলে, লৰালৰিকৈ গৈ গাড়ীত বহিলো, কেনিও নাই চোৱা। গাড়ীখন চলিলেই যেন মই বাচি যাম।

অলপ পিছতে নিশা আহি বহিল, শান্তি।

গাড়ীখন চলিল, পিছে পিছে তেওঁলোক, একোবত overtake কৰি গুচি গল, কোমল কলিজাটো আকৌ এবাৰ কঁপাই থৈ। হাতখন চালো, তেওঁৰ আঙুলিৰ চিন এতিয়াও স্পষ্ট, চুৰ্ণীখন দি ঢাকি দিলো।

আগলৈ...

খণ্ড ১১

মোৰ ঠাই, সেউজীয়া আৰু জীপাল, গাড়ীৰ পৰা নামি অলপ দূৰ খোজকাঢ়ি যাব লাগে আমাৰ ঘৰলৈ, অট’ লৈও যাব পাৰি। কিন্তু কথা পাতি পাতি খোজ কাঢ়ি যাবলৈ বেছি ভাল পাওঁ মই। আমাৰ ঘৰত গাড়ী নাই, কেতিয়াবা বিশেষ দৰকাৰ হলে বৰদেউতাৰ গাড়ীখন দেউতাই খুজি লৈ যায়। আজিও কৈছিল, কিন্তু এই খোজকঢ়া আমেজকণৰ বাবেই মই নালাগে বুলি কলো। ভাল লগাবোৰ এতিয়া ময়ো জানো সামৰি থব, কোনোবাই শিকাইছে মোক। উশাহতো দীঘলকৈ লৈছো, ধাননি পথাৰবোৰৰ চিনাকি গোন্ধ নাকত লাগিছে, প্ৰিয় ঠাই, প্ৰিয় মানুহ। বাটত চিনাকি বহুতকে লগ পাইছো, কোনোবাই ক্ষীণ দেখিছে, কোনোবাই শকত। নতুন কলেজ কেনেকুৱা লাগিছে, পূজাত কিমান দিন বন্ধ, একেবোৰ কথাকে কৈ কৈ আহি আছো। বৰ্মা, খুড়ী সবৰে ঘৰলৈকে যাব লাগিব, দঢ়াই দঢ়াই কৈছে । ভালপাওঁ এই মানুহবোৰ, ইমান সহজ, ইমান আপোন। কৃত্ৰিমতাই কেতিয়াও যেন বিচাৰি নাপাই এই মানুহবোৰক।

পদূলি মুখত ৰৈ আছে মা। মুখখন উজ্জল, যিমানেই ওচৰ চাপি গৈছো, তেওঁৰ আঁচলটো সিমানেই সেমেকিছে। সুখতো কন্দা দুখতো কন্দা মোৰ আজলী মা। দৌৰি গৈ সাৱটি ধৰিলো। আস! চিনাকি গোন্ধটো সামৰি ললো। চকুকেইটা ভৰি আহিল। কিন্তু বুকুখন পাতল লাগিছে, কলিজাটো শাঁত পৰিছে। মূৰত হাত ফুৰাই দিয়া মা, আৰু অকণ নিজৰ কৰি লোৱা।
: চাঁও মুখখন। আই ঐ দেহি, ভোকে পিয়াহে গোটেইজনী

শুকাই আহিছে। খোজকাঢ়িনো কিয় আহিব লাগে ইমান দূৰ। আপুনিও কম নহয় দেই।

: তাই নিজেহে কলে খোজকাঢ়ি যাও বুলি, মোৰ গাত কি দোষ!

আৰম্ভ হলেই। দেউতা আৰু মাৰ এইবোৰ দৈনন্দিন চলি থাকে। বহুত দিনৰ মূৰত আকৌ দেখিলো, হাঁহি এটা ওলাই আহিল আপোনা আপুনি।

: ভিতৰলে বলা মা, বহুত ভোক লাগিছে।

সকলোবোৰ একেই আছে। আমাৰ সৰু ঘৰখন মায়ে খুব সযতনে ৰাখে। যদিও পুৰণা হৈছে, তথাপি কিবা নহয় কিবা এটা কৰি মায়ে নতুন কৰি ৰাখে। পৰ্দাখিনি নতুন। টেবুলত অলপ সতেজ ফুল। বেৰত মোৰ এখন ডাঙৰ ফটো, আগতে নাছিল, মই যোৱাৰ পাছত লগাইছে। মোৰ ৰুমটো ঠিক মই এৰি যোৱা ধৰণেই আছে,পঢ়া টেবুলৰ উপৰত থকা সৰস্বতী মাৰ ফটোখনৰ ওচৰত ধূপ ছাকি দি থোৱা আছে। আগতে মই দিছিলো, এতিয়া মায়ে দিয়ে। বেগটো থৈ বিচনাত নিজকে এৰি দিছো, পুৰণা মইজনীক বিচাৰি লওঁ।

: মাজনী, হাত মুখ ধুই আহ সোনকালে। তোৰ প্ৰিয় বস্তু বনাইছে আজি আমাৰ বৰুৱানীয়ে।

মাক জোকাবলে দেউতাই বৰুৱানী বুলি মাতে, কেতিয়াবা আস্থাৰ মাক, কেতিয়াবা গৃহস্থনী, কেতিয়াবা মমতা বেনাৰ্জী, মুঠতে গালি এটা নোখোৱালৈকে নতুন নতুন নাম দি মাতি থাকিব। সেইবোৰেই আমাৰ নিচিনা মানুহবোৰৰ সুখ। উঠি আহিলো, মুখ-হাত ধুই কাপোৰ সলাই খোৱা টেবুলত বহিলো।

পাঁচফুৰণ দি তেল মৰা ৰহৰ দাইল, শাকৰ ভাজি, কণী আলু পিটিকা, কলদিল আৰু ৰঙা বুটৰ ভাজি, পুদিনাৰ চাটনি । সকলোবোৰ মোৰ ভাল লগা বস্তু। হোষ্টেলৰ একেবোৰ বস্তু খাই খাই আমুৱাই গৈছিল।

আজি চাৰিমাহৰ মূৰত তৃপ্তিৰে খালো। মায়ে নিজে খোৱা নাই, মই খোৱা চাই চাই হাঁহিছে, কান্দিছে। মই বুজি পাইছো। সকলোকে খুৱাই ভালপোৱা মানুহজনীৰ ‘জীও’ জনীয়ে বহুদিন একো ভালকৈ খোৱা নাছিল। দুখ লগাটো স্বাভাৱিক। কিন্তু এতিয়া নিজে বনাই খুৱাই মোতকৈ বেছি তৃপ্তি তেওঁহে পাইছে। সেইবাবে চকুপানীৰ লগতে ফুটু নুফুটো কৈ হাঁহি এটাও ওলাইছে। খোৱাৰ টেবুলতে বহুত কথা পাতিলো। কিমান কব লগা আছিল মোৰ, কলেজৰ এটা এটা কথা কৈছো। কিন্তু কিয় জানো তেওঁৰ কথা এতিয়াও কব পৰা নাই মই।

: অলপ শুই লচোন যা জীও, দেতাৰ লগত কথা পাতিবলে এক সপ্তাহ আছে, অলপ জিৰাই ল আগতে।

: ঠিকেই তই অকণ শুই ল মাজনী, মই পূজাৰ কামত যাব লাগে, পালেহিয়েই নহয়।

ঘৰৰ ওচৰতে পুজা হয় প্ৰতিবছৰে, দেউতা পূজা কমিতিৰ সভাপতি, এইকেইদিন তেখেতৰ কাম বহুত।মাক অলপ সহায় কৰি দিওঁ বুলি পাকঘৰ পাইছিলো, কিন্তু গালি খাই আকৌ বিচনালৈ আহিলো।

মোৰ ফোনটো? কত বা থলো তাকো পাহৰিলো।'

বেগটো খুঁচৰি খুঁচৰি বিচাৰি পালো যেনিবা।

হে ভগৱান!!!!!!!
তেৰটা মিছ্‌দ কল। পাঁচটা মেছেজ।
অৰ্ণৱ।
মেছেজ কেইটা খুলি চালো।
: Did you reach?
: Is every thing alright?
: Are you fine?
: Pick up the call Astha, I am worried now.
: Pick up the bloody phone Astha, Answer my call DAMN IT.

কি কৰিলো এইয়া মই? বাৰে বাৰে কৈছিল ঘৰ পাইয়েই জনাবলে, কেনেকে পাহৰি থাকিলো? কি কৰোঁ এতিয়া। সাহস কৰি ফোনটো লগালো, ৰিং হবলৈ নাপালেই।

: What the hell are you doing Miss Astha?
: ...
: কত আছা তুমি?
: ঘৰত।

বহুত সময় একো কোৱা নাই তেওঁ, ঘন ঘন কৈ উশাহ লৈছে, কিমান খং উঠিছে গম পালো, সাজু হৈ আছো পিছৰ গালি কেইটালৈ।

: ফোন কিয় উঠোৱা নাছিলা?
: বেগত সোমাই আছিলে, গম নাপালো।
: ঘৰ পাই কিয় নকলা মোক?
: পাহৰি থাকিলো।

: Serioisely??
: হমম।
: May be I am expecting too much from you Astha. I shouldn’t it seems. Enjoy your stay.

কাটি দিলে ফোনতো, কিন্তু কিয়? বুজি নাপালো।

: শোৱা নাই কেলে জীও।

মায়ে আহি পাতল কম্বল এখন গাত দি দিলে, নিজেও মোৰ কাষতে শুই পৰিল। কুৰুকি কুৰুকি সোমাই গলো মাৰ বুকুলে, কিন্তু চকুকেইটা জপাই দিলে এখনেই মুখ ভাঁহি আছে। অৰ্ণৱ!!!!!!!

বেয়া পাইছে মোক, জানো। কিন্তু জানি বুজি একো কৰা নাই মই। নমোয়ে সব জানে, তেওঁকো বুজাই দিয়া নমো। মায়ে চুলি কেইদাল মোহাৰি আছে, টোপনিয়ে হেঁচা মাৰি ধৰিলে।

শুই উঠি বৰমাৰ ওচৰ পালোগৈ, একেখন চোতালতে সেইখন আমাৰ পুৰণি ঘৰ। বৰদেউতা, বৰ্মা, দাদা, বৌ আৰু আইতা থাকে তাত। যদিও দুখন ঘৰ বেলেগ, মনবোৰ কিন্তু একেই। ঘৰত থাঁকোতে দিনটোৰ বেছি ভাগ সময় মই তাতে থাকো। আইতাৰ কাপোৰ জাপি দিয়া, তামোল খুন্দা, চুলি আঁচুৰি দিয়া সেইবোৰ মোৰ কাম আছিল। এতিয়া বা কোনে কৰে?

: সেইজনী সৰু মাইনা নিজে আহিলে, তই শুই থাকোঁতে দুবাৰ গলো হেৰৌ তোৰ মুখখন চাবলেকে, আইতাৰে খাই মাৰিছে কেলেই অহা নাই মাতি আনচোন। মই বোলো অকণ জিৰাই

লওঁকচোন দিয়ক। নুশুনে হেৰৌ, ভালকে খোজ কাঢ়িব পৰা হলে নিজেই গলহেতেন বোলে।

সোমাই যাওতেই বৰমাৰ গালে মুখে মৰম এবুকু সানি দিলে। বৰদেউতা, বৰ্মা আৰু আইতাৰ বাবে দাদা ডাঙৰ মাইনা আৰু মই সৰু মাইনা। আইতালৈ চালো। চকু কেইটা সেমেকা। বহী থকা চকীখনৰ পৰাই হাতখন মেলি দিলে,একো নাই পৰা কব। বুজি পাওঁ, এদিন নেদেখিলে থাকিব নোৱাৰা মানুহজনী আজি অতদিনে কেনেকে আছে! তোমাল খোৱা মুখখনেৰে গালে মুখে এগালমান চুমা খালে, এই গোন্ধটো বৰ আপোন। পকাতে বহি আইতাৰ কোঁচত মূৰটো পেলাই দিলো। ধেৰ কিবাকিবি কৈছে তেওঁ, আৰু নালাগে কতো যাব, মোৰ লগতে থাকিবি, কৰ অচিন দেশত থৈ আহিলে মোৰ সৰু ছোৱালীজনীক, মা দেউতাকো গালি কেইটামান পাৰিলে, শুনি আছো সব। এই অজলা অঁকৰা পৃথিৱীখনহে মোৰ চিনাকি। মোৰ ঘৰ।
: এইকণ থৈ দিছিলো তোলৈ,আইতাৰ ওচৰতে বহি খা।

কণজহা চাউলৰ পায়স। মোৰ প্ৰিয়, তাতে বৰমাই কৰ্পূৰ দি বনোৱা। গোটেইখিনি খালো, বাটিত লাগি থকা খিনি আঙুলিৰে চুঁচি চুঁচি খালো।

: আয়ে দেহি, কিমান দিন এইবোৰ খুৱাই নাই চাগে ন?

বৰমাৰ মাতটো থুকা থুকি, কথাটো সলাব লাগিব।

: বৌ নাই নি বৰ্মা?
: নাই নহয়, ডাঙৰ মইনাৰ লগতে ৰাতিপুৱাই ওলাই গৈছে। পূজা বুলি একো কিনাই নাই কোনেও। মোকো বৰকে লগ ধৰিছিলে। মই বোলো তাই ইমানদিনৰ মূৰত আহিব হোষ্টেলৰ পৰা, মই নেথাকিলে বেয়া পাব। দাদাক এইবাৰ জন্মদিনত কি লাগিব বুলি কলি?
: ৰঙা কুৰ্তা এটা।
: ওৱা, তইচোন ৰঙা বেয়া পাৱ?
: আজিকালি ভাল পাওঁ।

কাৰোবাৰ প্ৰিয় ৰং ৰঙা, আৰু সেই মানুহজন মোৰ প্ৰিয়! বহুত দেৰি থাকিলো আইতাৰ ওচৰত। মায়ে নিজে গৈ মাতিলত হে ঘৰলৈ আহিলো।
এই কেইদিন ইমানবোৰ মানুহৰ মৰমৰ মাজত থাকিও মই কিবা এটা হেৰুৱাইছো, এই অনুভৱ একেবাৰে নতুন। কথাৰ মাজতো বাৰে বাৰে ফোনটো চাও, কিজানি তেওঁ ফোন কৰেই। নাই। নকৰে। মাৰ লগত পূজাৰ কাম কৰিছো, ঘৰ সজাইছো কিন্তু মন কতো বহা নাই, আগতে এনেকুৱা কেতিয়াও হোৱা নাছিল। কিয় হৈছে এইবোৰ?
ফোনটো বাজি উঠিল, তেওঁ বুলি দৌৰি গলো, নহয়। নিশা।

: অই পাগলী, এড্ৰেছটো নিদিয় যদি নাযাওঁ কাইলৈ, কেইবাৰ খুজিলো মনত আছে।
: পাহৰি থাকিলো, ৰঃ দি আছো। সোনকালে আহিবি কিন্তু দেই।

: যাম যাম।
: মায়ে সুধিছে আৰু কোন আহিব,ভাত বনাব লাগিব যে।
: কোনো নাই, driver থাকিব।

বেচেৰী জনী, লগ এটাও নাই।

: See you tomorrow then, bye.

কাটি দিলে ফোনটো, কাইলৈ মোৰ জন্মদিন। ভাবি ভাল লাগিল, আজি টোপনিয়েই নাহিব মোৰ।
শুই উঠি গা পা ধুই গোঁসাই ঘৰত মাৰ লগত পুজা কৰিলো। মায়ে সদায় জন্মদিনত ভোগ দিয়ে, আজিও দিছে। ৰাতিপুৱাৰ চাহকাপ আজি বৰদেউতাৰ ঘৰত, মানে আইতাৰ ওচৰত। জন্মদিনৰ ওলগ, আশীৰ্বাদ আৰু মৰমবোৰে উপচাই পেলাইছে মোক।

: এইযোৰ ল। বোৱাৰীয়ে আনি দিছে, মোৰ সাঁচতীয়া পইচাৰে অনাইছো, ওঠৰ বছৰীয়া হলি এতিয়া, ডাঙৰ ছোৱালী আৰু। আজি পূজালৈ পিন্ধি যাবি।

এযোৰ বোৱা মেখেলা চাদৰ, পাতল গুলপীয়া, তাতে সৰু সৰু বুটা বছা। আইতাই দিছে। পিন্ধিব পৰাকৈ বৌয়ে চিলাই মেলি থৈছে সব ।উপহাৰৰ টোপোলা লৈ ঘৰলৈ আহিলো, আকৌ এবাৰ ফোনটো চালো। চিনাকি প্ৰায় সকলোৱেই ফোন বা মেছেজ কৰিছে, উৎপল দা, নিশা, ৰাজী সবেই। কিন্তু তেওঁ নাই কৰা। নকৰে চাগে।কাৰোবাৰ এটা শুভেচ্ছা বাৰ্তা ইমান জৰুৰী

হব পাৰে বুলি আগতে জনাই নাছিলো।
আইতাই দিয়া কাপোৰযোৰ পিন্ধি পূজালৈ ওলালো। চুলিবোৰ এতিয়াও তিতি আছে, আগৰ খিনি ছপাই কোচাই ক্লিপ এডাল লগাই থৈছো। চুলি মেলি ৰখা মানা, আইতা থাকিলেতো অসম্ভৱ। কুকি ভৰাই ফুল আৰু শৰাই সজোৱা সামগ্ৰী লৈ মা, বৰ্মা আৰু বৌৰ লগত পূজালৈ ওলালো। পূজা থলীত জন্মদিনৰ অভিনন্দন আৰু গুলপীয়া কাপোৰযোৰ মোৰ উপৰত কিমান শুৱাইছে তাকেই শুনি আছো। কিন্তু মোৰ চোন একোৱেই ভাল লগা নাই। শৰাই আগবঢ়াই সেৱা কৰি মাৰ ওচৰতে বহি আছো। ফোনটো বাজিল, নিশা। একেজাপে উঠি আহিলো।

: কত পালিহি।
: তই কোৱা স্কুলখন পালোহি। এতিয়া?
: চিধা চিধি আহ আৰু এক কিলোমিটাৰ, পূজাৰ মণ্ডপটো দেখিবি। তাতে ৰৈ দিবি। মই ইয়াতে আছো।

দৌৰি গৈ মাক কলো। উচপিচাই আছো, বহুত কথা পাতিব লগা আছে তাইৰ লগত।
আকৌ ফোন কৰিছে।

: বাহিৰত ৰৈ আছো, ওলাই আহ।

আজিও জিনছ আৰু টি-শ্বাৰ্ট পিন্ধিয়ে আহিছে এইজনীয়ে, তাকো সেই আধা ফটা জিনছটো। দেখা মাত্ৰকে দৌৰি আহি হেঁচা মাৰি ধৰিলে মোক।

: তোক বহুত মিছ্ কৰিছিলো।
: মইয়ো।

মা বৰ্মা সবৰে লগতে চিনাকি কৰাই দিলো তাইক। মোৰ মুখত শুনি শুনি তাই আগৰপৰাই সবৰ চিনাকি, মাথোঁ লগ পোৱা বাকী আছিল।

: পুজা ভাগিব অলপ পিছত। তই নিশাক লৈ ঘৰলে যা, আমি শৰাই সামৰি অলপ পুজা থলীখন সাৰি মুচি গৈ আছো।
: বল ঘৰলৈ, ধেৰ কথা আছে।

নিশাক লৈ ওলাই আহিলো, গাড়ীখন বহুত আগত ৰখোৱা আছে, মণ্ডপৰ ওচৰত ঠাই নাছিল। কিনকিনিয়া বৰষুণ এজাকো আহিছে, দুইজনী যিমান পাৰো খৰ খোজেৰে গৈছো, মেখেলা চাদৰ পিন্ধি দৌৰিবও নোৱাৰো।

: সৌখন আমাৰ গাড়ী, তই যা, মই আহি আছো।
: কি? তই অকলে ইয়াত কি কৰিবি?
: আন্টিৰ কাৰণে কিবা এটা লওঁ, একো নানিলো।
: মইয়ো ৰৈছো, কিন্তু নিকিনিলেও হব, মায়ে সেইবোৰ নাভাবে।
: আচ্ছা তই গাড়ীৰ পৰা বেগটো লৈ আহ না মোৰ,পিছৰ চিটটোতে আছে। তেতিয়ালৈকে মই কি ভাল দেখো চাও।

গাড়ীখন ৰখা ঠাইডোখৰ অলপ নিজান, আগবাঢ়ি গলো, খুলিব পৰা নাই, নক কৰিলত ড্ৰাইভাৰ জনে খুলি দিলে। সোমাই চাইছোঁ বেগ নাইচোন। তলত পৰিছে নি চালো, নাই। ভিতৰত

সোমাই ভালকে চাবলৈ লওঁতেই দেখিলো ড্ৰাইভাৰজন নামি মোৰ ফালৰ দৰজাখন বন্ধ কৰি দিলে। কি হৈছে এইবোৰ, খুলিবলৈ চেষ্টা কৰিছো নাইপৰা। ভীষণ ভয় লাগিছে। এনেতে আনফালৰ দৰজা খন খুলি কোনোবা এজন সোমাই আহিল, চিনাকি গোন্ধ, দৰজা ঠেলা হাতখন ঢিলা হৈ গল মোৰ, ঘূৰি চোৱাৰ সাহস নাই।

: We need to talk Miss Astha Baruah.

ধক্।
অৰ্ণৱ!!!!!!!!!!!!

: Talk to me Astha.

উফ্।
কি কৰিম মই এতিয়া। বাহিৰত চিপচিপীয়া বৰষুণ। গাড়ীৰ ভিতৰত মই আৰু তেওঁ। ভৰি কেইটা নাই নাই লাগিছে। বুকুখন কঁপিছে। লাহে লাহে তেওঁৰ ফালে ঘূৰি চালো। বেলেগ দেখাইছে আজি। বগা ছাৰ্ট, নীলা জিনছ, চুলিখিনিও জেল লগাই থোৱা আছে। সদায়তো কিবা মৰহা ৰংবোৰৰ t-shirt পিন্ধে, আজি ইমান বিশেষ ভাৱে সাজি অহাৰ কাৰণ? মই?
কি যে ভাবি আছো, আকৌ চেষ্টা কৰিলো দৰজা খুলিবলৈ, নিশাজনীও নহা হল।

: সেইখন এতিয়া নোখোলে। মোৰ কথা শুনা তাৰ পিছত খুলিম।
: আ আপুনি কিয় আহিছে?
: নিশাৰ ড্ৰাইভাৰ নাছিল, সেইকাৰণে মোক মাতিলে। খুচ?

মুখখন মেল খাই গল, নিশাৰ ড্ৰাইভাৰ অৰ্ণৱ? সচাঁ??!!!

: মাখি সোমাব মুখত, জপাই দিয়া।

যিমান পাৰোঁ তেওঁৰ পৰা আঁতৰি কুচি মুচি দৰজা খনতে লাগি বহিছো।

: This is for you.

জন্মদিনৰ উপহাৰ, তাকো ইমান খঙত দিয়েনে কোনোবাই? তেওঁৰ হাতৰপৰা যেনেতেনে উপহাৰটো ললো, খোলা নাই।

: খুলি চোৱা।

মোৰো চাব মন গৈছিল, কঁপা কঁপা হাতেৰে খুলিলো। এখন ফটো। দেউতা আৰু মোৰ। কেন্টিনত চাহ খাই থাকোতে তোলা হব। কিবা এটা কথাত প্ৰাণখুলি হাঁহিছে দেউতাই আৰু মই অপলক নেত্ৰে চাই আছো। এটা মধুৰ মূহুৰ্ত। কেতিয়া কেমেৰাত বন্দী কৰিছিল নাজানো। নোসোধাকৈ তোলাৰ বাবে খং উঠিব লাগিছিল। কিন্তু এনে এটা মূহুৰ্ত ধৰি ৰখাৰ বাবে তেওঁলৈ আৰু বেছি মৰম লাগিল। এটা মিঠা উপহাৰ, হয়তো জন্মদিনৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ।

: ভাল লাগিছে, মানে বহুত ধুনিয়া।
: দেউতা আৰু তুমি একেলগে থাকিলে সব ভাল লগাই হয়।

এই মানুহজন, ইমান আবেগিক অথচ ইমান কঠোৰ। কিয় এনেকুৱা? কি লুকাই আছে এই কজলা চকুজুৰিত, কি দেখা

পোৱা নাই মই এতিয়াও, নে দেখিও বুজা নাই!
ফটো খনকে চাই চাই বহি আছো, নিশা নহালৈকে এই সময়খিনি কেনেকে পাৰ কৰোঁ???
হঠাতে তেওঁ কাষ চাপি আহিল, আকৌ এবাৰ উশাহত তেওঁৰ সুগন্ধি, একেবাৰে ওছৰৰ পৰা। চুলিৰ ক্লিপডাল খুলি দিলে। আঁতৰি যোৱাৰ বাট নাই, কিয় জানো ইচ্ছাও নাই আজি।

: মই বেয়া পোৱা কামবোৰ কৰি বৰ ভাল লাগে ন?

একো কোৱা নাই, আইতাৰ গালি কেইটালৈ মনত পৰিল। তললৈ মূৰ কৰি বহি আছো।

: মেখেলা চাদৰ পিন্ধি আঁহা পূজালৈ?
: হমম।
: মোৰ আগত নাহিবা।
: কিয়?
: লৈ যাম, এতিয়া নুসুধিবা কলৈ।

নাই সোধা, এনেকুৱা কথাবোৰ নোসোধাকৈ থকাই ভাল। তেওঁ মোলৈ চাই আছে মই জানো, কিন্তু সেই চাৱনিৰ মাজত নিজক হেৰুৱাও বুলি ভয়ো লাগে কেতিয়াবা। চকুকেইটা ফটোখনতে ৰাখিছো, তেওঁলৈ চাব নোৱাৰোঁ এতিয়া।

: Let me see you Astha, please
: Please Astha.

মোৰ তুলি চালো, ইমান বেছি আকুলতা, ইমান বেছি গভীৰতা! বহুত কিবা কিবি কব খোজে এই চকুযোৰে, যিবোৰ তেওঁ মুখেৰে নকয়, নোৱাৰে কব। চাই লওক, মোক প্ৰাণ ভৰি চালেই যদি তেওঁ সুখী, মই তেওঁক সেইকণ সুখ দিব বিচাৰো। কিমান সময় পাৰ হল নাজানো, মৌন হৈও মুখৰ এই সময়। গালে মুখে আবিৰ সানে প্ৰতিটো পলে, সামৰি ৰাখিব খোজো প্ৰতিটো অনুপল, এই সময় আমাৰ, ভাল লগা, মিঠা মিঠা।
বাৰে বাৰে চুলিকেইডাল উৰি আহি গালে মুখে সোমাইছে। সোঁহাতখন তুলি ঠিক কৰিব খোঁজোতেই তেওঁ আৰু অলপ কাষ চাপি আহি হাতখন খামুচি ধৰিল বাওঁহাতেৰে। মই কিবা ধৰিব পৰা আগতেই সোঁহাতেৰে মোৰ চুলিকেইডাল কাণৰ কাষলৈ গুজি দিলে। আকৌ এবাৰ উশাহটো ছুটি হৈ গল। নিজৰ বুকুৰ শব্দ নিজেই শুনিছো, গালখন পুৰিছে, নহয় গোটেই গাটো জ্বৰ উঠা নিচিনাকে কঁপিছে।
নোৱাৰোঁ, ইমান বেছি কাষৰপৰা তেওঁক এতিয়াও ভাবিব পৰা নাই মই।
চকুকেইটা জোৰকৈ মুদি দিছো, তেওঁৰ নিশ্বাসৰ শব্দ মোৰ কাণত।
কি কৰিব খুজিছে?
কি হব পাৰে এতিয়া?

: মোক পূজাৰ গিফ্ট নিদিয়া?
: মনত নাই মই কি কৈছিলো?

: ওহোঁ।
: ঠিক আছে, মই নিজে লৈ লওঁ।

গালখনত তেজবোৰ আৰু বেছি থুপ খাইছে, তেওঁৰ ওঁঠযুৰি লাহে লাহে মোৰ ৰঙা গালখনৰ ওচৰ চাপি আহিল।

: Astha, May I?
: ওহোঁ ।

লাহে লাহে দুয়োৰে মাত অস্ফুট হৈ আহিছে। নতুন অনুভৱ সাৰ পাব খুজিছে। লাজ ভয় এইবোৰ পাহৰি পাৰিম জানো সাৱটি লব এই নতুন আৱেগ?

: কিয়?

কেনেকৈ বুজাও যিখিনি মই নিজেও বুজা নাই। নোৱাৰো মই ইমান আগবাঢ়িব।

: আ আপুনি চিগাৰেট খাই, সেইকাৰণে।

কি ওলালে মুখত নাজানো, কিবা এটা কলো। মুঠতে মই নোৱাৰোঁ তেওঁক সন্মতি দিব।

: WHAT!!!!! Are you seriouse?

তেওঁ অলপ আঁতৰি আচৰিত হৈ মোলৈ চালে। বুৰ্বকৰ নিচিনা কিবা এটা যে কৰিলো গম পালো।

: I can’t kiss you because I smoke? You are impossible Astha.

ধামকৈ দৰজা খুলি ওলাই গল তেওঁ, বৰষুণত তিতি গাড়ীৰ আগফালে ৰৈ আকৌ চিগাৰেট জ্বলালে। কিয় খং উঠিল? এইয়া অভিমান নে অধিকাৰ নোহোৱাৰ আক্ষেপ? বুজিবলৈ চেষ্টা নকৰোঁ এতিয়া, সাজু নহয় মই।

তেওঁ কাৰোবাক ফোন কৰিছে।

নিশা ঘূৰি আহিল অলপ পিছত, মোৰ কাষতে বহিল।

কাপোৰবোৰ আধা তিতা।

চিগাৰেট শেষ কৰি অৰ্ণৱো আহিল। মুখত বৰষুণৰ টোপাল। ৰীয়েৰ ভিউ মিৰৰত এবাৰ মোলৈ চালে তেওঁ, এইবাৰ খঙৰ বাহিৰে একো বেলেগ নাছিল সেই চাৱনিত।

এক মিনিট!

হে ভগৱান, তেওঁ যাব আমাৰ ঘৰলৈ????

আগলৈ...

খণ্ড ১২

: কি হল অই। একদম জলি পকি আছে যে?

নিশাই ফুচফুচাই শুধিলে। কেনেকৈ কওঁ মই? লাজতে গোটেইজনী মৰোঁ যেন হলো।

: ইমান কিউট ফটোখন, চাওঁ চাওঁ দে না।

টান মাৰি লৈ গল মোৰ হাতৰপৰা।

: অৰ্ণৱ দাই দিলে? এইখনচোন আমি চাহ খাবলৈ যাওঁতে উঠোৱা। বাহ্ অৰ্ণৱ দা বাহ্। আপুনি কিন্তু ‘জেং’ মানুহ।

জেং, বাঁহ দিয়া, bambo দিয়া এইবোৰ শব্দ আমি JEC আহি শিকিলো, নিশাৰ মুখত বেছিকৈ চলে আজিকালি।
তেওঁ একো কোৱা নাই, মনে মনে গাড়ী চলাইছে, মাজে মাজে মোৰ ফালে চায়, মই তলমূৰ কৰো। নিশাই আমাৰ ঠাইডোখৰ চাই চাই কৈয়ে তত্ পোৱা নাই। ইমান ধুনিয়া, ইমান সেউজীয়া। আনদিনা হোৱা হলে মই চাগে তাইক এফালৰ পৰা সব বৰ্ণনা দি গলোহেতেঁন, আজি মাত্ৰ তাই কিবা সুধিলেহে উত্তৰ দিছো। মনৰ ভিতৰখন অশান্ত মোৰ। ভয়, লাজ, অভিমান… অলেখ আৱেগৰ বা-মাৰলি। তেওঁ একোৱেই সোধা নাই, মইহে ৰাস্তাটো মাজে মাজে কেনি যাব লাগে কৈ আছো।
ঘৰ পালোহি। নিশা আৰু মই নামি আহিলো, তেওঁ গাড়ীখন ঘূৰাই অলপ আগত থবলৈ গল।

: পালাহি নে আইজনী? আৰু কোনোবা আহিছে নি?

গাড়ীৰ মাত শুনি দেউতা বাৰাণ্ডালৈকে ওলাই আহিলে। মোক দিয়াৰ দৰে নিশাৰ মোৰতো হাত বুলাই দিলে। পিতৃস্নেহ! বেচেৰী হয়তো বহুদিনৰ পৰা বঞ্চিত এই সুখানুভূতিৰ পৰা। চলচলীয়া চকুৰে এবাৰ মোৰফালে, এবাৰ দেউতাৰ ফালে চালে। মৰমেও কন্দুৱাই, আমিবোৰ এনেকুৱাই।

: তোমালোক ভিতৰলে আহি বঁহা, মই আকৌ আজি ৰান্ধনী বুইছা নাই। ৰবা সেইবোৰ কি হৈছে ঠিক নাই।

দেউতাই মোৰ জন্মদিনত কিবা এটা ৰান্ধে। আজিও ব্যতিক্ৰম নহয়, সেইবাবে পূজা ঘৰত সেৱা কৰিয়েই গুচি আহিল। দেউতাৰ সেই 'বিশেষ' ব্যঞ্জন ৰান্ধিবলৈ।
নিশা নিজেই সোমাই গৈ দ্ৰয়িংৰুমত বহিল, ফেনখন চলাই কাপোৰ শুকুৱাইছে, আৰু মই তেওঁৰ বাবে এতিয়াও বাৰাণ্ডাৰ মুখতে ৰৈ আছো। কিনো কৰিছে চালো। গাড়ীৰ ভিতৰতে বহি আছে। আগবাঢ়ি গলো।

: ভিতৰলৈ আহক।
: মই কি বাহিৰত আছো নি এতিয়া? গাড়ীৰ ভিতৰতে আছো।
: নহয় মানে ঘৰৰ ভিতৰলে।
: কিয়?
: উৱা, কিয় মানে? ইয়াতে থাকিব আপুনি?
: You want me to come?

খং অলপ কমা যেন লাগিল।

: হমম।
: Are you sure Miss Astha??

এফালৰ চেলাউৰি কোঁচা দাঙি অলপ বেঁকা হাঁহি এটা মাৰি তেওঁ কথাটো সুধিলে, মোৰ বুকুখন আকৌ এবাৰ ধক্ কৰি গল। তেওঁ গাড়ীৰ বক্সটো খুলি প্ৰথমে মাউথ ফ্ৰেচনাৰ এটা উলিয়াই মুখৰ ভিতৰলে স্প্ৰে কৰিলে, তাৰপাছত গা ধোৱাৰ নিচিনাকে গোটেই গাতে body spray লগালে। ৰৈ ৰৈ ভাবিছো, ডাঙৰ মানুহৰ আগত চিগাৰেটৰ গোন্ধ লুকুৱাবলৈ যদি ইমান কষ্ট

কৰিব লাগে, তাতকে নাখালে নো কি হয়। দৰজাখন খুলি ওলাই আহিল। আগে আগে মই পিছে পিছে তেওঁ।

: চেণ্ডেল কিয় পিন্ধা নাই?

ভৰি কেইটালৈ চালো, বাৰাণ্ডা মুখতে খুলিছিলো, তাতে এৰিলো।

: শুদা ভৰিৰে তিতা বননিত খোজ কাঢ়ি ভাল লাগে।

সেইতো আমেজ সুকীয়া, তেওঁক বুজাই লাভ নাই।

: সেইবোৰ কাম পোৱালিবোৰে কৰে।

হব, মই পোৱালিয়ে বাৰু। গৈ আছো, অলপ আগবাঢ়ি ঘূৰি চাই দেখো, তেওঁ ফুলনিৰ জেওঁৰাখনত ধৰি জোতা খুলিছে। ভিজা বননিত ভৰিটো পেলাই চকুকেইটা জপাই দিছে। কৰবাত হেৰাই যোৱা সৰু লৰাটো সাৰ পাই উঠিছে নেকি?
জোতাযোৰ হাতত লৈ মোৰ ওচৰ পালেহি।

: Now what?
: ধুই লব লাগিব, ৰব।
: নিশা, শুনচোন।

নিশাই দুইটাৰ কাৰণে পানী আনি দিলে।

: হি হি,আমাৰ পোৱালিয়ে আপোনাক কি কি কৰাইছে অৰ্ণৱ দা!

ভিতৰ সোমাই পাকঘৰ পালোগৈ। দেউতা তেতিয়াও তাতে, কি কম ভাবি পোৱানাই। তেওঁ কিয় আহিছে বুলি সুধিলে কবলৈ

একো উত্তৰ নাই। বুকুখন ধপধপাই আছে। পানী দুগিলাছ লৈ ওলাই আহিলো। পিছে পিছে দেউতা।

: আৰে ডেকা লৰা, তুমি আহিছা বুলি গমেই নাপাওচোন। নিশাৰ লগতে আহিছা নিকি?
: অ আংকল, অৰ্ণৱ দা মোৰ কাজিন হয়। আমাৰ ঘৰলে আহিছিল আজি। মইতো ইয়ালে অহাৰ কথা আছিল, সেইকাৰণে কলো আপুনিও বলক। বেয়া কৰিলো নেকি?

গোকাট মিছা কথা এটা কৈ দিলে। চকুকেইটা ডাঙৰ হৈ গল মোৰ। তেওঁৰ ফালে চালো,সেই বেকা হাঁহিটো আকৌ ফুটি উঠিল।

: বৰ ভাল কৰিলা দেই, পূজাই বিহুৱে আলহী দুলহী আহিলে ভালহে পাওঁ। তাতে আকৌ মাজনীৰ জন্মদিন নহয় আজি। তোমালোকে গম পোৱা নাই জানো।
: হয় নেকি, Happy Birthday Astha.

কি? তেওঁ নাজানে মোৰ জন্মদিন বুলি? ইমান মিছা কথা কেনেকে কব পাৰে।
পানীৰ গিলাছ দুটা লৈ ভিতৰ সোমালো, পিছে পিছে নিশা।

: দেখিছ মই কেনেকুৱা জেং, কি তামাম মিলাইছো বে সব। Good Job Nisha.

নিজেই নিজৰ কান্ধত থপথপাই দিলে নিশাই। পাকঘৰৰ শ্লেবখনত বহি ভৰি কেইটা জোকাৰি জোকাৰি ধেৰ কথা কৈছে

তাই, এইকেইদিন লগ নাপাওঁতেই বহুত কথা জমা হল। মই চাহৰ লগত খোৱা বস্তুবোৰ প্লেট এখনত সজাই আছো।

: আংকলে সচাকে অৰ্ণৱ দা মোৰ কাজিন বুলি ভাবিছে!

কিয় জানো দেউতাক মিছা কথা কৈ মনটো ভাল লগা নাই,নিজকে অপৰাধী যেন লাগিল। কিমান সহজতে সব বিশ্বাস কৰি লয় মানুহজনে!

: মিছা কথা কব নাপায়।
: কিয়, নমোয়ে দুখ ধৰিব?

অৰ্ণৱ। তেওঁ কিয় আহিছে ভিতৰলে?

চাহৰ প্লেটখন নি চেণ্টাৰ টেবুলখনত থলো।তেওঁ নাইচোন। বাহিৰলৈ ওলাই চালো। বাৰাণ্ডাৰ ওখ চিৰিকেইটা আইতাই উঠিব পৰা নাই। দেউতাই আৰু তেওঁ ধৰি ধৰি আনিছে। ভিতৰলৈ আনি দৰ্জাৰ ওচৰতে থকা সৰু ছ'ফাখনত বহুৱাই দিলে। আইতাৰ সন্মুখত থকা ডাঙৰ ছ'ফাখনত দেউতা আৰু তেওঁ বহিছে। ওচৰতে থকা সৰু বিচনাখনত নিশা।

: হব বোপাই, পাৰিম দিয়া, তুমি হবলা আমাৰ সৰু মাইনাৰ কলেচৰ ?

আইতাই কলেজতো কলেচ বুলি কয়। শুনি শুৱলা পাওঁ বাবে কোনেও শুধৰাই দিয়া নাই।

: হয় আইতা।

আৰু কিবাকিবি সুধি আছে আইতাই, তেওঁ খুব উত্সাহেৰে উত্তৰবোৰ দিয়া যেন লাগিল। আচলতে আইতাৰ লগত কথা পাতি সকলোয়ে ভাল পায়। কেৱল আইতাৰ মাত এষাৰ লব লৈকে ওচৰ চুবুৰীয়া মানুহ প্ৰায় সদায় বৰদেউতাৰ আহে। কিন্তু তেওঁ আইতাৰ সৈতে এনেকে কথা পাতিব বুলি সপোনতো ভবা নাছিলো।

ভাবি কেতিয়াবা আচৰিত হওঁ। খং, অভিমান, জেদ কিয় এই সকলোবোৰ কেৱল মোৰ কাৰণেই? মোৰ ওচৰত কিয় বাৰে বাৰে সংযম হেৰুৱাই পেলায় তেওঁ? সুধিব বিচাৰো তেওঁক, কিন্তু নোৱাৰোঁ। ভয় লাগে। মোৰ প্ৰশ্নই যদি তেওঁৰ পুৰণা ঘাঁত আঘাত কৰে!

চেনি নিদিয়াকৈ দুটা কাপত চাহ বাকিলো। দেউতাৰ ডায়েবেটিছ আছে, সেইবাবে মিঠা কমাই খায়। বাইদেউৰ দোকানত তেওঁও সদায় চেনি নিদিয়া চাহ বিচাৰে। নিশাৰ ভাষাত তেওঁ ফিটনেচ ফ্ৰিক। নাখায় যেতিয়া নিদিওঁ। চাহ কাপ আগবঢ়াই দিলো।

আইতাৰ চাহকাপত চেনি এচামুচ গুলি কাঁহৰ বাটি এটাত ঢালি আগবঢ়াই দিলো, চাদৰৰ আঁচলটো আগলৈ টানি চাহৰ বাটিটো তাতে লৈ খোৱাটো আইতাৰ অভ্যাস।

: মাজনী, এওঁক চেনি নিদিয়া চাহ দিলি যে।
: মই মিঠা অলপ কমাই খাওঁ আংকল।
: ওৱ ‘ আই, তোমাৰো হবলা আমাৰ সৰু পোনাৰ নিচিনাকৈ

কিবা হেই চেনি বেছি হোৱা বেমাৰ আছে???
: WHAT? NOOO.

হে প্ৰভূ, খং উঠিল ছাগে আকৌ।
নিশাই পেটত ধৰি হাঁহি হাঁহি বিচনাখনতে পৰি দিছে।
তেওঁ মোৰফালে চালে,মুখখন ৰঙা। লাজত নে খঙত নাজানো।
পৰিস্থিতি বিষম হোৱা আগতে চম্ভালিব লাগিব।
: আইতা সেইবোৰ বাদ দিয়াচোন, চাহকাপ ভাল হৈছেনে? তুমি ভালপোৱা কাৰণে ইলাচি দি দিছো।
: ভাল হৈছে আকৌ। বৰ সোৱাদ হৈছে।

ওচৰ চাপি আইতাৰ ছফাখনৰ হাত থোৱা জেগাখিনিত বহিলো।

: এওঁক নিদিলি চোন? তোমাৰ কথা শুনিয়েই থাকো বুইছা, আজিহে দেখিলো। সৰু মাইনাৰ লগৰী ন।

নিশা আহি আইতাৰ ভৰি চুই সেৱা কৰিলে। চাহৰ বাতিটো মোৰ হাতত দি নিশাক সাৱটি ধৰিলে আইতাই। গালে মুখে টপৰ টপৰ চুমা দুটামানো খালে। দিয়ক, আৰু মৰমেৰে উপচাই দিয়ক তাইক। পৰা হলে মোৰ ভাগৰ মৰমখিনিও দিম মই তাইক। নোপোৱাৰ যাতনাই নিশাক খুলি খাবলৈ নিদিওঁ মই। তিৰবিৰাই থকা চকুকেইটাৰে তাই এবাৰ মোৰ ফালে চালে। সামৰি থ নিশা, এই মৰমবোৰ বৰ দুৰ্লভ। নিশাৰ লগতে মোকো ছপাই নি চুমা এটা খালে আইতাই। কিজানিবা মই অভিমান কৰোঁ।

: তেনেই সৰুতে চুলি পকিলে হেৰৌ। তেল তোল অকণ ঘঁহিব লাগে। আমাৰ এইজনীক মই আগতে সদায় নাৰিকল তেল ঘঁহি দিওঁ। আজি তোমাকো দিম দেই।

গম পাইছিলো নিশাৰ highlight কৰা চুলি দেখি আইতাই তেনেকুৱা কিবা এটাই কব।

নিশাই বেয়া পাইছে নেকি বুলি তাইৰ ফালে চালো। নাই, মুখ টিপি টিপি হাঁহি আছে, অৰ্ণৱেও মাজে মাজে ৰখাব নোৱাৰি মুখ টিপি হাঁহিছে। নমো, আইতাই যেন মোৰ কথা একো নুলিয়াই।

: ইচ ৰাম। আকৌ পৰিলাও নি কবাত। আঁঠু চোন চেল খাই আছে। কাপোৰো ফাটিলে দেহি। গেলা বতৰ বুইছা। গোটেইখন পিছল। বেছি দুখ পালা নি মাজনী। মই চিলাই দিম ৰবা।

এইবাৰ আঁঠুৰ ওচৰতে ফটা পেন্টটোলৈ চকু গল আইতাৰ।

: তুমি আমাৰ এইৰ ভাগৰ কিবা এটা সলাই পিন্ধিব পাৰিবা। চোলা এটা তাইকো দে আকৌ সৰু মাইনা। নিজেও চোন মেখেলা চাদৰ সলোৱাই নাই। এইযোৰ কাপোৰ আকৌ মই দিছো বুইছা নাই। বোলো ওঠৰ বছৰীয়া হলি এতিয়া, মেখেলা চাদৰহে দিম। কাইলে পৰহিলে বিয়া বাৰু দিলে চোন লাগিবই। পিছে এইক নো কেনেকে বিয়া দিম জানো। তেনেই কেঁচুৱা ছোৱালী নিচিনা হৈয়ে আছে। মই বোলো তোৰ বয়সত মই তিনিটা লৰা ছোৱালীৰ মাক হলো।

লাজতে মৰো যেন লাগিছে। আইতাই কি কি কব এতিয়া ঠিক নাই। আঁৰ চকুৰে তেওঁৰ ফালে চালো। নাই আইতাৰ কথাবোৰ শুনা নাই। দেউতাৰ লগত কিবা গভীৰ আলোচনাত মগ্ন। ৰক্ষা।

: আইতা কিনো কথাবোৰ কৈ থাকা।

নিশাই কিন্তু বৰ ৰস পাইছে আইতাৰ কথাত। খুচৰি খুচৰি মোৰ কথা উলিয়াইছে। আইতাই এফালৰ পৰা সব্র গাই গৈছে।
: এইজনী আমাৰ ঘৰখনৰ জীৱটো বুইছা। কেতিয়াবা ভাবো বিয়া বাৰু নিদিওঁ,মোৰ ওচৰতে থাকক।
: But why damn it?

একেজাপে বহাৰ পৰা উঠিলে। দেউতাই ধৰিবই পৰা নাই কি হল।
মানে তেওঁ শুনিলে।
ইয়াৰ পিছৰখিনি মই নাভাবো।

: তেনেই বেঙে জাপ মৰা দি জাঁপ মাৰি উঠিলা যে। আৰু কথাষাৰ কিবা বিদেশী ভাষাত কলা হব পায়। বুজি নেপালো নহয়।

এইবাৰ খং উঠিছে তেওঁৰ। কিয়? নাজানো।

: আইতাই এনেই জমাই আছে অৰ্ণৱ দা, Take a chill man.

নিশাৰ কথাত তেওঁ অলপ শান্ত হোৱা যেন লাগিল।

: তোমালোক অকণ বহা, মই এওঁলোকক আগবঢ়াই আনোগৈ। বতৰো বেয়া। শৰাই সফুঁৰা সব লৈ আহিবলৈ দিগদাৰ হব। মই স্কুটাৰখন লৈ অলপ আগবাঢ়ি যাও।
: বেয়া নাপায় যদি মোৰ লগতে বলক। গাড়ীখন লৈ গলে সুবিধা হব।

মানুহজনৰ এই কথাবোৰ মোৰ ভাল লাগে। সহায় কৰি ভালপোৱা স্বভাৱ আজিৰ দিনত বিচাৰি পোৱা টান। দেখি ভাল লাগে তেওঁ যেতিয়া বাইদেওক চিলিণ্ডাৰতো উঠাই নিয়াত সহায় কৰি দিয়ে, দোকান বন্ধ কৰিবৰ সময়ত বস্তু কেইটা কঢ়িয়াই অটখনত উঠাই দিয়ে। কোমল মন এটা নহলে জানো এনেবোৰ কাম সম্ভৱ।

: বৰ ভাল হব হে, ৰবা মই ভৰি হাত তিয়াই কাপোৰ কেইটা সলাই লওঁ,পূজা ঘৰলৈ যাম নহয়।

দেউতা ভিতৰলৈ যোৱাৰ লগে লগে তেওঁ বাহিৰলৈ ওলাই গল। যাওঁতে চকুৰ ইংগিতেৰে মোকো মাতি থৈ গল। আইতা আৰু নিশা নিজৰ কথাত মচগুল।
লাহেকে আঁতৰি তেওঁৰ পিছে পিছে খোজ ললো।
বৰদেউতাহঁতৰ ঘৰৰ ফালৰ ৱালখনত আউজি ৰৈ আছে ।
এইবাৰ অলপ চিন্তিত যেন লাগিল তেওঁক।
অলপ আঁতৰি ৰৈ আছো। একো কোৱা নাই। নকয় চাগে। ঘূৰি গুচি আহিব লওঁতেই বাওঁহাতখনত খামুচি ধৰিলে।

: You can’t escape miss Astha.

ধক্।
একেটানে নি ওচৰ পোৱালেগৈ, গুলপীয়া কাপোৰযোৰতকৈ বেছি চাগে মোৰ গালখন হে গুলপীয়া হৈছে। কপালত টোপ টোপ ঘাম। পুজা ঘৰত দিয়া সেন্দুৰৰ ফোটটো বৈ গৈছে। তেওঁ হাতেৰে ঠিক কৰি দিব খুজিলে।
নাই, আৰু নোৱাৰোঁ। হাতখন আঁতৰাই দুখোজ পিছুৱাই আহিলো।

: আইতাই কিয় তেনেকৈ কৈছে?
: কি কলে নো?
: তুমি জানা মই কি সুধিছো।
: তুমি সদায় আইতাৰ লগতে থাকিবা?

উফ্। আইতাই কিবা এটা এনেই কলে আৰু। সেইটো কথাতে ইমান খং উঠিব লাগেনে।

: আইতাই ধেমালি কৰিছিলে।
: মই নাই কৰা কিন্তু।
: মানে?
: মানে কি তুমি জানা।

এই মানুহজন কিয় ইমান অবুজন? সব কথাতে অধীৰ।

: I need one more answer.
: কি?
: আইতাই সদায় এনেকে মৰম কৰে?

সোঁফালৰ গালখনত আইতাই চুমা দিয়া ঠাই কণত আলফুলে হাত বুলাই দিলে তেওঁ।
চকু মুদি সামৰি লৈছো ভালপোৱাৰ মিঠা অনুভৱ।
ৰৈ যা সময়। ৰৈ যা।
বৈ যাব দে আবেগৰ পাৰভঙা নৈ খন।
সপোনৰ সীমনাত দেও দি নাচিব দে মোক প্ৰথম প্ৰেমৰ মাতাল ৰাগীত।
: আস্থা!
: হমম
: আইতাইতো বহুত তামোল খাই, মই দেখিছো। তাত প্ৰব্লেম নাই? চিগাৰেট লৈ ইমান প্ৰব্লেম কিয়?

এইটো কেনেকুৱা প্ৰশ্ন! সপোনৰ দেশৰ পৰা আহি দিঠক পালোহি।
তেওঁ সঁচাকে বুজা নাই মই কিয় তেনেকে কলো। আইতা আৰু তেওঁৰ মৰম একে হব পাৰে জানো।

: আইতাই মোক বহুত মৰম কৰে।
: মইয়ো কৰো।
: কি??
: Nothing. You will never understand.

মোক তাতে এৰি গুচি অহিল, দেউতাৰ সৈতে গাড়ীত বহিলগৈ।
এই অদ্ভূত মানুহজন! কি বিচাৰে মোৰ পৰা, কি নাইপোৱা

তেওঁ জীৱনত?

আগলৈ......

খণ্ড ১৩

দেউতাহঁত ওলাই যোৱাৰ পিছত কাপোৰযোৰ সলাই ললো। দাদাই কপাহী সূতাৰে বোৱা ৰঙা কুৰ্তা এটা দিছিল ৰাতিপুৱা। সেইটোকে উলিয়াই পিন্ধিলো। লগত বগা পাটিয়ালা পেন্ট আৰু চুৰ্ণী এখনো দিছে। আইনাখনত এবাৰ নিজকে চালো।
কপালখন সেন্দুৰৰ ৰঙেৰে ৰঙা।
তাতোতকৈ বেছি ৰঙা তেওঁ চুই দিয়া গালখন।
আইতা আৰু নিশা এইবাৰ কথা পাতিবলৈ ডাইনিং টেবুলত বহিলহি। মইও গৈ ওচৰতে বহি বিলাহী কেইটাকে কাটি আছো। ভাতৰ যোগাৰ ৰাতিপুৱাই মায়ে মইয়ে অলপ আগবঢ়াই থৈছো। মাত্ৰ মা আহি মাছৰ টেঙাখন বনাব। নিশাজনীকে চাই আছো, আজি যেন বেলেগ এজনী নিশা আছে মোৰ লগত। খিলখিলাই হাঁহিছে, আইতাৰ সোতোৰা পৰা গালখন চিকুটি চাইছে।
চকুকেইটা সেমেকি আহিল।
ভালপোৱা মানুহবোৰ সুখী হলে ভাল লাগে!

গাড়ীৰ শব্দ শুনি ওলাই আহিলো। মা, দেউতা, বৰ্মা, বৌ সব আহিছে তেওঁৰ লগত।
বৌয়ে মোলৈ চাই বেলেগ ধৰণৰ হাঁহি এটা মাৰি চকুটো টিপিয়াই দিলে। কিবা গম পোৱা নাইতো?

: আমি কাপোৰ কানি সলাই আহিম গৈ দেই মাইনা। মাৰক লাগি মেলি দিম হি। মই ইমান কৈছো আজি বোলো নেলাগে আলহীও আছে। নুশুনে হেৰৌ। বোলে সদায় তাইৰ জন্মদিনত সবেই আমাৰ ঘৰত খায়, আজিও খাব লাগিব।

জানো, মায়ে কেতিয়াও নামানে। মোৰ জন্মদিনত যিমান পাৰে সিমান মানুহক খুৱাব।
ভিতৰলৈ সোমাই আহোঁতে মায়ে তেওঁক ইতো খাই ভাল পোৱানে, সিটো খাই ভাল পোৱানে সুধি আছে।
তেওঁ মাথোঁ মূৰ দুপিয়াই সন্মতি দি আছে।
দৰজা মুখতে মোক দেখি থমকি ৰল। ভাবিছিলো প্ৰিয় ৰঙত মোক দেখি তেওঁ সুখী হব। কিন্তু মেখেলা চাদৰযোৰ সলাই পেলোৱাৰ বাবে অলপ অসন্তুষ্ট যেনহে লাগিল। গাৰ কাষেদিয়েই পাৰ হৈ গৈ আকৌ ছফাখনত বহিলগৈ। দেউতাও তেওঁৰ ওচৰতে বহিল।

: বহাচোন দেই, মই প্ৰসাদ কণ সজাই আনোগৈ। জীউ এইখিনি ধৰচোন।

মাৰ লগত ভিতৰ সোমাই আহিলো, টেবুলতে প্ৰসাদৰ টোপোলাটো খুলিলো।

কলপাতত প্ৰসাদ সজাই মায়ে প্ৰথমে আইতাক দি সেৱা এটা কৰিলে। এইটো আমাৰ ঘৰৰ নিয়ম। ভগৱানৰ পিছতে আইতাৰ স্থান।

: ময়ো এনেকে কলপাতত খাম দেই আন্টি।
: উৱা খাবা আকৌ। তই এই দুভাগ বাহিৰলৈ লৈ যাচোন জীউ।

কাঁহী এখনতে প্ৰসাদ দুভাগ লৈ ওলাই আহিলো।

: লৈয়ে আনিলি নি, ৰ মই আকৌ তামোল এখন খালো পূজা ঘৰতে। মুখখন আওখালি লওঁ। বৌটিয়ে ললে নি প্ৰসাদ? সেৱা এটিও কৰি লওঁ। তুমি খোৱাচোন দেই।

কলপাতখন তেওঁৰ ফালে আগবঢ়াই দিলো। ভালকৈ ধৰা নাছিল, পৰিব খোজোঁতেই থাপ মাৰি ধৰিলো। মাটিত পৰিব নাপায়। কিন্তু সেয়া কৰিবলৈ গৈ তেওঁৰ কিমান ওচৰ পালোগৈ নিজেই গম নাপালো। আচৰিত হৈ মোৰ ফালে চালে।

মোৰ অৱস্থা দেখি গম পালে অজানিতে হল বুলি। লাজে ভয়ে হেঁচা মাৰি ধৰা মোৰ অৱস্থাটো দেখি তেওঁৰ মূৰত কি খেলালে নাজানো।
কাণৰ কাষত আকৌ এবাৰ তেওঁৰ সেই অস্ফুট মাত..

: Don’t come so close with your red dress and red blush miss Arrogant, you may get addicted to smoking too…..

ধক্ ।
তেওঁৰ ফালে চালো, চকুকেইটা অলপ সৰু কৰি সেই বেকা

হাঁহিটো মাৰিলে। কিহে পাইছিলে মোক ইমান ওচৰলৈ আহিবলৈ। সোনকালে পলাব পাৰিলেই হল। আতৰি আহিলো। কিন্তু দুখোজ যাওঁতেই…

: Wait.

হাতেৰে টানি ৰখাব নোৱাৰিলে কি হল, তেওঁৰ এই এটা শব্দই মোক একে ঠাইতে ৰৈ যাবলৈ বাধ্য কৰায়।

: Astha, come here.

ঘূৰি চালো। কি হল?

: RED কিয় পিন্ধিছা?
: এনেই।
: But you hate it right?
: …
: Are you wearing it for me?
… …
: Astha, look at me?
: …
: Are you trying to tell me something?

কি কৈছে এইবোৰ? গম পাই যোৱা নাইতো মোৰ মনত কি চলি আছে? কিয় পিন্ধিছিলো তেওঁৰ প্ৰিয় ৰং?
প্ৰসাদৰ পাতখিলা টেবুলত থৈ উঠি আহিল।

: Come with me.

  হাতখনত ধৰি টানি লৈ গল, মাহঁত ভিতৰত কথাত মচগুল, দেউতা বাথৰূমত। কোনে বচাব এতিয়া মোক। কলৈ নিছে? কি কৰিব এতিয়া।
ৰখাই থোৱা গাড়ীখনৰ পিছফালে লৈ গল।
কিয় এনেকুৱা কৰিছে? কি হৈ গল হঠাতে? গাড়ীৰ পিছফালে তেওঁ আৰু মই, সন্মুখত সৰু ফুলনিখন।
গাড়ীখনত যেনেতেনে আউজি ৰৈছো, তেওঁৰ দুখন হাত মোৰ দুয়োফালে গাড়ীৰ গ্লাছখনত এনেদৰে থোৱা আছে যে মই আঁতৰি যাবও নোৱাৰোঁ।

: I need answer Astha.
: কি উত্তৰ লাগে? Please যাবলৈ দিয়ক।
: You have played enough, now tell me what do you exactly feel for me?

ধক্।
হঠাৎ তেওঁ কিয় সুধিছে এই প্ৰশ্ন? কি উত্তৰ দিম মই?

: যাবলৈ দিয়ক, please.

   ঘৰৰ ওচৰত এনেকে মোক জেৰা কৰিলে মই বাৰু কি উত্তৰ দিম! মোক নেদেখি যদি কোনোবা এইখিনি পায়হি? হাতখনৰ তলেদি সৰকি ওলাই আহিলো। নোৱাৰিলোঁ। আকৌ টানি নি একেধৰণেৰে ৰখাই থলে।

: Answer me damn it.
: একো নাই কবলে।

মাতটো কৰপৰা ওলাইছে নাজানো।

: কি কৰি আছা এইবিলাক আস্থা? কিয় তুমি এনেকুৱা? খং নুঠে মোৰ ওপৰত? বেয়া নোপোৱা মোক? কেতিয়াও একো নোকোৱা কিয়?
: ….
: I am going mad Astha, just say something. Scold me, shout at me, but please, at least say something. I wanna know what you feel for me.
: সচাকৈ একো নাই কবলৈ। মই যাওঁ।
: ENOUGH.

তেওঁৰ চকুকেইটা ৰঙা, আওঁঠাৰ নিচিনা? জুই হৈ ওলাই আহিছে খং, অভিমান সকলোবোৰ।

: You can love every one around you but not me? You care for every single person in your life but not me? Do you hate me Astha?

বুজি পাইছো, তেওঁক অকণমান মৰমৰ প্ৰয়োজন, কিন্তু আজিলৈকে তেওঁৰো তো মোক একো খুলি কোৱা নাই।
এবাৰ সুধি চোৱাৰ প্ৰয়োজন নাইনে?
মইয়োতো বিচাৰো তেওঁ মোক এবাৰ মৰমেৰে সোধক্। সেয়াও কৰিব নোৱাৰেনে? কিয় সকলোবোৰ তেওঁৰ মতেই হব লাগে?

: You have to give me my share, I need it, I want it. The world has done enough damage to my soul, you have to

heal it Astha. I won’t take a no, I know you feel the same, so let me get it my way.

গ্লাছখনত দি থোৱা হাত দুখন লাহে লাহে মোৰ দুহাতলৈ আগবাঢ়ি আহিল, আঙুলিৰ মাজত তেওঁৰ দীঘল আঙুলি কেইটা সুমুৱাই চেপি ধৰিলে। খঙত তেওঁ কি কৰে নিজেই নাজানে। কিবা ভাবিব পৰা শক্তি এতিয়া মোৰ গাতো নাই।
চকু কেইটা জপাই দিলো। দুয়োৰে উশাহ এক হৈ গৈছে।
অৰ্ণৱ!
মোৰ চুলিত মুখ গুজি কৈ উঠিল।

: Make me alive Astha, I don’t want to die everyday.

আঙুলিৰ চেঁপাটো আৰু টান কৰি দিলে তেওঁ। মানুহজন অসহায় হৈ পৰিছে আকৌ এবাৰ।

:এইবোৰ কি হৈছে মাইনা?

উচপ খাই উঠিলো, অৰ্ণৱে তেতিয়াও মোৰ চুলিত মুখ গুজি বিৰবিৰাই আছে তেওঁৰ অভিমানবোৰ। আহিবলগীয়া ধুমুহাজাকৰ কথা ভাবি থৰ থৰকৈ কঁপিছো মই। চাবলৈ সাহস নাই। কি উত্তৰ দিম? ক্ষন্তেকীয়া আবেগৰ বশৱৰ্তী হৈ কিয় ইমান কাষ চাপি গলো। গাৰ সমস্ত শক্তিৰে তেওঁক আঁতৰাবলৈ চেষ্টা কৰিলো, হঠাৎ এই প্ৰতিবাদ দেখি তেওঁ আচৰিত হৈ মোৰ ফালে চালে।বুজি পালে।
দুয়োটাই একে সময়তে ঘূৰি চালো।
চকুকেইটা হাতেৰে ঢাকি নিশা ৰৈ আছে।

: মই কিন্তু একো দেখা নাই দেই। ভিতৰলৈ বল আস্থা। বিচাৰি ফুৰিছে তোক সবেই।

উশাহটো তেতিয়াহে ঘূৰাই পালো। একেবাৰে বৰ্মাৰ নিচিনাকৈ মাতটো উলিয়াইছে এইজনীয়ে। মৰিয়েই থাকিলোহেঁতেন উশাহ নিশাহ বন্ধ হৈ। ভীষণ লাজ পালো। কিন্তু তেওঁ একেবাৰেই সহজভাৱে লৈছে কথাটো।

: Please leave us alone Nisha, please.

উফ ।এতিয়াও কিবা বাকী আছেনে? কি অদ্ভূত জেদ। তেওঁক প্ৰায় ঠেলা মাৰি সেইখিনিৰ পৰা দৌৰি পলালো, নিশাকো হাতখনত ধৰি চোঁচৰাই আনিলো। চিৰিকেইটাৰ ওচৰ পাই ঘূৰি চালো। মোৰফালেই চাই আছে, চকুকেইটা অলপ সেমেকা। বুকুৰ কোনোবাডোখৰ মোচৰ খাই গল।
আধৰুৱা হৈ ৰল ভালপোৱাৰ প্ৰথম প্ৰকাশ।
তেওঁৰ সৰু সৰু অভিমানবোৰৰ বাঙ্ময় ৰূপ।
সকলোবোৰ আধৰুৱা হৈয়ে ৰল।
দাদা আৰু বৰদেউতা দেউতাৰ লগত ড্ৰয়িংৰুমত বহি আছে। দেউতাই তেওঁৰ কথা কিবা সুধিছিল যদিও কাণত একো সোমোৱা নাই। একেকোবে গৈ মাৰ ওচৰ পালোগৈ, কিয় জানো, বেছিকৈ ভয় লাগিলে মাৰ ওচৰত থাকো, সাহস পাওঁ। বৰ্মা, বৌ সবেই মিলি পাকঘৰত ভাতৰ যোগাৰ কৰিছে, নিশা আকৌ আইতাৰ ওচৰতে বহিল।আইতাৰ লগত ইমানেই বন্ধুত্ব হল যে

নিশা আজি ৰাতি থাকিবলৈও ৰাজী হল। চৰ্ত এটাই, আইতাৰ লগত শুব। কাইলৈ দেউতা আৰু মই থৈ আহিম গৈ।

: জিউ, দাদাক মাতি টেবুলখন আঁতৰাই ঠাইখন অকণ মুচি দেচোন।

আটাইবোৰ একেলগে খাবলৈ টেবুলত নোজোৰে। আৰু আমাৰ ঘৰত কোনোবাই আগত খোৱা বা পাছত খোৱাৰ নিয়ম নাই। নিমখে খাওঁ বা মাছে মাংসৰে খাওঁ সবেই একেলগে খাওঁ। গতিকে পকাতে বহি খাব লাগিব। দাদাক মাতি টেবুলখন শোৱা কোঠালৈ ভৰাই ডাইনিং থকা জেগাখিনিত ঢাৰি পাটি যি আছে পাৰিলো। মোতকৈ বেছি উত্সাহেৰে নিশাইহে সকলোবোৰ কৰিছে। আইতাই মাটিত বহিব নোৱাৰে কাৰণে মূঢ়া এটা আৰু ড্ৰয়িং ৰুমৰ কৰ্নাৰ টেবুলখন পাৰি দিলো। মায়ে সকলোকে ভিতৰলৈ মাতি আনিলে।তেওঁক অলপ আচৰিত যেন লাগিল। সৰু বেচিনতো চকুৰ ইংগিতেৰে দেখুৱাই দিলো। হাত ধুই দেউতাৰ ওচৰতে বহিল। অলপ অসুবিধা পাইছে যদিও একো কোৱা নাই।

: দিগদাৰ পাইছা নেকি ডেকা লৰা।
: নাই পোৱা আংকল।

তেওঁৰ বহাৰ ধৰণ দেখি লগা নাই আগতে এনেকে খাইছে কেতিয়াবা। মনে মনে হাঁহি উঠিল। কাঁহৰ কাঁহী, কাঁহৰ বাটি, তামৰ ঘটিত পানী, সকলোবোৰ তেওঁ আৰু নিশাৰ খুব ভাল লগা যেন লাগিল। খোৱা বস্তুবোৰ সজাই দি আমিবোৰো বহিলো। খুব

ভাল লাগিছে। আইতাই মাজে মাজে জমাই আছে।তেওঁৰ এফালে দেউতা, আনফালে বৰদেউতা, সন্মুখত নিশা, কাষত মই। শাকে পাতে মায়ে একেবাৰে ঘৰুৱা ভাৱে এইসাজ বনাইছে। মচুন্দৰী শাকৰ পাতত দিয়া, মচুৰ দাইলৰ বৰ দি বনোৱা নৰসিংহ পাতৰ জোল, সৰু মাছৰ চৰ্চৰি ইত্যাদি। খুব তৃপ্তিৰে খাইছে তেওঁ। হঠাতে মায়ে সুধি পেলালে…

: তোমাৰ ঘৰত কোন কোন আছে অৰ্ণৱ?

হাঁহি থকা মুখখন শেঁতা পৰি গল। সানি লোৱা ভাতখিনি একেথৰে চাই ৰৈ আছে, বাওঁহাতৰ মুঠিতো টান হৈ গৈছে, চকু কেইটা ৰঙা।

: কোনো নাই।

ঘট ঘটকৈ গোটেই গিলাচ পানী খাওঁতে চৰচৰণি খাই গল। দেউতাই পিঠিটো থপথপাই দিছে। বুজি পাইছো তেওঁৰ কি হৈছে। এবাৰ মূৰ তুলি মোৰ ফালে চালে, একো নাছিল সেই দৃষ্টিত।
নিস্তেজ, নিৰ্মোহ, নিৰ্বিকাৰ।
ভয় লাগিল আকৌ এবাৰ, সাৰ পাই উঠিছে সেই খঙাল অৰ্ণৱ।

: Excuse me Uncle. মই উঠিব পাৰো নে?
: উঠা উঠা একো নাই, চেহ, শেষৰ গড়া থাকিলেই পায়। ৰবা অকণ নিমখ দি কুহুমীয়া পানী খাই দিবা। আমাৰো হৈছেই আৰু।

মুখখন ধুই একো নোকোৱাকৈ বাহিৰলৈ ওলাই গল।
জানো, এতিয়া ইটোৰ পিছত সিটো চিগাৰেট জ্বলাব।
মোক ওচৰত পালে খং কৰিব।
কিন্তু কেতিয়াও নকয় তেওঁৰ কি হৈছে।
তেওঁৰ পিছে পিছে যোৱাৰ সাহস নাই। কিন্তু উপায় নাই, খাই হোৱাৰ পাছতো এতিয়া বাকীবোৰৰ কথা ধেৰ ওলাব।

: জীউ তই আৰু নিশাই মিঠাইখিনি লৈ আনচোন। আৰু অৰ্ণৱকো গৰম পানী এগিলাছ দি দিবি।

পানীগিলাচ লৈ ওলাই আহিলো, মই ভবাৰ দৰে তেওঁ চিগাৰেট জ্বলোৱা নাই। দুয়োখন হাতেৰে মুখখন ঢাকি ছফাখনতে বহি আছে। মই ইমান ওচৰত থাকোঁতেও গম পোৱা নাই। পানীগিলাছ আগবঢ়াই দিলো।

: লওঁক।

মূৰ তুলি চালে।
বুকুৰ ভিতৰত কিবা এটা মৰি যোৱা যেন লাগিল। কি হৈছে তেওঁৰ?
প্ৰথমবাৰ।
আজি প্ৰথমবাৰ তেওঁৰ ধুনিয়া চকুজুৰি ইমান অসহায়, পৰো পৰো কৈ দুটোপাল চকুপানী বৈ আছে। কাণখন ৰঙা, গালৰ শিৰা প্ৰতি শিৰা স্পষ্ট। উশাহবোৰ ঘন।

: Please leave Astha.

সদায় আদেশৰ সুৰত কোৱা মানুহজনে আজি অনুৰোধ কৰিছে।
গিলাছটো টেবুলখনত থৈ তেওঁৰ সন্মুখত আঠুকাঢ়ি বহিলো।
কি কৰিছো, কিয় কৰিছো নাজানো।
কিন্তু আজি চোন কোনোবাই দেখে বুলি মোৰ ভয় লগা নাই।
হাতখন তেওঁৰ গালখনৰফালে আপোনা আপুনি উঠি গল, মৰম নে পুতৌ মই নিজেও নাজানো। কিন্তু এই সময়ত মই তেওঁৰ কাষত থাকিব বিচাৰো।
নিদিলে তেওঁক চুই চাবলৈ, থাপ মাৰি ধৰিলে হাতখন। গাৰ সমস্ত জোৰেৰে।

: Don’t show sympathy Astha, I am really tired of that.
: কিন্তু…
: Stay away from me please, I can give nothing to you, absolutely nothing. I just wish we never met Astha.

পোৱাৰ আগতেই হেৰোৱাই পেলালো মোৰ প্ৰথম ভালপোৱা!
তেওঁ নিবিচাৰে মই কাষত থকাটো।
হাতখন লাহে লাহে ঢিলাই দিলে তেওঁ।

: I should leave. ভিতৰত কৈ দিয়া।
: কি হৈছে আপোনাৰ।
: একো নাই হোৱা। দেউতাক মাতি দিয়া।

মই নুঠা দেখি নিজেই দপদপাই সোমাই গল ভিতৰলৈ। হঠাৎ তেওঁ যাবলৈ ওলোৱাত সকলো আচৰিত হল। কিন্তু কিবা জৰুৰী

কাম আছে বুলি কোৱাত মান্তি হল। নিশা মোৰ ওচৰ চাপি আহিল। হাতখন ধৰি আছে।
তেওঁক আগবঢ়াই দিবলৈ সকলো ওলাই আহিল।

: ইচ ৰাম মই পাহৰিলোৱেই। ৰবা ৰবা।

মা লৰালৰিকৈ ভিতৰলৈ গল। ঘূৰি আহোঁতে হাতত ফুলাম গামোচা এখন।

: পূজাৰ দিনাখন সুদা হাতে কেনেকৈ পঠিয়াই দিওঁ বাৰু,এইখনকে দিছো দেই। আগতে জনা হলে কিবা এটা অনাই থলোহেঁতেন।
: আমাৰ অসমীয়া মানুহৰ এইখন বৰ ডাঙৰ উপহাৰ নে কি কোৱা?

বৰদেউতাই তেওঁৰ কান্ধত হাতখন থৈ কলে। ভৰি চুই বিদায় লৈছে সকলোৰে পৰা। মোৰ ফালে এবাৰো নাইচোৱা।
খৰ খোজেৰে গৈ গাড়ীত বহিলগৈ। দাদাই গাড়ীখন উলিয়াই নিওঁতে কৰবাত লাগে নি চাই দিছে। বাৰে বাৰে চাইছো তেওঁৰ ফালে, নাই মোৰ উপস্থিতি সম্পুৰ্ণৰূপে উপেক্ষিত।
ভাল লগাবোৰ ইমান সোনকালে নাইকিয়া হৈ যাব পাৰে জানো?
এনেকুৱা কি কথা আছে যিয়ে তেওঁক বাৰে বাৰে বাধ্য কৰায় 'অৰ্ণৱ' হবলৈ।
বেপেৰুৱা, উগ্ৰ, কঠুৰ, নিৰ্দয় ।
নে এইখন মুখা তেওঁ পিন্ধিবলৈ বাধ্য?
মাঁহত সকলো ভিতৰলৈ গল। মই আৰু নিশা তেতিয়াও ৰৈ

আছো, নেদেখা হোৱালৈকে গাড়ীখনলৈ চাইছো। আৰু নোৱাৰোঁ, চকুপানীবোৰ পাৰ ভাঙি বৈ আহিছে।

: মাজনী তোৰ ফোনটো বাজি আছে চোন অথনিৰে পৰা।

দেউতাৰ মাত শুনি নিশা আগবাঢ়ি গল। ফোনটো আনি মোক দিলে।
ৰাজীৰ ফোন।
: হেল্ল'
: আস্থা, বহুত ডাঙৰ কথা হল।

তাইৰ মাতটো কঁপিছে, ভয় খাইছে কিবা কথাত।

: কি হল কচোন ।
: তই অকলে আছনে?
: ভয় কেলেই খুৱাইছ, কি হল ক।
: নিশাৰ ফটো ভাইৰেল হৈছে।
: কি ফটো?
: তাইৰ ex কোনোবাই কৰিছে, fake নে real এতিয়াও গম পোৱা নাই। but পুৰা share হৈছে fb আৰু WhatsApp অত।
: ফটো হে, তাতেনো কি হল?
:তই পাগল নি? বুজি পোৱা নাই নি? অলপ private photo.

তাইক নকবি।
বুজি পালো, মূৰটো ঘূৰাই গল। ফোনটো সৰি পৰিল।

পিছফালে কোনোবা আছে যেন লাগিল।
ঘূৰি চালো। নিশা!!!!!!!!!

শেঁতা পৰি গৈছে গোটেইজনী। ঠিয় হৈ থাকিব নাইপৰা। চিৰিটোত বহি দিছে। দৌৰ মাৰি গৈ সাৱটি ধৰিলো। কান্দিবও পৰা নাই বেচেৰীয়ে। মোৰ ফালে চাই কিবা কিবি বিৰবিৰাই আছে। একো বুজি পোৱা নাই। এই সময়ত মই কি কৰিব লাগে নাজানো, মাত্ৰ তাইক ধৰি আছো।কিমান সময় পাৰ হল নাজানো।

: ভিতৰলৈ বল নিশা।
: মই কি কৰিম এতিয়া আসু?

ভয় খাইছে তাই, বুজি পাইছো। মোৰো বহুত ভয় লাগিছে, কিন্তু তাইক মই দেখুৱাই দিব নোৱাৰোঁ। জোৰ কৰি তাইক ভিতৰলৈ আনিলো। ড্ৰয়িংৰুমত বহি সকলোয়ে মোৰ জন্মদিনৰ মিঠাই খাইছে। মই সোমাই যোৱাৰ লগে লগে বৰ্মাই মোৰ মুখতো জোৰ কৰি এটা গুজি দিলে। মই তলকিবই নোৱাৰিলোঁ। কেনেকৈ বুজাওঁ মই?
জন্মদিনৰ সুখত সুখী হোৱাৰ অৱকাশ আৰু নাই।
বহুত কিবাকিবি হেৰাই থাকিল। ঘূৰাই পাম নে নেপাম নাজানো।

: বহা আকৌ নিশা, মিঠাই খুৱাই নাইচোন।

মায়ে তাইক প্ৰায় টানি নিয়াদি নিলে। পায়সৰ বাতিটো হাতত লৈ মা আৰু দেউতাৰ মাজত বহিছে তাই। আৰু কিমান অভিনয় কৰিব এই ছোৱালীজনীয়ে। হাঁহিব পৰা নাই যদিও এবাৰলৈও কন্দাও নাই। সকলোৰে হাঁহিৰ খিলখিলনিৰ মাজত গোপনে কথা পাতিছো আমি। আৰু নোৱাৰোঁ।

:মা, নিশাৰ ভাগৰ লাগিছে চাগে, বল মোৰ ৰুমত অলপ শুই লবি।

কোনোবাই কিবা কোৱাৰ আগতেই তাইক লৈ আনিলো মোৰ ৰূমলৈ।দৰজাখন বন্ধ কৰি দিলো। ঠেলি নিয়াদি নি বিচনাখনত বহাই দিলো।

: কিবা এটা ক নিশা।
: মই বদনাম হৈ গলো আসু , কবলৈ কিবা বাকী আছে জানো?
: তেনেকৈ কেলে কৈছ?
: সি মোক কৈছিল, এনেকুৱা কিবা কৰি দিম বুলি। মই ভাবিছিলো মোক ভয় খুৱাবলৈ কৰিছে,সদায় ব্লেকমেইল কৰে, পাপাৰ পৰা লৈ বহুত পইচা দিলো এতিয়ালৈকে।লাষ্ট টাইম ফোন কৰোতে বহুত বেছিকে বিচাৰিছিল, মই নিদিওঁ বুলি কলো। সেইকাৰণে এনেকুৱা কৰিলে।

: তই ইমানদিনে লুকুৱাই থৈছিলি কিয়? পাপাক কৈ চাব পাৰিলিহেঁতেন।
: সব তোৰ নিচিনা লাকি নহয়, তোৰ নিচিনাকৈ মই সব কথা পেৰেন্টছক কব নোৱাৰোঁ।

কিন্তু কিয়?
আচৰিত নহয় নে কথাবোৰ?
সকলোতকৈ আপোন মানুহবোৰৰ আগত আমি আমাৰ দুৰ্বলতাবোৰ উদঙাই দিব়লৈ ইমান ভয় কৰোঁ কিয়?
উপহাস কৰিবলৈ এখন ডাঙৰ পৃথিৱী থাকেই, কিন্তু অলপ মৰম দি সঠিক পথ দেখুৱাবলৈ এখন সৰু পৃথিৱীৰ সকলোকে প্ৰয়োজন নহয় জানো?
ৰাজীয়ে মেছেজ কৰিছে, কিছুমান স্ক্ৰীণশ্চট। নিশাৰ বিষয়ে টুলুঙা মন্তব্য দিবলৈ যেন এক অঘোষিত প্ৰতিযোগিতাহে আৰম্ভ হৈছে। কেনোবাই তাইৰ মাকৰ কথাও টানি আনিছে। এজনী ছোৱালীক সামাজিক ভাৱে অপদস্থ কৰা হৈছে, আৰু এচামে তাত আসুৰিক আনন্দ লাভ কৰিছে। মেছেজটো ডিলিট কৰি দিলো।

: নিশা, এইবোৰ সচাঁ নে মিছা মই নাজানো, আৰু তোক সুধিবও নিবিছাৰো, কিন্তু মই মা দেউতাৰ পৰা লুকুৱাব নোৱাৰিম।
: প্লিজ নকবি, মোৰ কথা কি বুলি ভাবিব। আৰু তোক যদি মোৰ লগত থাকিব নিদিয়ে? মই আকৌ বহুত lonely হৈ যাম। Please don’t do this to me.
: বিশ্বাস ৰাখ নিশা, মায়ে বুজি পাব মই জানো।

দৰজাখন খুলি ওলাই আহিলো, বৰমাহঁত ইতিমধ্যে ঘৰলৈ গল। মাক ৰুমলৈ মাতি আনিলো। কিবা এটা অঘটন হৈছে বুলি গম পাইছে মায়ে। এবাৰ মোৰফালে এবাৰ নিশাৰ ফালে চালে। আমি এজনীয়েও একো কব পৰা নাই।

: জিউ, কিবা কবি?

নিশাই এতিয়া কিবা কব পৰা অৱস্থাত নাই। মইয়ে কব লাগিব। বহুত সাহস কৰি কথাখিনি কলো। বুকুখন পাতল লাগিল। মায়ে একো কোৱা নাই।
ইমান চিন্তাত কোনোদিনেই দেখা নাছিলো মাক।

: তোমাৰ ভূল হোৱা নাই বুলি মই নকওঁ, তুমি কথাবোৰ তোমাৰ দেউতাক জনাব লাগিছিল। ইয়াৰ পিছৰখিনি আমি ডাঙৰে কৰিম। অলপ জিৰাই লোৱা।
জিউ, দেউতাৰৰ লগত কথা পাতি কি কৰিব লাগে চাঁও, তেতিয়ালৈকে তহঁতে একো কৰিব নালাগে। তোমাৰ দেউতাৰ নম্বৰটো দিয়া নিশা।
: প্লিজ আন্টি, পাপাক নকব। মই বহুত লাজ পাম।
: মইয়ে হও বা তোমাৰ দেউতাৰাই হওক, আমি সকলোৱে এইটো বয়স পাৰ কৰি আহিছো নিশা। কেতিয়াবা কিছুমান ভূল হৈ যায়। বুজি পাব তোমাৰ দেউতাই। হয়তো তোমাক খং কৰিব, কিন্তু লুকুৱাই ৰাখিলে তুমি জানো শান্তিত থাকিব পাৰিবা?

মাৰ কথাত নিশা অলপ শান্ত হল। গাৰু এটা আৰু পাতল কম্বল এখন দি তাইক শুবলৈ দিলো, মূৰৰ শিতানতে বহি চুলি কেইদাল মোহাৰি আছো। বহুত কিবাকিবি কৰিব মন গৈছে, কিন্তু ইয়াতকৈ বেছি মই একো কৰিব নোৱাৰোঁ।
মা আৰু দেউতাই কথাবোৰ আলোচনা কৰি নিশাৰ দেউতাকক মাতি পঠিওৱাৰ সিদ্ধান্ত ললে।

প্ৰায় তিনি ঘণ্টা মানৰ মূৰত তেখেত আহিল। আহিয়েই নিশাক উদ্দেশ্যি অকথ্য গালি গালাজ, মাৰিবলৈকে খেদি গৈছিল। কাহানিও দেখি নোপোৱা কিছুমান আচৰণ। দেউতাই বহুত বুজাই বঢ়াই শান্ত কৰিলে। কিন্তু তেখেতৰ মতে নিশাক যি লাগে তাকেই কিনি দিছে, চাকৰে নাকৰে আল পৈচান ধৰা মানুহো গোটাই দিছে, তাৰ পাছতো তাই এনেকুৱা কিয় কৰিব।

: টকা পইচা বা সা সুবিধা দিলেই দায়িত্ব শেষ হয় জানো। আপুনি তাইক সময় দিছেনে?

এইবাৰ মাৰ খং উঠা যেন লাগিল। নিশা আৰু মই তেতিয়াও ড্ৰয়িংৰুমৰ চুক এটাত বৈ আছো। ইমানখিনিৰ পিছতো এটোপাল চকুপানী টোকা নাই তাই।

: চাওক, মোৰ reputation বহুত বেয়া হৈ যাব, গতিকে এইক মই এতিয়া ঘৰলৈ নিব নোৱাৰিম, অলপ দিন ইয়াতে থাকক, কাপোৰ কানি মই লৈয়ে আনিছো। অলপ দিন পাছত এনেও সবেই পাহৰি যাব। Then she can come.

কিমান সহজতে কৈ দিলে কথাষাৰ। ইমান ঠুনুকা হব পাৰেনে বান্ধোন?
নিশা কিন্তু নিৰ্বিকাৰ, তাই যেন আগতেই জানিছিল সকলোবোৰ।
মা দেউতাই বহুত বুজাবলৈ চেষ্টা কৰিলে, কিন্তু তেখেতে দেউতাকহে ওলোটাই অপমান কৰিলে। নিশাৰ বেগটো গাড়ীৰ পৰা নমাই একো নোকোৱা কৈয়ে গুচি গল।

অভিশপ্ত এটা দিন!!
জন্মদিনৰ শুভকামনাবোৰ যেন ঘূৰাই দিম সকলোকে।
মায়ে সন্ধিয়াৰ চাকি বন্তি জ্বলাই ঘৰতে আৰতি কৰিছে ,
পূজাথলীলৈ যোৱাৰ ইচ্ছা কাৰোৱে নাই। বৰমাই বাৰে বাৰে
সোধাত নিশাৰ গা বেয়া বুলি কলো।
মৌনতাৰ মাজতেই সময়বোৰ পাৰ হৈছে। মায়ে জোৰ কৰিলতো
নিশা ভাত খাবলৈ ওলাই নাহিল। দৰজাখন লাহেকে খুলি চালো।
গাৰুটোৰ তুলাবোৰ উলিয়াই সিঁচি পেলাইছে, তাইৰ ফোনটো
দুটুকুৰা হৈ তলত পৰি আছে। গালত আঙুলিৰ চিন স্পষ্ট।
হাঁহিৰে জগত জিনা ছোৱালীজনীৰ আজি নিজৰ ওপৰত ঘিণ
উপজিছে, নিজৰ গালত নিজেই চৰিয়াইছে।
হাঁয় সময়!!!!

: জিউ, আজি তই অকলে শুবি। নিশা মোৰ লগত শুব।

কেনেকে বুজি পায় সকলোবোৰ এই মানুহজনীয়ে ?
মোৰ মা।
সাৱটি ধৰিলো, মোৰ দৰে মা সকলোকে কিয় নিদিলা নমো???
নিশাক বুকুত সাবটি মায়ে বুজাইছে কিবাকিবি, এইবাৰ তাই
কান্দিছে, চিঞৰি চিঞৰি, উশাহ বন্ধ হৈ যোৱাকৈ।নাকান্দিবি
বুলি নকওঁ, দুখবোৰ পানী হৈ ওলাই আহিছে। বৈ যাওক।
দৰজাখন লাহেকৈ জপাই মাৰ বিচনালৈ আহিলো।
জুৰুলা কৰা এটা দিন।
বিষময়।

তেওঁৰ কথাও ভাবিলো এবাৰ, কি ভাবি আঁতৰি গল এনেদৰে? ফোনটো বাজিছে, অৰ্ণৱৰ ফোন।

: নিশা ঠিকে আছেনে?

তেওঁ কেনেকে গম পালে?

: আপুনি কেনেকে গম পালে?
: ভাইৰেল হৈছে, সবেই পাইছে almost. I don’t have Facebook but Utpal has. সি কলে। fake হয়। photoshop কৰিছে। তাইক ষ্ট্ৰেচ লব মানা কৰিবা। শুই থাকা এতিয়া। নিশাৰ care লবা।
: আপুনি ঠিকে আছেনে? অথনি..
: I don’t want to discuss anything. Good night.

কাটি দিলে ফোনটো।
ভাগৰি পৰিছো ময়ো।
নিবিছাৰো একো উত্তৰ। তেওঁ যেনেকৈ সুখী তেনেকৈয়ে থাকক। নিশাৰ কান্দোনৰ শব্দ বন্ধ হল। মাৰ বুকুৰ উমে সকলো দুখ পাহৰাব পাৰে।
গাৰুটোত মূৰ গুজি চকুকেইটা জপাই দিলো।

আগলৈ….

খণ্ড ১৪

বাকী থকা দিনকেইটা মা দেউতাই যিমান পাৰে নিশাৰ লগত সহজভাৱে পাৰ কৰিলে। মাৰ বুজনি, দেউতাৰ মৰম, আইতাৰ খুহুতীয়া কথাবোৰে তাইক অলপ হলেও দুখবোৰ পাহৰাত সহায় কৰা যেন লাগিল। কিন্তু মই জানো, কৰবাত কিবা এটা নাইকিয়া হৈ গল সেই আপোনভোলা ছোৱালীজনীৰ মাজত।

পূজাৰ বন্ধ শেষ হল। ঘূৰি আহিছো JEC কেম্পাচলৈ। এইবাৰ মোৰ লগত এজনী নতুন নিশা। সকলোতে আগবাঢ়ি যোৱা, মোক টানি আজুৰি উলিয়াই নিয়া নিশা এতিয়া মোৰ পিছত লুকাই থাকি ভাল পোৱা হল। কাৰোৰে আগত ওলাব নিবিচাৰে। দাদাই নমাই থৈ যোৱা এঘন্টাৰো অধিক হল, অহাৰ পৰা ৰুমতে সোমাই আছে। মোৰ লগতো একো কথা পতা নাই।

দুয়োজনীৰে বেগৰ বস্তুবোৰ উলিয়াই ঠিক ঠাক কৰি ললো। মায়ে ঘৰতে পিঠা পনা, কেক বনাই দি পথাইছে। বাইদেউৰ কাৰণেও বেলেগকৈ মিঠাইৰ টোপোলা এটা, লগতে এখন চাদৰ। বাইদেউয়ে মোক দিয়া মৰমখিনিৰ তুলনাত এইয়া তেনেই সামান্য উপহাৰ। কানু দাৰ বাবেও কিবা এটা আনিছো। কানু দা আমাৰ Extension অৰ চোৱা চিতা কৰাৰ দায়িত্বত আছে। বয়সীয়াল অজলা অঁকৰা মানুহজনক সবেই মানি চলো। আমাক মাজে মাজে উৎপাত কৰিলে গালিও দিব, আৰু যেতিয়াই যিটো লাগে চাইকেলখন লৈ গৈ আনিও দিব। বস্তুবোৰ ঠিক কৰি থাকোতেই শুনিলো বাহঁতৰ ৰুমত খুব সৰু সৰু মাতত সবেই কিবা আলোচনা কৰি আছে। ৰাজী আহি লাহেকে মোকো

মাতি থৈ গল। নিশাৰ ফালে চালো, জোতা কাপোৰ একো সলোৱা নাই এতিয়ালৈকে। যেনেকৈ আহিছিলে তেনেকৈয়ে বিচনাত তললৈ মূৰ কৰি পৰি আছে। থাকক, নামাতো। বাহঁতৰ ৰূমলৈ গলো।

: আস্থা, তই ৰুম change কৰিবি নেকি?

প্ৰিয়ংকা বায়ে হঠাৎ এনেকুৱা এটা প্ৰশ্ন কৰিলত থতমত খালো। কিয় সুধিছে?

: চা, মোৰ পেৰেন্টচ ইমান মডাৰ্ন হৈও নিশাৰ কেচটো লৈ প্ৰব্লেম আছে, তইতো বহুত গাঁৱৰ হয় ন , তোৰ মা দেউতাৰ প্ৰব্লেম হবই চিউৰ ।

সুজাতা, কথাই কথাই মোৰ ঘৰ যে ভিতৰুৱা গাঁৱত সেইকথা কবলৈ নাপাহৰে তাই। প্ৰিয়ংকা বাৰ কথাৰ ওপৰতে মাত মাতিলে তাই। নিশাৰ লগত তাইৰ ভাল নাছিল। এই ঘটনাটোত তাই যেন কিবা এটা আনন্দ হে পাইছে এনেকুৱা লাগিল। হাঁহিও উঠিল, গাঁৱৰ মানুহবোৰ সংকীৰ্ণ মনোভাৱৰ বুলি ধাৰণা এটা কৰিয়েই লয় মানুহবোৰে। মোৰ মায়ে কপাহী মেখেলা চাদৰ পিন্ধি ডাঙৰ কৈ সেন্দুৰৰ ফোঁট লয়, সেইবাবে তেওঁ বহল মনৰ হব নোৱাৰে।
সাজ পোচাক যে মানসিকতাৰ চিহ্ন সেইয়া ওলাই আহিহে বুজি পালো।
বৰ সস্তীয়া আধুনিকতা !

: বা, নিশা আমাৰ ঘৰতেই আছিল ইমানদিনে। মোৰ মা দেউতা আধুনিক নহব পাৰে, কিন্তু অশিক্ষিত নহয়। আৰু আন কোনোবাই কি ভাবে মই নাজানো, মোৰ সিমান মগজ নায়েই, কিন্তু মই নিশাৰ লগত সদায় থাকিম।

কোনোদিন কাকো বেয়াকৈ কৈ পোৱা নাছিলো, আজি কিন্তু ভীষণ খং এটা উঠিছে। মুখত যি ওলালে তাকে কলো। গুচি আহিলো ৰুমলৈ। নিশা তেতিয়াও তেনেকৈয়ে পৰি আছে। আৰু বেছি খং উঠিলে। টানি বিচনাৰ পৰা নমাই দিলো।

: বল বাইদেওক লগ কৰি আহোঁ।
: মই নেযাওঁ, হাঁহিব সবেই।
: তাতে তোৰ কি হল? তইয়েতো মোক কৈছিলি তই কোনে কি কয় care নকৰ? এতিয়া কি হল? চা, মই বেছি একো নাজানো, কিন্তু মোৰ মতে যিয়ে তোৰ ফটো ভাইৰেল কৰিছে, সি ওলাবলৈ লাজ কৰিব লাগে, তই নহয়। বল এতিয়া।

মিঠাইৰ টোপোলা আৰু চাদৰখন পলিথিন এটাতে ভৰাই নিশাক প্ৰায় চোঁচৰাই নিয়াদি লৈ গলো। দোকানৰ সন্মুখত আমাৰ চিনিয়ৰ দাদা কেইজনমান। লগতে ছাৰ দুজনো আছে। চাহ খাই ওলাই আহিছে। দেখিয়েই নিশাই উভতি বাট বুলিবলৈ বিচাৰিলে। ধৰি আছো।

: ছাৰ পূজা চালে?
: অ চালো চালো, আমি আৰু ইয়াতে কলনিতে।

কাহানিও আগবাঢ়ি কাকো মাতি নোপোৱা মই ছাৰকো মাতিব পৰা হলো। ভিতৰি কিমান ভয় খাইছো নিজেহে জানো, কিন্তু মায়ে কোৱা কথাষাৰ মনত পেলাই সাহস গোটাইছো।

: জীও, নিশাৰ আগত দুৰ্বল হৈ নাযাবি, একোৱেই যেন হোৱা নাই তেনেকৈ থাকিবি। চাবি সব ঠিক হৈ যাব।
: আজি নিশা ইমান ঠাণ্ডা মুণ্ডা হৈ আছে যে আস্থা, ঘৰৰ পৰা আহিবৰ মন নাছিল যেন পাওঁ।
: তাইৰ গা বৰ ভাল নহয় বাইদেউ। এইয়া মায়ে আপোনালৈ দি পথাইছে, পূজা বুলি আৰু।

আগ্ৰহৰে টোপোলাটো আঁকোৱালি ললে বাইদেউৱে, তেতিয়াহে বাইদেউৰ হাতখনলৈ মন কৰিলো। বৰ ধুনিয়া ঘড়ী এটা।

: পূজাত এইটো ললে বাইদেউ? ইমান ধুনিয়া।
: মইনো কত এইবোৰ নিজে কিনিম, অৰ্ণৱে দিছে, বোলে এইবাৰ JEC ত শেষ পূজা, এইটোকে দিলো। আৰু কেইবাটাও লৰা ছোৱালীয়ে কিবাকিবি দিছে। এই চাৰি বছৰত ইহঁতবোৰ কিবা নিজৰ লৰা-ছোৱালীৰ দৰে লগা হল। গুচি গলে বৰ বেয়া লাগিব পায়।
শেষৰ কথা কেইটা কওঁতে বাইদেউৰ মাতটো থোকাথুকি হৈ গল। চাদৰৰ আঁচলটো চকুৰ কোণত হেঁচি ধৰিছে। বৰ মৰমিয়াল এই মানুহগৰাকী। সহজ-সৰল মানুহবোৰ মোৰ সদায় প্ৰিয়।

দিন ছুটি, পাঁচটা বজাই নাই কিন্তু অলপ অলপ এন্ধাৰ হলেই। ষ্ট্ৰীট লাইট আৰু বাইদেউৰ দোকানৰ সৰু বাল্বটোৰ পোহৰে ঠাই

ডোখৰ কিবা মায়াময় কৰি তুলিছে। দোকানৰ ভিৰ সেৰেঙা হল। বাইদেউৱে দোকান সামৰিবলৈ যোঁ-জা চলাইছে।

: যাঁও বাইদেউ, আজি চাহ নেখাওঁ।
: হব হব যোৱা।

নিশা তেতিয়াৰে পৰা অলপ দূৰত বৈ আছে।

: ঠিকে আছ?

গলগলীয়া মাতষাৰ! কিমানদিন শুনা নাই।
ঘূৰি চালো, অৰ্ণৱ।

নিশাৰ ওচৰত বৈ আছে, তেওঁৰ এখন হাত নিশাৰ মূৰত। বেচেৰীয়ে এইবাৰ ওঁঠকেইটা কামুৰি যেনেতেন চকুপানী ৰাখিছে। অৰ্ণৱৰ আগত তাই সদায় সৰু ভনীয়েকৰ দৰেই উৎপাতবোৰ কৰি আহিছে। কিন্তু আজি যেন তাইক অলপ সাহসৰ প্ৰয়োজন। উৎপল দাৰ চকুকেইটা সেমেকা, যেনিতেনি চাইছে কিন্তু নিশা বা মোৰ ফালে চাব পৰা নাই।

: চাহ খাবি?

মূৰটো জোকাৰি না বুলি মাত্ৰ কলে তাই।

: তই এনেকুৱা কৰিলে কেনেকে হব, fake আছিল, সবেই গম পালে এতিয়া।
: পাপাই ঘৰত যাবই নিদিলে মোক।

এইবাৰ উচুপি উচুপি কান্দিছে নিশাই, অৰ্ণৱৰ চকু কেইটা ৰঙা।

: যাব নিদিয়ে নাযাবি, দহ বছৰতকে বেছি দিন হল মই ঘৰ দেখি নোপোৱা, but I am still alive right?

এটা নতুন সাথৰ।
এটা নতুন প্ৰশ্ন!
কেতিয়া বুজি পাম এই মানুহজনক।
এবাৰ, মাত্ৰ এবাৰ যদি জুমি চাবলৈ দিলেহেঁতেন তেওঁৰ বুকুৰ ভিতৰখন। আঁতৰাই দিলোহেঁতেন উশাহ হেঁচি ধৰা কলা শিলবোৰ।
কিয় ভাৱে মই পুতৌ কৰিম বুলি?
কেনেকৈ বুজাম তেওঁক জানিবলৈ মোৰ কিমান হেঁপাহ?
নিশা আৰু তেওঁৰ পৰা অলপ দূৰত বৈ আছো, এইখিনি সময় নিশাৰ বাবে। কথা কম কোৱা মানুহজনে আজি তাইক বুজাবলৈ কিছুমান কথা কৈছে, মন্ত্ৰমুগ্ধৰ দৰে শুনি আছো মই।

: এতিয়া যা।

মোৰ ফালে চাবলৈ তেওঁৰ যেন আহৰি নাই, নে তেওঁ মোক দেখাই নাই?
উৎপল দালৈ চালো, শেঁতা হাঁহি এটাৰে মূৰটো দুপিয়ালে।
কাৰোবাৰ অসৎ কাম এটাই কিমানখন অন্তৰ পলকতে ভাঙি দিব পাৰে।
নমো, তুমি সঁচাকৈ আছানে?
নিশাৰ পিছে পিছে খোজ ললো, তেওঁৰ কাষেদিয়েই পাৰ হৈ আহিলো ।

ওচৰ পাই টানি লৈছো উশাহত তেওঁৰ সুগন্ধি।

: Wait.

তলমূৰ কৰি ৰৈ আছে।
থমকি ৰলো, কিবা কব বুলি আশাৰে বাট চালো।
নাই, একো কোৱা নাই, চকুযোৰ পড়ি ললোহেঁতেন যদি তেওঁ এবাৰ মোৰ ফালে চায়!
ধীৰ খোজেৰে আঁতৰি আহিলো।
হঠাতে দপদপাই আহিল কোনোবা পিছফালৰ পৰা। হাতখনত ধৰি ঘূৰাই দিলে মোক।
পৰিম যেন লাগিলে, তেওঁৰ পাতল জেকেটটোৰ কলাৰত খামোছ্ মাৰি ধৰিলো।

: You can’t ignore me like this Astha.

উফ্।
তেওঁৰ এনেকুৱা আচৰণত সদায় দুৰ্বল হৈ যাওঁ, কিন্তু আজি কিয় জানো খং এটা উঠি আহিল। কিছুমান প্ৰশ্নৰ উত্তৰ আজি মোক লাগিব। ভাগৰি পৰিছো মই আপেক্ষা কৰি কৰি। কলাৰত থকা হাতৰ মুঠিটো আৰু টান হৈ গল।

: কিয়? কিয় নোৱাৰিম মই আপোনাক ইগনৰ কৰিব?
: Because I won’t let it happen damn it.

হাতৰ চেপাটো আৰু টান কৰি দিলে। দুখ পাইছো কিন্তু কন্দা নাই। নিশা ইতিমধ্যে আঁতৰি গৈছে, ঠাইডোখৰ অলপ আন্ধাৰ।

ভয় লাগিছে, বহুত বেছি, কিন্তু তেওঁক দেখুৱাব নোৱাৰোঁ। মনটো আজি এনেও ভাল নহয়, তাতে তেওঁৰ এই অদ্ভূত জেদবোৰে পাগল কৰিছে মোক। সেইদিনা হঠাৎ তেনেকৈ গুচি অহিল, এবাৰো নজনালে কিয়। নিশাৰ খবৰ লবলৈ কৰা ফোনটোৰ পিছত ঘৰত থকা দিনকেইটাত ফোন মেছেজ একো নাই। মোৰো খং উঠি আছে তেওঁৰ ওপৰত, বহুত বেছি খং।

: কি বিচাৰে আপুনি?
: DON'T ACT INNOCENT ASTHA, YOU KNOW IT VERY WELL. I WANT YOU!

কিমান সহজ তেওঁৰ বাবে সকলোবোৰ। আজি মন গল কৈ দিলে মই তোমাক বিচাৰো, কিন্তু মই জানো কাইলৈ তেওঁৰ খং আৰু জেদৰ আগত এইবোৰ সব মিছা হৈ যাব।
যদি মোক ইমানেই বেছি ভালপায়, মুখ ফুটাই কবও পাৰিব লাগিব।
বুজি পাব লাগিব তেওঁ নিজৰ মনৰ অনুভূতিবোৰ, শিকিব লাগিব মৰম কি? কব পাৰিব লাগিব তেওঁ মোক কিয় বিচাৰে?

: কিন্তু মই আপোনাক নিবিছাৰো। মোৰ ভাল নালাগে আপোনাক। কিয় বুজি নাপায় আপুনি?

হঠাৎ ঢিলাই দিলে তেওঁ খামুচি থকা হাতখন। ক্ষীণ পোহৰত দেখিছো জুই হৈ ওলাই অহা অভিমানবোৰ।

: Say it again, say you don't love me.

মনে মনে আছো। এনেকৈ কম বুলিও ভবা নাছিলো, কিন্তু বহুত কিবাকিবি কৈ দিলো। এতিয়া আৰু ঘূৰাই আনিব নোৱাৰোঁ তেওঁক আঘাত কৰা শব্দবোৰ।
কি হৈ গল এইয়া?

: Look into my eyes and say those damn words Astha.
: ....
: মই যাওঁ।
: নিদিওঁ যাবলৈ।
: কিয়?
: Because I want my answer.
: একো নাই কবলৈ।
: Really, you think I will believe whatever you said?

বুকুৰ ভিতৰত এজাক নতুন ধুমুহা।
ভাঙি থৈ যাব মোক সেয়া মই জানো।
হাৰি গৈছো বাৰে বাৰে।
কিয় নুবুজে মানুহবোৰে?
এই জটিল পৃথিৱীত মোৰ নতুন খোজ।
কাক চম্ভালিম মই?
নিশাক, অৰ্ণৱক নে নতুনকৈ ডাঙৰ হবলৈ শিকা আস্থাজনীক?
তেওঁৰ ফালে চালো, সেই একেই অস্থিৰ, অসহায় চকুজুৰি। মোৰ ওচৰত বাৰে বাৰে হাৰি যাব খুজা এই মানুহজন কেতিয়া বুজি পাম মই?

: আপুনি কিয় এনেকুৱা? পাগল হৈ যাম মই এনেকে। প্লিজ মোক যাবলৈ দিয়ক।

চকুপানী ৰখাব পৰা নাই মই।
এইবাৰহে তেওঁ বেছি আঘাত হোৱা যেন লাগিল। একো নাইকোৱা। হাতখন এৰি দিছে।
আচৰিত হলো! এবাৰ হাতখনলৈ আৰু এবাৰ তেওঁৰ ফাললৈ চালো।

: যোৱা।
: কি?
: Yes you can leave after this.

জানিছিলো, চুলিখিনি খুলি দিব। ক্লিপডাল হাতত লৈ আঁতৰি গল তেওঁ।
উভটি খোজ ললো ৰুমলৈ বুলি।
ভাল লগা নাই আজি একোৱেই।
গেটৰ সন্মুখ পায় এবাৰ ঘূৰি চালো। নাই। তেওঁ গুচি গল।

: ইমান দেৰি কত আছিলি?
: এইখিনিতে আছিলো।
: অৰ্ণৱ দাই কিবা কলে?
: নাই।
: কেলে কান্দিছিলি তেনেহলে?
: চকুত কিবা সোমাইছিলে। তই নিজে আগতে কাপোৰ সলা। মই ধূপ জ্বলাই লওঁ।

নিশাৰ প্ৰশ্নৰ একো উত্তৰ নাই মোৰ ওচৰত। বাথৰূমত সোমাই যিমান পাৰো চকুত পানী মাৰিছো। এই চকুপানীবোৰ কেতিয়া শুকাব নেজানো। ভৰি হাত ধুই ধূপ এডাল জ্বলালো। মালৈ ফোন কৰিবলৈ সাহস নাই এতিয়া। মোৰ অস্থিৰতাৰ উমান পাবলৈ মাক এক ছেকেণ্ড সময় নালাগে। পঢ়া টেবুলত বহিছো। মন কিন্তু বহা নাই কতো।

: আস্থা, আজিও পঢ়িবি ?
: আৰু কি কৰিম নহলে, তইতো আজিকালি কথাই নাপাত।
: ইয়ালে আহ।

নিশাৰ কথাটো শেষেই নহল, একেজাপে তাইৰ বিচনা পালোগৈ। একেটা গাৰুতে মূৰ থৈ দুইজনী পৰি আছো।

: কি হল ক এতিয়া।

বেচেৰীৰ এতিয়াও মোলৈহে চিন্তা। নিজৰ দুখবোৰ যেন অলপ দেৰিৰ কাৰণে আঁতৰাই ৰাখিছে তাই। অৰ্ণৱৰ লগত হোৱা গোটেইবোৰ কথাই কলো তাইক।

: তই অৰ্ণৱ দাক কিয় ভাল পাৱ আস্থা? মইতো ভাবিছিলো তই অংকুৰক হে accept কৰিবি। মানে সি অলপ তোৰ টাইপৰ ন। অৰ্ণৱ দাৰ complete opposite.
: ময়ো তেনেকৈ ভাবিছিলো আগতে।
: আগতে মানে? এতিয়া নাভাব?
: ওহোঁ। অৰ্ণৱ আৰু অংকুৰৰ তুলনা নহয়।

: Definitely, Arnab da বেছি handsome.
: চেহেৰাৰ কথা কোৱা নাই মই, কেতিয়াবা ধুনিয়া চেহেৰাৰ আঁৰতো বৰ কুৎসিৎ মন এটা লুকাই থাকে। অংকুৰ দেখিবলৈ ভাল নে বেয়া সেয়া মই ভবা নাই কেতিয়াও। কিন্তু সি মোক ভালপাওঁ বুলি কয়, মোৰ নীলা চকুৰ কথা কৈ শ্বায়েৰী লিখি message দিয়ে, মোৰ দীঘল চুলি লৈ কবিতা লিখে। আৰু সেই একেটা অংকুৰে লগৰ লৰাৰ আগত কয় মোৰ পিছত সি এইটো কাৰণে লাগি আছে কাৰণ 'বেহেনজী' টাইপবোৰ সোনকালে ফচে।
: তয়ো শুনিছিলি সেইদিনা কেন্টিনত?
: মই কলা বুলি ভাবিছ নেকি?
: তই বেয়া পাবি বুলি নকলো। পিছত ৰাজী আৰু মই গৈ ঠিকছে বকিলো সেইডালক। ৰাজীয়েটো মাৰিবই লৈছিল, আমাৰ আস্থাৰ কথা বেয়াকে কেলে কবি বুলি। য'চতো এনেও বেছি ন ডাবাংগৰ।

ৰাজীৰ নতুন নাম। LADY DABBANG.

: সেইতো কথাও জানো।
: আচ্ছা, অংকুৰক কিয় বেয়া লাগে সেইতো গম পালো, এতিয়া ক অৰ্ণৱৰ দাক কিয় ভাল লাগে?
: অৰ্ণৱক প্ৰথম প্ৰথম বহুত বেয়া লাগিছিল। ইমান খঙাল মানুহ মই বেয়া পাওঁ। কিন্তু এতিয়া ভাৱোঁ তেওঁ খঙাল হব পাৰে কিন্ত কৃত্ৰিম নহয়। তেওঁৰ কিছুমান কথা মোৰ ভাল লাগে। এই যে

চিৰিটোত উঠি যাওঁতে কোনোবা ছোৱালী আহিলে আঁতৰি দিয়ে, মোক কোনোবাই কলেজত কিবা কব বুলি মোৰ পৰা আঁতৰি থাকে, কানু দাৰ লগত নতুন মবাইলত ফটো উঠাই, বাইদেউৰ অসুবিধা হয় বুলি চিলিণ্ডাৰতো অট খনৰ পৰা নিজে নমাই আনে, … এনেকুৱা আৰু বহুত সৰু সৰু কথা মই ভাল পাওঁ নিশা। মইয়ো জানো মই বহুত গাৱলীয়া, সুজাতাৰ ভাষাত ভেৰ গঞা, তহঁতি জনা বেছিভাগ কথাই নাজানো, কিন্তু তেওঁচোন মোক তেনেকেই ভাল পাইছে। বুৰ্বকৰ নিচিনাকে সেইদিনা যে ছিগা চেণ্ডেল যোৰ হাতত লৈ খালী ভৰিৰে আহি আছিলো, মোক দেখি তেওঁ লাজ পোৱা বা আচৰিত হোৱাৰ দৰে নালাগিলচোন।

: বাহ্ পোৱালি ইমান ডাঙৰ ডাঙৰ কথা কৈছ যে আজি। আৰু কি কি ভাল লাগে ক না।
: আৰু বহুত কিবাকিবি ভাল লাগে মোৰ। কিন্ত বেয়া লগা তাতোকৈ বেছি।
: তেতিয়াহলে কৈ দে অৰ্ণৱ দাক।
: মই কিয় কম? তেওঁচোন তেনেকুৱা একো কোৱা নাই এতিয়াও।
: তহঁতি দুইটা এনেকেই বুঢ়া হবি, মৰিবিও চাগে।
: আস্থা। এইফালে আহ।

প্ৰিয়ংকা বাৰ মাত শুনি উঠি গলো।

: অথনি তেনেকে সোধা কাৰণে বেয়া পালি নেকি?
: নহয় মানে..

: চা, আমি ভাবিছিলো যে নিশাৰ লগত এতিয়া আমি কোনোবা ডাঙৰ এজনী থাকিলে ভাল হব, অলপ দিন তেতিয়া তই আমাৰ ৰুমত থাকিলিহেঁতেন। কিন্তু তই পাৰিবি তাইক চম্ভালিব। আমাৰ পোৱালি জেং ন। বল এতিয়া ভাত খাবলৈ। মাতি দে সবকে।

মনটো বেয়া লাগি গল। বাক এনেই ভূল বুজিলো। খঙত ভূল শুদ্ধ বিচাৰ কৰাৰ ক্ষমতা হেৰাই যায়। তেওঁৰ লগতো চাগে সেয়াই হল। ফোন কৰি কম, নহয় সুধিম। হয়তো বহুতো কথা পাতিম আজি!

... আগলৈ

খণ্ড ১৫

বিচনাত পৰি হেজাৰবাৰ ভাবিছো তেওঁক ফোন কৰিম নে নকৰিম। নিশাৰ আগত যিমানেই সাহসী নেদেখুৱাও কিয় তেওঁৰ আগত মুখ খুলি কথা কব নোৱাৰোঁ মই ।হয়তো কেতিয়াও নোৱাৰিম। বাৰে বাৰে হাৰি যাও সেই মায়া সনা চকুজুৰিৰ মাজত। কিন্তু তেওঁক কৰা আঘাতে মোকো শান্তিৰে থাকিবলৈ দিয়া নাই। মোৰ শব্দই কাৰোবাক আঘাত কৰিছে, তাকো মোৰ প্ৰিয় মানুহজনক। ফোনটো উলিয়াই নম্বৰটো ডায়েল কৰিলো। কিন্তু এবাৰ ৰিং হওঁতেই কাটি দিলো ।গাৰুৰ তললৈ সুমুৱাই দিছো মোবাইলটো। কি কম তেওঁক? আগ পিছ একো নভবাকৈ

ফোন কিয় লগাইছিলো। নিজৰ মূৰতে নিজে মাৰিছো। সঁচাই পাগল মই। কিন্তু মিছ্‌দ কল দেখি যদি ফোন কৰে? কি বুলি কম। নাই বহুত দেৰিলৈকে নাই অহা ফোন। নকৰে চাগে। বাৰটাই বাজিব হল। ইকাটি সিকাটি কৰি পৰি আছো। টোপনি অহা নাই।

ফোনৰ ভাইব্ৰেশ্বনৰ শব্দত সাৰ পালো, সময় চাইছোঁ, দুটা বাজিছে।
অৰ্ণৱৰ ফোন।

: আস্থা…

আস্। বাৰে বাৰে প্ৰেমত পৰো এইষাৰি মাতৰ।

: হমম্।
: সঁচাকে বহুত বেয়া পোৱা মোক?

তেওঁৰ কথাবোৰ আন দিনাৰ দৰে নহয়, খং অভিমান একোৱেই নাই, আছে মাত্ৰ আকুলতা। মোক হেৰুৱাই পেলোৱাৰ ভয়।

: Please tell it was a lie. Please. I beg you, I can’t live like this Astha.
: কিয় মোক কোনেও ভাল পাব নোৱাৰে? Don’t I deserve happiness at least for once? I am tired Astha.. Help.. Me.. Please.. I.. I
: আপুনি ঠিকে আছেতো? কি হৈছে আপোনাৰ?
: …….

: অৰ্ণৱ… কি হৈছে আপোনাৰ?
: …

মোৰ চিঞৰ শুনি নিশাও সাৰ পালে, চকুকেইটা মোহাৰি মোহাৰি ওচৰ পালেহি।
অৰ্ণৱৰ একো উত্তৰ নাই, ফোনটো দুইখন হাতেৰে খামুচি ধৰিছো। ভীষণ ভয় লাগিছে। কিবা অঘটন ঘটা নাইতো।

: আস্থা, মই উৎপল, অৰ্ণৱ ঠিকে আছে, তুমি শুই যোৱা, মই চাম তাক, চিন্তা নকৰিবা।
: কি হৈছে তেওঁৰ?
: তুমি নিশাক দিয়াচোন।

ফোনটো নিশাক দি দিলো। কি পাতিছে নাজানো, নিশাৰ মুখখন দেখি কিন্তু মোৰেই ভয় লাগিছে!

: কি কলে?
: ড্ৰিংক কৰিছে বহুত বেছি, ঠিক হৈ যাব, তই শু।
: কিবা লুকুৱাইছ মোৰপৰা?
: নাই, শুই থাক।

গোটেই ৰাতি টোপনি নাহিল। কিবা যেন বেছি দীঘলীয়া হৈছে ৰাতিটো, ৰাতিপুৱা এবাৰ তেওঁক দেখা পালেহে শান্তি পাম মই। সোনকালেই উঠিলো। গা ধুই ওলাই আহি দেখোঁ, নিশা তেতিয়াও বিচনাতে ।

: তই নাযাৱ?
: নাযাও।
: কিন্তু কিয়?
: প্লিজ আস্থা, মোৰ কাৰণে ইমান ইজি নহয় সবকে ফেচ কৰাটো।

জোৰ নকৰো, তাই কষ্ট পাব মনত।
বেগটো সামৰি ওলাই আহিলো। টিনা আৰু ৰাজী ৰৈয়ে আছিল।
ৰাতিপুৱা ঠাণ্ডা পৰিছে এইকেইদিন, তাতে ৭:৩০ ৰ ক্লাছ।
দীঘলীয়া বন্ধৰ পিছত অহাৰ বাবেই চাগে কলেজৰ পৰিবেশটো অলপ বেলেগ বেলেগ লাগিছে। বহুত এতিয়াও ঘৰৰ পৰা অহাই নাই, অলপ নিজান সেইবাবে কেম্পাছটো। কলেজৰ ভিতৰত সোমোৱাৰ পৰাই চকুকেইটাই কেৱল তেওঁকেই বিচাৰি আছো, কিন্তু কতো দেখা নাই। ক্লাছতো মন নাই বহা। বহি আছো মাত্ৰ।
বাৰে বাৰে চাইছো খিৰিকিৰে, কিজানিবা দেখা পাওঁ।
লাঞ্চ ব্ৰেকৰ আগৰ ক্লাছটো কেন্ছেল হল। ছাৰ নাই।
বেগটো লৈ হোষ্টেললৈ বুলি ওলালো, কিন্তু টিনা আৰু ৰাজী নাযায় এতিয়া, আড্ডা মাৰিব কেন্টিনত। নিশা অকলে অকলে হোষ্টেলত আছে, মোৰ তাইৰ ওচৰলৈ যাবলৈ হে মন গল।
অকলেই ওলাই আহিলো।
চিৰিকেইটা নামি আহোঁতেই তেওঁৰ সৈতে ভেটা ভেটি হল, মূৰ তুলি চালো, চকুকেইটা ৰঙা, চুলিখিনি অলপ খেলিমেলি হৈ আছে, বগা টি-ছাৰ্টৰ ওপৰত কলা হুদী এটা পিন্ধি আহিছে।

মোক দেখি থমকি ৰল। ইফালে সিফালে চালে, ওচৰত কাকো নেদেখি অলপ ওচৰ চাপি অহিল।

: Meet me after 5 minutes, wait near the auditorium.

ধক্।
লগ কৰিম? তেওঁক? অকলে?
যিমান পাৰো খৰ খোজেৰে হোষ্টেলৰ ফালে বাট লৈছো, নিশাৰ ওচৰ পালেই যেন বাছি যাম। অডিটৰিয়ামৰ ওচৰ পায় ঘূৰি চালো, তেওঁ নাই পোৱাহি তেতিয়াও। হোষ্টেল পালেগৈ ৰক্ষা পৰিম। খোজকেইটা আৰু খৰ কৰিলো। কিন্তু কৰপৰা জানো উৰি অহাদি আহিল।

: Dont act so smart Miss Astha Baruah.
ৰৈ গলো।
: বহা।
: ইয়াত?

পিছফালৰ চিটটো দেখুৱাই সুধিলো।

: নহলে কি তুমি চলাবা? I don’t mind though.

লাজ পালো। কথাত হৰুৱাব কেতিয়াও নোৱাৰোঁ।

: কোনোবাই দেখিব।
: I don’t care.
: কিন্তু মই কৰোঁ।
: নিজে বহিবা নে মই বহাই দিম?

তেওঁ কৰিব নোৱাৰিব বুলি নাভাবো, চুপ চাপ বহিলো। তেওঁ আৰু মোৰ মাজত বেগটো থৈ লৈছো। সেইটোতে খামোছ মাৰি ধৰি আছো। কেম্পাছৰ ভিতৰৰ পৰা ওলাই আহিলো। টাউনৰ ফালে যোৱা ৰাস্তাটোৰে নগৈ তেওঁ ওলোটা ফালেহে গৈছে। সেইফালে আমি কেতিয়াবা খোজ কাঢ়িবলৈ যাঁও। কেলিফৰ্ণিয়া পাৰ হৈ অলপ দূৰ গলে এখন সৰু চাহৰ বাগান,নীলবাৰী চাহ বাগিচা, তাৰ অলপ আগত আকাশবাণী কেন্দ্ৰটো। সকলোবোৰ পাৰ হৈ আহিলো, কলৈ নিছে মোক। অলপ ভয়ো লাগিছে। নিজান ৰাস্তাটো, দুপৰীয়া সময় মানুহৰ আহ-যাহ সেৰেঙা, দূৰলৈকে কাৰো ঘৰ বা দোকান একো নাই। বাইকখন ৰখাই দিলে।

: নামা?

নামিলো, পিছফালে ৰৈ আছো।

: What did you say yesterday?

একো নাইকোৱা, ৰৈ আছো মনে মনে।
বাওঁহাতখনেৰে হঠাৎ টানি লৈ আনিলে মোক তেওঁৰ সন্মুখলৈ। ধৰি আছে এতিয়াও হাতখন।

: Do you really hate me Astha?

তেওঁৰ ফালে চালো, অসহায় চকুযুৰি। বহুত কিবাকিবি কব খুজিছে।

: …
: কি কৰি আছা এইবিলাক মোৰ লগত?
: ….
: Answer me damn it.

জিকাৰ খাই উঠিলো।
ইমান সোনকালে কিয় খং উঠে এই মানুহজনৰ?
আগতে যেতিয়া প্ৰেমৰ উপন্যাস পঢ়ো, বা চিনেমা চাওঁ, তেতিয়া নায়কে নায়িকাক প্ৰেমৰ প্ৰস্তাৱ কি সুন্দৰ কৈ দিয়ে, মোৰ ভাগ্য্যত এয়াহে আছিল!!!!!!

: আস্থা! ইয়ালৈ অনা বাবে মোক বেয়া নাপাবা। I really can’t speak with many people around. And Restaurant and parks are not for me. I like calm places, like this. I hope you don’t mind?
: ওহোঁ ।
: ভয় লাগে মোক কিবা কবলৈ?
: হমম।
: কিয়? মই ইমান বেয়া?
: নহয়।
: মই ওচৰলৈ আহিলে বেয়া নোপোৱা?
: নাপাওঁ।
: What? Really.

লাজতে মৰি যাম নিচিনা লাগিলে। কি ওলালে মুখত। ওঁঠটো কামুৰি ধৰিলো, গালখন পুৰিছে আকৌ।

: I want to tell you something Astha, about my past life.

তেওঁ কিবা কবলৈ লওঁতেই নিশাৰ ফোন আহিল। অলপ আগবাঢ়ি গৈ ফোনটো কাণত লগাই কথা পাতিবলৈ লওঁতেই পিছফালৰ পৰা কোনোবাই জোৰত মোবাইলটো টানি লৈ গল। আজুৰি নিওঁতে কানফুলিডালো ছিঙি নিলে। হৰহৰাই তেজ বৈছে। খঙত একো নাই হৈ পিছে পিছে খেদি গল তেওঁ । অলপ দূৰত গৈ আগভেটি ধৰিলে। বেছি ডাঙৰ লৰা নহয়। দূৰৰপৰা দেখিছো, তেওঁ কলাৰটোত ধৰি চোঁচৰাই আনিছে এটাক, পিছত বহি যোৱাটো দৌৰি পলাইছে। লৰাটোৱে হাতযোৰ কৰিছে, কাণত ধৰিছে, মোবাইলটোও ঘূৰাই দিলে। ফোনটো লৈ তেওঁ তাক এৰি দিলে। মোৰ ওচৰ পালেহি। চুৰ্ণীখনেৰে কাণখন ঢাকি আছো, গোটেইখনতে তেজ লাগিলে।

: বহুত দুখ পালা?
: ইয়াৰপৰা যাওঁ।
: I am really sorry. মোৰ কাৰণেই হল সব। ডক্টৰৰ ওচৰত যাব লাগিব। মোৰ লগত যাবা?
: হমম।
: বহাঁ।

বাইক খনত উঠিবলৈ লৈছিলোহে, হঠাতে কৰপৰা জানো এজাক মানুহ প্ৰায় দৌৰি অহা নিচিনাকে আহিছে। কেইজনমানৰ হাতত লাঠি। একো ধৰিবই নোৱাৰিলো। কোনো

ধৰণৰ সোধ-পোছ নকৰাকৈ দুজনমানে অৰ্ণৱক বাইকৰ পৰা নমাই আনি মাৰিবলৈ আৰম্ভ কৰিলে।

: আমি নিজে দেখিছো, ইহঁতে লাজ লগা কাম কৰি আছিল, আমি ইয়াত এইবোৰ নচলিব বুলি কওঁতে আমাকে মাৰিছে।

মোবাইল চুৰ কৰিব খুজা লৰাটো, অৰ্ণৱে এৰি দিয়াৰ পিছত সি মানুহ কিছুমান মাতি আনিলেগৈ। কুটিল হাঁহি এটাৰে মোৰ ফালে চাই আছে। চিঁঞৰি চিঁঞৰি কৈছো আমি একো বেয়া কাম কৰা নাই, কিন্তু কাৰো মোৰ কথা শুনিবলৈ সময় নাই। ইজনৰ পিছত সিজনে প্ৰহাৰ কৰিছে অৰ্ণৱৰ ওপৰত। তেজেৰে লুতুৰি পুতুৰি। বাইকখন ভাঙি ছিঙি চুৰমাৰ কৰি দিলে। মোৰ ফোন, তেওঁৰ ফোন সকলো কাঢ়ি ললে। অকথ্য গালি গালাজ।
কাহানিও নুশুনা কিছুমান শব্দ।
কেতিয়া বুজিব এইখন সমাজে প্ৰেম মানেই যৌনতা নহয়, এহাল ডেকা গাভৰু অকলে কেৱল শাৰীৰিক আহ্বানৰ বাবে নাথাকে।
হায় সমাজ!
ইয়াত ৰাস্তাত কোনোবাই গুপ্তাংগ উলিয়াই মূত্ৰ ত্যাগ কৰিলে কোনেও লাজ নাপায়।
কিন্তু এহাল প্ৰেমিক প্ৰেমিকা হাতত ধৰি খোজকাঢ়ি গলে সমাজৰ নাক কাট খায়।
অদ্‌ভূত সমাজ, নিৰ্লজ্জ সময়।
বাৰে বাৰে ভাবিছো ভগৱানক, তেওঁক বচাই ৰাখা নমো।

হুলস্থুল শুনি অলপ ডাঙৰ মানুহ কেইজনমান ওলাই আহিল। তাৰে কেইজনমান ভাল মানুহো আছিল। বহুত তৰ্ক বিতৰ্কৰ পিছত উগ্ৰ সমাজ সংস্কাৰক কেইজন অলপ শান্ত হল। কোনোবাই পানী আনি দিছে, তেওঁৰ মূৰটো কোলাত লৈ কান্দিছো মাত্ৰ, তেওঁৰ শৰীৰৰ তেজেৰে তিতি গৈছে মোৰ শৰীৰ।

কি হৈ গল???

বুকুত সাৱটি ধৰিছো মোৰ প্ৰিয় মানুহজনক। ইমান নিষ্ঠুৰ নিয়তি?

হঠাৎ বাগৰি পৰিল কোলাৰপৰা।

উশাহৰ শব্দ নাই।

:অৰ্ণৱ!!!!!!!!

উশাহৰ শব্দ নাই।

: অৰ্ণৱ!!!!!!!!

পাগলৰ দৰে চিঞৰিছো,জোকাৰি দিছো গাৰ সমস্ত শক্তিৰে, কিন্তু অৰ্ণৱ নিথৰ ।কোনোবাই এম্বুলেঞ্চ মাতিছে, কোনোবাই পুলিচ। কলেজত কোনে খবৰ দিলে নাজানো। হিলদল ভাঙি আহিছে সকলো, লৰা-ছোৱালী কোনো বাকী নাই চাগে। উৎপল দাই তেওঁৰ বুকুখন বাৰে বাৰে হেঁচি দিছে, নাই, উশাহ লোৱা নাই। আৰু চাব নোৱাৰোঁ। বা কেইগৰাকীমান মোৰ ওচৰত বৈ আছে। সবৰ চকুত পানী।

: উঠাই দে, উঠা।

এম্বুলেঞ্চ আহি পালে, তেওঁক ধৰি উঠাই দিয়া হল। লগত উৎপল দা আৰু তেওঁৰ লগৰ দুজন।

: মইয়ো যাম উৎপল দা।
: তুমি নালাগে, আমি আছো ।

দৰজাখন মাৰি দিলে, নাৰ্চগৰাকীয়ে অক্সিজেন মাস্ক পিন্ধাই দিছে তেওঁক।
এম্বুলেঞ্চৰ পিছে পিছে বাইক লৈ বহুকেইজন চিনিয়ৰ।
কোনোবাই অট' এখন মাতি আনিলে, নিশা আৰু সমীক্ষা বায়ে ধৰি নি মোক উঠাই দিছে। মই মাত্ৰ এৰি দিছোঁ নিজকে।
অসুস্থ হৃদয়, বাকৰুদ্ধ সময়।
নিঃশেষ হবলৈ যেন একোৱেই বাকী নাই।
বুকুৰ ভিতৰত ৰু-ৰুৱাই জ্বলিছে প্ৰথম ভালপোৱাৰ চিতাখন।
তেওঁৰ হাতৰ পৰশত ৰঙা পৰা গাল দুখনত শুকান চকুপানীৰ চেঁকুৰ।
কাণত এতিয়াও বাজি আছে সেই আৰ্তনাদ।
অৰ্ণৱ!!!!!!!
আপুনি মোৰ 'প্ৰিয়' বুলি কোৱাই নহল।
অট'ৰ পৰা নামি কেনেকৈ ৰুম পালো কব নোৱাৰোঁ। বহুত কেইগৰাকী চিনিয়ৰ বা আহি মোক কিবাকিবি বুজাইছে, মূৰত একো সোমোৱা নাই। নিশাই সলাবলৈ কাপোৰ উলিয়াই দিছে। গোটেই গাতে তেজৰ দাগ। শিলৰ মূৰ্তিটোৰ দৰে বিচনাখনতে

বহি আছো। আগতে বৰশীত উঠোৱা মাছটো দেখিও কান্দোঁ, দুখ পাইছে বুলি পানীৰে ধুৱাই আকৌ এৰি দিওঁ, আজি মোৰ প্ৰিয় মানুহজনক এনেকৈ কষ্ট দিয়া হল, আৰু মই একোৱেই কৰিব নোৱাৰিলো। সেই দৃশ্য দেখাৰ আগতেই যদি মোৰ মৃত্যু ঘটিলহেঁতেন।

: উঠ আস্থা, এনেকে কিমান দেৰি থাকিবি?
: মোক এনেকৈয়ে থাকিবলৈ দে নিশা।
: অৰ্ণৱ দা ঠিক হৈ যাব। তই এনেকুৱা নকৰিবি প্লিজ।

নিশাই মোক ধৰি হুকহুকাই কান্দিছে, মোৰহে কান্দিবলৈ শক্তি বাকী নাই। ৰৈ আছো মাথোঁ উৎপল দাৰ এটা ফোনলৈ। সন্ধিয়ালৈকে তেওঁৰ একো খবৰ নাই, বাৰে বাৰে ফোন কৰিছো উৎপলদাৰ নম্বৰত। উত্তৰ নাই।

: আস্থা, বাইদেউ আহিছে, মাতি দিওঁনে ভিতৰলৈকে?
: হমম।

উধাতু খাই আহিছে বাইদেউ।

: মই অলপ আগতেহে গম পালো কথাবোৰ, কি যে হৈ গল। মাৰ পিট কৰা কেইটামানক গাঁৱৰ মানুহে ধৰি আনিছে এতিয়া। এটাও এইখন গাৱঁৰ নহয় হেৰৌ। কৰ ভগনীয়া নাজানো। আজি কেইদিনমানৰ পৰা ঘূৰি ফুৰিছে, কেইবাঘৰতো চুৰ হৈছে, কেঁচুৱা ছোৱালী পৰা বুঢ়ীলৈকে কাকো নেৰে। ৰাস্তাত

ওলাবলৈকে চিন্তা। মই আগেয়ে জনা হলে যাবলৈ মানা কৰিলোহেঁতেন। দিন কাল বৰ বেয়া হৈছে অ’। পদে পদে ভয়।

বাইদেউ মোৰ ওচৰতে বহি কথাবোৰ কৈ গৈছে, কিন্তু হৈ যোৱা ঘটনাটোৱে আমাক কি কৰি থৈ গল সেইয়া মই কেনেকৈ বুজাম।

: অৰ্ণৱৰ ভাল হব দেই, আজি গাঁৱৰ নামঘৰত ভাওনা। মই ভালকে সেৱা লম। গোটেই ৰাইজে আশীৰ্বাদ কৰিব হেৰৌ,সৱ ভাল হব দেই। সি বৰ ভাল লৰা, কোনোদিন কাৰো লগতে কাজিয়া পেছাল নকৰে। আঁতৰি আঁতৰি থকাই দেখো। তুমি অহাৰ পাছত হে অকণ হাঁহিছিল, তাতো নজৰ লাগিল। কিন্তু ভগৱান আছে তুমি এনেকে কন্দা-কটা কৰি নেথাকিবা। অলপ সময় বহি গুচি গল বাইদেউ। লাহেকৈ উঠি গৈ কাপোৰ কানি সলাই ভগৱানৰ ওচৰত ধূপ জ্বলাই বহি আছো, এটা ফোনে হয়তো সলনি কৰি দিব সকলোবোৰ।

: আস্থা, আস্থা…

নিশাৰ চিঞৰত উচপ খাই উঠিলো।

: অৰ্ণৱ দাৰ হুঁচ আহিছে, সৌৰভ দা এইমাত্ৰ হস্পিতালৰ পৰাই আহিছে। কিন্তু ডিব্ৰুগড় লৈ যাব এতিয়া, internal injury আছে। But he is out of danger. Oh god, oh god.

সাৱটি ধৰিছে মোক নিশাই, সকলোৰে মুখবোৰ অকণ হলেও পোঁহৰ হৈছে, টেবুলৰ ওপৰত থকা গণেশৰ মূৰ্তিটো বুকুত হেঁচি

ধৰিছো। এই প্ৰাপ্তিৰ যেন শেষ নহয়। ভালপোৱাৰে সজাম তেওঁৰ নতুন জীৱন। অৰ্ণৱৰ প্ৰেমিকা হৈ জীয়াম বাকী ৰোৱা জীৱনৰ প্ৰতিটো পল অনুপল।
উৎপল দাৰ ফোন।

: আস্থা, আমি ডিব্ৰুগড় আহি আছো, অৰ্ণৱৰ মা ও আহিছে, তুমি চিন্তা নকৰিবা।
: এবাৰ চাবলৈও নাপালো তেওঁক।

এতিয়াহে চকুপানী বোৰ পাৰ ভাঙি বৈ আহিছে।

: সোনকালে ঠিক হৈ আহিবলৈ প্ৰাৰ্থনা কৰা। মই ফোন কৰিম যেতিয়াই পাৰোঁ।

বাৰে বাৰে সেৱা কৰিছো ভগবানৰ ওচৰত, বহুত মন আছিল এবাৰ তেওঁক চোৱাৰ, কিন্তু এতিয়া সেইয়া সম্ভৱ নহয়। দূৰৰ পৰাই প্ৰাৰ্থনা কৰিম।
গোটেই কেম্পাছ আজি অন্ধকাৰ। কতো এটাও লাইট জ্বলা নাই। গোটেইকেইটা হোষ্টেলৰ সন্মুখত মম জ্বলাই থৈছে। সদায় মুখৰ হৈ থকা সন্ধিয়া সময়খিনিও আজি নিতাল, নিস্তব্ধ। এয়াই আমাৰ JEC। এজনৰ দুখত সকলো দুখী। এই মানুহবোৰ মোৰ আপোন। এওঁলোকৰ প্ৰাৰ্থনাই জীয়াই তুলিছে মোৰ অৰ্ণৱক। চিৰজীৱন কৃতজ্ঞ হৈ ৰম।

: আস্থা, তোৰ ঘৰত গম পালে কি কৰিবি?

নিশাৰ কথাত থতমত খালো। গম পালে মানে? মই নিজেই কম মাক, সকলোবোৰ।
মালৈ ফোন কৰিলো, এই সময়ত মাৰ বাহিৰে কাৰো ওচৰতে শান্তি নাপাওঁ। মোৰ সকলো সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ বিষয়ে জনাৰ অধিকাৰ আছে তেওঁৰ। মোৰ সাহস, মোৰ শক্তি, মোৰ আটাইতকৈ ভাল বন্ধু, মোৰ মা।

: মা।
: কি হল জীও? গা বেয়া নেকি তোৰ?
: কাইলৈ আহিব পাৰিবা নেকি মোৰ ওচৰলৈ?
: উৰা, কালি গৈছিলিহে, ঘৰলৈ মনত পৰিছে বেছিকৈ?
: হমম।
: জীও, বেলেগ কিবা কথা আছে?
: উমম।
: ফোনত কব নোৱাৰি?
: ওহোঁ।
: দেওবাৰে গলে হব? দেউতাৰো বন্ধ সেইদিনা। দুইজনেই আহিম বাৰু দেই।
: হব।
: কি কথা সেইটো বাৰু পিছত জানিম, কিন্তু জীও এইটো বয়সত কেতিয়াবা কিছুমান কথা বন্ধুৰ লগতো আলোচনা কৰি সমাধা কৰিব পাৰি। এতিয়া ডাঙৰ হৈছ, কথাবোৰ প্ৰথমতে নিজৰ মনেৰে ভাবি চাবি, যদি তই কৰা কামে কাকো অনিষ্ট নকৰে,

আঘাত নকৰে, অপমান নকৰে, তেন্তে সেই কাম কেতিয়াও ভুল হব নোৱাৰে।

সকলো ঠিক হব এতিয়াৰপৰা, খুলি কম মনৰ কথা। কাকো আঘাত নকৰাকৈ, কাকো অপমান নকৰাকৈ, কেৱল মৰমেৰে সজাম মোৰ প্ৰিয় মানুহবোৰৰ জীৱন।
আপুনি সোনকালে ঘুৰি আহক অৰ্ণৱ।
পুনৰ ঘূৰি আহিব 'আমাৰ সময়'।
ভাল লগা, মিঠা মিঠা।

১ম খণ্ডৰ সমাপ্ত

২য় অধ্যায়

খণ্ড ১

তিনিদিন ধৰি তেওঁৰ খবৰ উৎপল দাৰ পৰাই লৈ আছো। অলপ দেৰি ফোন নাহিলেই মনত কিবা কিবি ভাব আহিবলৈ লৈছে। আজি ৰাতিপুৱাৰপৰা কেইবাবাৰো ফোন কৰিছো কিন্তু উঠোৱা নাই।

: নিশা, তই কৰি চা না এবাৰ। কিজানি উঠায়।
: আস্থা, তই বেছি নাৰ্ভাছ হৈছ। উৎপল দা কি কামত বা দৌৰি আছে। অলপ পাছত নিজেই কৰিব চাবি।

দহমিনিটমান ৰৈ আকৌ ফোন লগালো।

: আস্থা, ছৰি ডাক্তৰৰ লগত অলপ কথা পাতি আছিলো।
: তেওঁ ঠিকে আছেনে?
: আগতে দুখ পোৱা হাতখন লৈ অলপ প্ৰব্লেম হৈছে। অপাৰেচন critical হব। বাকী বিলাক সিমান মেজৰ নহয়। MRI ৰিপোৰ্ট নৰ্মেল যেতিয়া চিন্তাৰ কাৰণ নাই। muscle ফাটি internal bleeding হৈছে, কিন্তু হাড় ভগা নাই।
: কাইলৈ মই আৰু নিশা যাব পাৰিম নে?
: Actually,আন্টিয়ে তাক কাইলৈ কলকাতা লৈ যাব। ফৰ্টিজ হস্পিটেলত অৰ্ণৱৰ মামা আছে, তালৈ নিয়াৰ কথা চলি আছে।
: কিয়? কিবা বেছি ডাঙৰ কথা আছে?
: তেনেকুৱা একো হোৱা নাই, তুমি বেছিকৈ ভাবিছা। ইয়াতো ঠিক হৈ গলহেঁতেন, কিন্তু আন্টিৰ সম্পৰ্কীয় ককায়েক আছে, বহুত ভাল ডাক্তৰ, সেইকাৰণে লৈ যাব খুজিছে।

তাৰমানে তেওঁক চোৱাৰ সুযোগ আৰু বহুত দিনলৈ নাপাওঁ। মনতে ভাবি আছিলো, আজি মাৰ লগত কথা পাতি কাইলৈ তেওঁক এবাৰ চাই আহিমগৈ, এইকেইদিন কেনেকৈ আছো সেয়া কেৱল মইহে জানো। প্ৰিয়জনৰ অনুপস্থিতিতহে বুজা যায় হেঁপাহবোৰ কিমান গভীৰ। তেওঁ যেতিয়া কাষত আছিল তেতিয়া

ভয়, লাজ আৰু অভিমানৰ আঁৰ লৈ পলাই ফুৰিছিলো। কিন্তু সেই একেজনে মানুহকে যেতিয়া হেৰুৱাই পেলোৱাৰ উপক্ৰম হল, তেতিয়া বুজি উঠিলো তেওঁ অবিহনে সকলোবোৰ কিমান কঠিন, এটা এটা দিন কিমান কষ্টেৰে পাৰ হৈছে সেয়া বুজাব নোৱাৰিম। ভিৰৰ মাজত অকলশৰীয়া হৈ পৰিছো।

: আস্থা, তোৰ ভিজিটৰ আছে।

মা দেউতা আহি পালেহি। দৌৰি ওলাই গলো। মাৰ বুকুত সোমাইহে উশাহ ঘুৰাই পোৱা যেন লাগিছে। দেউতা বাৰন্দাতে বহিল। মাক ৰূমলৈ লৈ আনিলো।

: তোৰ গা বেয়া নি জীও, মুখ খন শুকাই গৈছেচোন, চকু গুৰি ইমান কলা কেলেই? শুৱা নাই হবলা?
: সব কম ৰবা, দেউতাক পানী গিলাছ দি আহোঁ।

ওলাই আহি দেউতাক পানী গিলাছ দিলোহি।

: ইমান লৰালৰিকৈ মাতিলি যে মাজনী, গা-চা বেয়া নেকি তোৰ?
: অলপ বেয়া হৈছিল দেতা, এতিয়া ভাল পাইছো।
: বাৰু মাৰৰ লগত কথা পাত, তাৰ পাছত ওলাই গৈ কিবা এটা খাই আহিম গৈ।নিশাকো লগত লবি। মই তেতিয়ালৈকে এইখনকে পঢ়ো।

দেউতাৰ হাতত সৰু হলেও কিতাপ এখন থাকেই, আজিও প্ৰান্তিক এখন লৈ আহিছে।
মই সোমাই আহোঁতেই নিশা ওলাই আহিল।

: তই মাৰ লগত কথা পাতি ল, মই দেতাৰ ওচৰত আছো।

আমাৰ ঘৰত থকা দিনকেইটাতে নিশাই আংকল আন্টি এৰি ‘মা দেতা’ বুলি মাতিবলৈ ললে।
মাৰ ওচৰ পালোহি।

: কি হল ভালকৈ কচোন জীও, মোৰ ওচৰতে বহ।

মাৰ সন্মুখতে পকাখনতে বহিলো।

: মা, কথাটো শুনি তুমি চাগে মোক বহুত বেয়া পাবা।
: সেইটো মই ভাবিম, তই কি হৈছে ক।
: সেইদিনা যে তুমি মোক আমাৰ কলেজৰ ঘটনাটো পেপাৰত পাই সুধিছিলা কোন বুলি, নামটো যে দিয়া নাছিল, সেই ছোৱালীজনী মই মা।

মাৰ হাতৰ পৰা পানীৰ বটলতো সৰি পৰিল।

: জীও!!!!! এইবোৰ কি কৈছ তই?
:……
: লগত কোন আছিলে??
: …
: অৰ্ণৱ?????

চক্ খাই উঠিলো। মায়ে কেনেকৈ গম পালে!!!!

: হয় নে নহয়???
: হ হয়।
: কিমান দিনৰ পৰা চলি আছে এইবোৰ??

ইমান খঙত কাহানিও দেখা নাছিলো মাক। কবলৈ লোৱা কথাবোৰ বেছিকৈ পেটৰ ভিতৰলৈহে সোমাই গৈছে, ভয় লাগিছে আজি মালৈ। জীৱনত প্ৰথমবাৰ। কিন্তু মাৰ আগতেই যদি কব নোৱাৰোঁ তেন্তে তেওঁক কেনেকৈ কম?

: তুমি ভবাৰ নিচিনা একো হোৱা নাই মা, আগতে মোৰ কথা শুনি লোৱা।

এফালৰ পৰা কৈ গৈছো সকলোবোৰ, বাৰে বাৰে সলনি হৈছে মাৰ মুখৰ ৰং। কিন্তু মই ৰৈ যোৱা নাই, আজি কবই লাগিব সকলোবোৰ, বুকুত বুজা এটা লৈ মই উশাহ লব নোৱাৰোঁ।

: অৰ্ণৱ এতিয়া কত আছে?
: ডিব্ৰুগড়ত।
: ভাল হৈছেনে?
: অলপ, কাইলৈ কলিকতা লৈ নিব।
: কথাবোৰ ইমানদিন লুকুৱাই ৰাখিছিলি কিয় জীও? অৰ্ণৱ আমাৰ ঘৰলৈ যাওঁতেই মই সন্দেহ কৰিছিলো, কিন্তু তোৰ মুখেৰে শুনিবলৈ ৰৈ আছিলো। তই মুখ মেলিলে গৰ্ভ দেখোঁ, এইটো কথা বুজি নাপাম বুলি কেনেকৈ ভাবিলি?

একো কব পৰা নাই, উত্তৰো নাই মোৰ ওচৰত। মায়ে দুখ পাইছে, মোৰ বাবে। বিশ্বাসৰ ভেটিটো খহি নপৰে তো?

: মা মই সঁচাকে একো বেয়া কাম কৰা নাই, তোমাৰ শপত!!
: মই জানো। আৰু এইটো বয়সেই এনেকুৱা। কিন্তু জীও, আমি

এখন সমাজত থাকো, ভাল কি বেয়া কি সেয়া বিচাৰ কৰা কঠিন। এটা সৰু ভুলে সকলোবোৰ খেলিমেলি কৰি দিব পাৰে। তই এতিয়াও বহুত কথা জানিবলৈ বাকী আছে, তোৰ বয়সৰ আন ছোৱালীতকৈ তই বেলেগ জীও, নিজকে আগতে বুজি ল, পঢ়া শুনা আছেই। পাৰিবি সকলোবোৰ সমানে চলাই নিব?
: তুমি লগত থাকিলে পাৰিম।

মাৰ হাতখন খামুচি ধৰিলো, ভালপোৱা মানুহবোৰ আঁতৰি যাব বুলি বেছিকৈ ভয় খাওঁ এতিয়া।

: অলপ সময় দে, কথাবোৰ ইমান সহজ নহয়।
: মা তুমি বেয়া পোৱা যদি মই আৰু কেতিয়াও তেওঁৰ লগত কথা নাপাতো, কিন্তু মা, মই তেওঁক বেয়া পাবও নোৱাৰোঁ।
: বুজি পাইছো মই, তোৰ দেউতাৰকো মই এইটো বয়সতে লগ পাইছিলো কলেজত, কিন্তু আমাৰ দিনবোৰ বেলেগ আছিল। মই তেখেতৰ ব্যক্তিত্বক সন্মান কৰিছিলো, ছাত্ৰনেতা হিচাপে তেওঁৰ কাম ভাল পাইছিলো, কিন্তু ঘৰৰ মানুহক সেইবোৰ বুজোৱা কঠিন আছিল। বিয়া হৈ আহোঁতে দেউতাৰ প্ৰাইভেট স্কুলত এহেজাৰ টকা দৰমহাৰ চাকৰি আছিল। চলিবলৈ কষ্ট হৈছিল কিন্তু আমি সুখী আছিলো।ভাল পাবলৈ সহজ কিন্তু সেই ভালপোৱা জীয়াই ৰখাটো সকলোৰে বাবে সম্ভৱ নহয়। এতিয়াৰ সময় বেলেগ জীও। কিবা এটা পাবলৈ হাবিয়াস সবৰে থাকে, কিন্তু বিশ্বাস বৰ কম। অৰ্ণৱ ভাল বেয়া সেইটো মই নাজানো, কিন্তু তহঁতৰ মাজত বহুত পাৰ্থক্য আছে। ভালদৰে নিজকে সুধি

চা। অৰ্ণৱৰ সোনকালে সুস্হ হৈ উঠক। মইয়ো সেইটোকে বিচাৰো।

: মা, মই জানো তুমি কি কব বিচাৰিছা। কিন্তু প্ৰথমবাৰ কাৰোবাক ভাল লাগিছে, কিয়, কেনেকৈ এইবোৰৰ উত্তৰ মোৰ ওচৰত এতিয়া নাই। কিন্তু তুমি ভবাৰ দৰে মোৰ মনত একো সন্দেহ নাই মা।

মাক অলপ আচৰিত হোৱা যেন লাগিল, কিন্তু মোৰ মনৰ মাজত আজি একোকে নাৰাখো,যি মনলৈ আহিছে, কৈ দিছো।

: জীও, এইখিনিত বহচোন। বেছিকৈ চিন্তা কৰিছ কথাবোৰ। কাৰোবাক ভাল লগাটো অপৰাধ নহয়, মাথোঁ মই বিচাৰোঁ তই খোজবোৰ সাৱধানে দিবি। দেউতাই আঘাত পোৱা কাম নকৰিবি।

মায়ে সামৰি লৈছে বুকুৰ মাজত, কুৰুকি কুৰুকি সোমাইছো। কিমান দেৰি তেনেকৈ আছো নাজানো।

: আস্থা, দেতাই মাতি আছে।

নিজকে অলপ ঠিক কৰি নিশা আৰু মা-দেউতাৰ লগত ওলাই আহিলো, দেউতাই সোধা প্ৰশ্নৰ চমু চমু উত্তৰ দি আছো। মায়ে বাৰে বাৰে কথাবোৰ বুজাবলৈ চেষ্টা কৰিছে। কোনোবাখিনিত নিজকে ভুল যেনো অনুভৱ হৈছে, কিন্তু অৰ্ণৱক মোৰ ভাল লাগে আৰু সেই কথা মই নুই কৰিব নোৱাৰোঁ। সৰু সুৰা বজাৰ কেইটামান কৰি মাহঁত যাবলৈ ওলাল।

: জীও, দেউতাক কথাবোৰ মই কম, তই মাথোঁ এটা কথা মনত ৰাখিবি, তই মনত কষ্ট পালে আমিও পাওঁ। তোৰ সুখ-দুখ সকলোতে তোৰ মা লগত থাকিব। এতিয়া যা। সময়মতে খোৱা বোৱা কৰিবি।

মা দেউতাৰ পৰা বিদাই লৈ হোষ্টেললৈ ঘূৰি আহিছো, বুকুখন বহুত বেছি পাতল লাগিছে আজি, মাৰ কথাকেইটাই সাহস দিছে। ফোনটো তেনেকুৱাতে বাজি উঠিল।

: হেল্ল '
: ..
: উৎপল দা, শুনিছে নাই মোৰ মাতটো, হেল্ল।
: Meet me.. Astha..

অৰ্ণৱ!!!!!!!!!!!!!!!
দুৰ্বল মাতৰ দুটা কথা, তাতো মোক লগ পোৱাৰ হেঁপাহ। কিয় এনেকুৱা এই মানুহজন!!!

: হেল্ল, আপুনি ঠিকে আছেনে? হেল্ল'
: আস্থা, ই বহুত জেদ কৰা কাৰণে ফোনটো দিলো, ডাক্তৰে মানা কৰিছে কথা পাতিবলৈ, বহুত উইক হৈ আছে, পিছত পাতিবা।

এনেকুৱা লাগিছে এতিয়াই গুচি যাম তেওঁৰ ওচৰলৈ, বুকুৰ ভিতৰখন নাই নাই লাগিছে, কিয় এই বান্ধোন, সমাজ, নীতি-নিয়ম??
সন্ধিয়া হবৰ হৈছে, কাইলৈ ৰাতিপুৱা তেওঁ যাবগৈ, কেনেকৈ কি

কৰোঁ মই?
মোক মাফ কৰি দিয়ক অৰ্ণৱ!!!!

: তোৰ জেগাত মই হোৱা হলে কিন্তু গুচি গলো হয় আস্থা, কি ছোৱালী বাৰু তই।
:মই ভয়াতুৰ নিশা, কৰোঁ বুলিয়েই কিবা এটা কৰিব নোৱাৰোঁ মই এতিয়াও।

আৰু কথা বঢ়াবলৈ মন নগল। মই জানো, কেনেকৈ যাম, কিমান সময়ত পামগৈ, ইমান দেৰিকৈ লগ কৰিবলৈ দিবনে নিদিয়ে, সেইবোৰ একো নভবাকৈ নিশাই কথাবোৰ কৈ আছে। কিন্তু মই কিবা এটা কৰাৰ আগতে হেজাৰবাৰ ভাবি চাওঁ, এতিয়াও ভাবিছো। তেওঁ ভাল হৈ ঘূৰি আহক সোনকালে, ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিম।
চাওঁতে চাওঁতে প্ৰায় পোন্ধৰ দিন পাৰ হল, উৎপল দাৰ পৰাই খবৰ লৈছো সদায়, আৰু দুদিন পাছত ঘুৰি আহিব তেওঁ। এইকেইদিন মই কি কৰিছো, ক্লাছ মিছ কৰিছো নেকি, ৰাতিপুৱাৰ ক্লাছলৈ চুৱেটাৰ পিন্ধি গৈছো নে নাই সকলো খবৰ ৰাখিছে তেওঁ। কিন্তু মোলৈ এটাও ফোন কৰা নাই। উৎপল দাৰ আগতে আপত্তি কৰি আছো।
সদায় একেটাই উত্তৰ পাওঁ, অৰ্ণৱে মাকৰ ফোন খুজি কেতিয়াও তোমালৈ ফোন নকৰে। ইফালে পৰীক্ষাৰ সময়ো পাইছেহি, আৰু মাত্ৰ কেইটামান দিন মাজত। তেওঁৰ লগৰবিলাকে যিমান পাৰে সহায় কৰিছে, notes জেৰক্স কৰাৰ পৰা আৰম্ভ কৰি

presenataion লৈকে কত কি কৰিব লাগে সকলোবোৰ। আমাৰো একে সময়তে পৰীক্ষা। মায়ে ফোন কৰিলেই পঢ়াৰ কথা কয় আজিকালি। আগতে কোনোদিনেই মোক পঢ়িবলৈ কব লগা হোৱা নাছিল, কিন্তু মায়ে বুজি পাইছে মোৰ মনৰ ভিতৰখন কিমান বেছি অশান্ত এতিয়া। যিমান পাৰো চেষ্টা কৰিছো নিজকে চম্ভালিবলৈ। দিনে দিনে নিশাৰ আচৰণবোৰো কিবা সলনি হৈছে, পৰীক্ষা দি ইমানদিন বন্ধ থাকিব, কিন্তু তাইৰ ঘৰলৈ যাবলৈ ইচ্ছা নাই, মোৰ লগত যাবলৈও অপাৰগ। বেছিকৈ জোৰ কৰিলে খঙত একো নাই যেন হয়, খোৱা বোৱা নকৰে ভালকে। সঘনে অসুখ হবলৈ লৈছে। অলপ ঠাণ্ডাতে জ্বৰ হয়। ক্লাছলৈ যাবলৈও মন নকৰে। নিজৰ লগতে তাইৰো Assignment কৰিবলগীয়া হৈছে। দিনটো ক্লাছৰ পৰা আহি জিৰাবলৈ সময় নাই। ৰাতি শোৱাৰ সময় তিনি চাৰি বাজিবলৈ ধৰিছে। কেতিয়াবা বৰ বেয়াকৈ হাৰি গৈছো যেনো লাগে। উজুটি খাইছো সকলো ক্ষেত্ৰতে। সকলোবোৰ এৰি থৈ গুচি যাম নিচিনা লাগে। মোৰ সৰু পৃথিৱী খন দিনে দিনে জটিল হৈ আহিছে যেন।

দিনবোৰ যেন বেছি দীঘলীয়া হৈছে এইকেইদিন। কলেজত মন নবহে, কিবা এটা শূন্যতাই আগুৰি ধৰিছে মোক। ভালপোৱা হয়তো এনেকুৱাই।

অৰ্ণৱবিহীন দিনবোৰ বেয়া লাগে, বহুত বেছি বেয়া।

নিশা আজিও নাযায় ক্লাছলৈ। তাইৰ কাৰণে খোৱাৰ ব্যৱস্থা কৰি লৰালৰিকৈ ওলাইছো। দেৰি হৈছে। টিনা আৰু ৰাজী ৰৈ ৰৈ গুচি

গল। ধুই থোৱা কাপোৰখিনিৰ মাজৰ পৰা ৰঙা কুৰ্তাটো উলিয়াই আনিলো। জন্মদিনৰ মিঠা মিঠা স্মৃতি কিছুমানে চুই গল। সেইটোকে পিন্ধিলো, তেওঁক ওচৰত পোৱা যেন লাগিল। দৌৰি যোৱাদি গৈছো। সোমাই গৈয়ে দেখোঁ কলেজত আজি হুলস্থুলীয়া পৰিৱেশ। এটা ডাঙৰ বহুজাতিক কোম্পানী আহিছে campus placement অৰ কাৰণে ।ফাইনেল চেমেষ্টাৰৰ চিনিয়ৰ, শিক্ষক, training and placement cell অৰ মেম্বাৰ, সকলোবোৰ ব্যস্ত। প্ৰথমতে এইবোৰ একো বুজি পোৱা নাছিলো। ইষিতা বায়ে বুজাইছিল কেনেকৈ তেওঁলোকে MNC বিলাকৰ লগত কথা পাতি সকলোবোৰ ব্যৱস্থা কৰে। বহুতৰে চাকৰি পঢ়া শেষ হোৱাৰ আগতেই হৈ যায়। আজিও বহুতৰে ভাগ্য উদয় হব। মনটো সেমেকি গল, অৰ্ণৱ আজি সুস্থ হৈ থকা হলে হয়তো তেওঁৰো জীৱনৰ প্ৰথম চাকৰি আজিয়েই হল হয়। ভাবি ভাবি কেতিয়ানো ক্লাছৰুম পালোগৈ গমেই নাপালো।
মাজতে এটা ক্লাছ নহল, নিশাৰ কাৰণে নোট লিখোঁ বুলি উলিয়াই লৈছো।

: আস্থা।

ঘূৰি চালো, অনুৰাগ। আমাৰ ক্লাছৰ আটাইতকৈ ঠাণ্ডা লৰাটো। সৱৰে লগতে কেতিয়াবা কিবা কথা পতা হয়, কিন্তু অনুৰাগৰ মাতেই নুশুনো। সবৰ কথাবোৰ হাঁহি হাঁহি শুনি থাকে, নিজে একো নকয়। নিশাই তাক বৰফ বুলি মাতে।

: কোৱা।
: তোমাৰ লগত কথা আছিল।
: কি কথা?
: নিশাৰ বেছি গা বেয়া নেকি?
: অলপ জ্বৰ আছে, কিবা কাম আছিল নেকি?
: এইখন দি দিবা তাইক।

কালি ছাৰে দিয়া Assignmentটো ধুনিয়াকৈ লিখি আনিছে, ওপৰত নিশাৰ নাম। আচৰিত হৈ তাৰ ফালে চালো।

: নিশাক নকবা মই দিছো বুলি, প্লিজ।
: কিন্তু…
: প্লিজ।

মনটো ভাল লাগি গল, নিশাৰ কাৰণে মোৰ বাহিৰে আৰু কোনোবাই চিন্তা কৰে। নিশাক কবই লাগিব। ক্লাছ আৰম্ভ হল। ভাইব্ৰেশ্বনত থোৱা ফোনটো বাৰে বাৰে বাজিছে। একেবাৰে সন্মুখৰ বেঞ্চখনতে বহিছো, চাবও নোৱাৰোঁ। এবাৰ ছেগ বুজি উলিয়াই চালো। Unknown number. কেইবাটাও missed call. আকৌ ভৰাই থৈ দিলো। ক্লাছ শেষ হল। টিনা আৰু ৰাজিৰ লগত ওলাই আহিলো।

: অই, মেইন গেটৰ ফালেদি যাম দেই, মোৰ চেম্পু কিনিবলৈ আছে।

টিনাৰ সদায় কিবা এটা থাকেই, আকৌ দীঘল পাক এটা মাৰি যাব লাগিব এতিয়া, উপায় নাই। তিনিওজনী আহি আছো। হঠাতে ৰাজীয়ে মোক জোকাৰি দিলে।

: আস্থা, সৌৱা চা, অৰ্ণৱ দা।

ধক্।
Training and placement cell অৰ বিল্ডিংটোৰ সন্মুখতে উৎপল দাৰ সৈতে কিবা কথা পাতি আছে।
জোৰেৰে কোবাই গল এজাক বতাহে।
একে ঠাইতে ৰৈ গৈছো।
কিমান দিন? কিমান দিন দেখা নাই!!!!
দৌৰি গৈ যেন সামৰি লম তেওঁক, হেৰাব খোজা সপোন এটা ঘূৰি আহিছে।

: যা আকৌ মাত গৈ, মইয়ে চিঞৰি দিম নহলে এতিয়া।

আগবাঢ়ি গলো, প্ৰতিটো খোজতে উশাহৰ শব্দ আৰু বেছি ঘন হৈছে। মোক এতিয়াও দেখা নাই, উৎপল দাই নিজৰ ফোনত তেওঁক কিবা দেখুৱাই আছে। পিছফালে গৈ ৰলো, মুখেৰে মাত নোলায়, নোৱাৰোঁ একো কব।
দিওঁ নিদিওঁ কৈ হাতখন আগবঢ়াই দিলো তেওঁৰ হাতখনৰ ফালে,,,
মোৰ কঁপা কঁপা আঙুলিয়ে লাহেকৈ চুই গল তেওঁৰ আঙুলি কেইটা…
ঘুৰি চালে..

ধুনিয়া চকুজুৰিৰ তলতে এটা চিলাইৰ দাগ।
ঘূৰাই পাইছো মোৰ প্ৰিয় সুগন্ধি,.মোৰ প্ৰিয়. মানুহ...
মোৰ ভালপোৱা... অৰ্ণৱ....।
চকুকেইটা সেমেকা, দুয়ো মৌন।
নালাগে আমাক শব্দৰ কোলাহল।
বুকুয়ে বুকুয়ে শিপাইছে সীমাহীন আবেগৰ ।
মনেৰে সামৰিছো তেওঁক, বুকুৰ মাজত।
ভগা সপোনৰ ৰিক্ত সীমনাত আকৌ বৈছে প্ৰাপ্তিৰ ঢৌ।
লাহেকৈ আঁতৰি গৈছে উৎপল দা। তেওঁ আৰু অলপ কাষ চাপি আহিল।

: Missed me?

আস্। এই মাতষাৰ।

: আপুনি??????
: বিশ্বাস হোৱা নাই???
: ওহোঁ!
: আস্থা!
: এতিয়া যোৱা, this is not the right place to talk, will call you.

দুজন ছাৰ আমাৰ কাষেৰে পাৰ হৈ গল।
আগত কৈ যেন অলপ বেলেগ হৈ ঘূৰি আহিছে অৰ্ণৱ।!!!
অনিচ্ছা স্বত্বেও আঁতৰি আহিছো তেওঁৰ ওচৰৰ পৰা। মন আছিল হেঁপাহ পলুৱাই কথা পতাৰ, বুকু ভৰাই তেওঁৰ সুগন্ধি লোৱাৰ।

নাই তেনেকুৱা একোৱেই নহল।
ৰূমলৈ আহি দেখোঁ নিশা তেতিয়াও বিচনাতে। অৰ্ণৱ ঘূৰি আহিল বুলি কোৱাত একে জাপে উঠিল। মোক গালিও পাৰিলে কিয় তেওঁৰ লগত আৰু অলপ সময় নাথাকিলো বুলি।

: আস্থা, অৰ্ণৱ দা তোৰ কাৰণেই ঘূৰি আহিছে, তোৰ নমোৰ আগত কোৱা কথাবোৰ এইবাৰ অৰ্ণৱ দাকো কৈ দিবি।

ফোনটো হাতত লৈ একে বহাতে বহি আছো, তেওঁৰ ফোনৰ অপেক্ষা মাথোঁ।
ফোনটো বাজি উঠিল।

: আস্থা, মই উৎপলৰ লগত অলপ দেৰি ৰব লাগিব, সি বহুত নাৰ্ভাছ হৈ আছে। Hope you understand.
: বুজি পাইছো।
: I will call you back.

কেৱল উৎপল দাৰ কাষত থাকিবৰ বাবেই গুচি আহিছে তেওঁ, নিজে ইণ্টাৰভিউত বহিব নোৱাৰে। ৰেজিষ্ট্ৰেছনৰ সময়ত তেওঁ নাছিল ইয়াত। হস্পিতালৰ বিচনাত পৰি জীয়াই থকাৰ বাবে যুদ্ধ কৰিছিল। কিন্তু উৎপল দাৰ সফলতা বিফলতা সকলোতে লগত থাকিব বিচাৰে তেওঁ, সেইবাবেই গুচি আহিছে দুদিন আগত। ৰৈ আছে বাহিৰত ইন্টাৰভিউ শেষ হোৱালৈ।
সাতটা মান বজাত হুলস্থুল শুনি সব বাহিৰলৈ ওলাই আহিলো, ইণ্টাৰভিউত বহা প্ৰায় ৮০% ৰে চাকৰি হৈছে। আনন্দৰ উত্সৱ। বয়জ হোষ্টেলত ফটকা ফুটাইছে। চিনিয়ৰ বা হঁতক অভিনন্দন

জনাবলৈ আমিও ওলাই আহিলো। হোষ্টেল নাইনৰ গেটৰ সন্মুখত কম্পিউটাৰ চায়েঞ্চ বিভাগৰ কেইবাজনো চিনিয়ৰ। সকলোৰে মুখত হাঁহি। অভিনন্দন জনাইছো, সুখী হৈছো তেওঁলোকৰ সফলতাত।
অলপ দূৰত বৈ হাঁহি হাঁহি চাই আছে সকলোৰে উদযাপন, অৰ্ণৱ।
তেওঁ এই সুখৰ ভাগ নাপালে।
কিন্তু উৎপল দাৰ বাবে তেওঁ হাঁহি হাঁহি লুকুৱাই ৰাখিছে ভগা সপোনৰ টুকুৰাবোৰ।
ভিৰৰ পৰা আঁতৰি আগবাঢ়ি গলো তেওঁৰ ফালে।

আগলৈ....

খণ্ড ২

ভিৰৰ পৰা আঁতৰি আগবাঢ়ি গলো তেওঁৰ ফালে।
কলা ৰঙৰ জেকেটতোৰ পকেটত হাত ভৰাই বৈ আছে।
এতিয়াহে ভালকৈ চাইছো তেওঁক, বুকু জুৰ পৰি যোৱাকৈ।

শেতাঁ হাঁহি এটা মাৰি মোৰ ফালে চালে। আগতকৈ খীনাইছে,সোঁফালৰ চকুৰ তলৰ চিলাইৰ দাগটো এতিয়াও

সতেজ, থুতৰিৰ তলত আৰু এটা দাগ। মন গৈছিল আলফুলে হাত ফুৰাই দিবলৈ, নোৱাৰিলো।

তেওঁৰ ওচৰত গৈ ৰলো, লৰালৰিকৈ ওলাই যাওঁতে চুৰেটাৰ পিন্ধিবলৈ নহল। কলেজলৈ পিন্ধি যোৱা কাপোৰ এতিয়াও সলোৱা নাই। চুৰ্ণীখনেৰে যিমান পাৰি নিজকে ঢাকি ঠাণ্ডা আঁতৰাবলৈ চেষ্টা কৰিছো। ঠাণ্ডাত কঁপিছো নে তেওঁক ইমান দিনৰ পাছত ইমান ওচৰত পাই কঁপিছো নাজানো। একো কব পৰা নাই, তেওঁ বাইকখনত আউজি ৰৈ আছে আৰু মই ওচৰতে তলমূৰ কৰি।

: Come here.

আৰু অকণ কাষ চাপি গলো।
হঠাতে তেওঁ চুলিখিনি কাণৰ কাষলৈ গুজি দিলে, দুখ পোৱা কাণখন আঙুলিৰে লাহেকৈ চুই দিলে, বুকুখন আকৌ এবাৰ ধক্ কৰি গল।

: এতিয়াও বিষ আছে?

কি আচৰিত মানুহ? নিজৰ লগত কিমান কি ঘটি গল, কিন্তু তেওঁৰ এতিয়াও মোক লৈহে চিন্তা। ময়ো যদি তেওঁৰ দৰে ভাল পাব জানিলোহেঁতেন? মইয়ো যদি তেওঁ দুখ পোৱা ঠাইডোখৰত হাত বুলাই দিব পাৰিলোহেঁতেন!!!!!!

: ওহোঁ ।

দুয়োৰে মনত সেই দিনটোৰ ভয়াৱহ সময়বোৰে দোলা দিলে, ইজনে সিজনক চাই আছো, কব পৰা নাই ধুমুহাজাকে কি কৰি থৈ গল।

: I am really happy for Utpol.

তেওঁ কথাটো সলাবলৈ চেষ্টা কৰিলে।

: হমম, জানো।

মই জানো তেওঁ কেতিয়াও নকয় তেওঁ কি অনুভৱ কৰিছে, কিন্তু মই বুজি পাওঁ। তেওঁৰ দুখ লাগিছে, বহুদিনীয়া সপোন ভাগিছে। চাৰিটা বছৰত এজন ছাত্ৰই কিমান কষ্ট কৰে সেইটো সকলোয়ে বুজিব নোৱাৰে।
বন্ধুৰ বাবে সুখী হৈছে কিন্তু নিজৰ বাবে পুতৌ উপজিছে।

: মই যাওঁ, সবেই…
: Come with me.

কথাটো সম্পূৰ্ণ কৰিবলৈ নাপালো।
হাতখনত ধৰি লৈ গৈছে, ময়ো তেওঁৰ খোজত খোজ মিলাই আগবাঢ়ি গৈছো। হোষ্টেল নাইনৰ পৰা অলপ আগলৈ গৈ সৰু এখন ফিল্ড আছে। ফিল্ডখনৰ ওচৰতে এটা তিনিকোণীয়া বাট, এটা ৰাস্তা হোষ্টেল ৱানৰ ফালে গৈছে, এটা auditorium অৰ ফালে আৰু আনটো হোস্টেল নাইনলৈ। তিনিওটা ৰাস্তা লগ হোৱা ঠাইখিনিতে এজোপা ডাঙৰ গছ। সেইখিনি পাই দুয়ো ৰলো, তেওঁ গছজোপাৰ সিটো ফালে হৈ আউজি ৰল, সন্মুখত

মই।
খুবেই প্ৰয়োজন অলপ “আমাৰ” সময়ৰ।
জিলমিলিয়া জোনৰ পোহৰে ঠাইখিনি যেন কেৱল আমাৰ বাবেই সজাইছে।
যত মাথোঁ মই, অৰ্ণৱ আৰু নিশাৰ নিৰৱতা।
বুকুৰ শব্দই বিচাৰি পাইছে আনজনৰ কলিজাৰ বাট।

: Astha, you have nothing to say??
: …
: এতিয়াও একো নোকোৱা?
: ….
: I was almost dead, Damn it.

আৰু নোৱাৰোঁ মই।
কিমান শুনিম তেওঁ হেৰাই যোৱাৰ কথা!
বুকুখন কঁপি উঠিল।

ভালপোৱা, অভিমান নে ভয় নাজানো….
হাত দুখন আপোনা-আপুনি আগবাঢ়ি গল তেওঁৰ ফালে…
সজোৰে সাৱটি ধৰিলো মোৰ ‘প্ৰিয়’ মানুহজনক.. .
এৰি দিলেই যেন হেৰাই যাব আকৌ…
প্ৰস্তুত নাছিল তেওঁ..
গছজোপাত দুয়োখন হাতেৰে হেঁচা দি যেনেতেনে ৰল..
কিয় বুজি নাপায় কোনেও, সব কথা মই খুলি কব নোৱাৰোঁ, বুকুৰ মাজত ভাৱৰ অলেখ বুৰবুৰণি কিন্তু ওঁঠ দুটাই ফুটাই একোৱেই কব নোৱাৰোঁ।

কুঁচি মুচি সোমালো তেওঁৰ বহল বুকুৰ মাজত..
কাণত বাজিছে তেওঁৰ বুকুৰ ধক্ ধক্।
শেষ হৈ যাওক আজি খং, অভিমান, ভয় সকলোবোৰ..
কেৱল ভালপোৱা থাকক অৰ্ণৱ আৰু আস্থাৰ মাজত....
আস্!!!
মিঠা মিঠা বিষ এটাই কলিজাটো জোকাৰি গল।
শব্দবোৰ হেৰাই গৈছে, কিবা কব খুজিছো, মুখ ফুটি ওলোৱা নাই।
এইবাৰ তেওঁ মেৰিয়াই ধৰিছে মোক সবল দুবাহুৰে।

: I missed you Astha!!!!

হয়তো মোক হেৰুৱাই পেলোৱাৰ ভয়ে তেওঁকো খুলি খুলি খাইছিল, আজিৰ প্ৰাপ্তিয়ে খুলি পেলাইছে সেই খঙাল অৰ্ণৱৰ মুখাখন। মোৰ চুলিত মুখ গুজি কৈ আছে বহুত কিবাকিবি, পোৱা নোপোৱাৰ দোমোজাত কিদৰে পাৰ হৈছিল হস্পিতালৰ প্ৰতিটো দিন। কিদৰে আজিও ৰাতি ৰাতি উচপ খাই উঠে তেওঁ, মোৰ ওচৰৰ পৰা চিৰদিনৰ বাবে গুচি যোৱাৰ ভয়টোয়ে কি কৰি পেলালে তেওঁক, লাহে লাহে আৰু বেছি সবল হৈ আহিছে দুবাহুৰ বান্ধোন, মোৰ উশাহ বন্ধ কৰি দিব পৰাকৈ!...

: হমম.. মই...

তেওঁৰ বুকুৰ মাজৰ পৰা মূৰ তুলি চালো.. জোনৰ পোহৰত তৰাৰ দৰে তিৰবিৰাইছে তেওঁৰ কজলা চকুজুৰি....

: Shhhhh, you don’t have to say anything.

দুয়োখন হাতেৰে মোৰ মুখখন ডাঙি ধৰিলে, তেতিয়াহে গম পালো মই কি কৰি পেলালো।
এৰি দিলো দুবাহুৰ বান্ধোন।
দুখোজ পিছুৱাই আহিলো, কোনোবাই দেখিছে নেকি চালো।
নাই ওচৰত কোনো নাই।

: মই যাঁও।
: No you can’t.
: কিয়?
: Stay with me please. I need you.

কাষতে ৰলো, লাজে ভয়ে হেঁচা মাৰি ধৰিছে, কঁপি আছো, মোৰ সোঁহাতখন খামুচি আছে তেওঁ, একো কোৱা নাই, নালাগে কব, এতিয়া আৰু আমাৰ মাজত ভাষাৰ প্ৰয়োজন নাই।
চৌপাশৰ কোলাহলবোৰেও চুব পৰা নাই আমাক।
বহুত সময় মনে মনে পাৰ হল

: I feel like a loser Astha.
: তেনেকৈ কিয় কৈছে???
: It’s not the end of life I know, I may get a better job tomorrow, but I won’t be having anyone by my side to share my happiness. These smiley faces will be memories by then. I also want to be happy Astha, at least for once I want to know how does it feel.

কিয় এনেকুৱা হয়? কিমান দুখ সাঁচি ৰাখিছে তেওঁ নিজৰ মাজতে, হুমুনিয়াহ হৈ ওলাই আহিছে এই দুৰ্বল মুহূৰ্তত, আবেগিক হৈ পৰিছে সেই খঙাল অৰ্ণৱ।

: মই থাকিম, সদায়।

আৰু বহুত কিবা কিবি কব খুজিছিলো, নোৱাৰিলো।
মনে মনে ভাবিলো মাথোঁ…
আপোনাৰ সপোনো এদিন জীপাল হব,
ভালপোৱাৰে উপচি পৰিব কলা পৰা কলিজাটো
এদিন আপুনিও হাঁহিব, সুখী হব..
হয়তো সিদিনা আপোনাক চাই মইয়ো হাঁহিম
হাঁহিৰ চকুলোৰে দুচকু তিয়াই
মূৰ দোঁৱাম নমোৰ ওচৰত।।।

: আস্থা!

খামুচি থকা হাতখন ঢিলাই দিলে তেওঁ, হয়তো বিশ্বাস কৰিব পৰা নাই কি শুনিলে!

: Say it again… Please.
: মই থাকিম আপোনাৰ লগত, সদায়।

তিৰবিৰাই থকা চকুজুৰি উপচি পৰিছে, সুখৰ চকুলো!
হঠাতে মোক দুবাহুত ধৰি ঘূৰাই দিলে।
এইবাৰ গছত আউজি মই, আৰু মোৰ দুয়োফালে দুখন হাত ৰাখি মোক বন্দী কৰি মোৰ অৰ্ণৱ।

ইমান কিয় ওচৰ চাপি আহিছে?
ধক্।

: So you love me miss Astha Baruah, Say it!!!!!
: হাঁ????
: Just say it.

ইমানবোৰ হৈ গল, কিন্তু সেই অদ্ভূত জেদটো এতিয়াও সলনি হোৱা নাই। পাৰি নেকি সকলোবোৰ খুলি কব, নিজেতো কোৱা নাই মোক ভাল পাওঁ বুলি।

: মই যাওঁ, কোনোবাই দেখিব।
: I don’t give a damn.

খঙটো লাহে লাহে বাঢ়ি আহিছে গম পালো, তেওঁৰ ঘন ঘন উশাহৰ শব্দ মোৰ চুলিত লাগিছে, মৰি যাম এতিয়া মই।

: কি কম?
: Nothing, go.

কি আচৰিত মানুহ????
এজাক লৰা ছোৱালী আমাৰ ফালেই আহি আছে, ঠেলা মাৰি আঁতৰাই দিলো তেওঁক, দৌৰি দৌৰি গুচি আহিছো ৰাজীহঁতৰ ওচৰলৈ, কলিজাটো ওলাই আহিবলৈ বেছি পৰ নাই।

: কত আছিলি তই?
: এইখিনিতে, তই কিয় উঠি আহিলি? গা বেয়া বুলি কৈছিলি চোন।

নিশাৰ আগত ধৰা পৰি যাওঁ বাৰে বাৰে, মোৰ পিছে পিছে আহি থকা অৰ্ণৱক দেখি তাই সকলো বুজি পালে, ৰঙা পৰা গালখন টিপি দিলে, আৰু অকণ ৰঙা পৰি যোৱাকৈ।

: বল ৰূমলৈ, ঠাণ্ডা লাগিলে আৰু বেছি গা বেয়া লাগিব।

নিশাক আৰু একো কবলৈ সুযোগ নিদিলো, অৰ্ণৱৰ আশে পাশে থকাৰ সাহস আৰু নাই, সোনকালে আঁতৰি যাব পাৰিলেই হল। উৎপল দাক দুয়োজনীয়ে আকৌ এবাৰ শুভেচ্ছা জনালো, নিশাই অলপ সময় অৰ্ণৱৰ লগতো কিবাকিবি কথা পাতিলে, মই কিন্তু তেওঁৰ ফালে চাবও পৰা নাই।

: এইটো পিন্ধি লোৱা মাইনা, ৱাহ ৱাহ ক্যা প্যাৰ হে!!!!

জেকেটটো খুলি দি পঠাইছে, কি নো কৰি থাকে মানে, মই যে লাজ পাওঁ সেইবোৰ ভাবি নাচায়। নিশাৰ হাতৰ পৰা সেইতো লৈ গাত মেৰিয়াই ললো। তেওঁৰ সুগন্ধিয়ে আকৌ এবাৰ আৱৰি ধৰিলে, মিঠা মিঠা, ভাল লগা।
ঘূৰি চালো, দুখৰ ডাৱৰ কেতিয়াবাই হেৰাল, তেওঁৰ চকুত এতিয়া তৰাৰ তিৰবিৰণি।
কিবা এটা ভাল লগাই মোকো চুই গল।

ৰূমলৈ আহিও বহুত দেৰি জেকেটতো পিন্ধি থাকিলো, নিশাই বেছিকৈ জোকাবলৈ লোৱাতহে কাপোৰ সলালো। মুখ-হাত ধুই বাথৰূমৰ পৰা ওলাই দেখিছো নিশাই মোৰ বেগৰ পৰা Assignmentটো উলিয়াই বাৰে বাৰে লুটিয়াই চাইছে।

: আস্থা, এইখন কোনে লিখিলে?
: মই লিখিলো, কেলেই?
: মিছা কথা নকবি, তোৰ handwriting নহয় এইবোৰ, কোনে লিখিছে ক।

কি কম এতিয়া, নকলেও নহব, কলেও বিপদ।

: অনুৰাগে দিছিলে। তোক কবলে মানা কৰিছিলে, তই কিন্তু তাক একো নকবি।

মোৰ কথা শেষ হবলে নাপালেই, নিশাই কৰ পৰানো নম্বৰ লৈ ফোনত অনুৰাগৰ ক্লাছ লবলৈ আৰম্ভ কৰি দিলে। দিনে দিনে নিশাজনী বেছি খঙাল হৈ গৈ আছে। কোনো কথাৰে ভাল দিশটো তাই বিচাৰিয়েই নোপোৱা হল। বেচেৰা অনুৰাগটো ছাগে সেইফালে পেপুৱা লাগিছে, মোৰ গাতে দোষ, কবই নালাগিছিল। হঠাতে নিশাৰ ডাঙৰ ডাঙৰ মাত নুশুনা হলো, ফোনটো কাণতে লগাই ৰৈ আছে, চকু কেইটা অলপ সেমেকা, অনুৰাগে কিবা বেয়াকৈ কলে চাগে। কিতাপখন মুখৰ আগত লৈ তাইৰ সলনি হোৱা মুখৰ ৰং চাই আছো।
ফোনটো থৈ মোৰ ওচৰলৈ আহিছে, বিচনাখনতে পৰি মূৰটো মোৰ কোলাতে পেলাই দিছে, একো কোৱা নাই।

: কি হল?
: বৰফে মোক ভাল পাওঁ বুলি কলে!

ওপৰলৈ চাই চাইয়ে কথাটো কলে তাই, একো যেন অনুভৱেই বাকী ৰোৱা নাই তাইৰ বুকুৰ মাজত।
চুলিকেইদাল মোহাৰি দিলো, চকুকেইটা জপাই দিলে তাই। গাটো একেবাৰে দুৰ্বল, চকুৰ তলত কলা কলা দাগ। কেনেকুৱা ছোৱালীজনী কেনেকুৱা হৈ গল। এখন ভাইৰেল ফটো, কিছুমান মিছা অপবাদ, আৰু আপোনজনৰ অবহেলাই তিলতিলকৈ মাৰিছে হাঁহি ভালপোৱা ছোৱালীজনীক। এই মুহূৰ্তত তাইক কি কম নিজেও ভাবি পোৱা নাই।

: তই চোন অনুৰাগক খুব মৰম লাগে বুলি কৈছিলি মোৰ আগত, আজি ইমান কিয় খং কৰিলি তাক?
: মোৰ আজিকালি একো ভাল নালাগে আস্থা।
: ... মোকো বেয়া পাইছ?
: তোক কথা এটা কওঁ বেয়া পাবি নেকি আস্থা?
: ক চোন।
: মই আজিকালি তোকো হিংসা কৰিবলৈ লৈছো, তোক সৱেই ইমান মৰম কিয় কৰে। মা, দেউতা, আইতা, বৰ্মা আৰু ইয়াত অৰ্ণৱ দা। পৃথিৱীৰ সমস্ত মৰম ভালপোৱা তইয়েই পাবি নেকি? এইবোৰ কথা আজিকালি মনলৈ আহিবলৈ ধৰিছে। কিয় এনেকুৱা হৈছে নাজানো, ভীষণ খং উঠে সৱৰে উপৰত, মাৰি দিব মন যায়।তাতে সেইজনী ঘূৰি আহিছে বুলি গম পাই আৰু মাথাটো বেয়া হৈছে।
: সেইজনী মানে?

: পাপাৰ wife, sorry ex-wife.
: কি???? তোৰ মা??
: Hell with that word, She is not my Mom.
: তই মোক কোৱা নাই কিয়?
: কি কম, সবেই হাঁহিবলে আৰু এটা reason দিবলৈ মন নাই মোৰ।
: মই কোনদিনা হাঁহিলো তোৰ ওপৰত? ভালকে কচোন কথাবোৰ।

কালি দেউতাকে ফোন কৰি জনাইছে তাইক, ডিমেনচিয়াত আক্ৰান্ত তাইৰ মাক। আগৰ কথা পাহৰি পেলাইছে, কিন্তু নিশাৰ বিষয়ে সকলো মনত আছে। প্ৰেমিকে পাগলী সজাই খেদি পথাইছে ঘৰৰ পৰা। নিশাৰ দেউতাকে খবৰ পাই আকৌ ঘুৰাই আনিছে। প্ৰেমিক আঁতৰি গৈছে, আৰু স্বামীয়ে সকলো পাহৰি বিপদৰ সময়ত আঁকোৱালি লৈছে। দেউতাকে বাৰে বাৰে মাফ খুজিছে নিশাক, হয়তো মানুহজনে ঘূৰাই বিচাৰিছে নিজৰ পৰিয়ালটো আকৌ এবাৰ। কিন্তু নিশাই কাৰো কথাই নুশুনে। ইমান জটিল নিশাৰ পৃথিৱীখন। কি কৰিব তাই এতিয়া! আৰু কেইটামান দিনৰ পাছত পৰীক্ষা, তাইক ভাগি পৰিবলৈ দিব নোৱাৰোঁ।

: নিশা, এতিয়া সেইবোৰ নালাগে ভাবিব, পৰীক্ষা পালেহিয়েই, তই এনেকে কৰিলে কি হব। ভালকে পৰীক্ষাতো দি ল, তাৰ পাছত কথা পাতিম, আৰু তোৰ যদি ঘৰলৈ যাবলৈ মন নাই, মোৰ লগত আমাৰ ঘৰত থাকিবি।

: হমমম্।
: আৰু কিবা কবি?
: বৰফক মোৰো ভাল লাগে।
: সচাঁ?????????????
: Yes.

শেতাঁ হাঁহি এটা বিৰিঙি উঠিল তাইৰ মুখত।
ভালপোৱা কিয় ইমান ভাল লগা!!!!
দুখন প্ৰায় ভাঙি যোৱা হিয়া আজি ভালপোৱাই আকৌ জীয়াই তোলা দেখিলো।
অৰ্ণৱ, নিশা এই মানুহবোৰ ইমান মৰম আকলুৱা।
অকণমান মৰমে গলাই পেলাব পাৰে ইহঁতক।
মোৰ মৰমৰ মানুহ। সাৱটি ধৰিলো তাইক।
ৰাতি বিচনাত পৰি ফোনটো চালো, অৰ্ণৱৰ মেছেজ এটা আছে। পঢ়া সামৰি তেওঁক ফোন কৰিবলৈ কৈছে। চাৰে বাৰটা বাজিল, কৰোঁ নকৰোঁকৈ ফোনটো লগালো। এবাৰ ৰিং হওঁতেই উঠালে।

: Hey..শোৱা নাই কিয় এতিয়াও?

মোক শোৱাৰ কথা সুধিছে, আজি বাৰু তেওঁৰ টোপনি আহিবনে?

: পঢ়ি আছিলো।
: Good Girl, মোৰ জেকেটটো লগত লৈ কিয় শুইছা?
একেজাপে উঠিলো, কেনেকে গম পালে? মোক দেখি থকা নাইতো!

: আপুনি কেনেকৈ গম পালে?
: হা হা, গম পোৱা নাছিলো, but এতিয়া তুমি নিজেই কৈ দিলা। Miss blush Queen, You are so busted.

মনে মনে থকাই ভাল, মুখৰপৰা আৰু কি কি ওলাই ঠিক নাই।

: আস্থা..
: হমম ।
: Whatever happened today..

হে ভগৱান, সেইটো কথা আকৌ কিয় উলিয়াইছে, কাণ মূৰ আকৌ ৰঙা পৰি আহিল, বুকুখন ধক্ ধক্ কৰিছে।
: Don’t think too much about it. Its not wrong, it’s beautiful. And trust me, it’s a very new feeling for me as well.

মোৰ দৰে তেওঁৰ বাবেও এই অনুভৱ নতুন?? মইয়ো অৰ্ণৱৰ প্ৰথম ভালপোৱা???

: Hey..
: হমম
: Exam দি লোৱা, we will talk, but till then don’t be disturbed with all this. Okay????

ভাল লাগে, তেওঁৰ মোৰ প্ৰতি দায়বদ্ধতা দেখি, মোৰ পঢ়াত যাতে তেওঁৰ ভালপোৱাই বাধা আনিব নোৱাৰে সেইয়াও ভাবিছে। বাৰে বাৰে প্ৰেমত পৰিবলৈ বাধ্য কৰে, অৰ্ণৱ, এই হেঁপাহৰ যেন শেষ নাই।

: আপুনিও শুই থাকক।
: হাঃ হাঃ, আজি পাৰ্টি হব my dear, মই আৰু উৎপল হোষ্টেল ফাইভত আছো, আজি কোনো শুব নোৱাৰে। But you must sleep, kids shouldn’t miss their bed time.

Kids?? মই?? দেখিব মন নাযায় এনেকে কলে।

: Now hug my Jacket and go to sleep, good night.
: good night.

কিমান দিনৰ পিছত ইমান সুখী হৈ কথা পাতিছে অৰ্ণৱে, বুকুখন ভৰি গল।
তেওঁৰ জেকেটটো বুকুতে সামৰি চকু দুটা জপাই দিলো।
তেওঁৰ বুকুৰ ধক্ ধক্ আকৌ এবাৰ কাণত বাজি উঠিল।

আগলৈ…

খণ্ড ৩

সেই বিশেষ দিনটো মোৰ বাবে যিমান ভাল লগা হব লাগিছিল, সিমান নহল। কিবা এটা অপৰাধবোধে বাৰে বাৰে আমনি কৰে, মাৰ মুখখন মনত পৰিলেই অৰ্ণৱৰ বুকুৰ মাজত কুচি মুচি সোমোৱা মইজনী উচপ খাই উঠো, নোহোৱা কৰি দিব বিচাৰোঁ সেই সময়খিনি। লাজ, ভয়, অনুশোচনাত বাৰুকৈয়ে দগ্ধ হৈছো। তেওঁৰ পৰা আঁতৰি থাকিবলৈ লৈছো আজিকালি,

ফোনত কথা পাতিব বিচাৰিলেও পঢ়িবলৈ আছে বুলি কাটি দিওঁ, তেওঁৰ খং উঠে, কিন্তু একো নকয়। এইকেইদিন যিমান পাৰো সোনকালে কলেজৰপৰা ওলাই আহোঁ, পৰীক্ষাৰ ওচৰ চপা বাবে ক্লাছবোৰো কমকৈ হৈছে। বাইদেউৰ দোকানলৈকো ওলাই নোযোৱা হলো। মুঠতে মই যেন নিজৰ পৰাই পলাই ফুৰিছো। আজিও নিশাক নোকোৱাকৈয়ে ক্লাছৰপৰা ওলাই আহিলো, আজিকালি অনুৰাগ আৰু নিশা প্ৰায়ে কথাত মচগুল হৈ থাকে, তাহাত দুটাৰ মাজত সোমাবলৈ মন নাযায়। কিবা মৰমলগা চৰাই পোৱালিৰ দৰে দুইটা, নিজৰ পৃথিৱীত ব্যস্ত।অনুৰাগে নিশাৰ কাৰণে ৰুমত মেগী বনাই টিফিনত লৈ আহিছিল। কথাটো ক্লাছত ওলাই পৰিল, দুইটাকে গোটেইবোৰে বেৰি লৈ জোকাইছে। অলপ দেৰি সেইখিনিতে ৰৈ থাকি গুচি আহিলো। হোষ্টেলৰ ওচৰ পাই দেখো অৰ্ণৱ আগৰেপৰাই ৰৈ আছে, দুপৰীয়া সময়। নেদেখাৰ ভাও জুৰি আঁতৰি যাব খুজিলো।

: Enough Astha.

ৰৈ গলো, বাইকখনৰ পৰা নামি দপ্‌দপাই মোৰ ওচৰ পালেহি।

: What the hell are you doing miss Astha?
: কি কৰিলো?
: Oh really, you don’t even know? Why are you ignoring me like this?
: Exam পাইছেহি, সেইকাৰণে।

গোকাট মিছা কথা এটা কৈ দিলো, তেওঁৰ আৰু বেছি খং উঠিছে।

: Don’t lie.
: সঁচাকে কৈছো।
: You need time? To think about us again? Tell me clearly Astha. I am really irritated with your behaviour.

মনে মনে আছো, মোৰ মনত কি চলি আছে তেওঁক বুজাব নোৱাৰো মই। তেওঁৰ প্ৰতি মোৰ মনত কি আছে সেয়া মই দুনাই বিচাৰ কৰি চোৱাৰ প্ৰয়োজন নাই, কিন্তু মা দেউতাৰ কথা ভাবিলে যি অপৰাধ বোধ হয় সেয়া মই কেনেকৈ বুজাওঁ।

: Answer me damn it.

উচপ খাই উঠিলো।
মোৰ চলচলীয়া চকু কেইটা দেখি তেওঁ আচৰিত হল।হয়তো অলপ বিৰক্তও হৈছে।

: Okay, finish your exam, we seriously need to talk Astha.

দৌৰি গুচি আহিলো ৰুমলৈ, দৰজাখন বন্ধ কৰি বিচনাতে পৰি দিছো। এনেতে ফোনটো বাজিল।

: My Jacket.

তেওঁৰ জেকেটটো এতিয়াও মোৰ ওচৰতে আছে, ঘূৰাই দিয়া হোৱা নাই। আজিকালি গুলোৰ ঠাইত এইটো থাকে শোৱাৰ সময়ত। কেনেকৈ ঘূৰাই দিওঁ।

: পিছত দিম।
: What??? Are you mad Astha, you don’t want to talk, don’t want to meet, don’t wanna see me, then you need that.
: সব্ৰ কথাৰে উত্তৰ নাই মোৰ ওচৰত।
: You are just impossible.

কাটি দিলো ফোনটো। জেদ মোৰো আছে, নিদিওঁ বুলি কৈছো যেতিয়া নিদিওঁ। তাৰ পাছত আৰু তেওঁৰ ফোন নহা হল।
JEC ত প্ৰথম পৰীক্ষা আৰম্ভ হল, হোষ্টেলৰ পৰিৱেশ একেবাৰে সলনি, কাৰো মাত নুশুনি, পঢ়াত ব্যস্ত সকলোবোৰ, একমাত্ৰ নিশাৰ বাহিৰে। অকণমানো কিতাপ নেমেলে, ফোন আৰু লেপটপটো খুলি কিনো কৰি থাকে নাজানো। গালি পাৰিও লাভ নাই, বহুত বেছি বকি থাকিলে আধা ঘণ্টামান কিতাপখন খোলে, আকৌ শুই থাকে।এনেকৈয়ে দুটামান পৰীক্ষা গল, কাইলৈ physics আছে। পঢ়ি আছো আজিও অকলে, নিশা শুই আছে। এনেকুৱাতে সাংঘাটিক হুলস্থূল বাহিৰত। গোটেইজনী ভয়তে পেপুৱা লাগিছো। বা হঁতৰ ৰুমৰ লাইট জলি থকা দেখি দৌৰ মাৰিলো তালৈকে।

: ভয় খালি?
: হমম।
: তহঁতৰ লগৰে হব ছাগে সেইকেইটা, চিনিয়ৰে LMTC পঠাইছে, দৰব আনিবলে। তহঁতৰ নামেই চিঞৰি আছে, একো নাই দে, ভয় খাব নালাগে।

: দৰব মানে, কাৰোবাৰ কিবা হৈছে?
: নহয় সোণজনী, এইটো পৰীক্ষাৰ টাইমত হোষ্টেলত বেছিকৈ দৰকাৰ হোৱা দৰব, যা শুই থাক, বাৰটা বাজি গল।

সমীক্ষা বাৰ কথাবোৰ একো বুজি নাপালো, ক্ৰমলৈ আহি শুই থাকিলো।
বাকী বিলাক exam ঠিকেই গল, কিন্তু Physics অৰ পেপাৰখন সাংঘাতিক টান আহিল, JECৰ ভাষাত পেপাৰে বাহঁ দিলে। সকলোৰেই মন বেয়া। মায়ে বাৰে বাৰে বুজাইছে একো নহয় দে, এটা পৰীক্ষা হে বেয়া হৈছে। বাকী থকা কেইটা ভালকৈ দিবি।
যিমান পাৰো ভালকৈ পঢ়ি পৰীক্ষা শেষ কৰিব বিচাৰিছো, মনৰ মাজৰ আন সকলো কথা আওকান কৰিবলৈ চেষ্টা কৰিছোঁ। অৰ্ণৱৰ কথা ভাবিলেই সব খেলিমেলি লাগে। সেইকাৰণে ফোনটো অফ কৰি থোৱা হলো। কিন্ত কাইলৈ শেষৰটো পৰীক্ষা। তাৰ পাছত এদিন থাকি পিছদিনা ঘৰলৈ যাম। সেইখিনি সময়ত তেওঁ মোক সহজে এৰি নিদিয়ে বুলি জানো। কি কম? নাই এতিয়া নাভাবো। এনেও কাইলৈ পিছবেলা পৰীক্ষা, ঘূৰি আহোঁতে দেৰি হব, তাৰ পাছদিনা আমি হোষ্টেলৰ সবেই একেলগে দিনটো বাহিৰত কটাম, খাম, ফুৰিম। টিনা আৰু ৰাজীয়ে মিলি planning কৰিছে। গতিকে মই তেওঁৰ পৰা সেইদিনাও আঁতৰি থাকিব পাৰিম। যেনেতেনে ঘৰ পালেগৈ হল। দহটা বাজিল, আৰু দুঘণ্টা পঢ়ি শুই থাকিম, বাকিখিনি ৰাতিপুৱা চাই লম এবাৰ। এনেতে vibration অত থকা ফোনটো

বাজি উঠিল।
Unknown number এটাৰ পৰা ফোন আহিছে, প্ৰথমতে নুঠালো। অৰ্ণৱো হব পাৰে, কিন্তু দহ মিনট মানৰ পাছত আকৌ ৰিং হল।

: হেল্ল !
: হেল্ল, আস্থা হয়নে বাৰু?

সাংঘাতিক ধুনিয়া এটা মাত, মিঠা কিন্তু গভীৰ, কোন হব পাৰে??

: হয়, আপুনি কোনে কৈছে?
: মই অনুৰাধা, অৰ্ণৱৰ মা।

ধক্।
অৰ্ণৱৰ মা!!!!!!!!!!!!!!
মোলৈ কিয় ফোন কৰিছে?
হে ভগৱান, কিবা কৈ দিয়া নাইতো অৰ্ণৱে।

: চিনি পাইছা এতিয়া?
: হমম, পাইছো ।

মাতটো নোলাবই এতিয়া মোৰ।
পঢ়ি থকা কিতাপ জপাই দুয়োখন হাতেৰে ফোনটো খামুচি আছো।

: পৰীক্ষা ভাল হৈছেনে? কাইলৈ শেষ হব নহয়।

ইমানবোৰ কথা কেনেকৈ গম পায়?????

: অ, কাইলৈ শেষ হব ।
: Good, পৰহিলৈ মই তোমাক লগ পাব বিচাৰো, তোমাক হোষ্টেলৰ পৰা লৈ আনিম বাৰু, তোমাৰ লগত কিছুমান কথা পাতিবলগীয়া আছে, খুবেই জৰুৰী। পাৰিবানে অকণমান সময় উলিয়াব?

কি কথা পাতিব খুজিছে? মোক কিবা কথাত গালি নাপাৰে তো, আৰু মাক নোসোধাকৈ কেনেকৈ সন্মতি দিম? কিন্তু তেখেতক না কবলৈও মন যোৱা নাই, কথাটো বা কি?

: হব।
: ঠিক আছে, কাইলৈৰ Exam তো ভালকৈ দি লোৱা, পৰহিলৈ আমি কথা পাতিম। এতিয়া ৰাখিছো।
: ঠিক আছে।

ফোনটো থৈ লৈহে ভালকৈ উশাহ লৈছো, অলপ আগত কি হল ভাবিবলৈ মন যোৱা নাই। আজি আৰু পঢ়া নহয়। কিতাপখন জপাই শুব লওঁতেই আকৌ বাজিল ফোনটো। এইবাৰ অৰ্ণৱ।

: We are going on our first date, finish your exam tomorrow, next day is mine. You have to spend the whole day with me miss Astha. I have waited enough.
: কিন্তু..
: No more excuses.
: মই বেলেগ এফালে যাব লাগিব।

: Nope. You have to meet me and that’s it. Now sleep and finish your exam tomorrow.
:শুনকচোন..
: shhhh, I have heard enough. Good night.

আৰু কিবা বাকী আছেনে হবলৈ, এতিয়া মই পৰহিলৈ কি কৰিম, নমো, মোৰ গা টো যেন সেইদিনাই বেয়া কৰি দিয়া আৰু।
পৰীক্ষা শেষ হল, ওলাই আহিয়েই টিনাৰ উৎপাত ওলাই যাবই, গড় আলিৰ ফুচকাৱালা কেইজনক হেনো তাই সপোনতে দেখিছে। গতিকে আজি যাবই। মই নাযাঁও বুলি কোৱাত গোটেইকেইজনী জকজকাই উঠিল। নিশা আৰু অনুৰাগ বেলেগকৈ যাব। মই টিনা আৰু ৰাজী যাম একেলগে। উপায় নাপায় ওলালো যাবলে।
গেটৰ সন্মুখত অটৰ কাৰণে ৰৈ আছো। যতে বাঘৰ ভয় তাতে ৰাতি হয়। ওচৰৰ দোকানখনত অৰ্ণৱ আৰু উৎপল দাদা। মোক দেখি ওচৰ চাপি আহিল।

: কাইলৈ ৰেডি থাকিবা।
: নোৱাৰিম।
: Its not a request, its an order from your senior.
: কিন্তু..
: Shhh.. Be ready. মই ১০ টাত আহিম।
: …
: এতিয়া কত যোৱা?

: টাউন।
: কি কাম আছে?
: মই আপোনাক সোধো নেকি এইবিলাক?

খং উঠি আহিল, মোৰ কথা শুনাৰ ধৈৰ্য্য নাই, কাইলৈ কিয় যাব নোৱাৰোঁ সেইতো কোৱাৰ সুযোগেই নিদিলে। মোক আকৌ কলৈ যাম, কিয় যাম সব সোধে। মূৰটো গৰম হৈ যায়।

: Don’t you dare talk to me like that Astha.

ৰঙা চকুকেইটা বেছি দেৰি চাই থাকিব নোৱাৰো। ভাগ্য ভাল অট এখন আহি পালেহি, দৌৰি গৈ উঠিলোগৈ।

: কাইলৈ আমাৰ পোৱালিৰ first date, মইতো ভাবিয়েই পাগল হৈ গৈছো। কি পিন্ধিবি ক না ক না।

মোৰ ভয়তে অৱস্থা বেয়া এইজনীৰ আকৌ কাপোৰ লৈ হে চিন্তা। মনে মনে আছো।
দুয়োজনীৰ লগত দোকানে দোকানে ঘূৰি শেষত বিউটি পাৰ্লাৰ এখনত বহিলোগৈ। এতিয়ালৈকে মই থ্ৰেডিং কৰাই পোৱা নাই। আজি দুয়োজনীয়ে হেঁচা মাৰি ধৰি কৰাইহে এৰিলে। বিষত থাকিব পৰা নাই। ৰঙা হৈ ফুলি গৈছে। তাৰ পিছতো নেৰিলে। নতুন ৰূপ এটা লৈ হোষ্টেল পালোহি। কিবা নিজকে বেলেগ বেলেগ দেখিছো, অলপ ডাঙৰ ডাঙৰ। ভাগৰে হেঁচা মাৰি ধৰিছে, তাৰ ওপৰত কাইলৈ কি হয় ঠিক নাই। মুখ হাত ধুই বিচনাত পৰি মালৈ ফোন কৰিলো। অৰ্ণৱৰ মাকে যে লগ কৰিব

বিচাৰিছে সেইয়াও কলো। বহুত সময় মনে মনে থাকি মায়ে উত্তৰ দিলে। লগত নিশাকে লৈ যাবি। ডাঙৰ মানুহ এগৰাকীয়ে কিবা কব খুজিছে যেতিয়া শুনি ল। মাৰ সঁহাৰি পাই সকাহ পালো।
নিশাৰ আগত সকলোখিনি কলো, তাইয়ো লগত যাবলৈ মান্তি হল। বাৰে বাৰে বুজাইছে মোক ভয় নাখাবলৈ। অৰ্ণৱৰ ৰঙা চকুকেইটা মইহে চাব লাগিব। আজি সপোনতো আহি মোক গালি পাৰিব মই জানো। কম্বলখন টানি শুই পৰিলো।

: উঠ আস্থা, কিমান শুই থাক আৰু, ফোনটো বাজি আছে তোৰ।

ৰাতি পুৱালে তাৰমানে, হে ভগৱান নটা বাজিলে। ফোনটো চালো, অৰ্ণৱৰ মিছ্‌দ কল এসোপামান। মাকেও ফোন কৰিছিল। প্ৰথমতে তেখেতক ফোন কৰিলো, নিশা যে লগত যাব কলো। এঘাৰমান বজাত লৈ যাবহি বুলি কলে। এইবাৰ অৰ্ণৱলৈ ফোন কৰিলো।

: ফোন কিয় উঠোৱা নাছিলা?
: শুই আছিলো।
: You have only one hour. Be ready.
: মই নোৱাৰিম আপোনাৰ লগত যাব।
: and why ?
: আপোনাৰ মায়ে মোক আজি লগ কৰিব বিচাৰিছে।
: ...

: শুনিছে নে? হেল্ল ‘?
: কিয় লগ কৰিব খুজিছে?
: সেইতো কোৱা নাই।
: তুমি যাবা?
: হমম।
: মোক এবাৰ সুধি চোৱা জৰুৰী নাছিল?
: মানে?
: You should have asked me once. Do as per your wish.
: মই কালি কম ভাবিছিলো, আপুনি হে..
: Cut the crap Astha. Leave it.

ফোনটো কাটি দিলে। এইবাৰ ভালকৈয়ে জগৰ লাগিল গম পালো, কিন্তু ইমানকৈ খং উঠিবলগীয়া কি হল বুজি নাপালো। ভাবি নাথাকো, সোনকালে গা ধুই ওলাব লাগে।একেবাৰে নতুন চুৰিদাৰ এযোৰ উলিয়াই লৈছো, নেভী ব্লু কালাৰৰ। চুলিখিনিও ধুব লাগিব।
ঠিক এঘাৰ বজাৰ লগে লগে তেওঁৰ মাকে ফোন কৰিলে, ওলাই আহি দেখো হোষ্টেলৰ সন্মুখত ৰৈ আছে, গাড়ীৰ পৰা নামি অলপ আগবাঢ়ি আহিল। মই তেতিয়াও মূৰত টাৱেলখন মাৰিয়েই থৈছো, চুৰিদাৰ যোৰ পিন্ধি বাথৰূমৰ পৰা ওলোৱা ভাগেই বাৰাণ্ডা পালোহি। মোক দেখি হাঁহিলে।

: মই ৰৈছো, তুমি ভালকৈ ready হৈ আহা।

অলপ সময় পাছত নিশাৰ লগত ওলাই আহিলো, অৰ্ণৱৰ মাকে গাড়ীৰ পিছফালৰ দুৱাৰ খুলি দি নিজে ড্ৰাইভিং ছিটত বহিল।

: আস্থা, বাবাক ফোন কৰাচোন।
: বাবা?
: Sorry, অৰ্ণৱক।

আচৰিত হলো, তেখেতে নিজে কিয় ফোন কৰা নাই, মোক কিয় কৈছে!
কেইবাবাৰো ৰিং কৰি কৰি বন্ধ হৈ গল, তেওঁ ফোন নুঠালে।

: থাকক দিয়া।

গোটেই ৰাস্তাটো তেখতে নিশা আৰু মোৰ লগত কিবা কিবি কথা পাতি আহিল, মানুহগৰাকী ইমান মৰমীয়াল, অৰ্ণৱ বাৰু এখেতৰে সন্তান হয় নে? ইমান ভাল মানুহগৰাকীৰ ইমান খঙাল পুতেক হব পাৰে জানো।

: এইটোয়ে আমাৰ ঘৰ।
প্ৰকাণ্ড গেটখন মানুহ এজনে খুলি দিলে, গাড়ীখন গেটৰ ভিতৰলৈ ভৰাই তেখেতে চাবিটো মানুহজনক দি আমাক ঘৰৰ ভিতৰলৈ লৈ গল। খুব সুন্দৰকৈ সজোৱা ড্ৰয়িংৰুমটো, এটা এটা বস্তু যেন বাচি বাচি আনি সজাই থৈছেহি ইয়াত। এটা বগা ৰঙৰ চোফা, এনেকুৱা লাগে বহিলে লেতেৰা হৈ যাব। বেলেগ বেলেগ ধৰণৰ বহুত indoor plant, বেৰত কেইবাখনো ফটো কিন্তু অৰ্ণৱৰ এখনো নাই। আমাক বহিবলৈ কৈ তেখেতে ভিতৰলৈ

সোমাই গল। অলপ পাছত এগৰাকী অলপ বয়সীয়াল মহিলা হাতত এখন ট্ৰে আৰু দুগিলাছ juice লৈ ওলাই আহিল।

: আস্থা তুমি নেকি?
: হয়।
: এইয়া ৰেজিয়া, মোৰ লগৰী বুলিয়েই ভাবিব পাৰা।

অৰ্ণৱৰ মাকে ওলাই আহি আমাক চিনাকি কৰাই দিলে। মোৰ ফালে এনেকৈ কিয় চাই আছে বাৰু, নিশাই টেপেৰ টেপেৰ কথা আৰম্ভ কৰিলেই, মইহে মুখেৰে একো মাতিব পৰা নাই।

: আস্থা, তুমি অলপ মোৰ লগত আহাঁচোন, নিশা তুমি বহাচোন, বেয়া পাবা নেকি?
: তুমি মোৰ লগত পাকঘৰলৈকে বলা।

নিশা ৰেজীয়া বাইদেউৰ লগত চিধাই পাকঘৰ পালেগৈ, ইস্মান সোনকালে মিলি যাব পাৰে এইজনী, মইহে কিবা ভূতৰ নিচিনাকৈ থাকো।
ড্ৰয়িংৰুমটোৰ ভিতৰতে থকা চিৰিয়েদি ওপৰলৈ উঠি গলো, আগে আগে অৰ্ণৱৰ মাক, পাছে পাছে মই। বুকুখন ধক্ ধক্ কৰিছে।

: এইটো মোৰ ৰূম, বহা।

বিছনাখনৰ ওচৰতে থকা সৰু চোফাখনত বহিলো, তেখেত বিচনাখনৰ চুক এটাত মোৰ মুখামুখিকৈ বহিল। মন কৰিলো, বিচনাৰ ওচৰত এখন ডাঙৰ photo, চাৰি পাঁচ বছৰীয়া লৰা

এটাৰ, অৰ্ণৱ যেনেই লাগিল দেখাত। কিন্তু মৰমলগা হাঁহিটো দেখি নহয় যেনো লাগিল।

: বাবাই তোমাক নিজৰ বিষয়ে কিবা কৈছে নে?
: ওহোঁ।
: তুমি তাৰ বিষয়ে কি জানা?
: মানে?
: তুমি তাক ভাল পোৱা?
: হমম।
: কষ্ট পাবা তুমি আস্থা, মই তোমাৰ বিষয়ে সকলোবোৰ জানো, তুমি মৰমৰ বাহিৰে একো দেখা নাই জীৱনত, কিন্তু অৰ্ণৱৰ পৃথিৱীখন বৰ অন্ধকাৰ, তোমাক মই জানি বুজি কষ্ট দিব নোৱাৰোঁ। খঙত অৰ্ণৱে সকলো শেষ কৰি দিব পাৰে, তোমাকো কষ্ট দিব নিজেও কষ্ট খাব, তুমি তাক নাজানা। কিন্তু মই জানো, সি তোমাক কিয় ভাল পায়।
: কিয়?
: তোমাক যেতিয়া সি প্ৰথম বাৰ তোমাৰ দেউতাৰ লগত কলেজত দেখিছিল, দেউতা আৰু তোমাৰ মৰম দেখি তাৰ হিংসা হৈছিল, তোমাক যে সকলোৱে মৰম কৰে, তাৰো মন যায় তোমাক মৰম কৰিবলৈ, তোমাৰ মৰমৰ ভাগ লবলৈ। তাৰ খং জেদ সকলোবোৰ তুমি যে সহি থাকা, সি ভাবে তুমি দুৰ্বল, জোৰ কৰি তোমাক ভাল পাব বিচাৰে সি, জোৰ কৰি তোমাৰ ভাল পোৱা আদায় কৰিবও খোজে। মৰম নোপোৱা মানুহবোৰে যেতিয়া কৰবাত ইমান মৰম একেলগে দেখে, তেতিয়া ভিতৰত

শুই থকা মৰম আকলুৱা শিশুবোৰ সাৰ পাই উঠে। অৰ্ণৱৰ লগতো সেয়াই হৈছে, তোমাৰ মাজত সি নোপোৱা মৰমৰ ভাগ বিচাৰিছে।

: মই ঠিক বুজি পোৱা নাই আপুনি কি কব বিচাৰিছে, অৰ্ণৱ আৰু মই এতিয়াও ইজনে সিজনক জানিবলৈ বাকী আছে, কিন্তু আজিলৈকে যিমানখিনি বুজি পাইছো বহুত মৰম, বহুত ভালপোৱা তেওঁৰ মাজতো আছে, যিটো অদ্‌ভূত খং এটাৰ আৰত লুকাই থাকে।

: সেই খংটোৰ কাৰণ তুমি জানানে?

: নাজানো।

: মই, মোৰ বাবেই সি এনেকুৱা হল, কিন্তু জানি বুজি মইয়ো একো পাপ কৰা নাছিলো, সমাজে দিয়া কিছুমান অপবাদে আমাৰ দুয়োটাৰে জীৱন অন্ধকাৰ কৰি পেলালে। তোমাক সেইবিলাক মই কব নিবিছাৰো, কোনোবাই মোক বা মোৰ সন্তানক পুতৌ কৰি ভাল পোৱা দিয়ক সেয়া মোৰ ভাল নালাগে। অৰ্ণৱেও নিবিচাৰিব তুমি তাক তেনেকৈ ভালপোৱা দিয়াটো।

: পুতৌ? ভালপোৱা হৈ যায়, হিছাপ নিকাচ কৰি কৰা নাযায়, অৰ্ণৱৰ অতীত জনাৰ আগতেই মই তেওঁক ভাল পাইছিলো,মানুহৰ বৰ্তমানক মই বিচাৰ কৰো, অতীতক নহয়।

কত ইমান সাহস পাইছো নাজানো, কিন্তু তেখেতৰ কথাৰ উত্তৰ নিদিয়াকৈ থকা নাই, মনত যি ভাবিছো কৈ দিছো।

: জানিব খুজিছা তাৰ বিষয়ে?
: সেইতো আপুনি বিচাৰ কৰি চাওক, যদি মই কথাবোৰ জনাটো উচিত বুলি ভাবে, মই নিশ্চয় শুনিম।
: কম, সকলোবোৰ খুলি কম তোমাক, কিন্তু কথাবোৰ জানি তুমি যেন মোক ভুল নুবুজা।
: মই বহুত কথাই বুজি নাপাও, কিন্তু আপোনাক বুজিবলৈ চেষ্টা কৰিম।
: চন্দ্ৰ মোহন গোস্বামীৰ নাম শুনিছা?
: শুনিছো মাইঁতৰ মুখত।
: মোৰ দেউতা, মই তেখেতৰ একমাত্ৰ ছোৱালী আছিলো, ঘৰৰ আলসুৱা, তোমাৰ দৰে, কিন্তু আজি মই যত আছো, সেইটো মই মোৰ ছোৱালীকালত কল্পনা কৰিবও পৰা নাছিলো। সেইকাৰণে কৈছো তোমাক, আকৌ এবাৰ ভাবি চোৱা, অৰ্ণৱৰ ওচৰত এবাৰ ধৰা দিলে তুমি আৰু কেতিয়াও আঁতৰি যাব নোৱাৰিবা।

আগলৈ...

খণ্ড ৪

অৰ্ণৱৰ ওচৰত এবাৰ ধৰা দিলে তুমি আৰু কেতিয়াও আঁতৰি যাব নোৱাৰিবা।

: মানে?
: মানে তুমি তাক আগতে জানি লোৱা ভালকৈ,আমাৰ আউল লগা জীৱন দুটাৰ বিষয়ে।
: কৈ যাওক, মই শুনি আছো।
: এইখন মোৰ দেউতাৰ ঘৰ। হাঁহি-কান্দোন, পোৱা-নোপোৱা, ৰাগ-বিৰাগ সকলোৰে সাক্ষী এই ঘৰখন। মা-দেউতা আৰু মোৰ সপোনৰ ঘৰ। মোৰ দেউতা আছিল সেই সময়ৰ অসমৰ ভিতৰতে বিখ্যাত উকীল, লগতে ককাৰ দিনৰে চাহৰ বাগানখনো চলাইছিল তেওঁ। সমাজৰ এজন আদৰণীয় ব্যক্তি, উদাৰ মনোভাৱৰ। তেতিয়াৰ দিনতে মোক শ্বিলঙৰ Lady Keane(লেডী কিন) কলেজত পঢ়িবলৈ পঠাইছিল দেউতাই। গ্ৰেজুৱেচনৰ পাছত ময়ো দেউতাৰ পথ অনুকৰণ কৰি law পঢ়িলো। মোৰ যেনেকৈ মন যায় তেনেকৈয়ে জীয়াই থকাৰ সম্পুৰ্ণ স্বাধীনতা দিছিল দেউতাই। সময়তকৈ বহুত আগবঢ়া আছিল তেখেতৰ মনোভাৱ। দেউতাৰ লগত বাগান চাইছিলো মই, মোৰ কথামতেই দেউতাই নতুন ব্যৱসায় আৰম্ভ কৰিছিল, মুঠতে কোনোদিনেই মই ছোৱালী, ঘৰৰ ভিতৰত থকা উচিত, এনেকুৱা একোৱেই ফিল হোৱা নাছিল।
কিন্তু সেই সময়ৰ সমাজ ব্যৱস্থাৰ কথা দেউতাই নাভাবিলেও মায়ে ভাবিছিল, বাৰে বাৰে মোক বিয়া দিবলৈ দেউতাক কৈছিল। প্ৰথমতে মান্তি হোৱা নাছিলো যদিও পৰিয়ালৰ সকলোৰে কথামতে মইয়ো বিয়াত সন্মতি দিলো। দেউতাৰ বন্ধু পুত্ৰৰ লগত সম্পৰ্ক কৰাৰ কথা ওলাল, মইয়ো সন্মতি দিলো। অৰ্ণৱৰ

দেউতাকক প্ৰথম লগ পাইয়ে ভাল লাগিছিল, সৰল ব্যক্তিত্বৰ এজন নম্ৰ মানুহ। শ্ৰদ্ধা ওপজিছিল প্ৰথম দেখিয়েই। লাহে লাহে কথা আগবাঢ়িল। শহুৰ-শাহুৰ মই বৰ মৰমৰ হৈ পৰিছিলো, গোস্বামী বংশৰ একমাত্ৰ ছোৱালীক বোৱাৰী হিচাপে পাই তেওঁলোক সুখী হৈছিল। মোৰ শহুৰে দেউতাৰ লগত ব্যৱসায়িক সম্পৰ্ক আৰু টনকিয়াল কৰাৰ পৰিকল্পনা কৰিছিল।
বিয়াখন খুব ধুমধামেৰে হৈ গৈছিল, সকলো সুখী আছিল, বিশেষকৈ মোৰ দেউতা। বিয়াৰ পিছৰ সময়খিনি সপোনৰ দৰে ধুনীয়া আছিল। আমাৰ এখন সৰু সুখৰ সংসাৰ হল। অৰ্ণৱৰ দেউতাকক পাই মই ধন্য হৈছিলো। মোৰ আধৰুৱা পঢ়া তেওঁৰ বাবেই বিয়াৰ পাছত সম্পুৰ্ণ কৰিছিলো। মোৰ প্ৰতিটো সৰু সৰু কথাৰ খেয়াল ৰখা এজন খুব সুন্দৰ মনৰ মানুহ আছিল মোৰ স্বামী। তেওঁৰ সকলো কামত মোৰ উপদেশ, সহায় বিচাৰিছিল, আমি ইজনে সিজনৰ হাত ধৰি খোজ দিছিলো। বিয়াৰ প্ৰায় দুটা বছৰৰ পাছত আমাৰ মাজলৈ অৰ্ণৱ আহিল। দুয়োটা পৰিয়ালত আনন্দৰ উৎসৱ। অৰ্ণৱ দুয়োখন ঘৰৰে নয়নৰ মণি আছিল। মই দুগুণ সুখী হৈছিলো। অৰ্ণৱৰ দেউতাক আৰু মই যেন আৰু ভাল পাবলৈ লৈছিলো ইজনে আনজনক। কিন্তু সেই মধুৰ সময় বেছিদিন নাথাকিল।

মানুহগৰাকী আকৌ মৌন হৈ পৰিছে, চেপি ৰাখিছে ওলাই আহিব খুজা কান্দোনটো।

: এদিন ৰাতি হঠাৎ মোৰ স্বামীলৈ এটা ফোন আহিল, বাগানৰ শ্ৰমিকে আন্দোলন কৰিছে, মেনেজাৰে চম্ভালিব পৰা নাই। বাহিৰত তেতিয়া ধুমুহা-বৰষুণ, মই বাৰে বাৰে মানা কৰিছিলো তেওঁক, মোৰ মনে আহিবলগীয়া অভিশপ্ত সময়ৰ উমান চাগে আগেয়েই পাইছিল, অৰ্ণৱেও দেউতাকৰ চোলাটোত ধৰি কান্দিছিল নাযাবা বুলি। মাথোঁ এঘন্টাতে ঘূৰি আহিম বুলি কোৱা মানুহজন দুটা দিনৰ পিছত ঘূৰি আহিছিল, বগা কাপোৰেৰে শৰীৰটো ঢাকি।
মই...

আৰু কব পৰা নাই মানুহগৰাকীয়ে, চকুৰ পানী ধাৰাসাৰে বৈ আহিছে, হয়তো বহুদিন চেপি ৰাখিছিল এই কান্দোন, চকীখনৰ পৰা উঠি গৈ তেখেতৰ কাষতে বহিলো, কি কৰিম ভাবি পোৱা নাই, তেওঁৰ হাতখনৰ ওপৰত মোৰ হাতখন থৈ মাথোঁ বুজাব বিচাৰিলো তেওঁৰ দুখৰ গভীৰতা মই বুজিছো।

: মই পাগল হৈ গৈছিলো আস্থা, অৰ্ণৱে একোৱেই বুজা নাছিল তেতিয়া। পুলিচৰ অনুসন্ধানত গম পাইছিলো তেওঁক বহুদিন আগৰপৰাই কোনোবাই ফোন কৰি ধন দাবী কৰি আছিল, সেইদিনাও তেনেকুৱা কিবাই হৈছিল, কিন্তু মোক সেই বিষয়ে একো কোৱা নাছিল তেওঁ। আজিও নোলাল তেওঁৰ হত্যাকাৰী কোন আছিল। কাগজে পত্ৰই তেওঁৰ মৃত্যুক লৈ নতুন নতুন কাহিনী ওলাল, পৰকীয়া প্ৰেমৰ পৰা আৰম্ভ কৰি বানিজ্যিক লোকচানলৈকে। মোকো সাঙুৰি লোৱা হল, হত্যাকাৰী বুলি

সন্দেহ কৰি অবৰ্ণনীয় মানসিক অত্যাচাৰ চলোৱা হল। অৰ্ণৱৰ মুখলৈ চাই সকলো পাহৰিলো, মৰি মৰিও জীয়াই থকাৰ বাবে সাজু হলো, কিন্তু সেইয়াও হৈ নুঠিল।

: কিয়???

: তাৰ পাছতহে মই মানুহ চিনি পালো বুজিছা। বেলেগৰ কথা বাদেই দিলো, মোৰ নিজৰ শহুৰ-শাহুৱে সন্দেহ কৰিবলৈ ললে, মানুহৰ কথাত বিশ্বাস কৰি অৰ্ণৱক মোৰ পৰা কাঢ়ি নিলে, মোৰ কোনো কথাই নামানিলে, মা দেউতাও তেওঁলোকৰ ভৰিয়ে হাতে ধৰি কাবৌ-কোকালি কৰিলে, কিন্তু তেওঁলোকৰ মন গলাব নোৱাৰিলে। অবুজন শিশু এটাক মাকৰ বুকুৰ মাজৰপৰা কাঢ়ি নি তেওঁলোকে কি সুখ পালে নাজানো। আইনৰ সহায় লৈও ঘূৰাই আনিব নোৱাৰিলো অৰ্ণৱক, ওলোটাই মোকহে দোষী সাব্যস্ত কৰা হল। লাহে লাহে মই ডিপ্রেছনত ভুগিবলৈ ধৰিলো, অৰ্ণৱক এবাৰ চাবলৈ তেওঁলোকৰ ঘৰৰ বাহিৰত বৈ বৈ থাকো। কিন্তু মোৰ সেই পাগলামীবোৰে অৰ্ণৱৰ হে অপকাৰ কৰিলে। মই যাতে তাক লগ কৰিব নোৱাৰো, তাৰ বাবেই সাত বছৰীয়া লৰাটোক নি দিল্লীৰ কোনোবা International স্কুলত নাম লগাই দিলে, হোষ্টেলত থকাৰ ব্যৱস্থাও কৰিলে। একো বুজি নাপায় তেতিয়া অৰ্ণৱে, ককাক আৰু খুড়াকে মোৰ লৰাটোৰ সৰু কালটো শেষ কৰি পেলালে। সকলো আপোন মানুহৰপৰা আতঁৰত থোৱা হল তাক, মই লগ পাওঁ বুলি স্কুলৰ বন্ধত অসমলৈ আহিবলৈও দিয়া হোৱা নাছিল, হোষ্টেলৰ আয়াৰ ওচৰতে থাকে। মই খবৰ পাইছিলো প্ৰায় তিনি চাৰি বছৰৰ

পাছত। তাক লগ কৰিবলৈ দিল্লী পাইছিলোগৈ, কিন্তু অৰ্ণৱ তেতিয়ালৈ মোৰ অৰ্ণৱ হৈ থকাই নাছিল, ১১ বছৰীয়া লৰাটো যেন বয়সতকৈ বহুত বেছি ডাঙৰ হৈ গৈছিল। মোৰ সৈতে কথা পতাৰ কোনো ইচ্ছা নেদেখিলো মই, ঘৰলৈ নাহোঁ বুলি একে আষাৰেই কৈ দিছিল। বেছি জোৰ কৰিলে security মাতিম বুলি মোক ধমকি দিছিল সি। মুখত এটাও অসমীয়া কথা নুশুনিলো তাৰ, নিজৰ ভাষা,নিজৰ ঠাই, আপোন মানুহ, এই সকলোবোৰৰ পৰা বহুত দূৰলৈ গুচি গৈছিল মোৰ বাবা। শিল হৈ গৈছিলো তাৰ কথাবোৰ শুনি। মোৰ অৰ্ণৱ কেনেকৈ ইমান সলনি হৈ গৈছিল বুজি নাপালো। মোৰ প্ৰতি থকা ঘৃণাৰ ভাব তাৰ প্ৰত্যেকটো কথাতে স্পষ্ট হৈ ওলাই পৰিছিল, সেইদিনা আকৌ এবাৰ মৃত্যু হৈছিল মোৰ। দিল্লীৰ পৰা এজনী বেলেগ অনুৰাধা হৈ ঘূৰি আহিছিলো।

মোৰ হাতখন চেপাঁ মাৰি ধৰিলে তেওঁ, খং দুখ অভিমান স্পষ্ট হৈ পৰিছে ৰঙা পৰি যোৱা মুখ খনত।

: কিন্তু মোৰ দেউতাই মোক হাৰিবলৈ নিদিলে, আকৌ আৰম্ভ কৰিলো মোৰ জীৱন, এই লেতেৰা সমাজখনক বুঢ়া আঙুলি দেখুৱাই কেৱল কামত ব্যস্ত হৈ পৰিলো। দেউতাক ব্যৱসায়ত সহায় কৰিবলৈ ললো, তেতিয়াই আমাৰ ঘৰলৈ আহিছিল ৰেজিয়া, দেউতাৰ অতি বিশ্বাসী কৰ্মছাৰী আহমেদৰ পত্নী। গাৱঁৰ পৰা নিজৰ লৰা-ছোৱালীৰ সৈতে গুচি আহিছিল আমাৰ ঘৰলৈ। ৰেজিয়াৰ মাজত মই মোৰ নিজৰ ভণ্টি এজনী বিচাৰি

পাইছিলো, খুলি কৈছিলো সকলো কথা, কান্দিছিলো তাইৰ কোলাত মূৰ থৈ। ৰেজিয়াৰ ডাঙৰ লৰাটো প্ৰায় অৰ্ণৱৰ সমবয়সীয়া, তাকে অৰ্ণৱৰ নিচিনাকৈ মৰম কৰিছিলো। এদিন ৰেজিয়াই কলে..

: বাইদেউ, ই আপোনাৰ লৰা বুলিয়েই ভাবিব, মোক ভগৱানে তিনিটা লৰা ছোৱালী দিলে, আপোনাক এটা দি কাঢ়ি লৈ গল, আপুনি মন বেয়া নকৰিব। মোৰ লৰা আপোনাকে গতালো আজিৰপৰা, চাব আৰু আপুনিয়েই।

মৰি যোৱা মমতা জাগি উঠিছিল মোৰ, ৰেজিয়াৰ ডাঙৰ লৰাক নিজৰ কৰি ললো, বংশৰ নাম দিলো, ৰেজিয়াই নিজেই তাৰ নতুন নাম এটাও দিলে। উৎপল। চিনি পোৱা নহয়।

: উৎপল দা...??????

উৎপল দা...??????

: সি মোক জীয়াই ৰাখিছে ইমানদিনে, ৰেজিয়া আৰু তাৰ কাৰণেই মই 'মই' হৈ থাকিলো।

: আৰু অৰ্ণৱ?? তেওঁ ইয়ালৈ ঘূৰি কেতিয়া আহিল?

: সময় সদায়ে একে নাথাকে। সেইখন ঘৰৰ পৰিবেশ লাহে লাহে সলনি হৈছিল। মোৰ দেওৰৰ বিয়া বাৰু কৰি নিজৰ সংসাৰ ডাঙৰ হল। অৰ্ণৱ লাহে লাহে কেৱল এটা দায়িত্ব হৈ পৰিল। তাৰ বয়স ষোল্ল বছৰ তেতিয়া, মোৰ শহুৰ দেউতাৰ হঠাৎ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটিল। অৰ্ণৱক এবাৰ দেখা পাম বুলিয়েই লাজ-অপমান সকলোবোৰ পাহৰি গৈছিলো তেখেতসকলৰ

ঘৰলৈ। কিন্তু নাই তাক তেতিয়াও আহিবলৈ নিদিলে। সেইদিনা তালৈ গৈ হে গম পালো অৰ্ণৱৰ খৰছ পাতি বহন কৰিবলৈ দেওৰ আৰু মোৰ জা গৰাকী একেবাৰেই সাজু নহয়। মোৰ শাহুৱে কান্দি কাটি মোক কলে অৰ্ণৱক যাতে মই আকৌ আঁকোৱালি লওঁ। অদ্ভূত এই মানুহবোৰ। কিয়, কেনেকৈ ইমান জটিলতা সামৰি ৰাখে নিজৰ মাজত সেইয়া চাগে মই কেতিয়াও বুজি নাপাম। এবুকু আশা বুকুত বান্ধি সেইদিনা ঘৰলৈ উভতি আহিলো। তাৰ স্কুলৰ লগত কথা পাতি সমগ্ৰ খৰছ বহন কৰিলো, কিন্তু তাক জানিবলৈ দিয়া নাছিলো। খুড়াকে কৰিছে বুলিয়েই ভাবি থাকিলে সি। কিন্তু ককাক ঢুকাই যোৱাৰ পাছত অৰ্ণৱ আৰু বেছি অকলশৰীয়া হৈ পৰিল। কেৱল কিতাপৰ মাজতেই সোমাই থকা হল, স্কুলৰ পৰা মোলৈ ঘনে ঘনে ফোন অহা হল, অৰ্ণৱৰ এনেকুৱা আচৰণে হোষ্টেলৰ সকলোকে আচৰিত কৰিলে। তেনেকৈয়ে সি 12th পাছ কৰিলে। তাৰ পাছত সি NIT ত এডমিশ্যন ললে, শ্ৰীনগৰত। কিন্তু কি হল তাত নাজানো, সি চাগৈ ভিতৰি ভিতৰি তেতিয়ালৈ শেষ হৈ গৈছিল, এন্টি ডিপ্ৰেছেন্টৰ overdose লৈ সি হস্পিতালত ভৰ্তি হব লগা হল। কিয় নাজানো, সেইদিনা সি প্ৰথমবাৰ মোলৈ ফোন কৰিছিল, একো নকলে, চেপাঁ চেপাঁ কান্দোনৰ শব্দ শুনি সকলো বুজি পালো মই। উৎপলক লগত লৈ পিছদিনাই উৰা মাৰিলো তাৰ ওচৰলৈ। অৰ্ণৱক দেখি ভয় খাইছিলো সেইদিনা মই, চকুৰ তলত ডাঙৰ ডাঙৰ গাত, ওঁঠ দুটা শুকান, চকু কেইটা অঙঠাৰ নিচিনা ৰঙা। ডক্টৰে জনাইছিল সি যে বহু দিন

আগৰপৰাই সেইবোৰ tablet খাই আছিল। কিমান অকলশৰীয়া হলে এটা ওঠৰ বছৰীয়া লৰাই নিজৰ জীৱনটো এনেকৈ শেষ হৈ যাবলৈ দিব পাৰে???
মই কিন্তু সেইদিনা কন্দা নাছিলো, অৰ্ণৱ অলপ সুস্থ হোৱালৈ বাট চাই তাক একেবাৰে লৈ অহাৰ ব্যৱস্থা কৰিলো, কিন্তু সি নাহে, মইয়ো এৰি নিদিলো। অৰ্ণৱৰ জেদতকৈ মোৰ জেদ বহুত বেছি আছিল। তাৰ বস্তু বাহানি লৈ, কলেজৰ formality কৰি তাৰ হাতত মাথোঁ টিকেটতো দিলো।
: মই নাযাও।
: option দিয়া নাই মই তোমাক, বলা।
: I can’t live with a woman like you! You got it Mrs Anuradha?
এটা পূৰ্নহতীয়া চৰ মাৰিছিলো তাক, হস্পিতালৰ দুৱাৰ মুখতে, আৰু সহন শক্তি নাছিল মোৰ। পুনৰ প্ৰতিবাদ কৰা নাছিল সি। বাধ্য ছাত্ৰৰ দৰে মোৰ পিছে পিছে আহিল।
ঘৰ পাই তাৰ নতুন জেদ, সি মোৰ লগত নাথাকে, আনকি এইটো ঘৰত নোসোমালেই, আহমেদৰ লগত ড্ৰাইভাৰ কোৱাৰ্টাৰত থাকিবলৈ ললে। মোৰ বাহিৰে বাকীবোৰৰ লগত এটা দুটা কথা পাতে। একেবাৰেই ওলাই নাযায় ঘৰৰপৰা। ডাক্তৰ ঘৰলৈকে মাতি দিওঁ। লাহে লাহে সুস্থ হবলৈ ধৰিলে অৰ্ণৱ। উৎপলৰ লগত বন্ধুত্ব গঢ়ি উঠিল, পঢ়াতো সহায় কৰি দিলে। উৎপল তেতিয়া higher secondary final দিব, লগতে Engineering Entrance বিলাকৰ বাবেও সাজু হৈছিল। মই

উৎপলক কৈ অৰ্ণৱৰ কাৰণেও ফৰ্ম ফিলাপ কৰালো। মোৰ কথা অৰ্ণৱে একো নুশুনে, কিন্তু ৰেজিয়া আৰু উৎপলে কুটুৰি কুটুৰি তাক পৰীক্ষা দিয়ালে। ভগৱানৰ কৃপাত দুয়োটাৰে JEC তে এডমিশ্যন হল। ভগৱানক পৰি পৰি সেৱা কৰিছিলো সেইদিনা। মোৰ দুয়োটা লৰা একেলগ হল। কিন্তু অৰ্ণৱে যেন ঘৰৰপৰা ওলাই যোৱাৰ সুযোগ এটাহে পালে। ভাৰাঘৰত থকাৰ জেদ ধৰিলে। কাৰো বুজনি কামত নাহিল। মইয়ো সমানে জেদী। উৎপল লগত থাকিলেহে থাকিবলৈ দিম বুলি কলো, সি বৰ এটা আপত্তি নকৰিলে। সেই তেতিয়াই যি গল আৰু ঘূৰি অহা নাই। JEC য়ে অৰ্ণৱক অলপ হলেও সলনি কৰিলে, মোৰ লৰাটো আকৌ জী উঠিলে, লাহে লাহে অসমীয়া কথা বতৰা শিকিলে, মানুহক ব্যবহাৰ কৰিবলৈ শিকিলে। কিন্তু আকৌ খেলিমেলি লাগিল তুমি অহাৰ পিছত।

: কিন্তু মই কি কৰিলো????
: তোমাক লগ পোৱাৰ পিছত, বিশেষকৈ পূজাত তোমালোকৰ ঘৰলৈ গৈ সি বুজি পালে সি জীৱনত কি হেৰুৱালে, পৰিয়াল কি বস্তু, উৎসৱ-পাৰ্বনত আপোনজনৰ লগত থাকি কেনেকুৱা লাগে, সেইদিনা সি তোমালোকৰ ঘৰৰপৰা চিধাই ইয়ালৈ আহিছিল, ঘৰৰ ভিতৰ নোসোমালে, মোক দুৱাৰমুখতে যিমান পাৰে গালি পাৰিলে, তাৰ জীৱনটো কিয় ধ্বংস কৰিলো, দেউতাকক কিয় হত্যা কৰিলো, মোৰ প্ৰেমিক কোন যাৰ বাবে মই এইবিলাক কৰিলো, মুঠতে অকথ্য, অকল্পনীয় কিছুমান কথা শুনিলো সেইদিনা। কেনেকৈ বুজাওঁ মই, আচলতে কি

হৈছিল, কেনেকৈ হৈছিল। কেতিয়া যে বুজি পাব, মোক এবাৰ মা বুলি মাতিব!

হুমুনিয়াহ এটা কাঢ়ি তেওঁ বৈ গল। মইয়ো কি কম ভাবি পোৱা নাই।

: আস্থা, খোজবোৰ সাৱধানে দিবা, অৰ্ণৱ বৰ জটিল। তুমি নোৱাৰিবা চম্ভালিব। তাতে তোমাৰ পঢ়া আৰম্ভ হৈছেহে, মা-দেউতাৰ কিমান ছাগে সপোন আছে তোমাক লৈ, তেওঁলোকৰ কথাও ভাবিবা। তুমি জানো বিচাৰিবা তেওঁলোকে মনতে দুখ পোৱাতো।
: আপুনি কি বিছাৰে?
: মানে?
: নহয় মানে, আপুনি মই অৰ্ণৱৰ পৰা আঁতৰি থকাটো বিছাৰে, নহয় জানো।
: মুঠেও নহয়, মই মাত্ৰ নিবিছাৰো তুমি তাৰ ওচৰলৈ ক্ষণিকৰ বাবে আহা, আধৰুৱা কৰি মোৰ লৰাটো এৰি গলে সি আকৌ পাগল হৈ যাব, আৰু গোটেই জীৱনৰ কথা ভাবিবলৈ তুমি বহুত সৰু হৈ আছা, গতিকে নিজে আকৌ এবাৰ ভালকৈ ভাবি চাবা।
: হমম, ঠিক আছে।

কথাৰ মাজতে নিশাৰ কথা পাহৰিয়ে গৈছিলো, সেইজনী উৰি অহা দি আহি হেঁচা মাৰি ধৰিলেহি। ৰেজিয়া বাইদেউয়ে খাবলৈ মাতিছে। তললৈ নামি আহিলো, খোৱাৰ টেবুলত বিধে বিধে খোৱা বস্তু সজাই থোৱা আছে। কিছুমান মই চিনিয়ে পোৱা নাই,

মানে ঘৰত কেতিয়াও খাই পোৱা নাই। হাত-মুখ ধুই খাবলৈ বহিলো, মোৰ মুখামুখি কৈ অৰ্ণৱৰ মাক বহিল। নিশা আৰু ৰেজিয়া বাইদেউৰ কথা তেতিয়াও শেষেই হোৱা নাই। ভাতকেইটা লিৰিকি বিদাৰি বহি আছো। ইমানবোৰ কথা লুকাই আাছিল অৰ্ণৱৰ মাজত, আজি প্ৰায় ছমাহ দিন তেওঁ মোক লগ পাইছে, কিন্তু কোনোদিন একো নকলে কিয়। খং, জেদ এইবোৰৰ মাজতে দুখবোৰ কিয় লুকুৱাই ৰাখিলে?

: আস্থা, তুমি একো খোৱা নাই যে? বেয়া হৈছে নেকি ৰন্ধা?

ৰেজিয়া বাইদেউৰ মাতত উচপ খাই উঠিলো।

: নাই নাই, বেয়া হোৱা নাই, খাইছো।

পেটৰ ভোক কেতিয়াবাই মৰিল, আজি বহুত কিবাকিবি জানিলো, শুনিলো। সঁচাকৈ মা-দেউতা আৰু মোৰ পৃথিৱীখন ইমান সৰল, ইমান কোমল, সব মানুহ তেনেকুৱা হব নোৱাৰে নেকি? সবেই সবকে মৰম কৰিব, ভাল পাব নোৱাৰে নেকি? খাই উঠি অলপ সময় বহি সকলোয়ে কথা পাতিলো, অৰ্ণৱৰ মাকে কিন্তু বাৰে বাৰে মোৰ ফালেই চাই আছে, মোৰ মুখৰ সলনি হোৱা ৰঙৰ কাৰণ তেওঁৰ বাহিৰে ইয়াত থকা আন কোনেও নাজানে। সোনকালে ওলাই যাব পাৰিলেই ৰক্ষা।

: বল নিশা, আমি গৈ থাকো।
: আৰে যোৱাই নে, ইমান ভাল লাগিছে কথা পাতি, আৰু অকণ সময় বহাচোন।

ৰেজিয়া বাইদেউয়ে জোৰ কৰিলে।

: তেওঁলোকৰ বেলেগ কামো থাকিব পাৰে, যাবলৈ দিয়া।

অৰ্ণৱৰ মাকে ভালকৈয়ে বুজিছে মোৰ অৱস্থা, কোৱাৰ লগে লগেই বহাৰ পৰা উঠিলো।

: বলা, মই থৈ আহিম।
: নালাগে, আমি অট' লৈয়ে যাম, টাউনত অলপ বজাৰ আছে।

মুঠতে মই আৰু নোৱাৰোঁ, নিশাক কথাবোৰ কবই লাগিব। লগতে অৰ্ণৱৰ লগতো কথা পাতিব লাগিব। বিদায় লৈ লৰালৰিকৈ ওলাই আহিলো।

: আস্থা, কি হল, কিবা কলে নেকি অৰ্ণৱৰ মাকে।
: সব কম, অটত উঠি লওঁ।

বিচাৰি বিচাৰি এখন অট পালো, নিশাক এফালৰ পৰা সকলোবোৰ কৈ গৈছো, মোৰ দৰেই তাইৰো বিশ্বাস হোৱা নাই কথাবোৰ, চকু কেইটা ডাঙৰ কৈ মেলি মোৰ ফালে চাই আছে মাত্ৰ। গোটেইবোৰ কথা কলো তাইক, এতিয়াহে পাতল লাগিছে বুকুখন।

: আস্থা, অৰ্ণৱ দাক এইবোৰ নুসুধিবি।
: কিয়?
: কিয় মানে, পুৰণা ঘাঁ খুঁচৰি কি লাভ। অৰ্ণৱ দা আন লৰাৰ নিচিনা নহয়, তোৰ আগত নিজৰ দুখৰ কথা কৈ কোনোদিন sympathy লববৈলে অহা নাই, তইয়ো অৰ্ণৱ দাক এইবোৰ কথা

জনাৰ আগতেই ভাল পাইছিলি, so বাদ দে। অৰ্ণৱ দা তোৰ লগত অকণমান সুখী হৈছে, হবলৈ দেচোন।
: কতনো সুখী, আজি নোযোৱা কাৰণে বেয়া পালে মোক। কাইলৈ ৰাতিপুৱা ঘৰলে যামগৈ, লগেই নাপাওচোন।
: I have a brilliant idea. আমি ঘৰলৈ কাইলৈ নহয়, পৰহিলৈ যাম। এনেও বাঁহতৰ exam শেষ হোৱা নাই, তেওঁলোক থাকিবই, আমিও আৰু এদিন থাকি দিওঁ। and তই কাইলৈ অৰ্ণৱ দাৰ লগত ওলাই যাবি।
: কি???

আগলৈ....

খণ্ড ৫

নিশা, উৎপল দা আৰু অনুৰাগ, তিনিওটা Conference কল লগাই ঘণ্টা ঘণ্টা ধৰি একেটা কথাকে পাতি আছে, কাইলৈ অৰ্ণৱ আৰু মোক কেনেকৈ লগ লগাই দিব পাৰি। কাৰণ খঙত একো নাই নাই হৈ আছে অৰ্ণৱ। মোৰ নাম ললেও গালি পাৰে উৎপল দাক। মই মনে মনে সিহঁতৰ কথাবোৰ শুনি শুনি হাঁহি আছো।

: ফোনটো ল।
: কি??

নিশাই হঠাৎ ফোনটো মোক দি আঁতৰি গল, মই ভাবিলো উৎপল দাৰ লগত কথা পাতিব লাগে, কিন্তু নহয়, সিফালে অৰ্ণৱ।

: নিশা, কিবা কবি?

খং উঠি থাকিলে অৰ্ণৱ অলপ বেছি গহীন হৈ যায়।

: নিশা নহয়, মই। আস্থা ।
: I don’t wanna talk to you.
: মোৰ আছে কথা পাতিবলগীয়া, কাইলৈ লগ পাম।

কৈয়ে ফোনটো কাটি দিলো, কিমান সাহস কৰি কথাটো কলো নিজৰে বিশ্বাস হোৱা নাই। অপেক্ষা মাথোঁ এতিয়া ৰাতিপুৱালৈ। এটা ধুনীয়া দিনৰ সপোন লৈ শুই থাকিলো।
ৰাতিপুৱা শুই উঠিয়েই ব্ৰাচদাল মুখত লৈ ফোনটো চালো, নাই অৰ্ণৱৰ খা-খবৰ নাই। মুখ-হাত ধুই চাহ কাপ লৈ বহিছো, আহিলে মেছেজ এটা।

: Be ready, I will come to pick you up.

অৰ্ণৱ????!!!!
খঙটো কমিল মানে, মুখত আপোনা-আপুনি হাহি এটা ওলাই গল, নিশাক চোঁচৰাই নমাই দিলো বিচনাৰ পৰা। এঘন্টা আছে মোৰ হাতত এতিয়া, বুকুখন ধক্ ধক্ কৰিবলৈ ধৰিলেই। নিশাৰ বেছিহে অৱস্থা বেয়া, তাইৰে মোৰে গোটেই কাপোৰ সোপা বিচনাত মেলি লৈছে, কি পিন্ধিম সেইতো ভাবি পোৱা নাই।

সুধিবলৈ কোনো নাই হোষ্টেলত, ৰাতিপুৱাই ঘৰলৈ গল সৱ, বাহঁতৰ পৰীক্ষা আছে। দুয়োজনীয়ে এশবাৰ মান ভাবি ভাবি অৰ্ণৱৰ প্ৰিয় ৰঙৰ চুৰিদাৰ এযোৰ উলিয়াই ললো, ৰঙা। গাটো ধুই ওলাই আহি নিশাৰ আগত বহি দিছো। সৰুতে পুতলা সজোৱাৰ নিচিনাকৈ তাই মোক সজাইছে, কাজল আঁকিছে, পাতলকৈ লিপষ্টিক লগাইছে।

: তই নিজে ওলোৱাই নাইচোন।
: পাগল হলি নি তই? মই আকৌ কেলে যাম তহঁত দুটাৰ লগত।
: তইহে পাগল, মই অকলে অকলে অৰ্ণৱৰ লগত কেতিয়াও নাযাও, তাতে কালিৰপৰা মূৰটো গৰম হৈ আছে, ঠিকছে গালি দিব মোক। তইয়ো বল না, তই থাকিলে বেছি গালি নিদিয়ে।

বহুত কাকূতি মিনতি কৰি নিশাক মান্তি কৰালো, সিধান্ত হল, আমি যত যাম, তাই আৰু অনুৰাগ তালৈকে আহিব। উশাহটো ঘূৰাই পোৱা যেন লাগিলে।
আইনাত নিজকে এবাৰ চালো, প্ৰিয়জনক লগ পোৱাৰ হাবিয়াস সকলোৰে বাবে এনেকুৱাই নে? নিজকে তেওঁৰ বাবে সজাই তুলি ভাল পায়নে সকলোৱে ?
বুকুখন এনেকৈয়ে ধক্ ধক্ কৰেনে???????
ফোনটো বাজি উঠিল, অৰ্ণৱ।

: I am waiting outside.

ওলাই যাবলৈ ভয় লাগিলেই, নিশাক টানি টানি লগতে লৈ আহিছো। গেটৰ সন্মুখত ৰৈ আছে অৰ্ণৱ। মোৰ দৰে চাগে

তেওঁৰো হৈছে। কলা ছাৰ্ট আৰু ব্লু জিনছত আৰু বেছি ভাল দেখাইছে। কিন্তু এই দাড়ি সোপা কিয় নাকাটে নাজানো, গুণ্ডা গুণ্ডা লাগি যাই কিবা। পাতলকৈ হলেও ৰাখিবই। বাইকখনৰ ওচৰত গৈ ভূতটোৰ নিচিনাকৈ ৰৈ আছো। অলপ আঁতৰত ৰৈ নিশাই মুখ খন টিপি টিপি হাঁহি আছে।

:উঠা।

ধক্।
খং তো কালিৰ সমানেই আছে। ছুৰিদাৰ জোৰতকৈ বেছি ৰঙা মোৰ গালখনহে হৈছে।
লাজে ভয়ে সৰু বেগটোতে খামুচি ধৰি ৰৈ আছো, কিন্তু এনেকৈ থাকিলে আৰু গালি খাম, গতিকে হাতখন তেওঁৰ কান্ধত থৈ বাইকত উঠিলো। চিনাকি গোন্ধটো আকৌ এবাৰ উশাহত। হাতখন আতৰাই আনিলো।

: আমি কলৈ যাম?
: কিয় লাগে? You can trust me. You will be safe.
: নহয় মানে নিশা আহিব।
: Whatttt?? You invited people to join us in our first date? See Astha, if you still have doubt or if you feel unsafe with me, then please go back, I can understand.
: নহয়, মই তেনেকৈ ভাবি নিশাক মতা নাই, তাই থাকিলে আপুনি কমকৈ গালি দিয়ে কাৰণে মাতিছিলো।
: You are impossible! Can we leave now?
: হমম ।

: Bye Nisha.
: বাই অৰ্ণৱ দা, আহি আছো পিছে পিছে, লান্স একেলগে কৰিম।
: Sure.
: পোৱালিক গালি চালি নিদিব দেই বেছিকৈ।
: পোৱালিক কোৱা মোৰ খং টো নুঠাবলৈ।

হাঁহি হাঁহি নিশা ভিতৰলৈ সোমাই গল।

: ভালকৈ ধৰি লোৱা।

সোঁহাতখন তেওঁৰ কান্ধত থলো, আৰু অলপ কাষ চাপি বহিলো অৰ্ণৱৰ। আজি ইমানদিনে আমি দুয়োয়ে বিচাৰি ফুৰা আমাৰ সময়খিনি আজি একেলগে কটাম। হে নমো, অৰ্ণৱৰ খংতো যেন আজি কমকৈ উঠে!!!!! আৰম্ভ হল আমাৰ যাত্ৰা। ডিচেম্বৰ মাহৰ ঠাণ্ডাৰ আমেজ আৰু ৰদৰ কোমল পৰশ, এটা মিঠা মিঠা অনুভৱ। চকুকেইটাই জপাই উশাহটো টানি ললো, এই ভাল লগাৰ যেন শেষ নহয়। কলৈ গৈ আছো নাজানো, কিন্তু গৈ থকা ৰাস্তাটো খুব ধুনিয়া, দুয়োফালে কেৱল সেউজীয়া। অৰ্ণৱে এতিয়ালৈকে এটাও কথা সোধা নাই। মইয়ো কিবা সোধাৰ সাহস কৰিব পৰা নাই।
বহুত সময় তেনেকৈয়ে গুচি গল।

: মই যেতিয়া বেছি lonely feel কৰোঁ, ইয়ালৈ আহোঁ।
: ধুনীয়া ঠাই।

: তুমি অহা নাই কেতিয়াও?
: ওহোঁ।

বিশাল ব্ৰহ্মপুত্ৰৰ পাৰৰ এখন ধুনীয়া ঠাই, নহয়, খুব বেছি ধুনীয়া ঠাই। নিমাতী। মই আগতে কেতিয়াও যোৱা নাছিলো। বাইকখন ৰখাই অলপ খোজকাঢ়ি গলো। দূৰ-দূৰলৈকে কেৱল ব্ৰ্হ্মপুত্ৰৰ বিশালতা। বুকু জুৰ পৰি যোৱাকৈ সুন্দৰ এটা পৰিৱেশ।যিহেতু ডিচেম্বৰ মাহ, বনভোজ খাবলৈ অহা মানুহৰ অলপ ভিৰ। কিন্তু হলেও কিবা এটা ভাল লাগি গল মনটো।

: I have a special place of mine, want to see?
: হমম ।

মানুহৰ ভিৰৰ পৰা অলপ আঁতৰি আহিলো, তললৈ নামি যাওঁতে অলপ ভয় লাগিল, হলেও অৰ্ণৱৰ হাতত ধৰি আগবাঢ়ি গলো, কহুৱা বনৰ মাজে মাজে গৈ অলপ নিজান এটুকুৰা ঠাই, কোলাহল শূন্য, বোৱতী পানীৰ শব্দৰে জীপাল।

: You know what, I always wanted to bring you here.
ইয়ালৈ আহি বহুত শান্তি পাওঁ মই। অকলে বহুতবাৰ আহিছো, ঘণ্টাৰ পিছত ঘণ্টা বহিছো, চিগাৰেট খাইছো, জীৱনত কি পালো, কি নাপালো হিছাপ কৰিছো, this place is so special for me. And thank you for coming here, it became more special for me now.
: ইয়াত বহিব পাৰি?
: of course, why not.

দুয়ো বহি কেৱল বৈ যোৱা পানীখিনি চাই আছো, দুয়োৰে বুকুৰ মাজত বহুত কিবাকিবি ঘটি আছে, ঠিক এই পানীখিনিৰ দৰেই, ওপৰত শান্ত, গভীৰলৈ গলে কোবাল ঢৌ, অহৰহ খুন্দিয়াই থাকে মনৰ মাজত। অৰ্ণৱৰ সোঁহাতৰ মুঠিত মোৰ বাওঁহাতখন, খামুচি ধৰি আছে। এৰি দিলেই যেন হেৰাই যাম। তেওঁৰ ফালে এবাৰ চালো, চকুকেইটা অলপ সেমেকা। কি হল???

আগলৈ....

খণ্ড ৬

: মই বিয়া নহওঁ কেতিয়াও।
: WHAT!!!!!!! Nooooooo!

ভয় খাই গলো, ইমান জোৰকৈ চিঞৰি উঠিল অৰ্ণৱে।

: What do you mean Astha??You have to marry me.

কি আচৰিত মানুহ এইজন, প্ৰথম বাৰ লগ কৰিবলৈ আহিছো হে, বিয়াৰ কথাই পালেগৈ।

: মই বিয়া হৈ গুচি গলে মা-দেউতা অকলশৰীয়া হৈ যাব।
: মা-দেউতাকো লৈ আনিম মই, তোমাৰ লগতে।

এইবাৰ হাঁহি ৰখাব পৰা নাই, হাঁহি হাঁহি চকুপানী ওলাই গল, অৰ্ণৱে মোৰ লগতে মা-দেউতাকো বিয়া পাতিব।

: You look beautiful when you laugh Astha!

হঠাৎ ওচৰ চাপি আহিল, উৰি থকা চুলিখিনি কাণৰ কাষলৈ ঠেলি দিলে। অলপ নিজকে আঁতৰাই আনিলো। অৰ্ণৱৰ ওচৰ চাপিলে কলিজাটো ওলাই আহিম যেন কৰে।
: JEC ৰ পৰা ওলাই আপুনি কি কৰিম বুলি ভাবিছে।

অৰ্ণৱৰ চকু তেতিয়াও মোৰ ওঁঠৰ চুকত থকা তিলটোতে ৰৈ আছে, অলপ অসহজ লাগিল।

: মানে masters কৰিব নে Job?
: হাঁ??
: মই সুধিছো BE complete কৰি আৰু পঢ়িব নে চাকৰি কৰিব?
: Actually কি জানা আস্থা, মোৰ completely বেলেগ interest. I want to do game development. সৰুৰ পৰাই game খেলি ভাল পাওঁ, actually I have even made one also, there are some errors but you can try it once. কেম্পাছত চাকৰি হৈ যোৱা হলেও মই চাগে এইটো খং লৈ বেছি দিন corporate world খনত টিকি থাকিব নোৱাৰিলোঁহেঁতেন। সেইকাৰণে ভাবিছো নিজৰ যিটো কাম কৰি বেছি ভাল লাগে সেইতো কৰিম। 99Games বুলি এটা company আছে বাংগালোৰত, Internship অৰ কাৰণে apply কৰিছিলো, interview clear হলে final exam দি যাম।

: উৎপল দাৰ posting তাতে নহয় জানো, মানে আপোনালোক আকৌ একেলগে থাকিব পাৰিব।

মনটো ভাল লাগি গল, দুজন বন্ধু, নহয়, দুজন ককাই-ভাই বেলেগ হব লগা নহয়, তাতে অৰ্ণৱৰ উৎপল দাৰ বাহিৰে বেলেগ বন্ধু সিমান দেখাও নাই, তেওঁ অকলশৰীয়া হৈ যাব বুলি বৰ বেয়া লাগিছিল, এতিয়া সেইটো চিন্তা আৰু নাই।

: এতিয়া তোমাৰ কথা কোৱা, সঁচাকে বিয়া নোহোৱা?
: আমাৰ জীৱন আৰম্ভ হৈছেহে, মোৰ দেউতাই কয়, অতীত আৰু ভৱিষ্যতৰ কথা ভাবি কাম কৰাতকৈ আমি আমাৰ বৰ্তমানটো ভালদৰে সজাব লাগে। আপোনাৰ লগত মই JEC ত থকা সময়খিনি ধুনিয়াকৈ পাৰ কৰিব বিচাৰোঁ, যাতে আপুনি গুচি যোৱাৰ পাছতো ধুনিয়া স্মৃতি হৈ সেইখিনি মোৰ লগতে থাকি যায়।
: ময়ো তোমাৰ লগত বহুত সময় থাকিব বিচাৰো, উৎপলৰ পিছত যদি কোনোবা মোৰ ইমান close হৈছে, সেয়া তুমি আস্থা, please don’t leave me, I will do anything for you, you just say it once.
: Anything???
: Yes anything.
: তেতিয়া হলে শুনক, আপোনাৰ কেইটামান কথা মোৰ ভাল নালাগে। প্ৰথম কথা, খংটো কমাব লাগিব, এনেকে মোক গালি পাৰি থাকিলে নহব।
: I will work on it. Promise. Next?

: উফ্, ভালপোৱাৰ কথাবোৰ ইংৰাজীত কলেহে হয় নেকি, ভালকৈ অসমীয়া কবলৈ শিকিব লাগিব।
: মইচোন জানো অসমীয়া কব, I mean অলপ অলপ জানো ন?
: লিখিব জানে? পঢ়িব জানে?
: No. Sorry.
: সেইটো কথাই কৈছো, শিকিবলৈ চেষ্টা কৰক, তেতিয়াহে মই ভালপোৱা কিতাপবোৰ পঢ়িবলৈ দিব পাৰিম, অসীমত যাৰ হেৰাল সীমা কিতাপখনৰ নাম শুনিছে?
: উৎপলৰ ওচৰত আছে, but কি হয় সেইখন? মানে বহুত ভাল কিতাপ?
: আপুনি অসমীয়া শিকি পঢ়ি চাব, তাৰ পাছত নিজেই গম পাব।
: English translation নাই নেকি?
: উৱা, ইমান ধুনিয়া অসমীয়া কিতাপখন থাকোঁতে আপোনাক ইংৰাজীখন কেলেই লাগে?

খং উঠি আহিলে, আসমীয়া পঢ়িব নাজানে, শিকি ললেই হল। মোৰ প্ৰিয় কিতাপখন দিবও নোৱাৰোঁ, কি যে মানুহ!

: Ok ok, sorry. I will learn Assamese.
: অসমীয়াত কওঁক।

কৃত্ৰিম খং দেখুৱাই কলো, সদায় মোক খং কৰে, আজি সুবিধা পাই ময়ো কৰিলো।

: মই অসমীয়া শিকিম।

আৰু বহুত কিবা কিবি কথা পাতিলো, কিয় জানো, কিবা এটা ভাল লাগিছে সকলোবোৰ। মনৰ মাজত সোমাই থকা সৰু সৰু কথাবোৰ আমি ইজনে আনজনৰ আগত খুলি কৈছো, অৰ্ণৱৰ অন্ধকাৰ দিনবোৰৰ কথাও মোক আজি খুলি কৈছে তেওঁ, সেমেকা চকুৰে মোলৈ চাইছে, খামুচি ধৰিছে মোৰ হাতখন, মাজে মাজে হাঁহিছো, মাজে মাজে চকুলো টুকিছো, আমাৰ মাজৰ দূৰত্ব লাহে লাহে যেন কমি আহিছে। অৰ্ণৱৰ ভিতৰখন জুমি চাইছো মইয়ো, যিমান পাৰো বুজিবলৈ চেষ্টা কৰিছো তেওঁক। অৰ্ণৱে আইতা আৰু মোৰ মাজত হোৱা সৰু সৰু কথাবোৰ শুনি হাঁহিছে, তেওঁৰ সৰুকৈ হলেও নিজৰ start up খোলাৰ সপোনৰ কথা কৈছে। আজিৰ এই দিনটো যেন শেষ নহয়। আবেলি হবৰ হল, কিন্তু আমাৰ ভোক-পিয়াহ একো নাই। ভাল লগা মানুহৰ মিঠা সান্নিধ্য পালে সকলো পাহৰি যাব পাৰি।

: আস্থা, তুমি in future যি কৰোঁ বুলি কোৱা, যতেই চাকৰি কৰিব বিচাৰা কৰিবা, I will never stop you from anything. But please মোৰ লগত নাথাকো বুলি নকবা। please Astha, I really need you.
: আজি আপোনাৰ মোক ভাল লাগিছে, কাইলৈ নালাগিবও পাৰে। বিয়া হোৱা বা সদায় একেলগে থাকিবলৈ ভালপোৱাৰ লগতে আৰু বহুত কথা আহি পৰিব। আগতে আমি ইজনে সিজনক ভালকৈ জানি লওঁ। আৰু যদি আমাৰ ভালপোৱা সদায় এনেকুৱাই সজীৱ হৈ থাকে, মই আপোনাৰ লগত নিশ্চয় থাকিম। কিন্তু লাহে লাহে যদি ভালপোৱা কমি আহে, মোতকৈ

বেছি ভাল কোনোবা যদি আপোনাৰ জীৱনলৈ আহে, আপুনি প্লিজ মোক নোকোৱাকৈ নাথাকিব। আমি ভালপোৱাক বান্ধোন হিচাপে যাতে কেতিয়াও নলওঁ, আমাৰ ভালপোৱা মুক্ত হৈ থাকক, চৰ্ত ৰাখি তাক দায়িত্বৰ ৰূপ দিয়াৰ ইচ্ছা মোৰ নাই।

: মোৰ পোৱালি কেতিয়া ইমান ডাঙৰ হল, I am totally impressed, but তুমি বহুত টান টান অসমীয়া কৈছা। Now I have to learn Assamese for Sure.

প্ৰাণ খুলি হাঁহিছো দুয়োজনে, আবেলিৰ ৰঙা বেলি লহিওৱাৰ সময়, ঠাণ্ডা নামিছে লাহে লাহে, ঘূৰি যোৱাৰ ইচ্ছা কিন্তু নাই। ৰৈ থাকিম যেন এনেকৈয়ে, গোটেই জীৱন, ভাল লগাৰ কি যে মায়া!!!!
কিন্তু যাবতো লাগিবই! বহাৰপৰা উঠিলো দুয়ো, দুখোজমান আহোঁতেই অৰ্ণৱে কলে-

: So you won’t miss me after I leave JEC?
: ওহোঁ ।
: Then I must do something to make you miss me!
: মানে??
: You just wait and watch mystery girl.

দুয়োখন হাতেৰে মোৰ মুখখন তুলি ধৰিলে, বুকুখন চিৰিংকৈ উঠিল। অৰ্ণৱৰ চকুত অজানা আবেগ, ছাঁ পোহৰৰ মায়াময় খেলা, চেঁচা বতাহে কোবাই গল, কিন্তু মোৰ চোন গৰম উঠিছে, গাল দুখন পুৰি যোৱাকৈ.. চকু দুটা জপাই দিলো। অৰ্ণৱৰ উশাহ

মোৰ চুলিত লাগিছে, মোৰ একেবাৰেই ওচৰত অৰ্ণৱৰ উশাহৰ ঘন ঘন শব্দ। চকু মেলি চোৱাৰ সাহস নাই। মনৰ ভাৱনাৰ বুৰবুৰণিৰ মাজতে অৰ্ণৱে কপালত আলফুলে আঁকি গল এটা কপাহ কোমল চুমা।
কি আছিল এইয়া????
কিয় ইমান বেলেগ আছিল এই পৰশ??
আইতা বা মাৰ মৰমৰ চুমাতকৈ কিয় ইমান পৃথক?
সামৰি লৈছো নতুন আবেগ।
বুজা নুবুজাৰ মাজতো বুকু ভৰাই তোলাকৈ মিঠা এই ক্ষণ..
এৰি দিছো নিজক….. লৈ যা সময়..
ঘুৰাই নানিবি সেই সপোনপুৰীৰ পৰা
এইজনী আস্থা ডাঙৰ হৈছে
বুজিব পৰা হৈছে…
ৰঙা গালৰ পুৰণি আজি কিয় ইমান ভাল লগা?
লাহে লাহে নামি আহিল ওঁঠযুৰি, তেজৰঙা গালখন আৰু ৰঙা কৰিবলৈ, জানি বুজি যেন অৰ্ণৱে বেছি দীঘলীয়া কৰি নিছে ওঁঠৰ পৰশ..
ভাল লাগিছে!
ওহোঁ, ভয়ো লাগিছে!
মোৰ কি হৈছে ।
কেতিয়াও বুজি নোপোৱা শিহৰণে কঁপাই তুলিলে মোক, কলপাত কঁপাৰ দৰে কঁপিছো মই, অৰ্ণৱে বুজি পালে মোৰ কি অৱস্থা, আলফুলে সুমুৱাই ললে বুকুৰ মাজত।

: Hey… Its okay, relax.
: I love you Astha, so damn much.
: I love you too….

কৰবাৰ পৰা ভাঁহি আহিছে জুবিন দাৰ দৰদী কন্ঠ, মোৰ প্ৰিয় গীত…
“ধীৰে ধীৰে হেৰাই যায় আবেলিৰ ৰদালি..
ধীৰে ধীৰে ঢিমিকি জ্বলে শেৱালি যেন তৰালি.. “

: উঠ আকৌ আস্থা, অৰ্ণৱ দাৰ সপোন দেখি আছ নেকি? ঘৰলে যাব নালাগে?

কালি ঘুৰি আহি পোৱাৰ পিছতো অৰ্ণৱৰ বহুত কথাই থাকিল কবলৈ, ৰাতি ফোন কৰি কৰি বাৰে বাৰে একেটা কথা কৈয়ে জোকাই থাকিল, মোৰ গালখনত হেনো অমলেট বনাব পাৰি, ইমানেই গৰম হৈ যায় তেওঁ ওচৰত থাকিলে।
হে নমো, এনেকুৱা অঁকৰা প্ৰেমিক মোকেই দিব লাগেনে? মৰম লগা কথা এটা কব নাজানে।
হোষ্টেলৰ ওচৰ পাই নামিবলৈ নিদিলে, বাইকখন নৰখালেই, বহুত দেৰি কলেজৰ ওচৰে পাজৰে ঘূৰি থাকিলো, একেটা কথাতে লাগি থাকিলে, মই ঘৰত থাকোতে আমাৰ ঘৰলৈ যাবলৈ দিব লাগে তেওঁক, মইয়ো হাঁ বুলি নকলো, বহুত দেৰিৰ পাছত যেনিবা উপায় নাপাই নমাই থৈ গল। ৰাতি আকৌ ফোন কৰি কৰি একেটা কথাকে কৈ থাকিল। ৰাতিপুৱা সময়ত হে অকণমান টোপনি আহিছিল, আকৌ উঠিবৰ হলেই।

টোপনিয়াই টোপনিয়াই বাথৰূমত সোমালো। নিশাই এইবাৰ দুয়োজনীৰে কাপোৰ ভৰাই আজৰি, আমাৰ ঘৰলৈ যাবলৈ মোতকৈ বেছি তাইৰহে উৎপাত। আইতাই তাইৰ ফোনত হে ফোন কৰে আজিকালি, কি খাব গৈ পাই সেইটোকে দহবাৰ মান সুধিলে এতিয়ালৈকে।

বাইদেউৰ দোকানতে চাহ খাই আহোগৈ বুলি ওলাই আহিলো দুয়োজনী, বহুত দিন বাইদেউৰ লগত কথাও নাই পতা। ভবা মতেই আগৰে পৰাই অৰ্ণৱ আৰু উৎপল দা তাতে বৈ আছে। বাইদেউৱে মোক দেখি দূৰৰ পৰা চিঞৰ এটা মাৰিলে।

: কালি বোলে কোনোবা ফুৰিবলৈ গৈছিলে, আমি আকৌ ছোৱালী ডাঙৰ হল বুলি গমেই নাপাও।

অৰ্ণৱলৈ ঘোপাকৈ চালো, একো যেন নাজানেই তেনেকুৱা কৰি দেখালে। লাজতে মৰো নিচিনা লাগি গল।

চাহকাপ হাতত লৈ আঁতৰি আহিলো, উৎপল দাই নিশাক মাতি নি কিবা এটা কলে।

মই পিছলৈ চোৱা নাই, চিধা চিধি আহি আছো।

: মোৰ খং বেছি বুলি কৈ এতিয়া নিজে কি কৰি আছা।

পিছে পিছে আহি আাছিল তাৰমানে।

: এতিয়া আৰু আগৰ নিচিনাকে ধৰি ৰখাই নথওঁ।

: কিয়? ভয় লাগে মোলৈ?

: No no, because now I have my answer, that you love me.

আজি জোখতকৈ অলপ বেছিয়েই হাঁহি আছে কেতিয়াও নহঁহা মানুহজনে। কিবা এটা মৰম লাগিছে, জপৰা চুলি আৰু ৰঙা ৰঙা চকুকেইটাৰে, শোৱাৰ পৰা উঠি চিধাই আহিছে ছাগে। হোষ্টেলৰ সন্মুখ পাওঁতেই দেখিলো নিশাৰ দেউতাকক, গাড়ীখন আনি একেবাৰে ওচৰতে ৰখাই দিলেহি। আচৰিত হৈ গলো, আহিম বুলি কোৱা নাই, আজি ইমান দিন হৈ গল তাইলৈ ফোন কৰাও নাই। নিশা দৌৰি আহি কিবা কবলৈ লৈ দেউতাকক দেখি একে ঠাইতে বৈ গল। আমি মাত্ৰ ইজনীয়ে সিজনীৰ মুখলৈ চাই বৈ আছো।

: ভালে আছা নে আস্থা? ওলাই আছা যদি বলা। বল মাজনী।
: মই নাযাঁও তোমাৰ লগত। কিয় আহিছা এতিয়া, যোৱাগৈ।
: পাপাৰ ভুল হৈ গল অ', তোক ফোন কৰিবলৈও সাহস নাছিল, কালি আস্থাৰ দেউতাকক ফোন কৰি গম পালো আজি যাবলৈ ওলাইছ বুলি, সেইকাৰণে ৰাতিপুৱাই আহিছো। বেয়া পায় নাথাকিবি, বল ঘৰলৈ।

নিশাৰ দেউতাকৰ চকুত অনুশোচনা স্পষ্ট। মানুহজনে নিজৰ ভুল বুজি পাইছে। এনেতে গাড়ীৰ পিছফালৰ দৰজা খুলি মানুহ এগৰাকী নামি আহিল, অলপ অসুস্থ যেন লাগিলেও এসময়ৰ ধুনিয়া চেহেৰা ম্লান পৰা নাই। পাতল সেউজীয়া শাড়ী এখন পিন্ধি আহিছে। মানুহগৰাকী দেখি নিশা অস্থিৰ হৈ পৰিল, মোক

ধৰি ভিতৰলৈ টানি নিব খুজিলে। কিন্তু মানুহগৰাকী আহি তাইৰ সন্মুখতে ৰলহি, কি হৈছে একো ধৰিবই নোৱাৰিলো। অৰ্ণৱ আৰু উৎপল দা সেইখিনিৰ পৰা আঁতৰি গল।

: মায়ে তোক ঘৰলৈ নিবলৈ আহিছে নিশা।

মানুহগৰাকীয়ে তেতিয়াও একো কোৱা নাই, নিশাৰ ভৰিৰ পৰা মূৰলৈকে বাৰে বাৰে চাইছে, গাল-মুখ বোৰ মোহাৰি দিছে, হাত দুখন অলপ কঁপি থাকে। মানুহগৰাকীয়ে এইবাৰ নিশাৰ দেউতাকৰ ফালে চালে, কি সুধিব খুজিছে দেউতাকে যেন বুজি পালে, মূৰটো লাহেকৈ দুপিয়াই দিলে।

: নিশা মাজনী, ডাক্তৰে মা ভাল হৈ যাব বুলি কৈছে, আৰু অলপ দিন কষ্ট কৰিব লাগিব, দৰবৰ লগতে meditation কৰিবলৈ দিছে, লাহে লাহে আগৰ কথাবোৰ মনত পেলাব পৰা হৈছে, তই থাকিলে আৰু সোনকালে ভাল হব। ঘৰলৈ অহা দিন ধৰি তোৰ কথাই সুধি আছে, বল মাজনী।
: ইমানেই যদি মৰম পলাই গৈছিলে কেলেই?
: তাত মোৰো ভুল আছিল, মই এওঁক কেতিয়াও সময়েই নিদিলো। টকা পইচাৰ মোহত সব পাহৰি গৈছিলো। অকলশৰীয়া মানুহে ভুল কৰি পেলায় কেতিয়াবা, তোৰ মাৰ লগতো সেয়াই হল। বাৰু সেইবোৰ বাদ দেচোন, ঘৰলৈ বল, মই ভালকৈ কথা পাতিম এই বিষয়ে।

: But মোৰ..
: আমি বেগ কেইটা লৈ আহিছো খুড়া।

নিশাক একো কবলৈ নিদিলো, তাইক ভিতৰলৈ লৈ আনিলো।

: কেলেই টানি আনিলি মোক, নাযাও মই ঘৰলৈ।
: কিয়? নিশা পুৰণা কথাবোৰ বাদ দেচোন, মাক দেখিলি তোৰ। কি অৱস্থাত আছে মানুহগৰাকী, তোৰ বেয়া লগা নাই?
: লাগিছে, বহুত বেয়া লাগিছে, কিন্তু সেই বুলি মোৰ খং কমা নাই।
: বুজি পাইছো, কিন্তু এতিয়া সেইবোৰ বাদ দে, ঘৰলৈ যা, দেউতাৰ লগত ভালকৈ কথাবোৰ পাতি ল, চাবি, সব ভাল হব।

বহুত বুজাই বঢ়াই মান্তি কৰালো। দুয়োজনী ওলাই আহি গাড়ীত বহিলো। মাকে নিশাক টানি নিয়াদি নি নিজৰ লগত পাচৰ চিটটোত বহাই ললে, মই আগতে বহিলো। অৰ্ণৱে দূৰৰপৰা সকলো চাই আছিল, কিন্তু এই মুহূৰ্তত ওচৰলৈ আহিব নালাগে বুলি তেওঁ জানে। সেইকাৰণেই ভাল লাগে মোৰ তেওঁৰ ব্যক্তিত্বক, দূৰৰপৰাই হাতখন দাঙি বিদায় জনালে। নিশাৰ মাকে গোটেই ৰাস্তাটো উচুপি উচুপি কান্দি আহিছে, নিশাক গালে মুখে চুমা খাইছে, কিন্তু মুখেৰে একো কব নোৱাৰে। দেউতাকে মাজে মাজে কিবা লাগিব নেকি, খাবা নেকি সুধিলে মূৰ দুপিয়াই উত্তৰ দিয়ে।

: খুড়ীয়ে আগৰপৰাই কথা নহয়?
: আগতে তেওঁ কথা কৈ কৈ আমনি লগাই দিছিল, কিন্তু এতিয়া

এনেকুৱা এটা trauma তেওঁ সহ্য কৰিব লগা হল যে মুখেৰে মাতেই নোলোৱা হৈ থাকিল। কিন্তু ঠিক হৈ যাব বুলি কৈছে ডাক্তৰে। আশাতে জীয়াই আছোঁ আমিবোৰ, তেওঁ ঘূৰি আহিল, সেয়াই মোৰ বাবে বহুত।

ভালপোৱাৰ কিমান ৰূপ!
কিমান বেলেগ এওঁলোকৰ মাজৰ সম্পৰ্ক।
সম্পৰ্ক শেষ হলেও আচলতে ভালপোৱা কেতিয়াবা থাকি যায় কৰবাত।
নিশাৰ বাবে সুখী হলো, তাইক যেন মৰমেৰে উপচাই ৰাখা নমো। ফোনটো বাজি উঠিল। অনুৰাগৰ ফোন।

: ক কি হল?

আজিকালি আমি তই তই বুলিয়েই কওঁ, নিশাৰ লগত থাকি থাকি ময়ো একেই হৈছো।

: আস্থা, নিশাৰ খং উঠিছে ন, মোৰ ফোন উঠোৱা নাই। যোৱাৰ আগতে মাতিছিল মোক, সাৰেই নাপালো বে, এতিয়াহে অৰ্ণৱ দাক বাইদেউৰ তাত লগ পাওঁতে কলে তহঁতি গলিগৈ বুলি। নিশাক দেচোন ফোনটো।

: এতিয়া নালাগে পাতিব দে, তাই তোক পিছত ফোন কৰিব।

এইখিনি সময় নিশা আৰু তাইৰ মাকৰ বাবে, দুয়ো বহুত বেছি জুৰুলা হৈ পৰিছে জীৱনত। হাঁহিৰ আঁৰত লুকাই থকা চকুপানীবোৰ নিশাৰ দুগালেদি বৈ আহিছে। মাকৰ কোলাতে

মূৰটো থৈ শুই আহিছে তাই। দেউতাকে সুখৰ চকুলো টুকিছে। ভাঙি যোৱা ঘৰ এখন আকৌ গঢ় লৈছে। আহিবলগীয়া দিনবোৰ সুখৰ হওক সকলোৰে।
হে নমো, অৰ্ণৱ আৰু তেওঁৰ মাকৰ মাজতো সব ঠিক কৰি দিবা।
খিৰিকীৰে বাহিৰলৈ চাই পঠিয়ালো।
আজি যেন সকলো সুখী, অৰ্ণৱ, নিশা,তাইৰ মা, দেউতা, মই!!!!!
ইমানবোৰ ভাল লগা একে দিনাই!
এনেতে অৰ্ণৱৰ মেছেজ আহিল।

: “I already miss you my blush queen”

ফোনটো বুকুৰ মাজত হেঁচি ধৰিলো।
আজি সকলোবোৰ ভাল লগা, মিঠা মিঠা!!!

… আগলৈ

খণ্ড ৭

ঘৰত থকা দিনকেইটাত অৰ্ণৱে দিনটোত মেছেজ কৰি কৰি পাগল কৰি দিয়ে, তাতে আকৌ নতুনকৈ অসমীয়া লিখা পঢ়া শিকিছে, অ আ ক খ লেখি ফটো মাৰি পঠিয়াই, মই হাঁহি হাঁহি মৰো। ঋ টো লিখোঁতে হেনো আঙুলি বিষাই গল। মোৰ এনেকুৱা লাগে, অৰ্ণৱৰ মাজত লুকাই থকা সৰু লৰাটো মোৰ

ওচৰত আৰু সৰু হৈ যায়। দিনবোৰ আৰু বেছি ধুনিয়া হৈ পৰিছে আজিকালি। আইতাৰ লগত কথা পাতি থাকোতেও মনে মনে হাঁহি থাকো। মাৰ চকুত ধৰা পৰোঁ বুলি নিজকে চম্ভালি থাকো, কিন্তু অৰ্ণৱৰ মেছেজ আহিলেই সৱ খেলি মেলি লাগি যায়। মায়ে কথাটো মন কৰি আছিল। এদিন ৰাতি শুই থাকোঁতে সুধিলে মায়ে-

: জীও, কি লুকুৱাই ৰাখিছ মোৰ পৰা। কব পৰা কথা যদি কৈ দে।
: একো নাই.. মানে.. পিছত কলে হব নে?
: ঠিক আছে, পঢ়া শুনা ভালকৈ কৰি থাকিবি, বাকীবোৰ পাছতো হৈ থাকিব, এইখিনি সময়ত পঢ়াত মন দিবি ভালকৈ, আগতে তোক পঢ়াৰ কথা কবই নালাগিছিল, এতিয়া কথাবোৰ অলপ বেলেগ যেন লাগিছে। বুজি পাইছো বাৰু। ভাবি গুনি আগবাঢ়িবি।

মাৰ কথাকেইটাই আকৌ মনত খেলিমেলি লগায় দিলে, ভুল কৰিছো নেকি মই?
নাই নাই, ভালপোৱা কেতিয়াও ভুল হব নোৱাৰে।
মোৰ মনত তেওঁৰ প্ৰতি কেৱল ভালপোৱা আছে, ইমান ধুনিয়া অনুভৱ ভুল হব পাৰে জানো???
আৰু মোৰ মৰমে যদি কাৰোবাৰ জীৱনটো আকৌ জীয়াই তোলাত সহায় কৰে, মই সেই মৰম দিয়াত কেতিয়াও কোনো কৃপণালি নকৰোঁ। কথাবোৰ ভাবি নিজকে কিবা ডাঙৰ

ছোৱালীৰ দৰে লাগিল, আজিকালি মইয়ো মাৰ নিচিনাকৈ কথাবোৰ ভাবিব পৰা হলো। মাক সাৱটি শুই থাকিলো, মোৰ এতিয়া কৰিবলগীয়া বহুত আছে, সাহস আৰু প্ৰেৰণা দুয়োটাৰে প্ৰয়োজন, আৰু মাৰ বুকুতে সকলোবোৰ নাই জানো!!!

ঘৰৰ পৰা ঘূৰি আহি এজনী নতুন নিশাক লগ পালো, এতিয়া আৰু তাই মানুহক দেখুৱাবলৈ নাহাঁহে, মনেৰে হাঁহে, মাক বহুতখিনি সুস্থ হৈছে, কথা পাতিবলৈ আৰম্ভ কৰিছে। দেউতাকেও সময় দিছে নিশাক, আনকি তাইৰ লগত ভিডিঅ গেম খেলিবলৈ শিকিছে। মুঠতে এজনী অন্তৰৰ পৰা সুখী নিশা। মনটো ভাল লাগি গল তাইৰ কথাবোৰ শুনি। পিছে মোৰ অৰ্ণৱ কিন্তু বৰ এটা সলনি হোৱা নাই, মোক দিনটোত এবাৰ নেদেখিলে খং উঠি আহেই, উপায় নাপাই আকৌ ওলাই আহো গেটৰ সন্মুখলৈ। বচ্, সিমানেই লাগে তেওঁক, দূৰৰ পৰা চাই হলেও গুচি যাব কিন্তু এবাৰ হলেও দেখা দিবই লাগিব। ঘৰৰ পৰা অহাৰ কেইদিনমান পাছত কলেজ উইক আৰম্ভ হল। ৰাতিপুৱা ৫ টা বজাতে উঠি পেৰেড কৰিবলৈ যাওঁ। প্ৰত্যেকটো হোষ্টেলৰ পৰা এটা এটা গ্ৰুপ বনাই পেৰেডত ভাগ লয়। হোষ্টেল নাইনৰ ছোৱালীবিলাক যেন বহুত বেছি ব্যস্ত এইকেইদিন, নাচ, গান, নাটক, মেগাজিনৰ কাম আৰু বহুত কিবা কিবি। ৰাতিপুৱা পেৰেড কৰি আহি কলেজলৈ যাওঁ, ঘুৰি আহি আকৌ গ্ৰুপ ডান্সৰ practice কৰোঁ। খাবলৈ শুবলৈ সময় নোহোৱাৰ নিচিনা হৈছে, কিন্তু খুব ভাল লাগিছে এই ব্যস্ততা। অৰ্ণৱে বুজি পায়, এইকেইদিন ফোন কৰি সোনকালে শুবলৈ কয়, বেছি কথা

নাপাতে। কলেজ উইকত যিমান পাৰো ফুৰ্তি কৰিলো, সেইকেইদিন পঢ়া শুনা বাদ, অকল উৎপাত সবৰে। উখল মাখল পৰিৱেশ, JEC খন আৰু বেছি ভালপাই পেলালো এইকেইদিনত। শেষৰ দিনা ৰাতি musical night, rock show সকলোবোৰ উপভোগ কৰিলো। আৰু আটাইতকৈ ভাল লগা কথা, অৰ্ণৱেও মন খুলি হাঁহিছে, তেওঁৰ বন্ধু সকলৰ লগত ফুৰ্তি কৰিছে। ইয়াৰ মাজতে বাৰু দুবাৰ মান আমি কাজিয়াও লাগিলো, নালাগি নোৱাৰি আচলতে। কালি আমি যেতিয়া বিহুৰ কাৰণে সাজু হৈ আহি আছো, ষ্টেজত উঠিবৰ হল, কৰ পৰা জানো ওলালেহি, হাতখনত ধৰি টানি নিলেই চুক এটালে..

: Why damn it? I asked you so many times. Answer me!

ওলাই মেলি হোৱাৰ পাছত তেওঁক মাতি দিবলৈ কৈছিল, সকলোতকৈ প্ৰথমতে মোক যাতে অৰ্ণৱে দেখে বিহুৰ সাজত, কিন্তু এনেই দেৰি হৈছিলে তাতে আকৌ অৰ্ণৱে পালে হলেই আৰু, সেইকাৰণে নামাতিলো, মনে মনে গুচি আহিলো, এতিয়া বিচাৰি বিচাৰি পালেহি ইয়াত, খঙত জ্বলি পকি আহিছে। কি যে হব আমাৰ। কেতিয়াবা ভাবিলে ভয় হে লাগে। কলেজত সবেই গম পালে আমাৰ কথা, এতিয়া আৰু একো লুকাই থকা নাই। বা-হতে মোৰ অৱস্থা দেখি হাঁহিলে। গালিকেইটা খাই হাঁহি হাঁহি বিহু নাছিবলগীয়া হৈছে। কেতিয়াবা কেতিয়াবা অৰ্ণৱক দেখিবলৈ মন নাযায়।
দিনটোত এবাৰ হলেও কাজিয়া এখন লাগো, কিন্তু বেছি দেৰিৰ কাৰণে নহয়। অৰ্ণৱ আৰু মই এতিয়া যেন এখন বেলেগ

পৃথিৱীৰ বাসিন্দা, যত কেৱল আমি দুয়ো আছো,আমি নিজৰ সৰু সৰু কথাবোৰ share কৰোঁ, ইজনে আনজনৰ ভুলখিনি দেখুৱাই দিওঁ,কেতিয়াবা আকৌ সেই নিমাতী ঘাটৰ নিজান ঠাইখিনিত বহি ভৱিষ্যতৰ সপোন দেখোঁ, অৰ্ণৱৰ অসমীয়া ভাষাৰ লিখনি দেখি পাগলৰ দৰে হাঁহো, মুঠতে সকলোবোৰ কিবা নতুন নতুন। এই সকলোবোৰ কথাৰ মাজত মোৰ পঢ়াৰ হিছাপ কিন্তু তেওঁ ঠিকেই ৰাখে, আনকি নপঢ়িলে মাতকৈ বেছি গালি পাৰে। ক্লাছ bunk কৰি এদিন মই, নিশা আৰু অনুৰাগ canteen অত বহি আছিলো। মানে এই দুটাৰ চাহ খাবলৈ উৎপাত, মোকো টানি টানি লৈ আনিলে, পিছে কি হব, চাহ নোখোৱাকৈয়ে হল, অৰ্ণৱৰ গালি খাই টোপনি ভাগি গল। তেতিয়াৰপৰাই অনুৰাগে অৰ্ণৱক মুগেম্বু বুলি মাতে। অনুৰাগ আৰু নিশাৰ প্ৰেমো আজিকালি একেবাৰে তুংগত, দুয়োটাই অকল দিনটোৰ বেছিভাগ সময় পঢ়া এৰি বেলেগ কিবা কৰাৰ কথা পাতে, কিন্তু কি কৰিব এটায়ো নাজানে। মোকো লগতে পাগল কৰি দিয়ে। JEC ৰ এটা এটা দিন আজিকালি হিছাপ কৰোঁ, অৰ্ণৱ কলেজ এৰি গুচি গলে কিবা এটা শূন্যতা আহি যাব, প্ৰথম দিনাৰেপৰা তেওঁক কলেজত দেখি আহিছো, মোৰ ওচৰত নাথাকিলেও এবাৰ দেখা পাইছো, কিন্তু আৰু কেইদিনমান পিছত কি হব? আজিকালি লগ পালেই সেইবোৰ কথাই পাতো, তেওঁ কয় পঢ়াত মন দিবা, মোৰ কথা ভাবি নাথাকিবা, কিন্তু সেয়া জানো সম্ভৱ? সব কথাতেই মনত পৰিব তেওঁলৈ, মোৰ এনেকুৱাই হয়, কাৰোবাক যেতিয়া বহুত বেছি

ভাল পাওঁ, সেই মানুহবোৰ মোৰ ওচৰত নাথাকিলে মোৰ একোকে ভাল নালাগে, আৰু অৰ্ণৱ এতিয়া মোৰ বাবে কি সেইয়া মই তেওঁকো বুজাব নোৱাৰোঁ, মা দেউতাৰ বাহিৰে যদি কাৰোবাক ইমান বেছি ভাল পাইছো সেইয়া হৈছে অৰ্ণৱ।

লাহে লাহে তেওঁৰ যোৱাৰ দিন চমু চাপি আহিছে, তাতে প্ৰজেক্টৰ কামত অৰ্ণৱ বহুত বেছি ব্যস্ত আজিকালি। তেওঁলোকৰ theory class বেছি নাথাকে, গতিকে কলেজতো নেদেখো। উৎপল দাৰ লগত বাহিৰত কৰবাত project কৰিছে। দিনটো তাতেই পাৰ হয়, ৰাতি শোৱাৰ সময়ত মাত্ৰ ফোন এটা কৰে। এতিয়াই এনেকুৱা, আঁতৰি গলে চাগে মোক পাহৰিয়ে যাব। আজিও নেদেখিলো, ফোন এটাও নাই কৰা। বিচনাত পৰি বাৰে বাৰে ফোনটো চাই আছো।

: Hey… Sorry, I am really sorry.
: হমম
: বেয়া পাইছা?
: ওহোঁ।
: I have a good news, I cleared the interview with 99 games and my internship is assured. Exam শেষ হলেই join কৰিব পাৰিম, result অৰ কাৰণে ৰব নালাগে। Isn’t it great?
: ভাল খবৰ, congratulations.
: I am really very happy Astha. You are my lucky charm.
: হমম ।
: পোৱালিৰ বহুত খং উঠি আছে??

: নাই ।
: তেতিয়া হলে নাকটো কিয় ফুলি আছে?
: আপুনি কেনেকে দেখিলে?
: Miss Astha Baruah, I know every damn thing about you.
: একো নাজানে আপুনি।
: মই কি কি জানো, যোৱাৰ আগতে কৈ যাম, এতিয়া শুই থাকা, সৰু ছোৱালী সোণকালে শুই যাব লাগে। love you Puwali.
: Good night. Bye

এনেকুৱাই হয় আজিকালি, কোনোবা এটাৰ খং উঠাটো নিচ্ছিত। পিছে অভিমান নাথাকিলে জানো ভালপোৱা থাকে? এই অভিমান, আৰু তাৰ পাছত ইজনে সিজনৰ অভিমান ভাঙিবলৈ কৰা সৰু সৰু প্ৰচেষ্টাবোৰ, এইবোৰতেই লুকাই থাকে সুখৰ ঠিকনা। অৰ্ণৱ আৰু মোৰ বাবে JECৰ এই দিনবোৰ আমাৰ দুয়োৰে জীৱনৰ আটাইতকৈ ভাল লগা দিন, এবাৰ হেৰাই গলে আৰু ঘূৰি নাহে, ধৰি ৰাখিব খোজো বুকুৰ মাজত, যেতিয়াই মন যাব, টোপোলা খুলি উলিয়াই আনিম, আকৌ জীয়াম, আস্থা আৰু অৰ্ণৱৰ কাহিনী লিখিম।

চাওঁতে চাওঁতে পৰীক্ষা পালেহি,মনটোক বহুত বুজাই পঢ়াত লগাইছো, মোৰ পৰীক্ষা শেষ হোৱাৰ পাছতেই অৰ্ণৱ যাবগৈ, মাজত মাত্ৰ এটা দিন পাম। নিশাই বুজাই, আকৌ আহিব নহয়, তই বেছি ভাবি থাক কথাবোৰ। কিন্তু কি কৰিম, সব মানুহ practical হব নোৱাৰে, মোৰ দৰে emotional fool (সুজাতাৰ ভাষাত) এতিয়াও এইখন পৃথিৱীত জীয়াই আছে, আৰু আমাৰ

কাৰণে ভালপোৱাই সকলো, তাৰ পাছতহে বাকীবোৰ। যেনেতেনে পৰীক্ষাটো শেষ কৰিলো, অৰ্ণৱৰ লগত ভালকৈ কথাও পতা নাই এইকেইদিন। কিন্তু আজি পৰীক্ষা শেষ কৰি ওলাই আহিও তেওঁক লগ নাপালো, ফোন কৰোঁতে আজি লগ কৰিব নোৱাৰিম বুলি কলে। কিন্তু কিয়? কি কামত ইমান ব্যস্ত হৈ পৰিল অৰ্ণৱ। হয়তো মোক এৰি চলাৰ অভ্যাস এতিয়াই গঢ়ি লৈছে তেওঁ।

আগলৈ...

খণ্ড ৮

গোটেই দিনটো এবাৰো নেদেখিলো, ৰাতিও ফোন নকৰিলে, মাজত মাত্ৰ এটা দিন, তাৰ পাছত মোক এৰি হাজাৰ মাইল দূৰলৈ গুছি যাব অৰ্ণৱ, বুকুৰ ভিতৰখন বৰ খালি খালি লাগিছে আজি, তাতে অৰ্ণৱে ইমান কিয় আঁতৰি চলিছে মোৰপৰা। কাইলৈও যদি মোক লগ নকৰে?????নিজেই ফোন কৰিলো।

: শুৱা নাই পোৱালি?
: ওহোঁ। কিয় নাহিলে আজি?
: Aah, its a long story, কাইলৈ লগ কৰি কম। hey I need some help in packing... Please help me tomorrow.
: মানে?
: মানে কাইলৈ মোৰ ইয়ালৈ আহি মোক হেল্প কৰি দিবা।

: নাযাও দেই তাৰ্লে, বাহিৰতে লগ কৰিম।
: খাই পেলাম নি মই এনেকে কৈছা যে, অকলে আহিব নালাগে নহয়, তোমাৰ লগৰ সেই দুটাকো লৈ আহিবা, উৎপলে লান্স কৰাব সবকে।
: সেই দুটা বুলি কৈছে যে, নিশা আৰু অনুৰাগ বুলি কব নোৱাৰে নেকি?
: বেছি খং নকৰিবা, নহলে কাইলৈ নিজে পস্তাবা।

গৰম তেজ বৈ আহিল গাল দুখনলৈ, অৰ্ণৱৰ এনেকুৱা কথাবোৰৰ অৰ্থ বুজি পাওঁ আজিকালি। এবাৰ বেছি মুখ ফুলাই থাকোঁতে টপককৈ গালতে চুমা এটা খাই দিছিল, নিশাৰ সন্মুখতে, কিমান লাজ পাইছিলো বুজাব নোৱাৰোঁ। তেতিয়াৰেপৰা সাৱধান হলো, অৰ্ণৱে যিকোনো কাম কৰি দিব পাৰে।

শেষৰ বাৰৰ বাবে JEC ৰ অৰ্ণৱক লগ কৰিবলৈ ওলাইছো, মনটো বেয়া লাগি আছে, একো কৰিব পৰা নাই, গা ধুই ওলাই আহি একে ঠাইতে বহি আছো, নিশাই জোৰ কৰি কাপোৰ সলাবলৈ কৈ আছে, মোৰ কিন্তু মন যোৱা নাই।

: আস্থা, এনেকুৱা কিয় কৰিছ? অৰ্ণৱ দাৰ কথা ভাৱ, তাৰ জানো যাবলৈ মন যাব তই এনেকে থাকিলে।

হয়তো, মই তেওঁৰ কথা কিয় ভবা নাই এবাৰো, মই এনেকৈ থাকিলে তেওঁৰ বেয়া লাগিব, নিজকে বুজালো, উঠি গৈ কাপোৰ সলালো, কলা চুৰিদাৰযোৰৰ লগত অৰ্ণৱৰ প্ৰিয় ৰঙা ৰঙৰ

জয়পুৰী দোপাত্তাখন মিলাই ললো, চুলিখিনি তেওঁ ভালপোৱাৰ দৰেই খুলি ৰাখিলো। বেগটো খুলি অৰ্ণৱৰ বাবে থোৱা উপহাৰটো উলিয়াই আনিলো, বিশেষ একো দিব নোৱাৰোঁ, মাথোঁ আমাৰ মিঠা মিঠা সময়বোৰৰ এখন কলাজ, মই লিখি থোৱা আমাৰ ভাল লগা মুহূৰ্তবোৰৰ সাক্ষী মোৰ সৰু ডায়েৰীখন, আৰু A লিখা এটা চাবি ৰিং। তাতকৈ বেছি দিব পৰা ক্ষমতা মোৰ নাই। বস্তুকেইটা হাতত লৈ ওলাই আহিলো। অনুৰাগে অট’ এখন মাতি আনিলে। অৰ্ণৱে ফোন কৰি আছে, নিবলৈ আহিব খুজিছিল, মই ইহঁতৰ লগত যাম বুলি মানা কৰিলো।
ভবাৰ দৰেই গেটৰ সন্মুখত ৰৈ আছে অৰ্ণৱ, হোৱাইট টি ছাৰ্ট আৰু ব্লু জিন্চ পিন্ধি আছে, চুলিখিনি তিতা, ওচৰ পাওঁতেই চিনাকি সুগন্ধিটো নাকত লাগিল। চকু মুদি উশাহত সামৰি ললো, কিমান দিনলৈ বা হেৰুৱাই পেলাওঁ। ওপৰলৈ উঠি গলো, উৎপল দা নাই, বজাৰলৈ গৈছে, অনুৰাগ সোমাই গৈয়ে গেম খেলাত লাগিল, মই আৰু নিশা sofa খনতে বহি আছো। অৰ্ণৱ বিচনাত বহিল, মোক চকুৰে তেওঁৰ ওচৰত বহিবলৈ মাতিলে, কিন্তু নেদেখাৰ ভাও জুৰিলো।

: আহিলা তোমালোক? মই অলপ বজাৰ কৰি আহিলো। চাহ খাবা?

উৎপল দা সোমাই আহিল, লগত এসোপামান বস্তু।

: মই বনাইছোঁ।
: অকল অৰ্ণৱৰ কাৰণে বনাবা, নে আমাকো দিবা।

গোটেইবোৰে হাঁহিলে মোৰ ওপৰত, কিহে পাইছিল নো মই বনাম বুলি কবলৈ, কলো যেতিয়া উপায় নাই। পাকঘৰটো আগতে আহোঁতে দেখিছিলো, সোমাই গলো, পিছে পিছে নিশা আহিল। চাহ বনাই থাকোঁতে অৰ্ণৱ দুবাৰমান আহিল, কিন্তু নিশা থকাৰ কাৰণে একো নকলে। গোটেইকেইটা বহি একেলগে চাহ খালো, অৰ্ণৱে বাৰে বাৰে কিবা কব খুজিও ৰৈ যায়, বুজি পাইছো, মোক কিবা ডাঙৰ কথা কবলৈ আছে, কিন্তু সুবিধা পোৱা নাই।

: এটা কাম কৰো, নিশা, অনুৰাগ আৰু মই খানা বনোৱাত লাগো। আস্থা, তুমি অৰ্ণৱৰ পেকিং কৰি দিয়া, এটা বস্তু বেগত ভৰোৱা নাই সি, মইতো আজি ঘৰলৈ যাম, ই অকলে থাকিলে আৰু একো নকৰে, তুমিয়েই কৰি থৈ যোৱা।

উঠি অৰ্ণৱৰ ৰূমলৈ গলো, সঁচাকৈ একো সামৰি থোৱা নাই, সব বস্তু বিচনাত থৈ দিছে, ওচৰতে এটা ট্ৰলী আৰু এটা ডাঙৰ পিঠিত লোৱা বেগ। কাপোৰ আৰু কিতাপৰ দম। মোৰেই মূৰ ঘূৰাই গল।

: ভয় খাব নালাগে, তুমি just মোৰ ওচৰত বহি থাকা, মই কৰি লম।

আচৰিত হলো, নিজেই যদি কৰিব পাৰে, মোক আকৌ কিয় মাতিছিল।অৰ্ণৱৰ কথাত গুৰুত্ব নিদি কাপোৰবোৰ জপাত লাগিলো। তেওঁ আহি বিচনাখনত বহিল, মোৰ হাতৰ পৰা জাপিবলৈ লোৱা চোলাটো কাঢ়ি ললে।

: কালি তোমাৰ ওচৰলৈ কিয় নাহিলো নোসোধা?
: ওহোঁ।
: কিয়?
: কবলগীয়া কথা হলে আপুনি নিজেই কব।

বহাৰ পৰা উঠি মোৰ ওচৰত ৰ'ল, মোৰ বাউসীত ধৰি তেওঁৰ ফালে ঘূৰাই ললে...

: তোমালোকৰ ঘৰলৈ গৈছিলো কালি। এতিয়াও একো নোসোধা?

চক খাই উঠিলো, কিয় গৈছিল তেওঁ আমাৰ ঘৰলৈ?????

: মই জানো আস্থা, তুমি মাৰ পৰা একো কথাই লুকুৱাই নোথোৱা। কিন্তু এতিয়া মোৰ কাৰণে তুমি মাকো মিছা কথা কবলগীয়া হৈছে। সেইদিনা আমি নিমাতীত থাকোঁতে যে মায়ে ফোন কৰিছিল। তুমি মাক মিছা কথা কৈছিলা নিশাৰ লগত আছো বুলি, মোৰ অলপো ভাল লগা নাছিল। I never wanted to come in between you two Astha. You became so sad after that phone call, I could feel you. সেইকাৰণে ভাবিলো মা-দেউতাই যদি গম পায়, আৰু আমাক accept নকৰে, তুমি বহুত hurt হবা, and I don’t want that Astha. Trust me! I just want you to be happy.

বুকু খন ধক্ ধক্ কৰিছে, কি কলে মা দেউতাই, মোক ছাগে কি বুলি ভাবিছে।

: তোমাৰ মা বহুত ভাল আস্থা, বহুত বুজে, মোক ইমান ধুনীয়াকে প্ৰত্যেকটো কথা কলে যে মই তোমাৰ লগতে তোমাৰ মা-দেউতাকো ভাল পাই পেলাইছো, They just want you to be happy. That’s all. ময়ো কলো তোমাৰ মাক, তুমি কিমান কষ্ট পাইছা কথাবোৰ লুকুৱাই ৰাখি। আজি কথা পাতি লবা, একো নহয়। মনটো ভাল লাগিব। okay?

আকৌ এবাৰ প্ৰেমত পৰিলোঁ এই অঁকৰা লৰাটোৰ। মই নোকোৱাকৈ কেনেকে বুজি পায় সকলোবোৰ, কিয় ইমান ভাল পায় মোক। বেছি আবেগিক মূহুৰ্তবোৰত শব্দবোৰ হেৰুৱাই পেলাওঁ। একো কব নোৱাৰি সাৱটি ধৰিলো অৰ্ণৱক। তেওঁ বুজি পালে। সামৰি ললে বুকুৰ মাজত।

: Oops sorry, মই একো দেখা নাই, আস্থা তোৰ ফোন বাজি আছে। আৰু আমি Ice cream আনিবলৈ যাও, তই পেকিং কৰি ল, অৰ্ণৱ দা আপুনিও বলক আমাৰ লগত।
: What???? No way!

সদায় কিয় এনেকুৱা হয়। লাজতে মৰোঁ মৰোঁ লাগি গল, গাল মুখবোৰ পুৰি গৈছে, অৰ্ণৱক ঠেলা মাৰি নিশাৰ লগত ওলাই যাওঁ বুলি আহিব খুজিলো, কিন্তু ধৰি ৰাখিলে, এইবাৰ মৰমত নহয়, খঙত।

: Stay with me Astha.

ৰৈ গলো, হাতৰ মুঠিতো অৰ্ণৱে আৰু অলপ টানি ধৰিলে, দোষ পাই যোৱাকৈ।

: মোৰ লগত থাকিবলৈ ভয় লাগিছে? কাইলৈৰ পৰা নালাগে আৰু থাকিব। Will you miss me Astha?
: হমম ।
: Say it.
: I will miss you, Arnab.

আমাৰ মাজত এতিয়া আৰু শব্দৰ প্ৰয়োজন নাই…
চকুৰ খেলাত ওঠৰ ভাষা নিৰৰ্থক হৈ পৰে,
অৰ্ণৱৰ দুচকুত নতুন আব্দাৰ,
ভয় লাগি যোৱাকৈ আকুল,
মৰমৰ নৈ বব খুজিছে,
ভেঁটা দি ৰাখিব পাৰিম জানো আজি????
মোৰ ঘন চুলিৰ মাজত তেওঁৰ আঙুলিকেইটাই বাট হেৰুৱাই পেলাইছে, অৰ্ণৱ আৰু বেছি অস্থিৰ হৈ পৰিছে, বাৰে বাৰে মোৰ ওঁঠৰ তিলটো চুই চাইছে, এইবাৰ কাণৰ কাষত মুখ গুজি কৈ পেলালে…

: Astha.. May I?
: হমম

সৰল দুবাহুত মই কেতিয়াবাই মমৰ দৰে গলি গলি শেষ হৈ গৈছিলোঁ, এতিয়া আৰু একো কব পৰা হৈ থকা নাই। দুচকু জাপ খাই আহিল আপোনা আপুনি। কাণৰ কাষত গুণগুণাই থকা

অৰ্ণৱৰ উশাহ লাহে লাহে মোৰ গালেদি বৈ ওঁঠৰ তিলটোত ৰলহি। বুকুৰ ধক্ ধক্ দুগুনে বাঢ়ি আহিল। মাথোঁ এটি মুহূৰ্তৰ প্ৰতীক্ষা।
মোৰ কোমল ওঁঠত অৰ্ণৱৰ ওঁঠৰ প্ৰথম পৰশ।
তেজৰ সোঁতত নতুন ঢৌ!
ওঁঠে ওঁঠে বৈ আহিল ভালপোৱাৰ নৈ।
উশাহৰ প্ৰয়োজন নাই।
মোৰ আঙুলিকেইটাই কেতিয়া অৰ্ণৱৰ ঘন চুলিৰ মাজত ঠাই ললে মই নাজানো।
সময় ৰৈ গৈছে আস্থাৰ্ণৱৰ এই মধুৰ মুহূৰ্তক বান্ধি ৰাখিবলৈ।
মোৰ ডিঙিৰপৰা আতৰি গল অৰ্ণৱৰ প্ৰিয় ৰঙৰ দোপাত্তাখন, অৰ্ণৱৰ ওঁঠযুৰি ওঁঠৰ পৰা বৈ গৈছে ডিঙি লৈকে, আকৌ ঘুৰি আহিছে, গালে মুখে সানি দিছে মৰমৰ ৰঙা ৰং,মোক এৰি গলেই যেন মই হেৰাই যাম, বাৰে বাৰে সাৱটি লৈছে, গালে-মুখে আঙুলি বোলাইছে, বুকুত বান্ধি ৰখা সকলোবোৰ হেঁপাহ আজিয়েই সিঁচি দিম যেন লাগিছে, হয়তো সেইবাবেই বাধা দিব পৰা নাই অৰ্ণৱক, তেওঁৰ উমাল ওঁঠৰ পৰশক।

: I will miss you Astha, I will miss you so much.

অৰ্ণৱৰ মৰমৰ মাজত হেৰাই গৈছিলো, পাহৰি গৈছিলো আমি কত আছো, কি কৰি আছো, হঠাৎ বাহিৰত নিশাৰ মাত শুনি ঘূৰি আহিলো বাস্তৱলৈ। অৰ্ণৱেও গম পালে, এৰি দিলে মোক, দোপাত্তাখন তুলি লৈ চুলিখিনি ঠিক কৰি ললো, অৰ্ণৱ বাহিৰলৈ ওলাই গল। মইহে এতিয়াও জ্বৰ উঠা নিচিনাকৈ কঁপি আছো।

অলপ আগতে যি হৈ গল সেয়া মোৰ বাবে একেবাৰেই নতুন, মই ভুল কৰা নাইতো। আজি ইমানদিনে অৰ্ণৱ্ৰ কেতিয়াও এনেকৈ মোৰ কাষ চপা নাছিল, কিন্তু আজি কি হল।ৰুমতে থকা আইনাখনত নিজকে চালো।

: আস্থা, আহ আকৌ, চিকেন তই বনাবি। মই সব কাটি মেলি ready কৰি দিম।

নিজৰ বুকুৰ ধক্ ধক্ নিজেই শুনি আছো, হলেও ওলাই আহিলো, অৰ্ণৱ্ৰৰ ফালে চাব পৰা নাই, ভীষণ লাজ লাগিছে, লগতে ভয়ো।

: অই, ইমান কেলেই ৰঙা পৰি আছ, pressure উঠিছে নি তোৰ?

অৰ্ণৱ্ৰে বেঁকাকৈ হাঁহি এটা মাৰি চালে মোৰ ফালে, মই ঘোপাকৈ চাই পঠিয়ালো। মোৰ ফোন টোত মেছেজ কৰিছে..

: Dont think too much, Its not crime, we just kissed and I think it was the most beautiful thing ever happened to me. I love you Puwali. Dont become more red, else I will kiss you again.

আগলৈ….

খণ্ড ৯

একো reply নিদিলো ।
এইবাৰ উঠি আহি ওচৰ পালেহি।

: দুখ পালা?
: দাড়ি বিলাকে বিন্ধে।
: What?? You are damn cute Astha, I think I..

হে নমো, সব কথা কেলেই ওলাই যায় মোৰ মুখৰপৰা, অৰ্ণৱে আৰু বেছি জোকাব এতিয়া। দৌৰি গৈ নিশাৰ ওচৰ পালোগৈ। সোনকালে ঘৰলৈ যাব পাৰিলেই হয় প্ৰভু, আজিচোন অৰ্ণৱলৈ বেছি ভয় লাগিছে, ভালেই হব কাইলৈ যাবগৈ।উৎপল দা আৰু অনুৰাগে মোৰ আৰু নিশাৰ লগত সমানে কাম কৰিছে, পিছে অৰ্ণৱে পাচলি কাটিবলৈ লৈ প্ৰথমতে আঙুলিটো কাটি ললে, তাৰ পাছত আৰু তেওঁক আমি একো কাম নিদিলো, হাঁহি-ধেমালিৰে সময়বোৰ পাৰ হল,
অৰ্ণৱৰ পৰা যিমান পাৰো আঁতৰি আছো, দুবাৰমান কিবা কবলৈ ওচৰ চাপি আহিছিল যদিও মই সুবিধা নিদিলো, অদ্ভূত ধৰণৰ লাজ এটাই হেঁচা মাৰি ধৰিছে আজি। আমাৰো ঘূৰি অহাৰ সময় হল, তেওঁক উপহাৰটো দিয়াই নহল। সৱৰে আগত দিবলৈ ভালো লগা নাই। নিশাই কথাটো বুজি পালে।

: আস্থা, অৰ্ণৱ দাৰ লগত কিবা কথা আছে যদি পাতি ল, আমি ৰৈছো তলতে।

মোক দুৱাৰমুখতে এৰি গুচি গল, দুৱাৰখনৰ বাহিৰত মই, ভিতৰফালে অৰ্ণৱ ।

: এইটো আপোনাৰ কাৰণে।

উপহাৰটো আগবঢ়াই দিলো।

: কি এইটো, খুলি চাও?
: হমম।

মুখখন উজ্বলি উঠিল তেওঁৰ। ইমান সৰু সৰু কথাত ইমান বেছি সুখী হৈ পৰে অৰ্ণৱ, সদায় যেন এনেকৈয়ে ৰাখা নমো।

: Thank you so much, its so special for me! পাপা গুচি যোৱাৰ পিছত, এইটো মোৰ ফাৰ্ষ্ট গিফ্ট, এতিয়ালৈকে নিজেই নিজকে যি লাগে দি আছিলো। Thank you.

কিবা কম বুলিও ৰৈ গলো, নোপোৱাৰ হিচাপ বৰ জটিল, তাতে অৰ্ণৱৰ জীৱনত অপ্ৰাপ্তিৰ বাহিৰে একোকে নাছিল। অৰ্ণৱ ভিতৰলৈ সোমাই গ ল, ওলাই আহোঁতে হাতত এটা সৰু পলিথিন।

: Can I take this with me?
: কি সেইটো?

খুলি দেখুৱালে, মোৰ সেই দোপাত্তাখন, কপালীডাল, আৰু baby powder সানি দিয়া ৰুমালখন, লৈ যাব খুজিছে লগত। কি কৰিম মই এই মানুহটোক লৈ, কিমান ভাল পালে মানুহে এনেকৈ

বিচাৰে কাৰোবাৰ সান্নিধ্য??
মই অৰ্ণৱৰ প্ৰেমত আকৌ পৰিলোঁ, এবাৰ নহয়, হেজাৰবাৰ।
মূৰটো দুপিয়াই মাথোঁ সন্মতি দিলো।

: ভালকৈ বস্তুবোৰ চাই লব আকৌ এবাৰ, কাইলৈৰ কাৰণে alarm দি থব, মই আকৌ মনত পেলাই দিম বাৰু, পাৰিলে আপোনাৰ মাক এবাৰ ফোন এটা হলেও কৰি যাব।
: Nope, I won’t call her.

মাকৰ কথা কলেই কিয় এনেকুৱা কৰে নাজানো।

: আপোনাৰ ইচ্ছা, কৰা হলে তেখেতে ভাল পালে হয়।
: ফোন নকৰোঁ, লগ কৰি আহিম। তুমি যাবা লগত?
: সচাঁ??????

কি শুনিছো এইয়া, অৰ্ণৱ নিজৰ মাকৰ ওচৰলৈ যাব, লগ কৰিব, কথা পাতিব।

: মাৰ লগতে থাকিম আজি ৰাতি, কাইলে তাৰ পৰাই যাম। বলা তুমিও, মই থৈ যামহি আকৌ।
: ওহোঁ, আপুনি নিজৰ ইচ্ছাত যাবলৈ ওলাইছে, ইমান ভাল কথা। মায়ে কিমান ভাল পাব, তেখেতৰ লগত অকলে কথা পাতক, মই গলে এনেকুৱা লাগিব মই আপোনাক জোৰ কৰি লৈ গৈছো। তেখেতে মনত দুখ পাব। পিছত মই যাম বাৰু আপোনাৰ লগত।

: Astha.. I will miss you like hell..

কথাবোৰ লাহে লাহে নোলোৱা হৈছে, মোৰ চকুপানী ৰখাই থোৱা সম্ভৱ হৈ থকা নাই, ওঁঠ দুটা কামুৰি যেনেতেনে আছোঁ। অৰ্ণৱে হাতখন খামুচি ধৰিলে।

: Shhhh… please don’t cry. No.. Please.
: মইয়ো আপোনাক বহুত বেছি মিছ্ কৰিম, বহুত বহুত… বহুত বেছি।

ধেৰ কিবা কব খুজিছিলো, কিন্তু শব্দ হেৰাই গল, বুকুখন গধুৰ, উশাহ লওঁতে কষ্ট পাইছো।

: মই আহি থাকিম নহয়, নাকান্দিবা। আৰু মোক এটা help কৰিবানে?
: কি?
: মাজে মাজে কেতিয়াবা টাইম পালে, মালৈ ফোন এটা কৰিবা, মোৰ মালৈ। She is very lonely, and you can make anyone happy Astha, I can’t talk to her much all of a sudden, its very new for me. Will you do that for me?
: হমম, কৰিম ।

তাতকৈ বেছি আৰু একো কব নোৱাৰিলো। বাহিৰত অৰ্ণৱ ইমান খঙাল, ইমান জটিল, কিন্তু ভিতৰখন জুমি চালে একেবাৰেই সহজ, শিশুৰ দৰে কোমল। ভালপোৱাৰ লগতে তেওঁৰ বাবে সন্মান দুগুনে বাঢ়িল আজি।

: নিশা আৰু অনুৰাগ অট’ত যাওক, তোমাক মই থৈ আহিম।

না কোৱাৰ ইচ্ছা মোৰো নাছিল, ময়ো অৰ্ণৱৰ লগত আৰু অলপ সময় থাকিব বিচাৰিছিলো। বাইকৰ পিছত বহি তেওঁ নোকোৱাকৈয়ে এখন হাতেৰে মেৰিয়াই ধৰিলো, আজি যেন মোৰ ভয় লাগিছে। মোৰ অৰ্ণৱ মোৰ পৰা আঁতৰি যাব বুলি, সেইবাবেই সামৰি ৰাখিব খুজিছো, যিমান পাৰো সিমান ওচৰত। হোষ্টেলৰ ওচৰত নামি বহু সময় ৰৈ থাকিলো, তেওঁ ভিতৰলৈ যাবলৈ কোৱাৰ পাছতো নগলো, এন্ধাৰ নামি আহিল, মোৰ কিন্তু আতৰি যোৱাৰ ইচ্ছা নাই।

: আস্থা, dont do this, dont make it more difficult for me, please. মই ঘৰ যাব নালাগে?

স্বাৰ্থপৰ হৈ গলো মই, নিজৰ মাকৰ ওচৰলৈ যাবলৈ ওলাই মোৰ ওচৰত ৰৈ আছে, নিজকে অপৰাধী যেন লাগিল।

: আপুনি যাওক এতিয়া, ৰাতি ফোন কৰিব।

আৰু অলপ সময়ৰ পাছত কান্দোন ওলাই আহিব, তেওঁ বুজি পালে। মোৰ গালত লাহেকৈ হাত ফুৰাই দিলে,..

: মোৰ পোৱালি…

যেন এক আশ্বাস.. মই তোমাৰ লগত সদায় থাকিম আস্থা।

: I love you so damn much.

গুচি গল অৰ্ণৱ।
নেদেখা হোৱালৈকে চালো।

ভৰি কেইটা যেন লৰচৰ নহয়।
যেনে তেনে আহি বিছনাত পৰিলোঁহি।
গাৰুটোত মুখ গুজি উলিয়াই পেলালো হেঁচি ৰখা আবেগবোৰ।
মোৰ বুকুত এটা শিল আহি নতুনকৈ ঠাই ললেহি।
অৰ্ণৱক আকৌ কেতিয়া দেখিম নাজানো।
হে নমো, তেওঁক যেন ভালে ৰাখা সদায়।
ৰাতি মায়ে ফোন কৰিলে, অৰ্ণৱ তেনেকৈ ঘৰলৈ যোৱা কথাটোত মা সুখী নহয়, কিন্তু সচাঁ কথাখিনি কোৱাৰ বাবে অৰ্ণৱক বেয়াকৈ কোৱাৰো থল নাছিল।

: জীও, বাৰে বাৰে একেটা ভুল কৰি আছ তই, এতিয়াই এইবোৰ কথা ভাবিবৰ সময় হোৱা নাই, অৰ্ণৱ অলপ অস্থিৰ যেন লাগিল, তইতো তেনেকুৱা নাছিলি?

একো উত্তৰ নাই মোৰ ওচৰত, তেওঁ গুচি যোৱাৰ দুখ সামৰিম নে মাৰ খঙৰ উত্তৰ দিম।
একো ভাল লগা নাই আজি ।

: অৰ্ণৱৰ পৰিয়ালৰ কথাবোৰ এতিয়াও মোৰ বাহিৰে কোনেও নাজানে, ইমানবোৰ খেলিমেলি, মাকৰ কথা কি কি ওলাইছিল বাতৰিত সেইবোৰ তই নাজান নহয়। ঠিক আছে মানি লৈছোঁ বাৰু তেখেতৰ ভুল নাছিল, কিন্তু সমাজৰ আগত কথাবোৰ কেনেকৈ লুকুৱাই ৰাখিম। দেউতাৰে কেতিয়াও নামানে। জীও, শুনি আছনে?
: হমম।

: অলপ সময় দে, পঢ়া শুনা ভালকৈ শেষ কৰ, তাৰ পাছত এইবোৰ কথা পাতিম, কিন্তু অৰ্ণৱক অলপ ভাবি-চিন্তি কাম কৰিবলৈ কবি। এনেকে হঠাৎ ঘৰলৈ আহে নেকি?
: মা, মই কাইলৈ কথা পাতিলে হব নে? গাটো ভাল লগা নাই।

মায়ে বুজি পালে,ফোনটো থৈ দিলে।
বেয়া লাগিল, এনেকুৱা আজি প্ৰথম বাৰ হৈছে। কিন্তু মোৰ উপায় নাছিল, সচাঁ কথা কবলৈ গৈ তেওঁ কি ভুল কৰিলে বুজি নাপালো। মাৰ কৰবাত বুজাত ভুল হোৱা নাইতো।
এনেতে ফোনটো আকৌ বাজিল, এইবাৰ অৰ্ণৱ।

: হেল্লো..
: আস্থা.. মই.. কৈছো, thank you, মই তোমাক.. কেনেকে..

অৰ্ণৱৰ মাক, সুখৰ চকুলোত মাত হেৰুৱাইছে, অৰ্ণৱ নিজৰ ঘৰলৈ গৈছে, তাৰবাবে মোক ধন্যবাদ জনাইছে।

: She is very happy, thank you from both of us.

অৰ্ণৱ, সুখী অৰ্ণৱ ।
নিজৰ মা আজি মোক লৈ অসুখী, আঘাত কৰিলো কোনোবাখিনিত।
অৰ্ণৱৰ মা মোক লৈ সুখী, হেৰুৱা দিন ঘূৰাই দিলো তেখেতক।
কিয় হয় এনেকুৱা, সকলো মানুহ একে সময়তে সুখী হব নোৱাৰে কিয়?????
কিবা পোৱাৰ বিনিময়ত কিবা হেৰুৱাৰ হিচাপ ইমান নিশ্চিত

কিয়??
ভাবি পাৰ নাপালো।
জটিল জীৱনলৈ স্বাগতম আস্থা।

আগলৈ.....

খণ্ড ১০

ডায়েৰী পাতত সাঁচি ৰাখিব পৰাকৈ ভাল লগা সময়ৰ অভাৱ এতিয়া। কলেজ, কেন্টিন, বাইদেউৰ দোকান, সকলোতে কিবা এটা খালি খালি লাগে। এতিয়াই যেন পাছফালৰ পৰা মাত দিব....

: How dare you Miss Astha!

আস্।
বাৰুকৈয়ে বিন্ধিছে তেওঁৰ অনুপস্থিতিয়ে।
অপ্ৰিয় সময়ৰ অকলশৰীয়া আলিংগন!
দিনবোৰ মাথোঁ পাৰ কৰিছো, জীয়াবলৈ যেন পাহৰি গৈছো।
অৰ্ণৱে ফোনত গালি পাৰে, বাৰে বাৰে কয় JEC দিনকেইটা ভালকৈ উপভোগ কৰা, বহুত মিছ কৰিবা ওলাই অহাৰ পিছত।
হয়তো তেওঁ ঠিকেই কৈছে, কিন্তু ভাল লগাবোৰ সামৰিব পৰা হবলৈ দুখবোৰ এতিয়াও পাতল হোৱা নাই। আৰু বেছি দিক্‌ভ্ৰান্ত হোৱাৰ আগতেই মোক অলপ শান্তি লাগে।

: মাৰ ওচৰলৈ যোৱা আস্থা, please এনেকে নাথাকিবা।
: মাৰ খং উঠি আছে, গালি পাৰিব, নাযাও।
: একো নহয় যোৱা, তুমি বহুত disturbed হৈ আছা, মাৰ লগত দুদিন থাকি আহা, class miss হলেও হব, but you really need her now.
: কিন্তু…
: Just go. খং নুঠাবা মোৰ।

অৰ্ণৱে জানে মোক, মোৰ ভিতৰত চলি থকা ধুমুহাজাককৈ। সেইবাবেই জোৰ কৰি পঠিয়াই দিলে ঘৰলৈ। সকলো এৰি গুচি গলো মাৰ ওচৰলৈ। অৰ্ণৱ মোৰ ভালপোৱা, কিন্তু মা মোৰ শক্তি, মোৰ সাহস। কান্দিলো, ভুল স্বীকাৰ কৰিলো, আকৌ এবাৰ কুৰুকি কুৰুকি সোমালো মাৰ বুকুত। খুব প্ৰয়োজন আছিল সেইকণ উমৰ।

: মই আছো জীও, অলপ সময় দে, সময়ত সকলো ভাল হব।

অলপ দিন মাৰ লগত থাকি যেন মই স্থিৰ হলো। ঘূৰি আহিলো JEC কেম্পাছলৈ।

প্ৰেমে মানুহক বহুত কিবাকিবি শিকায়, আমি মাথোঁ তাৰে মাজৰ ভালখিনি লব জানিলেই হল। অৰ্ণৱৰ বাবেই হওক, আমাৰ প্ৰেমৰ বাবেই হওক, নাইবা মা-দেউতাৰ সপোনৰ বাবেই হওক, মই সম্পুৰ্ণ চেষ্টা কৰিছো পঢ়া শুনা ভালকৈ কৰিবলৈ। এতিয়া মই আৰু নিশা হোষ্টেল নাইনত থাকোঁ, Extension এৰি আহোঁতে বৰ বেয়া লাগিছিল। JEC লৈ নতুন batch আহিল,

পিচে নিজকে এতিয়াও চিনিয়ৰ যেন লগাই নাই, আমাতকৈ সৰু কোনোবাই ‘বা’ বুলি মাতি দিলে প্ৰথমতে ধৰিবই নোৱাৰো। লাহে লাহে আকৌ ভাল পাবলৈ লৈছো JEC কেম্পাছ। দিনটোৰ শেষত যেতিয়া অৰ্ণৱৰ লগত কথা পাতোঁ, বৰ্ণনা দিওঁ JEC ৰ প্ৰতিটো খবৰ, তেওঁ কয় মোৰ কলিজাটো তাতে থৈ আহিছো, ভালকৈ বিচাৰিলে পাই যাবা। আকৌ এবাৰ লাজতে ৰঙা পৰোঁ।

দূৰে দূৰে থাকি যেন আমাৰ ভালপোৱা আৰু বেছি বাঢ়ি গৈছে, এবাৰ কাষত পোৱাৰ হাবিয়াসে বুকুত এতিয়া বেছিকৈ খুন্দিয়ায়। ৰাতিবোৰ কথা পাতি পাতি পাৰ কৰোঁ, দিনবোৰ তেওঁক বুকুত কঢ়িয়াই। অৰ্ণৱ এতিয়া মোৰ সমগ্ৰ সত্তা জুৰি বিয়পি থাকে, যেতিয়াই মন যায়, উশাহত সামৰি লওঁ। পাৰ কৰিব লাগিব তিনিটা বছৰ, এনেকৈয়ে।
কষ্ট হব, জানো। কিন্তু আহিবলগীয়া ৰঙীন দিনৰ সপোন দেখি পাৰ কৰিম এই তিনিটা বছৰ।

অৰ্ণৱবিহীন দিনৰ স্মৃতি নাৰাখো কতোৱেই, মোৰ ডায়েৰীৰ পাতত খোদিত হব পৰা ৰঙীণ সময় এতিয়া নাই। এতিয়াৰ সময় কেৱল ব্যস্ততাৰ। ক্লাছৰ উপৰিও বহুত কিবাকিবি শিকিছো। সাংঘাটিক ধৰণে ভাল লাগিছে Coding. সৰু সৰু Project কৰিবলৈ ললো। অৰ্ণৱৰ freelance project বিলাকৰ কোনোটো অংশ মই কৰি দিওঁ। নিজেও শিকো, তেওঁৰো সহায় হয়। তাৰ মাজতে Ethical hacking, personality development, communication skill, Automation এই সকলোবোৰ ৱৰ্কচপত

অংশগ্ৰহণ কৰিলো। কথা কবলৈ ভয় কৰা মইজনীয়ে ধুনিয়াকৈ প্ৰেজেণ্টেচন দিব পৰা হলো। অসমীয়া মাধ্যমত পঢ়া শুনা কৰি আহিও ইংৰাজী সলসলীয়াকৈ কব পৰা হলো। নিজক প্ৰস্তুত কৰা এই সময়খিনিত বুজি উঠিলো, JEC জীৱন কিমান মাদকতা ভৰা। সঁচাকে, JEC জীৱন বহুত ভাল লগা। পাৰ কৰিলো তিনিটা বছৰ। হাঁহিলো, কান্দিলো, বহুত পালো, কিছু হেৰুৱালো, বন্ধুৰ তালিকা দীঘল হল, কিন্তু নিশা সকলোতকৈ বেছি আপোন সদায়ে। গোটেইসোপা একেলগে কেতিয়াবা ফুৰিবলৈ যাওঁ, পিকনিকত গলো দুবাৰমান, কলেজ উইক্, PHOENIX সকলোতে উৎপাত আমাৰ। নিশা আৰু ৰাজীৱ কৃপাত মোৰ লাজ বহুতখিনি ভাগিল। কিন্তু এতিয়াও বেছি কথা নকওঁ, দুইজনীয়ে কৈ থাকে, মই শুনি শুনি হাঁহি থাকো। অৰ্ণৱৰ মাকৰ ওচৰলৈ যাওঁ মাজে মাজে, কেতিয়াবা তেখেতে নিজে আহি মোক লৈ যায়, মোৰ লগত তেওঁৰ বন্ধুত্বৰ সম্পৰ্ক। দুয়ো মিলি অৰ্ণৱৰ ক্লাছ লওঁ কেতিয়াবা। এনেকৈয়ে পাৰ হৈছে দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি।

ব্যস্ততাই মানুহক দুখৰ পৰা আঁতৰাইহে ৰাখিব পাৰে, কিন্তু সুখী কৰিব নোৱাৰে।

ডায়েৰী খুলি আকৌ সামৰি থওঁ, বিচাৰি নাপাও সেই ‘বিশেষ’ সময়।

হয়তো ঘূৰি আহিব আকৌ, কলম তুলি আকৌ লিখিম ভাল লগাবোৰ। বেয়া লগাবোৰ পাৰ হওক, কতো স্মৃতি ৰাখি নোথোৱাকৈ।

হেৰুৱা দিনৰ সুবাস বিচাৰি….. আজি আকৌ মেলিছো ডায়েৰীৰ পাত, সুদীৰ্ঘ পাচোঁটা বছৰৰ পাছত….

JEC ৰপৰা ওলাই যোৱাৰ পাছত, অৰ্ণৱ মাত্ৰ এবাৰ আহিছিল মোৰ ওচৰলৈ, তাকো মাত্ৰ এসপ্তাহৰ কাৰণে। দুদিন ভালকৈ লগ পালো, আমাৰ প্ৰিয় ঠাইখিনিত বহিলো, কথা পাতিলো.. সপোন দেখিলো.. আজি আকৌ এবাৰ মনত পেলাইছো সকলোবোৰ। কাৰণ ঘূৰি আহিছে ভাল লগা দিন, ভাল লগা সময়।

: You are still the same Astha.
: মানে?
: মানে, এই ইমানদিনৰ মূৰত যে লগ পাইছো, সব কিন্তু একেই আছে।
: ওহোঁ, একে নাই।
: কেনেকৈ?
: আপুনি মোৰ লগত কথা পাতি পাতি অসমীয়া ভালকৈ কব পৰা হৈছে আৰু।

দুয়োটাই প্ৰাণ খুলি হাঁহিছিলো।

: BE শেষ হলেই লৈ যাম তোমাক, I can’t stay away from you Astha.
: লৈ যাম মানে?
: মোৰ লগত থাকিবা, লগত নহলেও ওচৰত কৰবাত, এনেকে বৰ কষ্ট হয় মোৰ।

ভাল লাগিছিল তেওঁৰ কথাবোৰ শুনি, অৰ্ণৱ সেই একেই ৰূপত আজিও মোৰ ওচৰত। মোৰ প্ৰতি তেওঁৰ হেঁপাহ এতিয়াও সীমাহীন।

: এসপ্তাহৰ পাছত TCS আহিব, যদি হৈ যায় ভালেই, নহলে কি কৰিম নাজানো।
: কিয় নহব, ভালকৈ দিবা, Technical round clear হলে বাকীখিনি হৈ যাব।
: হমম।
: ঘৰলৈ যাবা?

গৈছিলো অৰ্ণৱৰ ঘৰলৈ, মাকৰ লগত সময় কটাইছিলো, কথা পাতিছিলো।
ওচৰত কোনো নথকা সময়খিনিত অৰ্ণৱৰ মৰমৰ উমান লৈছিলো, টানি নিছিল বুকুৰ মাজলৈ।

: কোনোবাই দেখিব। Please…
: I dont care. কিয় আহিছিলা ৰঙা পিন্ধি, Now suffer.

হাৰি গৈছিলো, এৰি দিছিলো নিজকে।
তেওঁৰ ওঁঠৰ মাজত হেৰাই গৈছিল মোৰ দুটি ওঁঠ, ৰঙা পৰা দুগাল।

: I want you Astha.

ধক্।

: আস্থা, চাহ খাই লোৱাহি আহা।

ৰেজীয়া বাইদেউৰ মাত শুনি তেওঁক ঠেলি আঁতৰি আহিছিলো, অৰ্ণৱৰ খং আকৌ দেখিছিলো, চকু কেইটা ৰঙা। গৰম চাহ কাপ একে শোহাতে খাই পেলাইছিল, মোৰ পৰা চকু আতঁৰাই নিনিয়াকৈ। হয়, প্ৰায় দুটা বছৰৰ পাছত লগ পাইছিলো, তাকো আধৰুৱাকৈ। অভিমানৰ টোপোলাটো বুকুত বান্ধি গুচি গৈছিল অৰ্ণৱ।
অৰ্ণৱ গুচি যোৱাৰ কিছুদিন পিছতে Campus Recruitment অৰ কাৰণে TCS আহিল। মোৰ ওপৰত তেওঁৰ বিশ্বাস মিছা নাছিল, TCS অৰ interview Clear কৰিছিলো, মই আৰু নিশা দুয়োজনীয়েই, লগতে অনুৰাগেও, অৰ্ণৱৰ ভাষাত 3 Idiots একেলগে এইবাৰ TCS অত। কিমান যে ফুৰ্টি লাগিছিল সেইদিনা, মা-দেউতা পিছদিনাই গৈ হোষ্টেল ওলাইছিল গৈ।

JEC য়ে মোৰ জীৱনৰ আটাইতকৈ ভাল লগা দিনবোৰ উপহাৰ দিলে, এৰি আহিবৰ সময়ত পাগলৰ দৰে কান্দিলো, ডায়েৰীৰ পাতত তোমাক জীয়াই ৰাখিম বুলি প্ৰতিশ্ৰুতি দিলো। যেতিয়াই নিজকে অকলশৰীয়া যেন অনুভৱ কৰিম, JEC ৰ স্মৃতি বুটলি জীয়াই থকাৰ হাবিয়াস ঘূৰাই আনিম। চাৰিটা বছৰৰ অনুভৱ লৈ JECক বিদায় দি আহিলো, আৰম্ভ হল এক নতুন জীৱন।
আমাৰ পোষ্টিং কলকতাত হল, অৰ্ণৱ এতিয়াও বাংগালোৰত, ঘৰৰ পৰা যোৱাৰ আগতে আইতাৰ মতে আঙুঠি পিন্ধোৱা নিয়ম কৰিব লাগে, কিন্তু অৰ্ণৱে বাধা দিলে। অলপদিন মই ভালকৈ চাকৰি কৰি নিজকে establish কৰাটো তেওঁ বিচাৰিছিল। এইবিলাক নীতি নিয়ম আমাৰ বাবে সিমান প্ৰয়োজনীয়

কেতিয়াও নাছিল। ভালপোৱাত বিশ্বাস নাথাকিলে এটা ধাতুৰ আঙুঠিৰে তাক বান্ধি ৰখাৰ অৰ্থ নাথাকে। মা দেউতাৰ আশীৰ্বাদ মোৰ লগত সদায় আছিল, আৰু মোৰ বাবে সমাজৰ কথা সদায়ে মা-দেউতাৰ ইচ্ছাৰ পাছতহে আহিছিল। ইতিমধ্যে অৰ্ণৱে কোম্পানী এৰি Freelancing কৰা আৰম্ভ কৰিছিল। নিজৰ কামক লৈ তেওঁ সুখী আছিল। নিজৰ নতুন নতুন কামবোৰ মোৰ লগত আলোচনা কৰে, কেতিয়াবা মোৰ সহায় লয়, কেতিয়াবা মই তেওঁৰ সহায় লওঁ। আমাৰ ভালপোৱা যেন দূৰে দূৰে থাকিও অলপো সলনি হোৱা নাছিল। আজিও অৰ্ণৱৰ খং উঠিলে ভয় লাগে মোৰ, ফোনত বেছি ৰোমান্তিক হলে লাজতে ৰঙা চিঙা পৰোঁ, তেওঁ বুজি পায়, সেইবাবেই বেছি কৰে কেতিয়াবা। মৰম ভালপোৱা যিমান, কাজিয়াও সিমানেই, খুট খাট লাগিয়েই থাকে, কেতিয়াবা ডাঙৰ হৈ যায়, দুবাৰমান ব্ৰেকআপ কৰাৰ কথাও আহি পৰিছিল, পিছে দুয়োটাই জানো, আমি ইজনে-সিজনক এৰি থাকিব নোৱাৰোঁ বুলি।
কিন্তু অৰ্ণৱৰ অতীত তেতিয়াও মাৰ বাহিৰে ঘৰত কোনেও নাজানিছিল। অজান আশংকাত বুকুখন কঁপি উঠিছিল মাজে মাজে।
আজিৰ এই বিশেষ দিনটোত, ভাল লগা বেয়া লগা সকলো স্মৃতিয়ে ভিৰ কৰিছেহি বুকুত, সেমেকা চকুৰে তিতি গৈছে ডায়েৰীৰ প্ৰতি খিলা পাত।

: আস্থা,তই পাগল হলি নে কি? ৰাতি পুৱাব এতিয়া। ডায়েৰী পঢ়া বাদ দে। মায়ে দেখিলে দিব ঠিকছে। And for your kind information, you are getting married today.

: কি? আজি??

অন্তিম খণ্ড

হে ভগৱান, কালি ৰাতিৰে পৰা মই ডায়েৰী পঢ়ি পঢ়ি কেতিয়া ৰাতি পুৱাল গমেই নাপালো। ওচৰতে নিশা শুই আছে, ঘৰত অসংখ্য মানুহ, কোনো নহাকৈ থকা নাই মোৰ বিয়ালৈ। হয়, মোৰেই বিয়া, কাইলৈ বুলি কব নোৱাৰি, এতিয়া ৰাতিপুৱা তিনিটা বাজি গৈছে, আৰু মই মোৰ JEC ৰ ডায়েৰী পঢ়ি আৰু এৰাতি উজাগৰে কটালো। এনেকুৱাই হয়, যেতিয়া কোনোবাই মোক অৰ্ণৱ আৰু মোৰ ভালপোৱাৰ কাহিনী সোধে, মই আকৌ সেই পুৰণা দিনবোৰলৈ ঘূৰি যাওঁ। অৰ্ণৱ আৰু আস্থাৰ কাহিনী শুনাওঁ সকলোকে। JEC ৰ পৰা ওলাই অহা আজি তিনিবছৰ হৈ গল, কিন্তু এনেকুৱা লাগে এতিয়াও সেই campus এৰি আহিব পৰা নাই, অৰ্ণৱ আৰু মোৰ প্ৰথম প্ৰেমৰ মিঠা মূহূৰ্ত বোৰ JEC ৰ মাজতে এতিয়াও সজীৱ হৈ আছে। কি দিয়া নাই মোক মোৰ JEC খনে, অৰ্ণৱৰ দৰে এজন প্ৰেমিক, নিশাৰ দৰে এজনী বান্ধৱী, মা-দেউতাক সুখী কৰিব পৰাকৈ এটা চাকৰি।

: সৰু মইনা অ’, উঠ আকৌ, কাইলৈ পৰা আৰু এইখন ঘৰত…

আইতাৰ কান্দোন আৰম্ভ হলেই, এইকেইদিন চকুপানী টুকি টুকি জুপুকা মাৰি বহি থাকে। মোৰ আজলি আইতাজনী। মায়ে যেতিয়া অৰ্ণৱৰ পৰিয়ালৰ সকলো কথা খুলি কৈছিল, প্ৰথমতে সকলোতকৈ বেছি আপত্তি আইতাই কৰিছিল এইখন বিয়াক লৈ। মাৰ ভয় মিছা নাছিল। অৰ্ণৱৰ অতীতৰ কথাবোৰ শুনাৰ পাছত আমাৰ বিয়াৰ কথা কোনেও মানি লোৱা নাছিল, কেৱল মাৰ বাহিৰে। দেউতাই মোৰ লগত কথা পতা বন্ধ কৰি দিছিল, আইতাই বাৰে বাৰে বুজাইছিল মোক এনেকুৱা নকৰিবলৈ, হাৰ মানিছিলো মই, অৰ্ণৱ আঁতৰি গৈছিল এইবিলাক দেখি, তেওঁ জানিছিল দেউতাৰ মনত দুখ দি মই কেতিয়াও সুখী হব নোৱাৰোঁ। সম্পৰ্ক শেষ কৰিছিলোঁ, কিন্তু ভালপোৱা নহয়, প্ৰায় এবছৰ দিন আমাৰ মাজত কোনো যোগাযোগ নাছিল। নিশা আৰু অনুৰাগে দেখিছিল মোৰ সেই ভয়াৱহ দিনবোৰ। বেলেগ এজনী আস্থা হৈ পৰিছিলো মই, হাঁহিবলৈ পাহৰি গৈছিলো, একো ভাল নলগা হৈ গৈছিল। কিন্তু মোৰ যি পৰিস্থিতি হৈছিল, তাত কোনোবা নহয় কোনোবাই আঘাত পোৱাটো নিশ্চিত আছিল, আৰু মই মোৰ নিজতকৈ বা অৰ্ণৱতকৈও দেউতাক বেছি ভাল পাওঁ, সেইবাবে তেওঁক সুখী কৰাৰ সিধান্ত লৈ পেলাইছিলো। অৰ্ণৱে এবাৰো সোধা নাছিল কিয় শেষ কৰিছোঁ এই মধুৰ সম্পৰ্ক, মাত্ৰ আঁতৰি গৈছিল। তেওঁৰ মাকে বহুত চেষ্টা কৰিছিল বুজাবলৈ। কিন্তু আইতা আৰু বৰদেউতাই মানি লোৱা নাছিল, আৰু সেইবাবেই দেউতাও বাধ্য হৈছিল। আজিও মনত আছে সেই দিনটো, মায়ে ফোন কৰি মাতি

পঠাইছিল মোক, মোক চাবলৈ কোনোবা লৰা আহিব, গতিকে মই ঘৰলৈ আহিব লাগে। একো প্ৰশ্ন নকৰাকৈ সাজু হৈছিলো। মই যেন কিবা ভাবিব পৰা অৱস্থাত নাছিলো তেতিয়া। আলহীৰ আগত ওলাবলৈ মায়ে ৰঙা পাটৰ কাপোৰ এযোৰ পিন্ধিবলৈ দিলে, তেওঁৰ প্ৰিয় ৰং দেখি বুকুখন মোচৰ খাই গৈছিল, পিন্ধি ওলালো, সকলো সুখী আছিল মোৰ বাহিৰে। মোক আৰু লৰাজনক কথা পাতিবলৈ দিয়া হল। মই স্পষ্টকৈ জনাই দিছিলো, অৰ্ণৱ আৰু মোৰ কথা, মই নিজৰ লগতে আন কাৰোবাৰ জীৱন ধ্বংস হোৱাটো একেবাৰেই বিচৰা নাছিলো। উভতি গৈছিল সকলো, দেউতাক অপমান কৰিছিল, কিন্তু মই নিৰুপায়, মিছাৰ আশ্ৰয় লৈ মই কাৰোবাক সুখী কৰিব নিবিছাৰো।

: মাজনী, কিয় কৰিছ এইবোৰ? অৰ্ণৱক পাহৰি যা, আইতাৰ তোৰ বিয়া লৈ বহুত আশা, কেলেই কষ্ট দিছ এই বুঢ়া বয়সত।
: জানি বুজি একো কৰা নাই দেউতা , আজিলৈকে তোমালোকৰ অনুমতি অবিহনে মই একো কৰা নাই, আগলৈও নকৰোঁ, অৰ্ণৱ সদায় মোৰ মনত জীয়াই থাকিব, আইতাৰ আশা অৰ্ণৱৰ লগত বিয়া হৈও পূৰাব পাৰিলোহেঁতেন।তোমালোকে কষ্ট পাবা বুলিয়েই নিজৰ ইচ্ছাক বহুত বাৰ সামৰি ৰাখিছো দেউতা। অৰ্ণৱ মোৰ বাবেই আহি থাকিব বিচাৰিছিল কলকাতাত, সেই কথাটো মই প্ৰথমতে মাক সুধি লৈছিলো, এবাৰ নালাগে বুলি কোৱাত আমি আৰু সেই কথা দ্বিতীয় বাৰ নাভাবিলো। অৰ্ণৱে কেৱল মোকেই ভাল নাপায় দেউতা, তোমালোককো মোৰ সমানেই

ভাল পায়। চাকৰি কৰাৰ দিন ধৰি দুয়োটাই সপোন দেখিছিলো, আমাৰ এটা নিজা ঘৰ হব, তোমালোকো থাকিবা আমাৰ লগতে, মই কেতিয়াও তোমালোকক অকলশৰীয়া কৰিব বিচৰা নাছিলোঁ দেউতা। এইবোৰ কথা অৰ্ণৱে বুজিছিল, মোৰ সৈতে আলোচনা কৰিছিল। দৰমহাৰ পইচা সাঁচি ৰাখিছিলো নিজৰ দৰকাৰী বস্তু নিকিনি, ভাবিছিলো বিয়াৰ পাছতে লৈ যাম তোমালোকক, বহুত সপোন দেখিছিলো দেউতা, একেদিনাই ভাঙি পেলাব নোৱাৰোঁ। মোৰো এটা মন আছে, ভাল ছোৱালী হবলৈ গৈ সেই মনটোকে মাৰি পেলাব লগীয়া হল।
: কিন্তু অৰ্ণৱৰ পৰিয়ালৰ কথাবোৰ জনাৰ পাছত..
: তাত তেওঁৰ কি দোষ আছিল দেউতা, বুজাই দিয়া মোক, কত ভুল হৈছিল অৰ্ণৱৰ???
আৰু কিমান কষ্ট দিব তেওঁক এই সমাজখনে। তুমি আৰু মায়ে কি বুজি পোৱা নাই?
আইতাৰ কথা বাৰু নকওঁ। আন কাৰোবাৰ লগত বিয়া হৈ গলে মই আৰু 'মই' হৈ নাথাকিম দেউতা।

দেউতাৰ লগত তৰ্ক কৰি নিজেও দুখ পাইছিলো, কিন্তু সেয়া জৰুৰী আছিল, সমাজে কি কব ভাবি আমি কেতিয়াবা বহুত ভুল কৰি পেলাওঁ, কিন্তু সমাজ জানো আমিয়েই গঢ়া নাই?? পিছদিনাই গুচি গৈছিলো কলিকতালৈ, ঘৰত কাৰো মাত নাপালোঁ, আইতাই কান্দিছিল, দেউতা নিমাত, মায়ে অসহায় দৃষ্টিৰে চাইছিল। বৰ বেয়াকৈ হাৰি গৈছিলো মই।
কিন্ত এমাহ মান আগতে হঠাতে এদিন অৰ্ণৱ আহি ওলাইছিল

মোৰ ঘৰত, দেউতা বৰদেউতা আইতা সকলো হাৰি গৈছিল তেওঁৰ মোৰ প্ৰতি থকা ভালপোৱা আৰু দায়িত্ব বোধ দেখি। তেওঁ কাকো জোৰ কৰা নাছিল, অপমান কৰা নাছিল, কিন্তু দেউতাৰ মন সলনি কৰাত সফল হৈছিল। তেওঁ কি কৰিলে, কেনেকৈ কৰিলে নাজানো, মাথোঁ মোলৈ ফোন কৰি কলে…

: You will shift to Bangalore or I should come to Kolkata .

একো আওভাও নাপালো, ইমান দিনৰ মূৰত ফোন কৰিছে, কোনো ধৰণৰ খং অভিমান একো নাই। একেবাৰেই সহজ হৈ কথা পাতিছে। আচৰিত হলো।

: কি কৈছে একো বুজি পোৱা নাই।
: বুজি পাব নালাগে। I can’t wait anymore to live with you. So maximum one month. That’s it. We are getting married Miss Astha Baruah.
: দেউতাই…
: কথা পাতা।

তেওঁৰ ফোনত দেউতাৰ লগত কথা পাতিলো, ভালকৈ একো ধৰিব পৰা নাই কি হৈছে,
দেউতাই এষাৰ কথা মাত্ৰ কলে..

: দেউতাৰৰ জানো ভুল হব নোৱাৰে? বেয়া পায় নেথাকিবি মাজনী। ঘৰলৈ সোনকালে আহিবি।

সেইদিনা ঘৰত কি হল, কেনেকৈ হল আজিলৈকে মোক কোনেও নকলে। কিন্তু অৰ্ণৱৰ আৰু ধৈৰ্য্য নাছিল, এনেকৈ দূৰে দূৰে থকাটো দুয়োৰে বাবে কষ্টকৰ আছিল।
মাহঁতে কথা পাতি বিয়াৰ দিন ঠিক কৰিলে, একেবাৰেই সাধাৰণকৈ, বেছি আনুষ্ঠানিকতা আমি দুয়োটাই বেয়া পাওঁ। কিন্তু মোতকৈ বেছি উৎপাত নিশাৰ। মোৰ কাপোৰ-কানিৰ পৰা আৰম্ভ কৰি photography লৈকে সকলো দায়িত্ব তাই আৰু অনুৰাগে ললে। অৰ্ণৱৰ সময় নাই, কিহত ব্যস্ত নাজানো, বিয়াৰ পাছতহে কব বোলে। এবছৰতকৈ বেছি হল তেওঁক নেদেখা, লগ কৰিব বিচাৰিলে কয়, একেবাৰে বিয়াৰ দিনা চাই লবা ভালকৈ। আজিয়েই সেই ভাল লগা দিনটো।
আস্থা আৰু অৰ্ণৱৰ ভালপোৱাৰ সফলতা উদ্‌যাপন হব আজি। কিমান বাধা নেওচি এই দিনটো আমি পাইছোহি সেয়া আনে বুজিব নোৱাৰে।
কিমান বাৰ যে লাগিছিল তেওঁক হেৰুৱাই পেলালো বুলি, কিন্তু সচাঁ ভালপোৱাৰ সদায়ে জয় হয়।
বহি থকাৰপৰা দেউতালৈ চাইছোঁ, আলহীৰ আগত গৰ্বেৰে কৈছে, মোৰ আৰু অৰ্ণৱৰ কথা। আইতা এবাৰলৈকো মোৰ ওচৰৰ পৰা আঁতৰি যোৱা নাই। মায়ে মাজে মাজে সুধি থাকে কিবা খাবি নেকি, অলপ জিৰাবি নেকি। নিশা, অনুৰাগ, ৰাজী, টিনা গোটেই সোপা selfie লোৱাত ব্যস্ত। এইবোৰৰ মাজতে তেখেতৰ ফোন।

: ধূতি পিন্ধিবই লাগিব?
: নিয়ম হয়, কৰিব লাগিবই।
: আচ্ছা, আৰু কিমান দেৰি পিছত যাম আমি।
: দৰা অহাৰ সময় থাকে, যেতিয়াই তেতিয়াই নাহে নহয়।
: আৰু আহিলে কি কৰিবা?
: মই ওলাই নাহোঁ।
: Oh really, you won’t dare.
: এতিয়া থওঁ, আলহী আছে, এনেকে কথা পাতি থাকিলে বেয়া দেখিব…
: Anyway, আজিয়েই যিমান বাহানা আছে মাৰি লোৱা। Tomorrow night you can’t escape Miss blush Queen. কত পলাবা তেতিয়া। এবছৰৰ হিচাপ লব আছে।

ফোনটো কাটি দিলো, গাল মুখ ৰঙা হৈ গল। ইমানদিন হল তেওঁক ভালপোৱা, কিন্তু লাজ লাজ ভাৱটো মোৰ আজিও আছে, আৰু তেওঁলৈ ভয়ো সমানেই লাগে এতিয়াও। লগৰ সবেই এইটো কথা লৈ জোকায়, কিন্তু অৰ্ণৱৰ খঙটো দেখিলে নিজেই বুজি পায়।

: অই, দৰা আহি পালেহি দেই।

ধক্।
কলিজাটো ওলাই আহোঁ যেন কৰিছে, এতিয়াহে যেন মই বুজি পাইছোঁ মোৰ বিয়া বুলি, ভীষণ ভয় লাগিছে, আইতাক ওচৰতে

বহাই থৈছো, সকলোবোৰ দৰা চাবলৈ ওলাই গল। মামী দৌৰি আহিল কৈ থৈ গলহি

: জোঁৱাই বৰ মিলিছে দেই তোৰ লগত। বৰ সুন্দৰ চেহেৰা।

কোনোবাই তেনেকৈ কলে বৰ ভাল লাগে মনটো।
যথা সময়ত মাৰ আঁচলত ধৰি হোমৰ গুৰিলৈ ওলাই আহিলো।
দুৱাৰ মুখত মায়ে হুকহুকাই কান্দিলে, লগতে ময়ো।
মামী আৰু বৌয়ে ধৰি নি অৰ্ণৱৰ কাষত বহাই দিলে। ওৰণিৰ তলৰ পৰা এবাৰ চালো, একেই আছে, কিন্তু আজিও পাতলকৈ দাড়ি ৰাখি থৈছে, ইমান কোৱাৰ পাছতো নাকাটিলে। পুৰোহিতৰ মন্ত্ৰ আৰু দেউতাৰ আশীৰ্বাদৰ মাজত আমি দুয়ো এক হোৱাৰ প্ৰতিশ্ৰুতি ললো।

: সেন্দুৰ দিয়া এতিয়া।

অৰ্ণৱক সেইটো কথাও দেউতাই শিকাই দিছে, ওৰণিখন অলপ খহাই দিলে, এটা সম্পুৰ্ণ বছৰৰ পাছত দেখিছে মোক, তাকো কইনাৰ সাজত, সেন্দুৰ দিবলৈ উঠা হাতখন ৰৈ গল

: কি হল, দিয়া আকৌ।

দেউতাই কৈ উঠিল।

: Astha, May I?

আস, কিমান দিনৰ মূৰত ইমান কাষৰ পৰা শুনিছো এই মাতষাৰ।

: হমম।

ভৰাই তুলিলে মোৰ উকা কপাল, তেওঁৰ প্ৰিয় ৰঙেৰে।
দুচকু ওপচি পৰিল।
আকৌ এবাৰ প্ৰেমত পৰিলোঁ মই, মোৰ স্বামী অৰ্ণৱৰ।
শিৰত তুলি ললো তেওঁৰ আশীষ।
কাষ চাপি আহিল অৰ্ণৱ।

: সেন্দুৰখিনিত কৈ তুমি বেছি ৰঙা পৰিছা। Can I kiss you here Puwali?

আস্থাৰ্ণৱৰ ভালপোৱাৰ বাংময় প্ৰকাশ।
খোপাৰ গোলাপৰ সুগন্ধি বুকুলৈকে শিপাইছে।
উৰুলিৰ ধ্বনিয়ে অন্তৰাত্মা লৈকে কোলাহল তুলিছে।
অৰ্ণৱৰ চকুত চকু থৈ আকৌ শুনিছো উশাহৰ ধক্ ধক্।
আৰু কিমান ভালপোৱা এতিয়াও ৰৈ আছে, আমাৰ বাবে, কেৱল আমাৰ বাবেই। আঁচল পাতি সামৰি লৈছো অৰ্ণৱৰ ভালপোৱা, দেউতাৰ আশীষ, মাৰ মমতা।হে নমো, আহিবলগীয়া দিনবোৰ এনেকৈয়ে ৰাখিবা।
এই সময় আমাৰ, ভাল লগা, মিঠা মিঠা।

সমাপ্ত